# স্মৃতি-বিচিত্রা

# স্মৃতি-বিচিত্ৰা

সতীশ চন্দ্ৰ কাকতী

সাহিত্য-প্ৰকাশ
ট্ৰিবিউন বিল্ডিংছ
গুৱাহাটী-৩

SMRITI-BICHITRA

Memoirs as a journalist written by Sri Satish Chandra Kakati and published by Sahitya-Prakash, Tribune Buildings, Guwahati-3 and printed at the Tribune Press, Guwahati-3.

Price Rs. 35.00 ( Rupees thirty five only ).

* প্ৰকাশক : সাহিত্য-প্ৰকাশ
ট্ৰিবিউন বিল্ডিংছ ।। গুৱাহাটী—৩

* প্ৰথম প্ৰকাশ : জানুৱাৰী, ১৯৯২ চন

* মূল্য : ৩৫·০০ টকা

* বেটুপাত : ত্ৰৈলোক্য দত্ত

* মুদ্ৰক : ট্ৰিবিউন প্ৰেছ ।। গুৱাহাটী—৭৮১০০৩

# লিখকৰ একাষাৰ

'স্মৃতি-বিচিত্ৰা' আত্মজীৱনীমূলক গ্ৰন্থ নহয়। জীৱনৰ পঞ্চাশ বছৰৰো অধিক কাল মই সাংবাদিকতাৰ লগত নিৰৱচ্ছিন্নভাৱে জড়িত আছিলো আৰু মোৰ কৰ্মক্ষেত্ৰৰ কৰ্মই একাধিকবাৰ বিদেশ ভ্ৰমণ কৰিবলৈও সুযোগ আনি দিছিল। সাংবাদিক জগতত খোজ কাঢ়োতেও বহু নেতৃস্থানীয় আৰু স্বনামধন্য ব্যক্তিৰ লগত মোৰ যোগাযোগ আৰু বন্ধুত্বও গঢ়ি উঠিছিল। সেইসকল ব্যক্তিৰ সান্নিধ্যৰপৰা পোৱা অভিজ্ঞতা আৰু বিদেশ ভ্ৰমণৰ স্মৃতিৰেই মোৰ এই 'স্মৃতি-বিচিত্ৰা'।

মোৰ 'স্মৃতি-বিচিত্ৰা' 'সূত্ৰধাৰ'ত খণ্ড খণ্ডকৈ প্ৰকাশ কৰিবৰ সুযোগ দিয়া বাবে সাংবাদিক সাহিত্যিক শ্ৰীহোমেন বৰগোহাঞিক মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। 'সাহিত্য-প্ৰকাশ'ৰ দৰে বিশিষ্ট প্ৰকাশন প্ৰতিষ্ঠানে মোৰ 'স্মৃতি-বিচিত্ৰা' গ্ৰন্থখনি প্ৰকাশ কৰিবলৈ লোৱাত মই সঁচাকৈয়ে গৌৰৱান্বিত। আশাকৰোঁ মোৰ এই স্মৃতিয়ে উত্তৰপুৰুষক সামান্য হ'লেও অনুপ্ৰেৰণা যোগাব।

১ হিলচাইড ৰ'ড
গুৱাহাটী-৭৮১০০৩
১ জানুৱাৰী, ১৯৯২ চন

শ্ৰীসতীশ চন্দ্ৰ কাকতী

# আমাৰ কৰণীয়া

প্ৰবীণ সাংবদিক শ্ৰীসতীশ চন্দ্ৰ কাকতী অসম তথা ভাৰতবৰ্ষৰ সাংবাদিক জগতৰ এজন স্বনামধন্য সাংবাদিক। তেখেতে স্বাধীনতা আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু কাৰাবাসো খাটিছিল। আঠসত্তৰ বছৰৰ দেওনা অতিক্ৰম কৰা এইজন প্ৰবীণ সাংবাদিকৰ বিগত স্মৃতিয়ে পাঠকক কেৱল মানসিক তৃপ্তিয়েই যোগাব তেনে নহয়--ভবিষ্যতৰ বুৰঞ্জীবিদৰ বাবে এইখন এখন মূল্যবান দলীল হিচাপে বিবেচিত হ'ব বুলি আমাৰ দৃঢ় বিশ্বাস আৰু সেই বিশ্বাসৰ অনু-প্ৰেৰণাতেই আমি তেখেতৰ 'স্মৃতি-বিচিত্ৰা' পাঠক সমাজলৈ আগবঢ়ালোঁ।

১ জানুৱাৰী, ১৯৯২ চন সাহিত্য-প্ৰকাশ

# ১

ফৰাছী কবি গুইলাম এপ'লোনেয়াৰৰ ( Guillaume Apollinaire ) মতে মানুহৰ স্মৃতি চিকাৰত বজোৱা শিঙাৰ শব্দ সদৃশ আৰু এনে শব্দ বতাহত লীন হৈ যায়। শিঙাৰ ধ্বনি ঘূৰাই অনা যিদৰে সহজ নহয়, মনলৈ স্মৃতিবোৰ ঘূৰাই অনাও টান কাম। তাক নিৰহ নিপা-নীকৈ লিখা বেছি টান। কিছুমান লোকে অৱশ্যে তেওঁলোকৰ স্মৃতি কথাৰ ওপৰত মনোৰম গ্ৰন্থ লিখে। জীৱনীকাৰ শ্ৰেণীয়ে আনৰ জীৱন আৰু কৰ্মৰ বিষয়ে অতি মূল্যবান গ্ৰন্থ প্ৰণয়ন কৰে যেনে প্ৰখ্যাত ইংৰাজ লেখক ড০ ছেমুৱেল জ'নচনৰ জীৱনীকাৰ জেমচ্ বছৱেলৰ ( James Boswell ) 'দি লাইফ্ অব্ চেমুৱেল জ'নচন' গ্ৰন্থখন। আন কিছুমান ব্যক্তিয়ে আত্মজীৱনী আৰু স্মৃতি-কথা সংকলন কৰি নিজে 'বছৱেল' হয়। খ্যাতনামা আইনজ্ঞ আৰু ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি এম-চি ছাগলাই তেওঁৰ স্মৃতি-কথাৰ গ্ৰন্থখনক My own Boswell নামেৰে আত্মজীৱনীখন প্ৰকাশ কৰিছে।

মই মোৰ স্মৃতি-কথা লিখি বছৱেল হবলৈ মবসাহ কৰা নাই। অৱশ্যে মহৎ লোকৰ জীৱনী পঢ়ি তেনে ব্যক্তিৰ জীৱনী লিখিবলৈ মই কলেজৰ ছাত্ৰ জীৱনৰ পৰা চেষ্টা কৰি আহিছো। এই প্ৰয়াসেৰে ১৯৩৭ চনত পণ্ডিত জৱাহৰলাল নেহৰুৰ জীৱনী সংক্ষেপে লিখি 'অসমীয়া' কাকতৰ দুই পৃষ্ঠা জোৰা আকাৰত প্ৰকাশ কৰিছিলো। তাৰ পিছতো কুৰিজন সাহিত্যিক, ৰাজনীতিবিদ, শিক্ষাবিদ অসমীয়া

ব্যক্তিৰ জীৱনী আকাৰত (জীৱনী-মালা) ১৯৪০ চনত উলিয়াও। এই পুথিখন স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত বৰ জনপ্ৰিয় হৈছিল। তথাপি একাধিক শুভাকাংক্ষী বন্ধুৰ অনুৰোধ সত্ত্বেও আজিলৈ মোৰ স্মৃতি-কথা লিখাত আগবাঢ়িবলৈ সাহ হোৱা নাছিল, কিন্তু এনে এজন বন্ধুৰ পৰা মই স্মৃতি-লেখাৰ বাবে উৎসাহ পাইছো যে এই কাম হাতত লবলৈ সাহ কৰিছো। বন্ধুজন অসমীয়া সাহিত্যৰ এজন লব্ধপ্ৰতিষ্ঠ লিখক আৰু নিৰ্ভীক সাংবাদিক মোৰ ভাতৃসদৃশ হোমেন বৰগোহাঞি। এওঁৰ অনুৰোধক্ৰমে মোৰ স্মৃতিৰ কেইটামান বিক্ষিপ্ত ঘটনা নিবেদন কৰিবলৈ ওলাইছো। ইয়াত কিঞ্চিৎমানো ৰহণ নাই বুলি ভাবো। দিন-বাৰৰ কৰবাত অলপ-চেহেৰফেৰ হব পাৰে।

মোৰ বৰ্তমান ৭৫ বছৰীয়া জীৱনত কেবাটাও তিতা-কেহা স্মৰণীয় ঘটনাৰ অভিজ্ঞতা লাভ কৰিছো যিদৰে প্ৰত্যেকজন ব্যক্তিৰ জীৱনত কম-বেছি পৰিমাণে তেনে অভিজ্ঞতা হয়। কিন্তু ছাত্ৰ-অৱস্থাত স্বাধীনতা সংক্ৰান্তত আৰু পিছৰ সাংবাদিক বৃত্তিত যি বৃত্তিত মই আজিলৈ ৪১ বছৰ কটালো তাৰ অভিজ্ঞতা মোৰ স্মৰণীয় হৈ আছে।

১৯২১ চনৰ জুন নে জুলাই মাহ। মোৰ বয়স তেতিয়া সাত বছৰ, গাঁৱৰ প্ৰাইমেৰী স্কুলৰ ছাত্ৰ। হঠাৎ আবেলি পৰত খোল আৰু তালৰ শব্দ আমাৰ কাণত পৰাত আমি গাঁৱৰ মাজলৈ পথাৰৰ সাধাৰণ খেল পথাৰলৈ দৌৰি আহি দেখো পাও যে দহ কি বাৰজনমান আদহীয়া মানুহে গীত গাই গাঁৱত সোমাইছেহি। তেওঁলোকে যিবোৰ গীত গাইছিল মনত নপৰে, কিন্তু 'হিন্দু-মুছলমান এক মায়েৰ সন্তান', 'মহাত্মা গান্ধী কি জয়' 'ভাৰত মাতা কি জয়' ধ্বনিকেইটা মোৰ মনত আছে। কিয় তেনে গীত দলটোৱে গাইছিল তাৰ উমান ল'ৰাকেইটাই পোৱা নাছিল। গাঁৱৰ বয়সীয়াল মানুহে সেইয়া স্বৰাজৰ গীত বুলি কোৱা মনত পৰে। দুই-চাৰিজনে গীতকেইটা বংগদেশৰ বিপ্লৱী কবি মুকুন্দ দাসৰ বুলি কোৱা-মেলা কৰিছিল। মহাত্মা আৰু স্বৰাজৰ শব্দকেইটা মোৰ বাল্যকালৰ স্মৃতি, যি শব্দ দুটাই মোক পিছত প্ৰভাৱান্বিত কৰিছিল। অৱশ্যে সিদিনা গীতগোৱা দলটোৱে কংগ্ৰেছ নামটোৰ ধ্বনি দিয়া মনত নপৰে।

তাৰ পাঁচ বছৰৰ মূৰত মানে মই যেতিয়া ১৯২৬ চনত বৰথালা হাইস্কুলৰ ষষ্ঠমান শ্ৰেণীৰ ছাত্ৰ আছিলো, তেতিয়া আমাৰ দ্বিতীয় শিক্ষক-জনে আমাক জানিবলৈ দিছিল যে তেখেত গুৱাহাটীত বহিবলগা কংগ্ৰেছৰ অধিবেশন চাবলৈ আহিব আৰু গান্ধীক দেখা পাব। লগতে আলি ভ্ৰাতৃদ্বয়--মহম্মদ আলি আৰু চৌকত আলিও আহিব আৰু সভাপতি হব এজন 'মাদ্ৰাচী'। নামটো কোৱা নাছিল, কিন্তু এইজন শ্ৰীনিবাস আয়েঙ্গাৰ আছিল বুলি পিছত ছাৰে আমাক জানিব দিছিল। মই আৰু আন এজন সহপাঠীয়ে ছাৰৰ লগত গুৱাহাটীলৈ আহিম বুলি কৈছিলো যদিও, ছাৰ মান্তি নহ'ল : নহে কৈছিল যে কংগ্ৰেছত হাজাৰ হাজাৰ মানুহ গোট খাব আৰু তাৰ মাজত আমি হেৰাই যাম। আমি হতাশ হৈছিলো, কাৰণ গুৱাহাটী আৰু গান্ধীক আমাৰ দেখা নহ'ল। তাৰ আঠ বছৰৰ পিছত ১৯৩৪ চনত গান্ধীজীক গুৱাহাটীত পোন প্ৰথমবাৰৰ কাৰণে দেখা পাও ডাº হৰেকৃষ্ণ দাসৰ পাণবজাৰৰ বাস-ভৱনত। তাতেই গান্ধীজীৰ থকা ব্যৱস্থা আছিল। মই গান্ধীজীৰ ভৰি দুখন স্পৰ্শ কৰিছিলো, যদিও তেখেতে এই কাম পছন্দ কৰা নাছিল। গান্ধীজীৰ এইয়া আছিল তৃতীয় অসম ভ্ৰমণ।

ইয়াৰ পূৰ্বৰ ঘটনা এটা মোৰ মনলৈ আহিছে, কাৰণ এই ঘটনাৰ লগতো গান্ধীজীৰ নামটো বিজড়িত আছিল। ছাত্ৰবৃত্তি পৰীক্ষাৰ শেহ পৰীক্ষা দিবলৈ ১৯২৭ চনৰ ডিচেম্বৰ মাহত গুৱাহাটীলৈ আহো। মোৰ ভাগ্য ভাল আছিল যে বৰদিনৰ বন্ধত গুৱাহাটীৰ লতাশিল ফিল্ডত অসম ছাত্ৰ সম্মিলনৰ বছৰেকীয়া অধিবেশন বহিছিল কলিকতা বিশ্ব-বিদ্যালয়ৰ অধ্যাপক খোদাবক্সৰ সভাপতিত্বত আৰু এটা উত্তপ্ত পৰি-বেশত মানে সেই বছৰত আমেৰিকাৰ লিখিকা মিছ কেথেৰীন মেয়োৱে (Miss Katherine Mayo) ভাৰতৰ বিষয়ে Mother India নামৰ এখন অতি আপত্তিজনক গ্ৰন্থ লিখি সৰ্বত্ৰ ভাৰত আৰু ভাৰতৰ বাহিৰত প্ৰচাৰ কৰিছিল। ছাত্ৰ সম্মিলনত এই ভাৰত বিৰোধী গ্ৰন্থখনক কেন্দ্ৰ কৰি কেবাজনো ছাত্ৰনেতাই অতি উদ্দীপ্ত ভাষাত বক্তৃতা দি গ্ৰন্থখনৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। বক্তৃতা দিয়া সকলৰ ভিতৰত দৈবচন্দ্ৰ তালুকদাৰ, ৰজনীকান্ত গোস্বামী, হৰেন্দ্ৰ নাথ কলিতা, দেবেন্দ্ৰ নাথ শৰ্মাৰ নাম মনত

পৰে। 'মাদাৰ ইণ্ডিয়া' গ্ৰন্থখনৰ ওপৰত হেনো মহাত্মা গান্ধীয়ে তেওঁৰ সম্পাদিত 'ইয়ং ইণ্ডিয়া' কাকতত এটা প্ৰতিবাদ-প্ৰবন্ধ প্ৰকাশ কৰিছিল। [১৯৩৩ চনত কাৰ্জন হল লাইব্ৰেৰীৰ 'ইয়ং ইণ্ডিয়া'ৰ পুৰণি ফাইলত গান্ধীজীৰ প্ৰবন্ধটো পঢ়িছিলো। অতি যুক্তিৰে কঠোৰ ভাষাত লিখি প্ৰবন্ধটোৰ শিৰোনামা দিছিল, Drain Inspector's Report মানে মিছ মেয়োয়ে যে ভাৰতৰ বেয়া দিশটোহে অধ্যয়ন কৰিছিল, দেশখনৰ কৃষ্টি আৰু সভ্যতালৈ মন দিয়া নাছিল, গান্ধীজীয়ে সুদীৰ্ঘ প্ৰবন্ধটোত তাকে আঙুলিয়াই দিছিল'।]

স্মৰণ কৰিবলগীয়া যে মিছ কেথাৰিন মেয়োৰ Mother India গ্ৰন্থখনৰ প্ৰত্যুত্তৰত হেনো লালা লাজপাত ৰায়ে Father India নামেৰে গ্ৰন্থ এখন প্ৰকাশ কৰিছিল। এই গ্ৰন্থখন মোৰ পঢ়া নহ'ল, কিন্তু এজন ভাৰতহিতৈষী আমেৰিকান লিখক এছ-টি সুন্দৰলেণ্ডে (S.T. Sundarland) 'India in Bondage' নামৰ এখন মূল্যবান গ্ৰন্থত ভাৰতৰ স্বাধীনতাৰ দাবী সমৰ্থন কৰি মিছ মেয়োৰ যুক্তি খণ্ডন কৰিছিল। জ্ঞানী-মানী গ্ৰন্থাগাৰিক হৰমোহন দাসে এই গ্ৰন্থখন কাৰ্জন লাইব্ৰেৰীত ৰাখিছিল আৰু মোক পঢ়িবলৈ দিছিল। সি যি কি নহওক, ছাত্ৰ সন্মিলনৰ অধিবেশনত গান্ধীজীৰ বিষয়ে যি শুনিছিলো সি মোৰ পৰবৰ্তী জীৱনত পাহৰিব পৰা নাছিলো।

মোৰ স্মৃতি-কথাৰ প্ৰসংগত মনলৈ সঘনে আহে ১৯৩০ চনটো যিটোৱে মোৰ জীৱনৰ ধাৰা বহুলাংশে পৰিবৰ্তন কৰিছিল বুলি মোৰ ধাৰণা হয়। মই নলবাৰী গৰ্ডন হাইস্কুলৰ নৱম মান শ্ৰেণীৰ ছাত্ৰ। স্কুলৰ অন্যতম শিক্ষক বিদ্যা মজুমদাৰে আমাক বুৰঞ্জী পঢ়াইছিল, কিন্তু পাঠ্যপুথিৰ বিষয়বস্তুতকৈ মজুমদাৰ ছাৰে ৰুছ বিপ্লৱ, ফৰাচী বিপ্লৱ আদিৰ বিষয়েহে বক্তৃতা দিছিল। Liberty, Equality আৰু Fraternity শব্দকেইটা মোৰ মনত আছে। ১৯৩০ চনৰ ২৬ জানুৱাৰীৰ স্বাধীনতা দিৱসত আমাৰ ছাত্ৰাবাসৰ সন্মুখত পতাকা উত্তোলন কৰোতেও মজুমদাৰ ছাৰে আমাক স্বাধীনতাৰ অৰ্থ বুজাই দিছিল আৰু তেওঁৰ বক্তৃতা শুনি আমাৰ মন উদ্দীপ্ত হৈ উঠিছিল।

তাৰ পিছত কুখ্যাত কানিংহামে চাৰ্কুলাৰ জাৰি কৰাত মই স্কুল এৰি আন দুজন সহপাঠীৰ লগত গুৱাহাটী পাওঁ আৰু লক্ষ্মীধৰ বৰাৰ ঘৰত উঠো। বৰা-পৰিয়ালৰ ঘৰখন ভলণ্টিয়াৰৰ অতিথিশালাৰ দৰে আছিল। তাৰ পৰা আমাক উজান বজাৰৰ ভলণ্টিয়াৰ কেম্পলৈ অনা হয়। কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ বাসভৱনৰ ওচৰত তেওঁৰ খেৰী ঘৰকেইটালৈ। ঘৰকেইটা বিজয় চন্দ্ৰ ভাগৱতীৰ নামত ভাড়াত দিছিল—নামমাত্ৰ ভাড়া। ভাগৱতী আছিল ভলণ্টিয়াৰৰ দায়িত্বত। কিন্তু আমি ভলণ্টিয়াৰহঁতে কেম্পত দিনৰ সময়তহে আছিলো—আমাক ৰাতি ওচৰৰ পৰিয়াল কিছুমানৰ ঘৰত শুবলৈ দিছিল, কাৰণ ৰাতি পুলিচে আহি যেৰাও কৰি ভলণ্টিয়াৰকেইজনক গ্ৰেপ্তাৰ কৰাৰ ভয় আছিল।

ভলণ্টিয়াৰ-জীৱনৰ কথাবোৰ মনত পৰিলে আজিও মনত ভাল লাগে। ভলণ্টিয়াৰ সংগঠক গোলোক পাঠকৰ তত্ত্বাৱধানত আমাক গাঁৱলৈ পঠিয়াইছিল কংগ্ৰেছ কাৰ্যক্ৰম প্ৰচাৰ কৰিবলৈ। এদিন আমি চাৰিজন ভলণ্টিয়াৰে উত্তৰ কামৰূপৰ গাওঁ এখনৰ এগৰাকী বুঢ়ী বিধবাৰ ঘৰত আশ্ৰয় লব লগা হৈছিল। বুঢ়ীজনীৰ কথাখিনিত যি ভাব প্ৰকাশ হৈছিল তাক সোঁৱৰি তেওঁলৈ আজিও ভক্তি হয়। তেওঁ কৈছিল ঃ "বাছাহঁতে মাক-বাপেকক এৰি দেশৰ কামত ফুৰ্‌চি। বাছাহঁতক ভাল কৰি খুৱাবা লাগিবো। আইহাত আহ! আমি ঘৰোৰ ডিমা, পাৰা যি আছে তাকেদি খুৱাম।" নিৰক্ষৰ গাঁৱলীয়া বুঢ়ীআইৰ কথাখিনিয়ে প্ৰমাণ কৰিছিল যে গাঁও অঞ্চলত স্বৰাজৰ বাণী বিয়পি পৰিছিল।

কেইদিনমান পিছত আমি দক্ষিণ কামৰূপত কানি-ভাঙৰ বিৰুদ্ধে প্ৰচাৰ কৰিবলৈ যাওঁ—চাৰিজন ভলণ্টিয়াৰ। তাৰ এজন আছিল গুৱাহাটীৰ কীৰ্তি বৰুৱা—পিছত ঢাকাত পঢ়ি ডাক্তৰ হয়। ছয়গাওঁ সাপ্তাহিক বজাৰৰ দিনা কানি আৰু ভাঙৰ দোকানৰ আগত পিকেটিং কৰোতে কীৰ্তি বৰুৱাই ছোঁ মাৰি এজন কানিয়াৰ কানি পট্টাখন আনি ফালি পেলায়। কানিয়াই এখন দা লৈ আমাক আক্ৰমণ কৰাত আমি দৌৰি বজা পৰো আৰু নগৰবেৰাৰ ফালে পলাই গৈ তাৰ স্থানীয় কংগ্ৰেছ

কৰ্মী কমলা দাসৰ ঘৰত আশ্ৰয় লওঁ। দাসক মেনেজাৰ বুলি মাতিছিল —১৯২১ চন আৰু ১৯৩০ চনত জেলখটা কৰ্মী। তেওঁৰ মুখত শুনিছিলো বোলে ১৯২১ চনৰ অসহযোগ আন্দোলনৰ সময়ত পুলিচে অমানুষিক অত্যাচাৰ কৰিছিল যাৰ বিষয়ে গান্ধীজীয়ে ১৯২২ চনত বাবু ৰাজেন্দ্ৰ প্ৰসাদ আৰু পণ্ডিত মদন মোহন মালব্যক তদন্ত কৰিবলৈ পঠাইছিল। অসুস্থতাৰ কাৰণে মালব্যজী গুৱাহাটীত ৰব লগা হৈছিল যদিও বাবু ৰাজেন্দ্ৰ প্ৰসাদ ম'হৰ গাড়ীত নগৰবেৰা অঞ্চললৈ গৈছিল। কমলা বাবুয়ে সেই বিষয়ে আমাক সবিশেষ জানিবলৈ দিছিল।

উল্লেখ কৰা প্ৰয়োজন যে দক্ষিণ কামৰূপৰ সেই অঞ্চলটোৰ বহুলাংশত জনজাতীয় বড়ো লোক আছিল যিসকলে ১৯২১ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰিছিল। অথচ তেতিয়াৰ চৰকাৰে অসমত জনজাতিৰ লোকে স্বাধীনতা আন্দোলনত লিপ্ত হোৱা নাছিল বুলি প্ৰচাৰ কৰিছিল। প্ৰকৃততে, সেই অঞ্চলৰ মানুহখিনিৰ দেশসেৱা তথা স্বাধীনতা আন্দোলনত লোৱা ভূমিকা অনস্বীকাৰ্য। সেই অঞ্চলত দেশভক্ত ফুকন আৰু লোকপ্ৰিয় বৰদলৈয়ে সংগঠনৰ কাম কৰিছিল।

ছমাহমান এনেদৰে গাওঁ-ভূঁইত ঘূৰি ১৯৩০ চনৰ ছেপ্টেম্বৰ মাহত গুৱাহাটী ফাঁচী বজাৰত বিদেশী কাপোৰৰ দোকানৰ সম্মুখত পিকেটিং কৰি কাৰাবৰণ কৰো। কাৰাদণ্ডৰ ম্যাদ তিনিমাহ আছিল যদিও, জেলৰ অভিজ্ঞতা আজিও মোৰ কাৰণে স্মৰণীয় হৈ আছে। সেইয়া আছিল সশ্ৰম কাৰাদণ্ড।

কোৱা বাহুল্য যে জেলৰ খাদ্য অত্যন্ত নিম্নগামী হোৱাৰ প্ৰতিবাদত কমেও আমি ছজন ৰাজনৈতিক ছাত্ৰ-বন্দীয়ে আমৰণ অনশন ব্ৰত আৰম্ভ কৰো। অৱশ্যে, জেলৰ খাদ্য উন্নত কৰাৰ প্ৰয়াসে ১৯২৮ চনত যতীন দাসৰ আমৰণ অনশন তথা তেওঁৰ মৃত্যুত জেলৰ কিছু সংস্কাৰ সাধন হৈছিল অৰ্থাৎ ৰাজনৈতিক বন্দীক ক, খ আৰু গ শ্ৰেণীত বিভক্ত কৰা ক আৰু খ শ্ৰেণীৰ খাদ্য বহু পৰিমাণে উন্নত হৈছিল। গ শ্ৰেণীৰ খাদ্য পূৰ্ববৎ মানে বিলৰ কচু, বজাৰৰ পচা শাক আৰু মূলা আছিল তথাকথিত তৰকাৰী। অনশনকাৰী আমাৰ বন্দীকেইজনক এনে কাৰ্য্যৰ

পৰা বিৰত হ'বলৈ আমাৰ সহবন্দীৰ বহুলাংশই পৰামৰ্শ দিছিল, কাৰণ তেওঁলোকৰ বিবেচনাত হেনো গান্ধীজীয়ে জেলৰ ভিতৰত জেল কৰ্তৃপক্ষৰ অনুশাসন মানি চলিবলৈ নিৰ্দেশ দিছিল। আমি অনশনকাৰী কেইজন কিন্তু আমাৰ সিদ্ধান্তত অলৰ-অচৰ আছিলো আৰু কৰ্তৃপক্ষৰ হাতত একাধিক শাস্তি ভোগ কৰিছিলো। শেহত আমাক থোৱা বেৰেক-বোৰত ৰাতি হাতকেৰেয়া লগাই, চটৰ পোছাক (পাতল মৰাপাটৰ হাফ-পেন্ট আৰু চোলা) পিন্ধাইছিল। আমি উৰহৰ উৎপাতত শুব পৰা নাছিলো যদিও, আমি অনশন ত্যাগ কৰা নাছিলো।

দুদিনৰ মূৰত আবেলি আমাক জেলৰ চৌহদত সশস্ত্ৰ পুলিচৰ আগত থিয় কৰায়। আমাক ছিলেট জেললৈ স্থানান্তৰ কৰিব বুলি আমাৰ অনুমান হৈছিল। ছিলেটী জেইলাৰজন চুটি চাপৰ মানুহ আছিল, বৰ খঙাল আছিল। জেলৰ আন কৰ্মচাৰীৰ সৈতে আমাৰ আগত থিয় হৈ অতি ৰূঢ়ভাবে কৈছিল ঃ "দেখ, তোমৰা ভদ্ৰলোকেৰ ছেলে। তোমাদেৰ বাড়ীত খাওয়াটা ভাল সেটাও আমাৰ জানা আছে। কিন্তু এইটা জেলখানা। 'শ্বশুৰ বাড়ী' না। তোমাদেৰ অনশন ছেড়ে দাও।" কিন্তু জেইলাৰৰ কথাখিনি আমাৰ বোধগম্য হোৱা নাছিল। 'শ্বশুৰ বাড়ী'? তাৰ সামান্য অৰ্থও আমি বুজিব পৰা নাছিলো। শেহত জেইলাৰে আমাক জানিবলৈ দিয়ে যে জেলৰ ৰান্ধনিঘৰৰ পৰ্যবেক্ষক হিচাপে আমাৰ ভলন্টিয়াৰ বন্দীৰ পৰা তিনিজন থাকিব, খাদ্যৰ ওজন, শাক-পাঁচলিৰ গুণাগুণ তেওঁলোকে বিচাৰ কৰিব মানে আমি জিকিছিলো। এনে ব্যৱস্থা কৰাৰ পিছত খাদ্যৰ ধৰণ-প্ৰকৰণৰ উন্নতি হৈছিল আৰু আমি অনশন ত্যাগ কৰিছিলো।

জেলৰ খ শ্ৰেণীৰ ৰাজনৈতিক বন্দী গুৱাহাটীৰ বেলিৰাম দাস আৰু গোৱালপাৰাৰ খগেন্দ্ৰ নাথে আমাক 'শ্বশুৰ বাড়ী'ৰ তত্ত্ব বুজাই দি কৈছিল যে বঙালী সমাজত শহুৰেকৰ ঘৰত জোঁৱায়েকৰ প্ৰতি আদৰ-সাদৰ অতুলনীয় অৰ্থাৎ 'শ্বশুৰ বাড়ী মধুপুৰী' বুলি কৈ ৰগৰ কৰিছিল। খগেন বাবুৰ কিন্তু মধুপুৰীৰ স্বাদ লোৱা নহ'ল, কাৰণ আজীৱন অবিবাহিত হৈ কংগ্ৰেছৰ কাম কৰিছিল। পিছত একেৰাহে কেবাবাৰো অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল।

আজিকালি আগৰ দিনৰ জেল হৈ থকা নাই। শুনিছোঁ, ৰাজনৈতিক বন্দীৰ কাৰণে জেল বহুলাংশে 'শ্বশুৰ বাড়ী' হৈছে। জেল কর্তৃপক্ষই ৰাজনৈতিক বন্দীৰ অভিৰুচি মতে খাদ্যৰ যোগান ধৰে, ৰাতবিকাকতো পঢ়িবলৈ দিয়ে। কেইবছৰমান আগতে চৰকাৰৰ মনোনীত জেইল ভিজিটৰ হিচাপে গুৱাহাটী জেলত খাদ্য উন্নত হোৱা নিজে দেখিছিলোঁ। খাদ্য পাত্ৰও আমি ব্যৱহাৰ কৰাৰ দৰে লোৰ বাতি অৰ্থাৎ থাল উঠাই দিয়া হৈছে। কিন্তু জেলৰ পৰিৱেশ আৰু বেৰেকবোৰৰ কোনো পৰি-বৰ্তন দেখা নাপালো। আন কিছুমান দিশ যেনে খেলা-ধূলা, ধৰ্ম-আলোচনা আদিৰ ব্যৱস্থা হৈছে। কোৱা বাহুল্য যে ভিজিটৰ হিচাপে জেললৈ যাওতে ১৯৩০ চনত জেইলাৰৰ কথাখিনি বৰকৈ মনত পৰিছিল।

# ২

প্ৰায় তিনি কুৰি বছৰ আগৰ নলবাৰী মহকুমা তথা বৰ্তমান নলবাৰী জিলাব উপৰ বৰভাগ মৌজাৰ দক্ষিণ খণ্ডত মাত্ৰ এজন গ্ৰেজুৱেট আছিল—শ্ৰীখনীন্দ্ৰ চন্দ্ৰ বৰুৱা অৱসৰপ্ৰাপ্ত আই এ এছ বিষয়া যিজনে আজি ৮৫ বছৰ বয়সত অসমৰ সুকীয়া সমস্যাৰ ওপৰত তথ্যভিত্তিক প্ৰবন্ধ-পাতি লিখি আছে। মোৰ নিজা গাওঁ উল্লাবড়ীৰ দৈবচন্দ্ৰ তালুকদাৰ কটন কলেজৰ বি-এচ-ছি মহলালৈ উঠিছিল, কিন্তু ১৯২৩ চনৰ স্নাতকৰ ফাইনেল পৰীক্ষাত উত্তীৰ্ণ হব নোৱাৰিলে। তালুকদাৰে 'অপূৰ্ণ' উপন্যাস, 'বামুণীকোঁৱৰ' নাটক আৰু আন কেবাখনো মূল্যবান গ্ৰন্থ লিখি অসমীয়া সাহিত্যত এজন লেখৰ মানুহ হৈছিল। মই ১৯২৮ চনত যেতিয়া নলবাৰী গৰ্ডন হাইস্কুলত নাম লিখিছিলো, তেতিয়া আমাৰ গাঁৱৰ মানুহে মোক আশীৰ্বাদ দিছিল যাতে মই গাঁৱৰ ভিতৰত প্ৰথম বি-এ পাছ শিক্ষিত হব পাৰো। কিন্তু ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ বিৰুদ্ধে প্ৰতিবাদত স্কুল বৰ্জন কৰি জেললৈ যোৱাত মোৰ উচ্চ শিক্ষা লাভৰ আশা ভঙ্গ হৈছিল যেন অনুমান হৈছিল। এই অনুমান সঠিক নহ'ল। ১৯৩০ চনৰ ২২ নবেম্বৰত গুৱহাটী জেলৰ পৰা ওলাই তাৰ পিছদিনা মই কামৰূপ একাডেমীৰ নৱমমান শ্ৰেণীত ভৰ্তি হওঁ। একাডেমী স্কুলখন গুৱাহাটীত স্থাপিত হৈছিল কানিংহাম চাৰ্কুলাৰ অৱজ্ঞা কৰি আন স্কুলৰ পৰা ওলাই অহা ছাত্ৰৰ কাৰণে। মই জেলত থকা সময়ত পিতাই এদিন মোক লেখা কৰি কৈছিল যেন মই ঘৰলৈ নগৈ কামৰূপ

একাডেমীত নাম ভৰ্তি কৰো। তাৰ কাৰণে উজান বজাৰৰ তেওঁৰ আত্মীয় এজনৰ হাতত দহোটা টকা দি গৈছিল। পিতাই শিক্ষকতাৰ কাম কৰিছিল আৰু তেওঁৰ ইচ্ছাক্ৰমেই মই পুনৰ শিক্ষালাভত ব্ৰতী হৈছিলো।

উল্লেখ কৰা প্ৰয়োজন যে কামৰূপ একাডেমী স্কুল প্ৰথমতে টকোবাৰীৰ নতুন দুমহলাৰ ঘৰ এটাত আৰম্ভ হৈছিল। ঘৰটোৰ মালিক আছিল ৰামাস্বৰূপ সিং নামৰ এজন বিহাৰী সাধাৰণ ব্যৱসায়ী, কিন্তু তেওঁৰ দেশাত্মবোধ আছিল অসাধাৰণ। ঘৰটো নামমাত্ৰ ভাড়াত স্কুলৰ কাৰণে স্কুলৰ পৰিচালনা সমিতিৰ হাতত দিছিল। আমাৰ বঁটা বিতৰণী সভাত এই কথা উল্লেখ কৰি সিওঁ কৈছিল, 'মোক চৰকাৰে বেয়া পাইছে, কিন্তু মই দেশক ডাঙৰ বুলি ভাবিম নে চৰকাৰক ? ইত্যাদি। এই বিহাৰী ব্যৱসায়ীজন চৰকাৰৰ বিৰাগ ভাজন হৈও তেওঁৰ দেখনিয়াৰ নবনিৰ্মিত ঘৰটো কামৰূপ একাডেমীৰ জন্ম লগ্নতে যে ব্যৱহাৰ কৰিব দিছিল তাক ভাবিলে বিস্ময় মানিব লাগে। প্ৰায় দহবছৰৰ মূৰতহে একাডেমী স্কুল চেনীকুঠিলৈ স্থানান্তৰ কৰা হয়। এই ঘৰটো সাজোতেও স্কুলৰ সভাপতি গোপীনাথ বৰদলৈ আন এজন বিহাৰী তথা ঠিকাদাৰ সোমেশ্বৰ চৌধুৰীৰ সাহায্য লব লগা হৈছিল। সেই সময়ৰ বিহাৰী সম্প্ৰদায়ৰ ব্যৱসায়ীয়ে অসমত শিক্ষা প্ৰসাৰণত সঁচাকৈয়ে উল্লেখযোগ্য বৰঙণি যোগাইছিল।

১৯৩২ চনৰ জানুৱাৰীত কামৰূপ একাডেমীয়ে কলিকতা বিশ্ব-বিদ্যালয়ৰ স্বীকৃতি লাভ কৰে। আমি এই স্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষা দিয়া প্ৰথম ছাত্ৰ দল আছিলো। মই অসমীয়া বিষয়ত ৮৪ নম্বৰ পাই 'ভি' লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হওঁ। সেই বছৰত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা গোপাল চন্দ্ৰ শৰ্মা বৰুৱা আৰু আন এজনে 'ভি' লেটাৰ পাইছিল। মই যে কটন কলেজত ভৰ্তি হব পাৰিম তাত মোৰ অলপো সন্দেহ নাছিল। কিন্তু হৰিষত বিপদ হোৱাৰ সদৃশ মোক আৰু অম্বিকাচৰণ বৰ্মণক ( পাণবজাৰৰ চৰকাৰী অধিবক্তা কালিৰাম বৰ্মণৰ প্ৰথম পুত্ৰ) কলেজৰ প্ৰিন্সিপাল টমচন চাহাবে আমাৰ

ভৰ্তিৰ দৰ্খাস্ত বা ফৰম অগ্ৰাহ্য কৰে, কাৰণ আমি দুজন জেলখাটা ছাত্ৰ আছিলো। উপায়ন্তৰ হৈ আমি দেশভক্ত তৰুণ ৰাম ফুকনক তেওঁৰ ভৰলুমুখৰ বাসভৱনত দেখা কৰো। ফুকন আছিল কলেজ গভৰ্ণিং বডিৰ বেচৰকাৰী সদস্য। আবেলি পৰত এখন হেলনীয়া চকীত তেওঁৰ উকিলখানা-ঘৰটোত কেজনমান ডেকা উকিলৰ সৈতে কথা পাতি আছিল—বগা খদ্দৰৰ হাফপেণ্ট আৰু কুৰ্ত্তা পিন্ধি থকা অৱস্থাত ফুকনৰ জাকতজিলিকা চেহেৰাটো আজিও মনত পৰে। আমি দুজনে নমস্কাৰ দিয়াৰ লগে লগে আমাক প্ৰশ্ন কৰিছিল, 'ল'ৰাহঁত, কিয় আহিলা? তোমালোকৰ কিবা অথন্তৰ হ'ল নে মোক মেলামিটিঙলৈ মাতিব আহিলা?'

আমাৰ সমস্যা নিবেদন কৰি ফুকন ডাঙৰীয়াক কৈছিলো যে কটন কলেজৰ প্ৰিঞ্চিপালে কলেজত আমাৰ ভৰ্তিৰ দৰ্খাস্ত নাকচ কৰিছে কাৰণ আমি দুজন জেলখাটা ছাত্ৰ। ফুকনে গম্ভীৰ সুৰত আমাক কৈছিল, 'যোৱা, তোমালোকে চাহাবক কোৱাগৈ যে তৰুণৰাম ফুকনে তোমালোকক এড্‌মিচন দিব কৈছে।' ফুকন ডাঙৰীয়াৰ আশ্বাস পাই পিছদিনা প্ৰিঞ্চিপাল টম্‌চনক দেখা কৰিবলৈ যোৱাত কলেজৰ মুখ্য সহায়ক ৰামদেৱ গোস্বামীয়ে আমাক জানিবলৈ দিয়ে যে চাহাবে আমাৰ এড্‌মিচন মঞ্জুৰ কৰিছে। ফুকনে প্ৰিঞ্চিপাললৈ এই বিষয়ে লিখিতভাৱে এখন চিঠি পঠাইছিল বুলি গোস্বামীয়ে আমাক জানিব দিছিল।

প্ৰসংগক্ৰমে উল্লেখ কৰা প্ৰয়োজন যে সিদিনা আমি ফুকন ডাঙৰীয়াক দেখা কৰি যিটো ঘৰত কথা পাতিছিলো, সেই ঘৰটোতেই ১৯২১ চনৰ আগষ্ট মাহত প্ৰথমবাৰৰ কাৰণে মহাত্মা গান্ধী অসমলৈ আহোতে গান্ধীজীক ৰখাইছিল আৰু তাৰ সমুখৰ বহল চৌহদত বিলাতী কাপোৰৰ প্ৰকাণ্ড দম এটা দাহন কৰা হৈছিল। তাৰ বহ্নিশিখা তিনিদিনলৈ জ্বলি আছিল, তাৰ মানে অসমত মুক্তি-আন্দোলনৰ পাতনি মেলা হৈছিল দেশভক্তৰ বাহিৰৰ সৰুঘৰ আৰু চৌহদত। কিন্তু সেই ঐতিহাসিক ঠাইখিনিৰ আজি কোনো চিন-মোকাম নাই। মাত্ৰ ১৯৭৫ চনত দেশভক্ত ফুকন কৰ্মবীৰ বৰদলৈ জন্ম শতবাৰ্ষিকী উপলক্ষে সেই ঠাইত এখন সভা পতা হৈছিল আৰু যুগল কুমাৰ দাসৰ হতুৱাই বহ্নি-প্ৰতীক কেইটামান স্থাপন

হৈছিল, অথচ সেই স্মৰণীয় ঠাইখিনি ৰাষ্ট্ৰীয়ভাবে সংৰক্ষণ কৰা উচিত আছিল।

কটন কলেজত চাৰি বছৰ ছাত্ৰ হিচাপে থাকোতে কলেজৰ ঘটনা-প্ৰবাহ আৰু ব্যক্তিবিশেষৰ লগত মই সক্ৰিয়ভাবে জড়িত আছিলো। ১৯৩২ চনত কলেজৰ ছাত্ৰ য়ুনিয়নত মই প্ৰথম বাৰ্ষিক শ্ৰেণীৰ প্ৰতিনিধি নিৰ্বাচিত হৈছিলো। য়ুনিয়নৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈছিল মাধৱ চন্দ্ৰ বেজবৰুৱা। বেজবৰুৱা এনে এজন যুৱক আছিল যিজনৰ কৰ্মৰ গতিশীলতা আৰু নতুন ভাবধাৰাই ছাত্ৰসকলৰ মাজত এটা নতুন দিগন্তৰ সৃষ্টি কৰিছিল। পূৰ্বৰ পৰাই প্ৰশাসন, সাহিত্য, ৰাজনীতি, কলা-সংস্কৃতি, খেলা-ধূলাত কটন কলেজে অসমৰ বুদ্ধিজীৱী-সকলক উদ্দিপ্ত কৰিছিল। মাধৱ চন্দ্ৰ বেজবৰুৱা কিন্তু এনে এজন ছাত্ৰনেতা আছিল যিজনে কটন কলেজৰ দীঘলীয়া ইতিহাসত এটা নতুন আলোড়ন আনিছিল। কলেজৰ প্ৰতীকটো তেৱেঁই প্ৰচলন কৰিছিল আৰু এই প্ৰতীকৰ আৰ্হি প্ৰস্তুত কৰিছিল অসমৰ এজন শিল্পী মহেন্দ্ৰ নাথ ফুকনে। অসমীয়া সংস্কৃতিৰ লগত খাপ খুৱাই বেজবৰুৱাই মুগা বা পাটৰ পাগুৰি ব্যৱহাৰ কৰিছিল। মই তেওঁক অসমৰ স্বামী বিবেকানন্দ বুলি সম্বোধন কৰিছিলো। মাধবচন্দ্ৰ বেজবৰুৱা আছিল সঁচাকৈয়ে এটা Human dynamo। অসমৰ কাৰণে সুকীয়া বিশ্ব-বিদ্যালয়ৰ আন্দোলনত বিশিষ্ট ভূমিকা লৈছিল। জোনাকী যুগৰ উত্তৰসুৰীসকলৰ ভিতৰত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পিছত মাধবচন্দ্ৰ বেজবৰুৱা দ্বিতীয়জন ব্যক্তি যিজনে ভাৰতৰ বৃহত্তৰ সমাজৰ মাজত থাকি অসমীয়া কলা-সংস্কৃতিৰ প্ৰাপ্য স্থান দিবলৈ সজাগ আছিল। তেওঁৰ ধমনীত সাহিত্যৰথী বেজবৰুৱাৰ তেজ আছিল যেন মোৰ বিশ্বাস হয়। মাধব চন্দ্ৰ বেজবৰুৱাৰ অকাল বিয়োগ অসমৰ কাৰণে অপূৰণীয় ক্ষতি হৈ আছে।

কটন কলেজৰ ব্যক্তি আৰু ঘটনাৰ প্ৰসংগত তৃতীয়জন ইংৰাজ প্ৰিন্সিপাল ডি-ই ৰবাৰ্টৰ কথা মনত পৰে। তেওঁৰ পূৰ্ববৰ্তী আন দুজন প্ৰিন্সিপাল আছিল যথাক্ৰমে ষ্টুৱাৰ্ট মাৰ্চেন আৰু টমচন।

১৯৩৩ চনৰ শেহত ইণ্টাৰমেডিয়েট মহলাৰ টেণ্ট পৰীক্ষা। আন আঠজন ছাত্ৰৰ সৈতে মই পাণবজাৰৰ মেছত থাকো। পৰীক্ষাৰ আগ-দিনা গধূলি এখন টেলিগ্ৰাম আহিল যে মেছৰ সহপাঠী গোৱালপাৰাৰ মহেশ দাসৰ পিতৃ ঢুকাইছে আৰু তেওঁ তুৰন্তে যাব লাগে অথচ পিছদিনা তেওঁৰ টেণ্ট পৰীক্ষা। উপায়ন্তৰ হৈ মই আৰু মেছৰ আন এজন সহপাঠী গোৱালপাৰাৰ খগেন্দ্ৰ চন্দ্ৰ দাসৰ সৈতে গৈ গধূলি আঠমান বজাত প্ৰিন্সিপাল ৰবাৰ্ট চাহাবক তেওঁৰ বঙলাত লগ ধৰো আৰু টেলিগ্ৰামখন দেখুৱাই মহেশ দাসক যাতে টেণ্ট পৰীক্ষাত উত্তীৰ্ণ কৰি দিয়ে তাৰ বাবে অনুৰোধ কৰো।

চাহাবে টেলিগ্ৰাম পঢ়ি 'Very sad news, very sad news' বুলি কৈ কিছুপৰ নিমাত হৈ আছিল। তাৰ পিছত আমাক কৈছিল, 'I have recently lost my mother. I understand what bereavement is etc'. ক্ষন্তেকৰ পিছত চাহাবে কলেজৰ পিয়ন জহৰমলক মাতি আনি মোক আৰু খগেন দাসক কলেজৰ অফিছলৈ নিয়ে আৰু তাত পৰীক্ষাৰ ৰেকৰ্ড বহীটো চায়গৈ। কিন্তু মহেশ দাসে কোনো Terminal পৰীক্ষা দিয়া নাছিল, মানে তেনে পৰীক্ষা নিদিয়া ছাত্ৰই পৰীক্ষাৰ ক্ষেত্ৰত কোনো ৰকমে বিবেচিত নহৈছিল। তথাপি, ৰবাৰ্ট চাহাবে আমাক কৈছিল, 'Let him go home immediately. I shall see that he is not detained. Prof. Sengupta (Bijoy Chandra Sengupta, Head of the History Department) may apply veto. I shall request him not to do so in this case'. চাহাবৰ অনুগ্ৰহত মহেশ দাসে পৰীক্ষা দিলে, গ্ৰেজুৱেট হ'ল আৰু শ্বিলঙৰ গবৰ্ণৰৰ চেক্ৰেটাৰিয়েটত কাম কৰিবলৈ সুযোগ পালে। প্ৰিন্সিপাল ৰবাৰ্টৰ মানবীয় অনুভূতিৰ কথা সুঁৱৰি আজিও তেওঁৰ প্ৰতি শ্ৰদ্ধা জন্মে।

তৃতীয় বাৰ্ষিকৰ ছাত্ৰ হিচাপে মই আৰু আন তিনিজন কটনিয়ান (সুৰেশ চন্দ্ৰ ৰাজখোৱা, মহম্মদ ৰায়হান শ্বাহ আৰু গোপাল চন্দ্ৰ শৰ্মা বৰুৱা) ইণ্টাৰ কলেজ তৰ্ক প্ৰতিযোগিতাত যোগ দিবলৈ ছিলেটৰ মুৰাৰী-চাঁদ কলেজলৈ গৈছিলো আৰু সেই বছৰত অৰ্থাৎ ১৯৩৪ চনত কলেজৰ মুখপত্ৰ 'কটনিয়ান' আলোচনীৰ ছাত্ৰ-সম্পাদক নিৰ্বাচিত হৈছিলো।

সেই সময়ৰে পৰা সাংবাদিকতাৰ প্ৰতি মোৰ এটি মোহ জন্মিবলৈ ধৰে যিটো মোহে মোক আজিও বান্ধি ৰাখিছে অৰ্থাৎ ১৯৩৭ চনৰ পৰা আজিলৈ ৫২ বছৰ কাল সাংবাদিক জীৱনত লাগি আছো। (১৯৩৭ চনৰ দুই অক্টোবৰত কলিকতাৰ দৈনিক ইংৰাজী কাকত 'হিন্দুস্তান ষ্টেণ্ডাৰ্ড'ৰ গুৱাহাটীৰ সংবাদদাতা হিচাপে কাম কৰো)।

'কটনিয়ান' আলোচনীৰ ইংৰাজী ছোৱাৰ তত্ত্বাৱধানত আছিল অধ্যাপক সূৰ্য্যকুমাৰ ভূঞা আৰু অসমীয়া ছোৱাৰ তত্ত্বাৱধানত আছিল অধ্যাপক দিবাকৰ গোস্বামী। 'কটনিয়ান' ছপা হৈছিল গুৱাহাটীৰ ভিতৰুৱা অঞ্চল-খাৰঘুলীত অৱস্থিত নিউপ্ৰেছত যি প্ৰেছত সাদিনীয়া 'অসমীয়া' কাকতখন ছপা হৈছিল। ভূঞা আৰু গোস্বামী উভয় ছাৰে মোৰ কামত সন্তুষ্ট হৈছিল। অধ্যাপক ভূঞা ছাৰৰ কেটামান চাৰিত্ৰিক গুণে মোৰ ওপৰত প্ৰভাৱ পেলাইছিল। তেওঁ কামকাজ বৰ পৰিপাটিকৈ কৰিছিল। টিউটৰিয়েল ক্লাছ লৈ থাকোতে পিয়নে চিঠি বা টেলিগ্ৰাম দিলে ভূঞা ছাৰে সেইবোৰ তৎকালিনভাৱে খোলা নাছিল। তেওঁ কৈছিল যে চিঠি আৰু টেলিগ্ৰামে ভাল-বেয়া উভয় খবৰ আনিব পাৰে আৰু শিক্ষা প্ৰদানৰ সময়ত সেইবোৰ চালে কাম ব্যাহত হ'ব পাৰে।

সি যি কি হওক, ১৯৩৬ চনত ইকনমিক্স্ বিষয়ত দ্বিতীয় শ্ৰেণীৰ উচ্চ স্থানত অনাৰ্চ লাভ কৰি বি-এ পৰীক্ষাত উত্তীৰ্ণ হওঁ আৰু আমাৰ স্থানীয় গঙ্গাপুখুৰী হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষকৰ কামত সোমাও কিন্তু তাত মোৰ মন নবহিল আৰু গুৱাহাটীলৈ ঘূৰি আহো। সেই বছৰৰ ডিছেম্বৰ মাহত এজন বন্ধুৰ লগত কলিকতালৈ যোৱাৰ সুযোগ পাইছিলো। কলিকতাত হেৰিচন ৰ'ডৰ আইডিয়েল হোম নামৰ হোটেলত উঠোগৈ। তাতেই আছিল হৰেন্দ্ৰ নাথ কলিতা—আমাৰ অঞ্চলৰ। যিজন আছিল সেই সময়ৰ কলিকতাত প্ৰবাসী অসমীয়াৰ কাৰণে সোঁহাতস্বৰূপ, মানে শিয়ালদহ ৰেল ষ্টেচনৰ পৰা আদৰি নিয়াৰ পৰা হোটেলত ৰখাৰ ব্যৱস্থাকে ধৰি সকলো কাম কলিতাই কৰিছিল। আইডিয়েল হোম আৰু ৰয়েল হোটেল আছিল সেই সময়ত জোনাকী যুগৰ ৬৭ নং মিৰ্জাপুৰ ষ্ট্ৰীট আৰু ১৪ নং প্ৰতাপ চন্দ্ৰ লেনৰ মেছৰ

দৰে অৰ্থাৎ সেই যুগৰ কলিকতাত প্ৰবাসী অসমীয়া ছাত্ৰৰ মিলন কেন্দ্ৰ। কলিকতাত কলিতা দাদাই মোক কথা প্ৰসংগত কৈছিল যে আনন্দ বাজাৰ পত্ৰিকাৰ কৰ্তৃপক্ষই এখন নতুন ইংৰাজী দৈনিক কাকত উলিয়াব। তাৰ পিছত তেওঁক লগ লৈ আনন্দ বাজাৰ পত্ৰিকাৰ অফিচলৈ যাওঁ। তাত পত্ৰিকা প্ৰতিষ্ঠানৰ মুৰব্বী সুৰেশ চন্দ্ৰ মজুমদাৰ আৰু মাখনলাল সেনক লগ ধৰি তেওঁলোকৰ প্ৰস্তাৱিত কাকতৰ গুৱাহাটীস্থ সংবাদদাতা হবলৈ ইচ্ছা প্ৰকাশ কৰো। মজুমদাৰ আৰু যেন বংগ-ভংগ আন্দোলনৰ সময়ৰ বিখ্যাত নেতা আছিল। তেওঁলোকে মোৰ সাংবাদিকতা ক্ষেত্ৰত কিবা অভিজ্ঞতা আছে নে আৰু মই কংগ্ৰেছ কৰ্মীনে আদি সবিশেষ জানিবলৈ বিচৰাত মই 'কটনিয়ান'ৰ সম্পাদক আৰু কংগ্ৰেছ কৰ্মী হিচাপে জেললৈ যে গৈছিলো তাক কৈছিলো। শেহত মোৰ নাম আৰু ঠিকনা ৰাখি জানিবলৈ দিছিল যে হিন্দুস্তান ষ্টেণ্ডাৰ্ড কাকতখন পিছৰ বছৰ দুই অক্টোবৰ মানে মহাত্মা গান্ধীৰ জন্ম দিৱসত ওলাব আৰু কাকতখনৰ গুৱাহাটী সংবাদদাতা হিচাপে মোক নিয়োগ-পত্ৰ পঠাব। সেইমতেই ১৯৩৭ চনৰ ছেপ্টেম্বৰ মাহত কাকতৰ সম্পাদক ডঃ ধীৰেণ সেনৰ পৰা নিয়োগ পত্ৰ পাও আৰু সেইদিনাৰ পৰা মোৰ সাংবাদিক জীৱন আৰম্ভ হয়। আৰম্ভণিতে মোক মাহিলী দহ টকাহে পাৰিশ্ৰমিক দিছিল। যিদিনা এই পাৰিশ্ৰমিকৰ প্ৰথম মণিঅৰ্ডাৰখন পাইছিলো সেই দিনটো আছিল মোৰ পৰমানন্দৰ দিন।

মই কলিকতাত থকা সপ্তাহটোৰ স্মৰণীয় বিশ্ববিখ্যাত ঘটনা আছিল ইংলণ্ডৰ ৰজা অষ্টম এডৱাৰ্ডৰ ৰাজ-সিংহাসন ত্যাগ। এই জনা ৰজাই সাধাৰণ শ্ৰেণীৰ উলিছ ছিম্‌চন নামৰ সমবয়স্কা নাৰীৰ প্ৰেমত পৰি বিবাহ পাশত প্ৰতিশ্ৰুতিবদ্ধ হৈছিল অথচ ধৰ্ম আৰু ৰাজ-তন্ত্ৰৰ বিধি অনুসৰি-কোনো বৃটিছ ৰজা তথা ৰাজ বংশধৰে সাধাৰণ শ্ৰেণীৰ লগত বিয়া কৰাটো নিষিদ্ধ আছিল আৰু বৰ্তমানেও আছে। ৰজা অষ্টম এডৱাৰ্ডৰ পক্ষে এইটো এটা চৰম পৰীক্ষা আছিল, মানে বৃটেইনত এটা অভাৱনীয় ৰাজনৈতিক সংকটৰ সৃষ্টি হৈছিল। এই ঘটনাৰ বাতৰি কলিকতাত ষ্টেটচ্‌মেন কাকতে নিতৌ গধূলি ষ্টেটচ্‌মেন

হাউচৰ সমুখত বিজুলী চালিত যন্ত্ৰত প্ৰদৰ্শন কৰিছিল। শেহান্তৰত, অষ্টম এডৱাৰ্ডে মিছ্ ছিম্‌চনক বিয়া কৰাবলৈ সিদ্ধান্ত লয় আৰু বৃটিছ ৰাজপাট ত্যাগ কৰে। এডৱাৰ্ডৰ এই সিদ্ধান্তই বিশ্বত অভূতপূৰ্ব প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। বাতৰিটো পৰিবেশন কৰি কলিকতাৰ দৈনিক ইংৰাজী কাকত Advance-এ যিটো Banner Headline ৰ শিতান দিছিল, সেইয়া আজিও মোৰ মানসত সজীৱ হৈ আছে। মোৰ বিবেচনাত ছিম্‌চন-এডৱাৰ্ড ৰোমাঞ্চকৰ বিশ্ববিখ্যাত কাহিনীৰ চাঞ্চল্যকৰ সংবাদটোৰ শিতানটো অপূৰ্ব আছিল। এই শিতানটো আছিল ঃ KING'S KINGLY DECISION (ৰজাৰ ৰাজোচিত সিদ্ধান্ত!) শিতানটোৰ তিনিটা শব্দই কাহিনীটোৰ মৰ্ম স্পষ্টভাবে প্ৰকাশ কৰিছিল যেন মোৰ ধাৰণা হৈছিল আৰু Advance কাকতখনৰ সেই দিনাৰ কপি এখন লৈ কলিকতাৰ চৌৰঙ্গী পথত ফটো লৈছিলো, কাৰণ ছিম্‌চন-এডৱাৰ্ড কাহিনী যিদৰে ঐতিহাসিক আছিল, সেইদৰে মোৰ মানত Advance কাকতৰ Banner Headlineটো সাংবাদিক জগতত সৰ্বকালৰ কাৰণে অতুলনীয় আছিল। সেই কাৰণে এই ফটোখন আজিও সযত্নে ৰাখিছো। তাৰ আন এটা কাৰণ এই যে এই ফটোখন ৫৩ বছৰ আগত মই সাংবাদিকতাৰ চাকৰি বিচাৰি কলিকতালৈ যাওতে লোৱা আছিল।

# ৩

প্ৰাক-স্বাধীনতা যুগৰ ভাৰতবৰ্ষত সাংবাদিকতা কোনো বৃত্তি নাছিল। বৃটিছ মালিকত্বত পৰিচালিত লক্ষ্ণৌৰ 'দ্যা পাওনিয়াৰ', বম্বেৰ 'টাইমচ অব ইণ্ডিয়া', মাদ্ৰাজৰ 'দ্যা মেইল', কলিকতাৰ 'দ্যা ষ্টেটচ্‌মেন', আদিৰ বাহিৰে ভাৰতৰ আন বাতৰি কাকতবোৰ সম্পূৰ্ণভাবে জাতীয়তাবাদী আছিল, মানে এই চাম বাতৰিকাকতে দেশৰ স্বাধীনতা আন্দোলনৰ লক্ষ্য দৃঢ়তাৰে সমৰ্থন কৰিছিল আৰু মালিক-কৰ্মী উভয়ে সাংবাদিকতাক বৃত্তি হিচাপে নলৈ মিছন বুলি গ্ৰহণ কৰিছিল। লোকমান্য তিলক যিজনে 'স্বাধীনতা মোৰ জন্ম স্বত্ব'ৰ ধ্বনি দি তেওঁৰ 'কেশৰী' নামৰ কাকতত বৃটিছ চৰকাৰৰ তীব্ৰ সমালোচনা কৰি ১৯০৮ চনত দহ বছৰ কাৰাদণ্ডেৰে দণ্ডিত হৈছিল, তেওঁৰ দিনৰ পৰা প্ৰায় দুকুৰি বছৰলৈ জাতীয়তাবাদী বাতৰি কাকত আৰু সাংবাদিক শ্ৰেণীয়ে যথেষ্ট কষ্ট ভোগ কৰিছিল। কিন্তু স্বাধীনতা লাভৰ পিছত ভাৰতত সাংবাদিকতা আৰু সংবাদপত্ৰ পৰিচালনা মিছন হৈ থকা নাই—ই বৃত্তিত পৰিণত হৈছে, বৃত্তিত পৰিণত হৈছে যদিও ই এটা সন্মানজনক বৃত্তি হিচাপে স্বীকৃতি আৰু দেশৰ গণতন্ত্ৰ আৰু সামাজিক জীৱনত ইয়াৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে।

মই ১৯০৭ চনৰ দুই অক্টোবৰত 'হিন্দুস্তান ষ্টেণ্ডাৰ্ড'ৰ গুৱাহাটীৰ সংবাদদাতা হওঁতে, সাংবাদিকতা মোৰ পক্ষে স্বাভাৱিকতে বৃত্তি নাছিল। সংবাদসেৱাৰ প্ৰতি থকা মোৰ আকৰ্ষণৰ কাৰণেহে তাক গ্ৰহণ কৰিছিলো আৰু পিছত তাৰ মাদকতা উপলব্ধি কৰিছিলো। জীৱিকা নিৰ্বাহৰ কাৰণে মই কামৰূপ একাডেমীত দহ বছৰ শিক্ষকতাৰ কামো কৰিছিলো।

তথাপি সংবাদসেৱা মোৰ কাৰণে পৰম আনন্দৰ কাম হৈ পৰে। কোৱা বাহুল্য যে ১৯৩৭-৪৭ চনৰ কালছোৱাত গুৱাহাটীত ৰাজনৈতিক অনুষ্ঠান আৰু তাৰ লগত জড়িত নেতাসকলেই আছিল সংবাদৰ উৎস। শ্বিলং চহৰ অসমৰ ৰাজধানী তথা প্ৰশাসনৰ কেন্দ্ৰ আছিল যদিও, প্ৰদেশ-খনৰ ৰাজনৈতিক আৰু সাংস্কৃতিক কেন্দ্ৰ আছিল গুৱাহাটী। ১৯৩৭ চনত বিধান সভাৰ সাধাৰণ নিৰ্বাচনত অসম কংগ্ৰেছৰ ৩৩ খন আসনত জয় লাভ, লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নেতৃত্ব, ছাৰ মহম্মদ শ্বাদুল্লাৰ মন্ত্ৰীসভা আৰু এই মন্ত্ৰীসভাৰ ১৯৩৮ চনত পতন তথা কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভা গঠন, বিয়াল্লিছ চনৰ কংগ্ৰেছ আন্দোলন, ১৯৪৬ চনত পূৰ্ণ পৰ্যায়ৰ অসমত কংগ্ৰেছ মন্ত্ৰীসভা গঠন আৰু ১৯৪৬ চনৰ ১৬ মে'ইৰ বৃটিছ মন্ত্ৰীসভাৰ গ্ৰুপীং প্ৰস্তাৱৰ সংক্ৰান্তত অসমত তাৰ বিৰুদ্ধে প্ৰবল জনমত আদিয়ে আগশাৰীৰ একাধিক নেতাৰ লগত সম্পৰ্কলৈ অহাত মোক সুবিধা দিছিল।

১৯৩৭ চনৰ সাধাৰণ নিৰ্বাচনৰ পিছত পহিলা এপ্ৰিলত ছাৰ মহম্মদ শ্বাদুল্লাই মন্ত্ৰীসভা গঠন কৰে; কিন্তু এই মন্ত্ৰীসভা সৰহ দিন তিষ্ঠিব পৰা নাছিল। বিৰোধী কংগ্ৰেছ দলে উত্থাপন কৰা অনাস্থাসূচক প্ৰস্তাৱৰ সন্মুখীন হব নোৱাৰি শ্বাদুল্লা চাহাবে তেওঁৰ মন্ত্ৰীসভাৰ পদত্যাগ ১২ ছেপ্টেম্বৰত সদনৰ মজিয়াত ঘোষণা কৰে। সিদিনা দেৱকান্ত বৰুৱা, মই আৰু আন কেইজনমান সাংবাদিক প্ৰেছ গেলাৰীত। শ্বাদুল্লা মন্ত্ৰীসভাই পদতাগ কৰাৰ লগে লগে আমি 'ইনক্লাব জিন্দাবাদ', 'কংগ্ৰেছৰ জয়' ধ্বনি দিছিলো। সকলোৱে আশা কৰিছিল যে কংগ্ৰেছ মন্ত্ৰীসভা গঠন আসন্ন। প্ৰকৃততে অস্থায়ী গৱৰ্ণৰ ছাৰ গিলবাৰ্ট হ'গে কংগ্ৰেছ দলৰ দলপতি গোপীনাথ বৰদলৈক মন্ত্ৰীসভা গঠন কৰিবলৈ আহ্বান কৰিছিল আৰু ৰাজপত্ৰত দিন, সময় ঘোষণা কৰিছিল। কিন্তু ছাৰ শ্বাদুল্লা আৰু হকেলহল (এওঁ য়ুৰোপীয় চাহ খেতিয়ক দলৰ বিধান সভাৰ নেতা আছিল) উভয়ে এনে এটা ষড়যন্ত্ৰ কৰিছিল যে গৱৰ্ণৰে ৰাজপত্ৰৰ ঘোষণাকে বাতিল কৰিছিল, মানে ছাৰ শ্বাদুল্লাক পুনৰ মন্ত্ৰীসভা গঠন কৰাত সহায় কৰিবলৈ স্থিৰ কৰিছিল।

উপায়ন্তৰ হৈ কংগ্ৰেছ দলে কেন্দ্ৰীয় কংগ্ৰেছ সংসদী বৰ্ডৰ সভাপতি মৌলনা আবুল কালাম আজাদক শ্বিলঙলৈ মাতি আনে। কিন্তু আজাদ চাহাবে কংগ্ৰেছ দলৰ দ্বাৰা অসমত মন্ত্ৰীসভা গঠনৰ জোৰেৰে বিৰোধিতা কৰে যিহেতু তেওঁৰ হিচাপত কংগ্ৰেছ দলৰ সংখ্যাগৰিষ্ঠতা নাছিল আনকি, চৰ্দাৰ বল্লভভাই পেটেলক টেলিফোনেৰে আজাদ চাহাবে জনাইছিল যে সংখ্যাগৰিষ্ঠতা লাভ কৰোতে কংগ্ৰেছ দলে দুৰ্নীতিৰ আশ্ৰয় লব। এই কথা মই বৰদলৈৰ পৰা জানিব পাৰিছিলো। অসম কংগ্ৰেছ কমিটীৰ সভাপতি বিষ্ণুৰাম মেধী আৰু দলৰ নেতা বৰদলৈয়ে কংগ্ৰেছ সভাপতি সুভাষ চন্দ্ৰ বসুক পৰিস্থিতি চম্ভালিবলৈ শ্বিলঙলৈ জৰুৰী বাৰ্তা দি মাতি আনিছিল। এই সম্পৰ্কে শ্বিলঙৰ এচুলি হলত (চাহ খেতিয়ক শিৱপ্ৰসাদ বৰুৱাৰ ঘৰ) গুৰুত্বপূৰ্ণ আলোচনা হয়, কাৰণ একালে মৌলানা আজাদৰ বিৰোধিতা আৰু আনফালে ৰাজভৱনৰ ষড়যন্ত্ৰত কংগ্ৰেছ মন্ত্ৰীসভা গঠন কাৰ্য্যতঃ অসম্ভৱ হৈ পৰিছিল।

এনে পৰিস্থিতিত মই হিন্দুস্থান ষ্টেটশ্বৰ্ডৰ হৈ শ্বিলঙত কংগ্ৰেছ সভাপতি বসুৰ এটা আচুতীয়া সাক্ষাৎ লৈছিলো। মোৰ প্ৰশ্ন আছিল যে মৌলানা আজাদৰ বিৰোধিতাৰ পৰিপ্ৰেক্ষিতত অসমত কংগ্ৰেছৰ নেতৃত্বত মন্ত্ৰীসভা গঠন হব নে? বসুৰ উত্তৰটো আছিল ঃ "Leave it to me. The Congress must form ministry in Assam and I shall see that it is formed. I am convinced that if this opportunity is lost, Assam will be finished." বসুৰ এই মন্তব্যটো বাতৰিকাকতত প্ৰকাশ হোৱাৰ পিছত ইয়াৰ মৰ্ম সম্পৰ্কে বহুতে কৈছিল যে ছাদুল্লা মন্ত্ৰীসভাই পৰিকল্পিতভাৱে মৈমনসিং আৰু ৰংপুৰ জিলাৰ পৰা যিভাবে পমুৱা মুছলমান আনি অসমৰ পতিত মাটি দখল কৰাইছে, সেই নীতি অব্যাহত থাকিলে অসম এখন মুছলমান প্ৰদেশ হৈ পৰিব যিটো প্ৰক্ৰিয়াৰ দ্বাৰা অসম, প্ৰস্তাৱিত পাকিস্তানত জাহ যাব। অৱশেষত, ১৯ ছেপ্টেম্বৰত (১৯৩৮) বৰদলৈৰ নেতৃত্বত মন্ত্ৰীসভা গঠন হয়।

সন্দেহ নাই, মৌলানা আজাদ চাহাবৰ প্ৰবল বিৰোধিতা সত্বেও কংগ্ৰেছ সভাপতি সুভাষ চন্দ্ৰ বসুৰ মধ্যস্থতাত কংগ্ৰেছে মন্ত্ৰীসভা গঠন

কৰাত অসমৰ ৰাজনৈতিক দৃশ্যপট সলনি হৈছিল। উল্লেখ কৰা প্ৰয়োজন যে বৰদলৈ মন্ত্ৰীসভাই শপত লোৱাৰ প্ৰায় এসপ্তাহ কাল পলম হৈছিল। মানে ১২ ছেপ্টেম্বৰত শ্বাদুল্লা মন্ত্ৰীসভাই পদত্যাগ কৰা সত্ত্বেও বৰদলৈ মন্ত্ৰীসভাই ১৯ ছেপ্টেম্বৰত দায়িত্ব লৈছিল। ইতিমধ্যে সুভাষ বসুৱে এটা দীঘলীয়া প্ৰেছ বিবৃতিযোগে গৱৰ্ণৰক সতৰ্ক কৰি দিছিল যে যদিহে বৰদলৈক মন্ত্ৰীসভা গঠন কৰিব দিয়া নহয়, তেনেহ'লে তাৰ সুদূৰপ্ৰসাৰী প্ৰতিক্ৰিয়া হ'ব। অৱশ্যে বৰদলৈ মন্ত্ৰীসভা মাত্ৰ ১৪ মাহহে চৰকাৰৰ দায়িত্বত আছিল, কাৰণ কংগ্ৰেছে যুদ্ধ-প্ৰচেষ্টাৰ বিৰোধী সিদ্ধান্ত লোৱাত আন আন প্ৰদেশৰ কংগ্ৰেছী মন্ত্ৰীসভাৰ লগতে বৰদলৈ মন্ত্ৰীসভাই পদত্যাগ কৰিব লগা হৈছিল।

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে মৌলানা আবুল কালাম আজাদে অসমত মন্ত্ৰীসভা গঠনত যি মনোভাব লৈছিল, সেই মনোভাব শুদ্ধ নাছিল, সেইদৰে শুদ্ধ নাছিল তেওঁৰ বৃটিছ মন্ত্ৰীসভাৰ গ্ৰুপীং প্ৰস্তাৱৰ সন্দৰ্ভত লোৱা মনোভাবো, মানে মৌলানা চাহাবে গ্ৰুপীং প্ৰস্তাৱ গ্ৰহণৰ সম্পূৰ্ণ পক্ষপাতী আছিল আৰু সেই কথা তেওঁৰ বিতৰ্কিত India Wins Freedom গ্ৰন্থত আজাদ চাহাবে লুকঢাক নকৰাকৈ উল্লেখ কৰিছে অথচ এই প্ৰস্তাৱ গৃহীত হোৱাহেঁতেন অসমৰ সৰ্বনাশ হ'লহেঁতেন। অৱশ্যে গোপীনাথ বৰদলৈৰ নেতৃত্ব আৰু গান্ধীজীৰ কৃপাত সেই প্ৰস্তাৱ শেহান্তৰত নাকচ হৈছিল।

দ্বিতীয় মহাযুদ্ধৰ সংক্ৰান্তত কংগ্ৰেছ উৰ্দ্ধতন পক্ষই অসমত কংগ্ৰেছ মন্ত্ৰীসভাখনে পদত্যাগ কৰিব লাগে বুলি দিয়া পৰামৰ্শক্ৰমে বৰদলৈ ডাঙৰীয়াই প্ৰথমতে তাৰ বিৰোধিতা কৰিছিল। গান্ধীজীয়েও এই বিষয়ে নিজৰ সিদ্ধান্ত লবলৈ বৰদলৈক পৰামৰ্শ দিছিল। কিন্তু এই বিষয়তো মৌলানা আজাদে কংগ্ৰেছ সভাপতি হিচাপে বৰদলৈক সমৰ্থন নকৰিলে। তেতিয়াৰ অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি মৌলানা মহম্মদ তৈয়াবুল্লা চাহাবে বৰদলৈৰ মতত সমৰ্থন নিদি আজাদ চাহাবক সমৰ্থন কৰিছিল। কিন্তু ১৯৩৯ চনৰ নবেম্বৰ মাহৰ পৰা ১৯৪৬ চনৰ কাল-ছোৱাত অসমত শ্বাদুল্লা চাহাবৰ মন্ত্ৰীত্বৰ জৰিয়তে ভূমি-নীতি আৰু পমুৱা মুছলমানৰ যি আমদানী হৈছিল তাৰ ফলস্বৰূপে অসমৰ সাম্প্ৰতিক

সমস্যাবোৰ উত্তৰ হৈছে বুলি কব পাৰি। ঘটনাৱলী বিশ্লেষণ কৰিলে এটা কথা অস্বীকাৰ কৰিব নোৱাৰি যে মৌলানা কালাম আজাদে অসমৰ সংক্ৰান্তত তিনিটা গুৰুত্বপূৰ্ণ সমস্যাত শুদ্ধ দিহা-পৰামৰ্শ দিয়া নাছিল।

অসমত ১৯৩৮ চনত বৰদলৈ মন্ত্ৰীসভা গঠনত সুভাষ চন্দ্ৰ বসুৰ উপৰিও, দেশভক্ত তৰুণৰাম ফুকন, প্ৰভুদয়াল হিমাৎসিংকা (বৰ্তমান বয়স ১০১ বছৰ আৰু কলিকতাত আছে) আৰু দেবেশ্বৰ শৰ্মাই বিশেষ ভূমিকা লৈছিল। ১৯৩৮ চনৰ ১৮ ছেপ্টেম্বৰৰ দিনা যিদিনা গোপীনাথ বৰদলৈয়ে শ্বিলঙত গৱৰ্ণৰক দেখা কৰিবলৈ গৈছিল, তেতিয়া এচ্‌লি হলৰ সমুখত ফুকনে বৰদলৈক এনেদৰে উৎসাহ দিয়া দেখিছিলো 'গোপীনাথ চাহাবক কৰা অসম হাউচত কংগ্ৰেছৰ মেজৰিটি প্ৰমাণ কৰি দেখুৱাব পাৰিম।' দেশভক্ত সেই সময়ত অসম কংগ্ৰেছত কোনো বিষয়ববীয়া নাছিল। তথাপি তেওঁ কংগ্ৰেছ দলক পাৰ্যমানে সহায় কৰিছিল।

১৯৩৭-৪৭ চনৰ কালছোৱাত সাংবাদিক হিচাপে বাতৰি সংগ্ৰহ কৰোতে মই কংগ্ৰেছ মহলত লক্ষ্য কৰিছিলো যে বিষ্ণুৰাম মেধী, ত্যাগবীৰ হেম বৰুৱা, মৌলনা তৈয়বুল্লা, অমিয়কুমাৰ দাসক সামৰা গোষ্ঠীটোৱে গোপীনাথ বৰদলৈ আৰু তৰুণৰাম ফুকনৰ ৰাজনীতি মনেচিতে পচন্দ কৰা নাছিল। সেই সময়ত 'বিসম্বাদী' গোট বুলি কোনো ৰাজনীতি নাছিল, তথাপি তেওলোক লোকপ্ৰিয় বৰদলৈ আৰু দেশভক্ত ফুকনৰ সমালোচক আছিল। অন্যতম নেতা ডাঃ ভুবনেশ্বৰ বৰুৱাই কিন্তু দুয়োটা গোষ্ঠীৰ সমন্বয়ৰ কাৰণে প্ৰচেষ্টা কৰিছিল। প্ৰকৃততে, ফুকনক পুনৰ কংগ্ৰেছলৈ আনোতে ডাঃ বৰুৱাই মুখ্য ভূমিকা লৈছিল। ১৯৪৬ চনত কংগ্ৰেছ দলে সাধাৰণ নিৰ্বাচনত একক সংখ্যা গৰিষ্ঠতা লাভ কৰাৰ পিছত গোপীনাথ বৰদলৈ দলপতি নিৰ্বাচিত তথা মুখ্যমন্ত্ৰী হোৱাত পৰিস্থিতি কিছু পৰিমাণে সলনি হৈছিল, সলনি হৈছিল যদিও, কোনো কোনো বিষয়ত বৰদলৈৰ স্থিতি যে অসম কংগ্ৰেছত প্ৰত্যাহ্বানৰ সন্মুখীন নহৈছিল তেনে নহয়।

মই জনামতে তাৰ উদাহৰণ এটা উল্লেখ কৰিব পাৰো। বিষয়টো আছিল দেবেশ্বৰ শৰ্মাৰ প্ৰসঙ্গত। ১৯৪৮ চনৰ মে-জুনৰ কথা।

তেতিয়া ভাৰতবৰ্ষৰ মৰ্যাদা ডমিনিয়নৰ আছিল। মণিপুৰ ৰাজ্যত পূৰ্বৰ বৃটিছ এজেণ্টজনৰ ঠাইত ভাৰত চৰকাৰে দেবেশ্বৰ শৰ্মা ডাঙৰীয়াক ভাৰত ডমিনিয়নৰ এজেণ্ট নিয়োগ কৰে। সেই সময়ৰ ৰাজ্যপাল ছাৰ আকবৰ হায়দাৰীয়ে (১৯৪৭ চনৰ মেৰ পৰা ১৯৪৮ চনৰ ২৮ ডিচেম্বৰলৈ) দেবেশ্বৰ শৰ্মাদেৱৰ বিৰুদ্ধে কিছুমান অভিযোগ আনি ভাৰত চৰকাৰৰ Ministry of States দায়িত্বত থকা চৰ্দাৰ বল্লভভাই পেটেলৰ হুতুৱাই শৰ্মাক পদচ্যুত কৰে। কিন্তু বৰ আচৰিত কথা যে শৰ্মাক পদচ্যুত কৰাত মুখ্যমন্ত্ৰী বৰদলৈৰ হাত থকা বুলি অসম কংগ্ৰেছত এটা চৰম বিপৰ্যয় ঘটে। ইয়াৰ প্ৰতিফলন হিচাপে বৰদলৈয়ে চৰ্দাৰ পেটেললৈ এখন সুদীৰ্ঘ চিঠিৰে শৰ্মাক অন্যায়কৈ পদচ্যুত কৰা হৈছে বুলি জনায় আৰু ছাৰ আকবৰ হায়দাৰীৰ কাৰ্যৰ দুৰ্যোৰ প্ৰতিবাদ কৰে। লগতে, বৰদলৈয়ে তেওঁৰ মুখ্যমন্ত্ৰী পদৰ পৰা ইস্তফা দিয়াৰ বাবে চৰ্দাৰ পেটেলৰ অনুমতি বিচাৰে। গুৱাহাটীত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ কাৰ্যানিৰ্বাহক সভালৈ অহাত বৰদলৈ ডাঙৰীয়াই সাধাৰণভাৱে মোক তেনে ইংগিত দিছিল, কিন্তু হায়দাৰী-শৰ্মাৰ প্ৰসংগতে যে তেওঁ পদত্যাগ কৰিবলৈ বিচাৰিছিল, তাক নকৈ শাৰীৰিক অসুস্থতাৰ কাৰণেহে তেওঁৰ সিদ্ধান্তৰ কথা জানিবলৈ দিছিল। শেহত, অসম কংগ্ৰেছৰ নেতাসকল পতিয়ন গৈছিল যে শৰ্মাৰ অপসৰণৰ বাবে ৰাজ্যপাল আকবৰ হায়দাৰীহে দায়ী আছিল। বৰদলৈৰ পদত্যাগৰ বিষয়টো সিমানতে তল পৰে।

মোৰ আজিও মনত পৰে যে গোপীনাথ বৰদলৈয়ে অসমৰ জনসাধাৰণৰ লগত বৃটিছ মন্ত্ৰীসভাৰ ১৯৪৬ চনৰ ১৬ মেৰ গ্ৰুপীং প্ৰস্তাৱত অত্যন্ত বিহ্বল হৈ পৰিছিল আৰু বলিষ্ঠ নেতৃত্ব দিবলৈ থিয় হৈছিল। কংগ্ৰেছ ৱাৰ্কিং কমিটীৰ আগত প্ৰস্তাৱৰ বিৰোধিতা কৰি তেওঁ হতাশ হৈছিল, মানে শৰৎ চন্দ্ৰ বসুৰ বাহিৰে আন কোনো সদস্যই বৰদলৈক সমৰ্থন কৰা নাছিল; আনকি, প্ৰথম অৱস্থাত দিল্লীৰ ভাঙ্গী কলোনীত গান্ধীজীক দেখা কৰি, চকুলো মচি বৃটিছ প্ৰস্তাৱৰ বিৰোধিতা কৰাত তেওঁ গান্ধীজীৰ সঁহাৰিও পোৱা নাছিল। এই কথা Gandhi's Emissary নামৰ গ্ৰন্থত গান্ধীজীৰ ঘনিষ্ঠ সুধীৰ ঘোষে লিখিছে ঃ

"In the North-East, Assam was not a muslim majority province, but it was to be bumped together with Bengal, a muslim majority province in order to create a substantial area over which the Muslim League could be the defacto rulers. Mr. Gopinath Bordoloi, the eminent Congress leader of Assam, shed tears before Gandhiji on behalf of the people of Assam. It seemed to him immoral and unjust."

দিল্লীৰ পৰা ঘূৰি আহি, মানে তেওঁ অতি হতাশ হৈ, গুৱাহাটী পোৱাৰ দিনা তেওঁ শিলপুখুৰীৰ বাসভৱনৰ আগত এটা বিৰাট ছাত্ৰ সমদল উপস্থিত হয়। শ্ৰীমান প্ৰফুল্ল গোস্বামীকে ধৰি যুৱ আৰু ছাত্ৰসকল তাত আছিল। বৰদলৈৰ লগত মই কথা পাতি আছিলো। বৰদলৈ বাৰাণ্ডালৈ আহি ছাত্ৰ সমদলক এটা প্ৰশ্ন কৰা দেখিছিলো। প্ৰশ্নটো আছিল, 'তোমালোক মোৰ লগত থাকিবা?' ছাত্ৰ সমদলৰ ইতি-বাচক ধ্বনি পোৱাত বৰদলৈৰ মনটো বৰ প্ৰফুল্লিত হোৱা দেখিছিলো। শেহান্তৰত গান্ধীজীৰ আশীৰ্বাদ আৰু অসমৰ ৰাইজৰ প্ৰবল প্ৰতিবাদত বৃটিছ প্ৰস্তাৱ কেনেকৈ নাকচ হৈ অসমৰ তথা ভাৰতৰ ৰাজনৈতিক দৃশ্যপট সলনি হয়, সেইয়া আধুনিক ভাৰতৰ ইতিহাসে স্বাক্ষৰ বহন কৰি আছে।

ইতিমধ্যে আনন্দ বাজাৰ কৰ্তৃপক্ষই যোৰপুখুৰীৰ সেই সময়ৰ মোৰ ভাৰা ঘৰটোত 'Gauhati Office of Hindusthan Standard & Ananda Bazar Patrika' নামৰ এখন বৃহৎ আকাৰৰ চাইন-ব'ৰ্ড আঁৰি দিয়ে আৰু মোৰ মাহিলী পাৰিশ্ৰমিক দুশ টকালৈ বৃদ্ধি কৰে। হিন্দুস্থান ষ্টেণ্ডাৰ্ড বাতৰি কাকতখনে প্ৰচাৰ কাৰ্যত অসমক যথেষ্ট সহায় কৰিছিল। সেই কালত অসমত সাপ্তাহিক আসাম ট্ৰিবিউন আৰু 'অসমীয়া' কাকতৰ বাহিৰে কোনো জাতীয়তাবাদী কাকত নাছিল। হিন্দুস্থান ষ্টেণ্ডাৰ্ড কেইবছৰমান আগত বন্ধ হয় আৰু তাৰ ঠাইত আনন্দ বাজাৰ পত্ৰিকা গোষ্ঠীৰ 'দ্যা টেলিগ্ৰাফ' নামৰ দৈনিক বাতৰিকাকত ওলায়।

মই ষ্টেণ্ডাৰ্ড কাকতৰ লগতে ইউনাইটেড প্ৰেছ অব্ ইণ্ডিয়া, চমুকৈ UNI ৰ, গুৱাহাটীৰ সংবাদদাতাৰ কামো কৰিছিলো। কিন্তু এই

জাতীয়তাবাদী নিউজ এজেন্সী বন্ধ হোৱাত এচোচিয়েটেড্ প্ৰেছ অব্ ইণ্ডিয়া তথা এ-পি-আই যিটো ৰয়টাৰৰ সহযোগী নিউজ এজেন্সী আছিল তাৰ সংবাদদাতা হওঁ। স্বাধীনতাৰ পিছত প্ৰেছ ট্ৰাষ্ট অব্ ইণ্ডিয়া মানে পি-টি-আই নামৰ স্বতন্ত্ৰ ভাৰতীয় নিউজ এজেন্সী গঠন হয়। দ্যা ষ্টেটচমেন কাকতৰো মই গুৱাহাটীৰ সংবাদদাতাৰ কাম কৰিছিলো। কাৰ্যতঃ গুৱাহাটীত পূৰ্বতে মই সংবাদদাতাৰ একচেটীয়াভাৱে কাম কৰিবলৈ সুযোগ পাইছিলো। সেই স্মৃতিয়ে আজিও মোৰ মনত ঘটনাৱলীৰ দৃশ্য দাঙি ধৰে।

# ৪

১৯৪৫-৪৬ চনৰ কালছোৱা মোৰ সাংবাদিক জীৱনত আটাইতকৈ স্মৰণীয় আছিল। এই সময় ছোৱাত দুজন বিখ্যাত ব্যক্তিক মই বাতৰি কাকতৰ সংবাদদাতা হিচাপে সাক্ষাৎ কৰিছিলো। ১৯৪৫ চনৰ শেষৰ ফালে গুৱাহাটীত লগ পাইছিলো মহম্মদ আলি জিন্না চাহাবক আৰু ১৯৪৬ চনৰ ৯ জানুৱাৰীত সাক্ষাৎ গ্ৰহণ কৰিছিলো মহাত্মা গান্ধীক যেতিয়া তেওঁ চতুৰ্থবাৰ তথা শেষ বাৰৰ কাৰণে অসম ভ্ৰমণলৈ আহিছিল। মোৰ বোধেৰে ভাৰতৰ পক্ষে ১৯৪৬ চনটো আছিল অতি গুৰুত্বপূৰ্ণ, কাৰণ সেই বছৰত ১৬ মে'ইৰ বৃটিছ মন্ত্ৰীসভাৰ প্ৰস্তাৱৰ যোগেদি বৃটিছ চৰকাৰে ভাৰতবাসীৰ হাতত ক্ষমতা হস্তান্তৰৰ কাৰণে প্ৰস্তাৱ উত্থাপন কৰিছিল। এই প্ৰস্তাৱ বৃটিছ মন্ত্ৰীসভাৰ প্ৰস্তাৱ তথা ক্ৰীপস প্ৰস্তাৱ বুলি জনাজাত যি প্ৰস্তাৱৰ যোগেদি বৃটিছ চৰকাৰে 'ক', 'খ' আৰু 'গ' নামৰ গ্ৰুপীং ব্যৱহাৰে ভাৰতবৰ্ষ কাৰ্য্যতঃ বিভাজন কৰিবলৈ মনস্থ কৰিছিল। এই প্ৰস্তাৱ অসমৰ পক্ষে এটা ষড়যন্ত্ৰমূলক ব্যৱস্থা আছিল। অৱশ্যে, অসমৰ প্ৰবল বিৰোধিতাত গ্ৰুপীং আঁচনি বদ হৈছিল।

ইতিমধ্যে ১৯৩৫ চনৰ ভাৰত শাসন সংস্কাৰ আইন মতে ১৯৪৬ চনত ভাৰতৰ আন আন প্ৰদেশবোৰৰ লগতে অসমতো ১৯ জানুৱাৰীত বিধানসভাৰ নিৰ্বাচন পতাৰ ঘোষণা হয়। অসমৰ কাৰণে এই নিৰ্বাচন আছিল অতি গুৰুত্বপূৰ্ণ অৰ্থাৎ অসমৰ জনসাধাৰণৰ ওপৰত কংগ্ৰেছ নে মুছলিম লীগৰ বেছি প্ৰভাৱ আছিল তাৰ বিচাৰ কৰাৰ বাবে এই নিৰ্বাচনে সুবিধা দিছিল। এই নিৰ্বাচনৰ সংক্ৰান্তত জিন্না চাহাব আৰু

তেওঁৰ দুজন আগশাৰীৰ নেতা লিয়াকত আলি আৰু খাঁজা নাজিমবুদ্দিন অসমলৈ আহিছিল; অসমলৈ আহি ছিলেট জিলা ভ্ৰমণ কৰি খিলঙেদি গুৱাহাটীলৈ আহে। সেই সময়ত মই এচোচিয়েট প্ৰেছ অব্ ইণ্ডিয়াৰ (বৰ্তমান পি-টি-আই) গুৱাহাটীৰ সংবাদদাতা আছিলো। এ-পি-আইৰ কলিকতাৰ মেনেজাৰ কে-ৰামনাথনে টেলিগ্ৰাম যোগে জিন্না চাহাবৰ এটা সাক্ষাৎ লবলৈ মোক নিৰ্দেশ দিয়ে। কিন্তু মুখ্যমন্ত্ৰী ছাৰ মহম্মদ ছাদুল্লা চাহাবৰ বাহিৰে আন কোনো সূত্ৰৰ যোগেদি জিন্না চাহাবৰ সাক্ষাৎ পোৱাটো অসম্ভৱ আছিল, অথচ ছাদুল্লা চাহাবৰ লগত মোৰ ঘনিষ্ঠ সম্বন্ধ নাছিল। গুৱাহাটীৰ বিশিষ্ট অধিবক্তা আৰু ছাদুল্লা চাহাবৰ সম্বন্ধীয় আব্দুল হাইৰ সৌজন্যত সাক্ষাৎ লাভ কৰিছিলো। সেইদৰে মই জিন্না চাহাবক লগ পাওঁ। জিন্না চাহাব আৰু তেওঁৰ সতীৰ্থ কিজন গুৱাহাটীত মাত্ৰ এদিনহে আছিল। তেওঁলোক চাৰ্কিট হাউচত থকা নাছিল। চহৰৰ বিখ্যাত ঠিকাদাৰ ইদা খাঁৰ লাখটকীয়াৰ ঘৰত তেওঁলোকক ৰখা হৈছিল। এই ঠাইত এতিয়া ইণ্ডাষ্ট্ৰিয়েল কো-অপাৰেটিভ বেংকৰ কেন্দ্ৰীয় কাৰ্যালয়।

নিৰ্দিষ্ট সময়ত মানে ৰাতিপুৱা ১০ বজাত মই জিন্না চাহাবক লগ ধৰো। সাক্ষাতৰ সময়ত ছাদুল্লা চাহাবো আছিল, কিন্তু তেওঁ আমাৰ আলোচনাত অংশ লোৱা নাছিল। জিন্না চাহাবৰ লগত ছাদুল্লা চাহাবে মোক পৰিচয় কৰি দিয়াৰ পিছত মই অতি বিনীতভাৱে জিন্নাক প্ৰশ্ন কৰিছিলো: "Sir, you have been saying that Assam will become a part of Pakistan. But Muslims in Assam form only 38.4 percent of the province's population. May I know how you justify your claim on Assam? It is not a Muslim Majority Province'. জিন্না চাহাবে গম্ভীৰভাবে দিয়া উত্তৰটো আছিল: 'Well, I don't want to enter into any argument on this issue. But I can say without hesitation that Assam will be in my Pakistan'.

বিখ্যাত বেৰিষ্টাৰ আৰু মুছলিম লীগৰ নেতা জিন্না চাহাবৰ উত্তৰটোত কোনো যুক্তি নেদেখি বিস্মিত হৈছিলো আৰু 'May I get some reasons in support of your claim?' বুলি আন এটা প্ৰশ্ন কৰিছিলো। কিন্তু তেওঁ কোনো উত্তৰ নিদি 'No further question. Thank you' বুলি মোক বিদায় দিছিল।

মই জিন্নাৰ উত্তৰখিনি বাতৰি কাকতলৈ পঠাইছিলো আৰু দ্যা ষ্টেটচ্‌মেন, অমৃত বাজাৰ পত্ৰিকা আদি কাকতবোৰত দেখনিয়াৰকৈ বাতৰিটো প্ৰকাশ হৈছিল। সেইদিনা আবেলি ফাঁচী বজাৰৰ ওচৰত নতুনকৈ স্থাপিত খলিল বজাৰত—য'ত আজিকালি উৰ্বশী চিনেমা আৰু দোকান-পোহাৰ বহিছে, এখন ৰাজহুৱা সভা মানে মুছলীম লীগ পন্থী সকলৰ সভা বহিছিল, কিন্তু উপস্থিতি সেৰেঙা আছিল, অৱশ্যে 'লড়কে লেঙ্গা পাকিস্তান' ধ্বনি শুনা গৈছিল। লীগ নেতাকিজনে মুছলীম লীগৰ লক্ষ্য আৰু নীতি ব্যাখ্যা কৰিছিল। জিন্না চাহাবৰ অসম ভ্ৰমণে কিন্তু ১৯৪৬ চনৰ জানুৱাৰীত অনুষ্ঠিত অসম বিধানসভাৰ নিৰ্বাচনৰ ওপৰত বিশেষ ৰেখাপাত কৰিব পৰা নাছিল। কংগ্ৰেছেই নিৰ্বাচনত জয়ী হৈছিল। নিৰ্বাচনী অভিযানৰ সংক্ৰান্তত মোৰ আন এটা কথা মনত পৰিছে। এদিন ছাৰ মাদুল্লা আৰু গোপীনাথ বৰদলৈ নিৰ্বাচনৰ কামত ৰঙিয়া ডাক বঙলাত আকস্মিকভাৱে দেখাদেখি হয়। বৰদলৈৰ লগত সিদ্ধিনাথ শৰ্মা আৰু লক্ষ্মীধৰ বৰাও আছিল। তেওঁলোকে মোকো লৈ গৈছিল। কথা প্ৰসংগত ছাৰ মাদুল্লাই বৰদলৈক প্ৰশ্ন কৰিছিল: 'গোপী অসমৰ ১০৮ খন আসনৰ ভিতৰত তোমালোকে কেইখন আসন পাবলৈ আশা কৰিছা?' বৰদলৈ মাদুল্লাৰ ছাত্ৰ আছিল। বৰদলৈয়ে হাঁহি মুখে কৈছিল: 'আমি কংগ্ৰেছে ৬৪ খন আসন পাম।' ছাৰ মাদুল্লা চাহাবে দুনাই বৰদলৈক কৈছিল: 'তোমাৰ ৬৪ খন আসনৰ অংকটো মোক বুজাই দিয়াচোন।' বয়স আৰু প্ৰশাসন তথা ৰাজনীতিত বৰদলৈ ছাৰ মাদুল্লাৰ দৰে অভিজ্ঞ নাছিল যদিও, উত্তৰটো বৰ আমোদ-জনক আছিল, কাৰণ বৰদলৈয়ে সবিশেষ ব্যাখ্যা নকৰি কৈছিল: 'ছাৰ, আমাৰ নিৰ্বাচনী ষ্ট্ৰেটাজীটো আপোনাক কম বুলি ভাবিছেনে?' মাদুল্লা চাহাবে মাত্ৰ কৈছিল: 'বাৰু তোমাৰ অংকটো শুদ্ধ হয় নে নহয় দেখা যাব।'

কিন্তু ২০ জানুৱাৰীত নিৰ্বাচনৰ ফলাফল প্ৰকাশ হোৱাত দেখা গৈছিল যে বৰদলৈৰ অংক নিৰ্ভুল আছিল অৰ্থাৎ ১০৮ খন আসনৰ ভিতৰত কংগ্ৰেছে পাইছিল ৬১ খন আসন, মুছলীম লীগে ২৮ খন, জামিয়া উলেমাই ৩ খন, নিৰ্দলীয় প্ৰাৰ্থীয়ে ৭ খন আৰু য়ুৰোপীয় চাহ-

খেতিয়ক গোষ্ঠীয়ে ৯ খন আসন লাভ কৰিছিল। কোৱা বাহুল্য যে নিৰ্বাচন সাম্প্ৰদায়িক ভোট ব্যৱস্থাত হৈছিল। যি কি নহওক, বৰদলৈয়ে অনুমান কৰা মতে কাৰ্যতঃ কংগ্ৰেছে ১০৮ খন আসনৰ ভিতৰত ৬৪ খন পাইছিল যিহেতু জামিয়ত-উলেমাৰ তিনিজন সদস্যইও কংগ্ৰেছক সমৰ্থন কৰিছিল আৰু নিৰঙ্কুশ সংখ্যাগৰিষ্ঠ দল হিচাপে অসমত গোপীনাথ বৰদলৈৰ মুখ্যমন্ত্ৰীত্বত পূৰ্ণপৰ্যায়ৰ কংগ্ৰেছৰ মন্ত্ৰীসভা গঠন হয় ১৯৪৬ চনৰ জানুৱাৰী মাহত। তেতিয়াৰ পৰা অসমত ১৯৭৮ চনলৈ মানে সেই চনত জনতা দলে কেইমাহমান ক্ষমতা দখল কৰা দিনলৈ কংগ্ৰেছে সুদীৰ্ঘ ৩৬ বছৰ কাল একেৰাহে শাসনৰ দায়িত্বত আছিল।

মোৰ সাংবাদিক জীৱনত অতি স্মৰণীয় ঘটনা আছিল ১৯৪৬ চনৰ ৯ জানুৱাৰীত যিদিনা গান্ধীজীৰ সাক্ষাৎ লাভ কৰিছিলো। অসমত এসপ্তাহ জোৰা ভ্ৰমণ-সূচী লৈ কলিকতাৰ পৰা ৰেলত আহি ৯ জানুৱাৰীত আমিনগাওঁ ষ্টেচন পায়। অসম কংগ্ৰেছৰ হৈ লীলা বৰুৱাই গান্ধীজীৰ লগত আহিছিল। গান্ধীজীৰ দলটোত আহিছিল তেওঁৰ ব্যক্তিগত সচিব পিয়াৰীলাল, বংগদেশৰ সোদপুৰ খাদী প্ৰতিষ্ঠানৰ সতীশ দাশগুপ্ত, নিখিল ভাৰত গঠনমূলক আঁচনিৰ ভাৰতম কুমাৰাপ্পা, অমৃত কাউৰ আৰু কানু গান্ধী। গোলকগঞ্জৰ পৰা আহোতে অসমৰ বাকী ৰেলষ্টেচনবোৰত দৰ্শনপ্ৰাৰ্থী ৰাইজে ৰাতি 'গান্ধীজীকি জয়', 'মহাত্মাজীকি জয়' আদি ধ্বনি দিয়াত নিশা তেওঁৰ টোপনি নহ'ল। তাৰ বাবে তেওঁ বৰ বিতুষ্ট হৈছিল আৰু ১০ জানুৱাৰীত জুবিলী বাগিছাত পতা প্ৰাৰ্থনা সভাত সেই প্ৰসংগ উল্লেখ কৰি ৰাইজক জানিবলৈ দিছিল যে ৰাইজে তেনেদৰে তেওঁৰ জিৰণি নষ্ট কৰিলে, তেওঁ ইচ্ছা কৰা মতে ১২৫ বছৰ বয়সলৈ জীয়াই থাকিব নোৱাৰিব। (জুবিলী বাগিছা বৰ্তমান গুৱাহাটী পৌৰ নিগমৰ পানী যোগানৰ কেন্দ্ৰ স্থানত পৰিণত হৈছে, অথচ এই ঐতিহাসিক ঠাইত অসমৰ একাধিক গুৰুত্বপূৰ্ণ বিষয়ে আলোচনা কৰিবলৈ ৰাজহুৱা সভা বহিছিল—যেনে, অসমৰ কাৰণে সুকীয়া বিশ্ববিদ্যালয়, ছিলেট বিচ্ছেদ, চাইমন কমিচন বৰ্জন, জালিয়ানৱালাবাগৰ হত্যাকাণ্ডৰ সন্দৰ্ভ আদি বিষয়বোৰ জুবিলী বাগিছাত অনুষ্ঠিত ৰাজহুৱা সভাত আলোচনা কৰা হৈছিল।)

গুৱাহাটীত থকা কেইদিন গান্ধীজীক নতুনকৈ স্থাপন কৰা শৰণীয়া আশ্ৰমত ৰখা হৈছিল। শাৰীৰিক অসুস্থতাৰ বাবে এইবেলি গান্ধীজী গুৱালকুছিৰ বাহিৰে আন ঠাইলৈ যাব নোৱাৰিলে। পূৰ্বৰ সাতদিনৰ কাৰ্যসূচীৰ পৰিৱৰ্তে গান্ধীজী অসম তথা গুৱাহাটীত পাঁচদিন থকাৰ পিছত পাৰ্চিয়ান নামৰ জাহাজখনেৰে ধুবুৰী তথা গোলকগঞ্জলৈ গৈ ৰেলেৰে উৰিষ্যা আৰু মাদ্ৰাজলৈ যায়।

গুৱালকুছিত গান্ধীজীৰ দৰ্শনাৰ্থে এখন প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছিল। আমিনগাঁৱৰ পৰা এখন ফেৰী জাহাজেৰে তেওঁক গুৱাল-কুছিলৈ নিয়া হৈছিল। অসম কংগ্ৰেছৰ নেতা গোপীনাথ বৰদলৈ, ডাঃ হৰেকৃষ্ণ দাস, ডাঃ জ্যোতিষ চন্দ্ৰ দাস, অমলপ্ৰভা দাস আৰু লীলা বৰুৱা গান্ধীজীৰ লগত গৈছিল। ইউনাইটেড্ প্ৰেছ অব্ ইণ্ডিয়াৰ বিশেষ প্ৰতিনিধি শৈলেন চেটাৰ্জী, অমৃত বাজাৰ পত্ৰিকাৰ ফটোগ্ৰাফাৰ তাৰক দাস আৰু হিন্দুস্তান ষ্টেটগুৰ্ডৰ প্ৰতিনিধি হিচাপে গান্ধীজীৰ লগত যোৱাৰ মোৰ সৌভাগ্য হৈছিল। গুৱালকুছিত তথা ব্ৰহ্মপুত্ৰৰ বালিত যিখন সভা হৈছিল আৰু প্ৰায় কেবাহেজাৰো মহিলাই তাঁত আৰু যঁতৰত সূতা কাটি যি দৃশ্য প্ৰদৰ্শন কৰিছিল, সেইয়া আছিল সঁচাকৈয়ে অপূৰ্ব। এজনী শিপিনীয়ে সভাস্থলিতে এখন কাপোৰত গান্ধীজীৰ ছবি বুই তেওঁক উপহাৰ দিছিল আৰু তেওঁ তাক আনন্দেৰে গ্ৰহণ কৰিছিল।

গুৱাহাটীলৈ অহাৰ সময়ত ফেৰী জাহাজত গান্ধীজীৰ সাক্ষাৎ লাভ কৰিবলৈ মোৰ সৌভাগ্য হৈছিল। অৱশ্যে শৈলেন চেটাৰ্জী আৰু বৰদলৈ ডাঙৰীয়াই এই সাক্ষাৎ মোৰ কাৰণে ব্যৱস্থা কৰি দিছিল। সাক্ষাৎ লাভ কৰিছিলো হয়, কিন্তু মোৰ এটা সমস্যা নোহোৱাকৈ থকা নাছিল মানে কি ভাষাত গান্ধীজীৰ সৈতে কথা পাতিম—জানোচা ইংৰাজীত প্ৰশ্ন কৰিলে তেখেতে বেয়া পায়। ভয়ে ভয়ে গান্ধীজীৰ সৈতে ইংৰাজীতে কথা পাতিবলৈ স্থিৰ কৰি, গোৱালকুছিৰ সভা আৰু শিপিনীসকলৰ সমাৰোহ দেখি কেনে পাইছিল সেই বিষয়ে গান্ধীজীক প্ৰশ্ন কৰিছিলো। গান্ধীজীয়ে উত্তৰত কৈছিল ঃ 'I know my Assamese sisters. Did I not praise them when I visited Assam in 1921? They are a model for one rest of Indian womanhood.' তাৰ

শিক্ষত নতুন প্ৰশ্ন সুধিবলৈ মোৰ সাহ নহ'ল। উল্লেখযোগ্য অসমীয়া শিপিনী সম্পৰ্কে ১৯২১ চনত গান্ধীজীয়ে কৈছিল ঃ ' Every woman of Assam is a born weaver. No Assamese girl who does not weave can expect to become a wife. And she weaves fairly tales in cloth,.....I fell in love with the Assamese women as soon as I learnt that they are born weavers. ' [গুজৰাটী কাকত 'নৱজীৱন'ৰ ১৯২১ চনৰ ৪ ছেপ্টেম্বৰত গান্ধীজীয়ে অসম ভ্ৰমণৰ অভিজ্ঞতাৰ বিষয়ে লিখা প্ৰবন্ধ। ] অসমীয়া তাঁত শিপিনীয়ে যে কাপোৰত পৰী বৰ জানিছিল, তাক ২৫ বছৰৰ মূৰত তেওঁ গুৱাল-কুছিত নিজে দেখা পাইছিল। সম্প্ৰতি অসমৰ সেই ঐতিহ্য আছে বুলি কব নোৱাৰি।

অসমীয়া সাংবাদিকৰ ভিতৰত যিকিজনে বাতৰি কাকতৰ হৈ গান্ধীজীৰ সাক্ষাৎ লাভ কৰিবলৈ সুযোগ পাইছিল, তাৰ ভিতৰত মই প্ৰথমজন সাংবাদিক বুলি দাবী কৰিব নোৱাৰো। মোৰ মনত পৰা মতে মই দ্বিতীয়জন সাংবাদিকহে যিজনে গান্ধীজীৰ সাক্ষাৎ লৈছিলো। ১৯৩৪ চনত গান্ধীজী তৃতীয়বাৰ অসম ভ্ৰমণলৈ আহোতে স্বনামধন্য সাংবাদিক লক্ষ্মীনাথ ফুকনে দ্যা ষ্টেটচমেন কাকতৰ যোৰহাটৰ স্থানীয় বাতৰিযোগনিয়াৰ হিচাপে গান্ধীজীৰ এটা আছুতীয়া সাক্ষাৎ গ্ৰহণ কৰিছিল। সংবাদটোৰ প্ৰতিলিপিটো গান্ধীজীয়ে শুধৰাই দিছিল আৰু কাকতখনত সেইদৰে প্ৰকাশ হৈছিল।

১৯৪৫-৪৬ চনত অসমৰ ৰাজনৈতিক ঘটনাৱলীৰ প্ৰসংগত মোৰ আন এটা কথা মনত পৰিছে। ১৯৪৫ চনৰ অক্টোবৰ মাহত কোনো এটা দিনত কোকৰাঝাৰ চহৰত এখন ডাঙৰ ৰাজহুৱা সভা বহিছিল। এই সভাখন শ্বাদুল্লা মন্ত্ৰীসভাৰ অন্যতম মন্ত্ৰী ৰূপনাথ ব্ৰহ্মাই নে অসম ট্ৰাইবেল লীগৰ দ্বাৰা আহূত হৈছিল। উদ্যোক্তাসকলে সভালৈ মুখ্যমন্ত্ৰী ছাৰ মহম্মদ শ্বাদুল্লাৰ উপৰিও বিৰোধী পক্ষৰ নেতা তথা কংগ্ৰেছ দলপতি গোপীনাথ বৰদলৈকো নিমন্ত্ৰণ কৰিছিল। সেইমতে একেখন ৰেলত শ্বাদুল্লা চাহাব আৰু বৰদলৈ কোকৰাঝাৰলৈ গৈছিল। বৰদলৈৰ লগতময়ো গৈছিলো। কোকৰাঝাৰ ৰেল ষ্টেচনত মুখ্যমন্ত্ৰী শ্বাদুল্লাক জনজাতীয় আৰু পমুৱা মুছলমানৰ হাজাৰ-বিজাৰ লোকে সম্বৰ্দ্ধনা জনাইছিল, কিন্তু বৰদলৈদেৱক অৱজ্ঞা কৰা যেন মোৰ ধাৰণা হৈছিল।

সি যি কি নহওক, আবেলিৰ ৰাজহুৱা সভাত ছাৰ শ্বাদুল্লা আৰু বৰদলৈ-দেৱে অসমৰ ভূমি সমস্যা সম্পৰ্কে নিজৰ দলীয় নীতি বিশ্লেষণ কৰিছিল। মই জনামতে এইখনেই একমাত্ৰ ৰাজহুৱা সভা আছিল যিখন সভাৰ মঞ্চৰ পৰা চৰকাৰৰ হৈ শ্বাদুল্লা চাহাবে আৰু কংগ্ৰেছৰ হৈ বৰদলৈয়ে বক্তৃতা দিছিল। মন্ত্ৰী ৰূপনাথ ব্ৰহ্ম এজন ভাল বক্তা আছিল আৰু বনমন্ত্ৰী হিচাপে সকলো ৰাজহুৱা মেল-মিটিঙত 'জংগলেই মঙ্গল' কথাষাৰ আবেগপূৰ্ণভাবে উত্থাপন কৰিছিল আৰু লগতে ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতাৰ উদ্ধৃতিৰে তেওঁৰ বক্তৃতাৰ সামৰণি মাৰিছিল। কোৱা বাহুল্য যে ব্ৰহ্ম ডাঙৰীয়াই শ্বাদুল্লা আৰু বৰদলৈৰ ব্যক্তিত্বৰ সমভাবে বিশ্লেষণ কৰিছিল। ৰাজহুৱা জীৱন তথা মন্ত্ৰী হিচাপে ৰূপনাথ ব্ৰহ্ম সকলো দুৰ্নীতিৰ উৰ্দ্ধত আছিল। সেই গুণেই হবলা ব্ৰহ্ম ডাঙৰীয়াই ছাৰ মহম্মদ শ্বাদুল্লা, লোকপ্ৰিয় গোপীনাথ বৰদলৈ আৰু বিষ্ণুৰাম মেধীৰ দ্বাৰা মন্ত্ৰীসভাত স্থান পাইছিল।

কোকৰাঝাৰৰ পৰা গুৱাহাটীলৈ ঘূৰি আহোতে বৰদলৈক বৰ হতাশ হোৱা যেন মোৰ অনুমান হৈছিল আৰু ৰেলত মোক জানিবলৈ দিছিল যে অসমত পমুৱাৰ সমস্যাই প্ৰদেশখনৰ ভূমি সংক্ৰান্তত নানান বিপৰ্যয় আনিব যাৰ ফলত অসমৰ জনজাতীয় লোক বিপদাপন্ন হব। সেই কাৰণে জনজাতিৰ মানুহখিনিৰ স্বাৰ্থত ট্ৰাইবেল ব্লক আদিত বৰদলৈয়ে গুৰুত্ব দিছিল আৰু সেই সময়ত শ্বাদুল্লা চৰকাৰৰ ওপৰত জনজাতি অঞ্চল পমুৱাৰ দখলৰ পৰা সংৰক্ষণ কৰাত হেঁচা দিছিল।

স্বাধীনতা সংগ্ৰাম আৰু তাৰ পিছতো অসমৰ কংগ্ৰেছৰ নেতাসকলে কি প্ৰতিকূল অৱস্থাত কাম কৰিছিল, সেই কথা মনত পৰিলে তেওঁ-লোকলৈ পৰম শ্ৰদ্ধা জন্মে। এফালে মছলীম লীগ আৰু য়ুৰোপীয় চাহ-খেতিয়ক গোষ্ঠীৰ অসমবিৰোধী কাৰ্যকলাপ আৰু আনফালে বৃটিছ চৰকাৰৰ উৎপীড়ণৰ মাজত নেতা সকলে কাম কৰিব লগা হৈছিল। অথচ আজিৰ চাম পুৰুষে অসমৰ কংগ্ৰেছ নেতা আৰু কৰ্মীসকলৰ ত্যাগ স্বীকাৰ কৰা দেখা নাযায় যিটো চৰম দুৰ্ভাগ্যৰ বিষয়। সেই যুগৰ অসমৰ ৰাজনৈতিক ইতিহাস পঢ়িলে বা স্মৰণ কৰিলে মনত বহু কথাৰ উদয় হয়।

# ৫

১৯৪৭ চনৰ ডিচেম্বৰ মাহৰ শেহ সপ্তাহ। তুৰালৈ যোৱাৰ পথত মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈ গুৱাহাটীত উপস্থিত। পূৰ্বৰ দৰে তেওঁৰ বাসভৱনলৈ যোৱাত পিছদিনা তেওঁৰ লগত তুৰালৈ যাবলৈ মোক কয়। সেই মতে ৰাতিপুৱা মুখ্যমন্ত্ৰীৰ গাড়ীত মই তুৰালৈ যাত্ৰা কৰো। আজি-কালিৰ দৰে সেই সময়ত মুখ্যমন্ত্ৰীৰ লগত নিৰাপত্তাৰ নামত এলানি গাড়ী যোৱা নাছিল। মাত্ৰ আধা ডজন কনিষ্টবল আৰু এজন পুলিচ চাব-ইনিস্পেক্টৰক লৈ এখন পুলিচ ট্ৰাক মুখ্যমন্ত্ৰীৰ গাড়ীৰ পাছে পাছে গৈছিল। সেইদিনত দক্ষিণ কামৰূপৰ ৰাষ্ট্ৰীয় পথটোৰ বাহিৰে তুৰালৈ কোনো ভাল পথ নাছিল। ধুলিময় ৰাস্তাৰে যাব লগা হৈছিল।

স্বাধীনতা লাভৰ পিছত বৰদলৈ ডাঙৰীয়া প্ৰথমবাৰৰ কাৰণে সেইদিনা তুৰালৈ গৈছিল। ভাৰত বিভাজনৰ পিছত গাৰো পাহাৰ আৰু পূব পাকিস্থানৰ ৰংপুৰ সীমান্তবৰ্তী অঞ্চলত বৰ উত্তেজনাৰ সৃষ্টি হৈছিল, কাৰণ মুছলীম লীগৰ নেতা মৌলানা আব্দুল হামিদ ভাসানীয়ে ৰংপুৰৰ মুছলমানসকলক গাৰো পাহাৰত সোমাবলৈ উৎসাহ দিছিল। মৌলানা ভাসানী আছিল মুছলীম লীগৰ অসম শাখাৰ সভাপতি, পাকিস্থানত অসমক অন্তৰ্ভূক্ত কৰিবলৈ জোৰ আন্দোলন চলাইছিল আৰু ১৯৩৮-৩৯ চনৰ কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভাৰ দিনত ট্ৰাইবেল ব্লক ভংগ কৰি সেই ব্লকবোৰত পমুৱা মুছলমানক বহুৱাবলৈ চেষ্টা কৰাত মুখ্য-মন্ত্ৰী বৰদলৈয়ে মৌলানা ভাসানীক গ্ৰেপ্তাৰ কৰাইছিল। ভাসানী অসম বিধান সভাৰ সদস্যও আছিল। দেশ বিভাজনৰ পিছত ভাসানী ৰংপুৰ

জিল্লালৈ গৈ গাৰো পাহাৰৰ সীমান্তত উত্তেজনা সৃষ্টি কৰাৰ পৰিপ্ৰেক্ষিতত ৰৰদলৈ তাৰ পৰিস্থিতিৰ বুজ লবলৈ গৈছিল। অসমৰ ক্ষেত্ৰত আনকি পাকিস্থানী পতাকা উৰি থকা আমি দেখিছিলো। বৰদলৈ ডাঙৰীয়া খিলঙলৈ আহি প্ৰধান মন্ত্ৰী নেহৰুলৈ পৰিস্থিতিৰ গুৰুত্বৰ বিষয়ে চিঠি লিখাৰ পিছত সেই অঞ্চলৰ উত্তেজনাৰ শাম কাটে। সীমান্তত নিৰা-পত্তামূলক ব্যৱস্থা উন্নত কৰা হয়।

মুখ্যমন্ত্ৰী বৰদলৈৰ লগত পোনে পোনে মম্নো খিলঙলৈ যাওঁ। গুৱাহাটীৰ মোৰ ঘৰলৈ যোৱা নহ'ল। তুৰাত তেওঁ মোক কৈছিল যে মই অসম চৰকাৰৰ প্ৰচাৰ বিভাগত যোগ দিব লাগে। সেই মতে তুৰাৰ পৰা খিলঙলৈ গৈ প্ৰচাৰ বিভাগৰ সহকাৰী অধীক্ষক হিচাপে কামত যোগ দিওঁ। তাৰ পূৰ্বে প্ৰচাৰ বিভাগৰ নব-নিযুক্ত অধীক্ষক সুৰেশ চন্দ্ৰ ভট্টাচাৰ্য ডাঙৰীয়াইও প্ৰচাৰ বিভাগত সোমাবলৈ মোক হেঁচা দি আছিল, হেঁচা দি আছিল যদিও, কামৰূপ একাডেমীৰ সহকাৰী প্ৰধান শিক্ষক আৰু গুৱাহাটীত হিন্দুস্থান ষ্টেটছমেনৰ কাকতৰ বিশেষ প্ৰতিনিধিৰ কাম ইস্তফা দিবলৈ মোৰ মন নাছিল। কিন্তু মুখ্যমন্ত্ৰী বৰদলৈৰ আৰু অধীক্ষক ভট্টাচাৰ্যৰ হেঁচাত ১৯৪৮ চনৰ তিনি জানু-ৱাৰীত মই চৰকাৰী চাকৰি লব লগাত পৰিছিলো। হিন্দুস্থান ষ্টেটছমেনৰ সম্পাদকক মোৰ সিদ্ধান্ত জনোৱাত মোক অৱশ্যে জানিবলৈ দিছিল যে কোনো বিশেষ কাৰণত চাকৰি এৰি গুৱাহাটীলৈ ঘূৰি আহিলে, হিন্দুস্থান ষ্টেটছমেনত মই পুনৰ যোগ দিয়াত কোনো অসুবিধা নহ'ব। বৰঞ্চ, তেওঁ মোক জানিবলৈ দিছিল যে আনন্দ বাজাৰ পত্ৰিকা গোষ্ঠীয়ে গুৱাহাটীৰ পৰা হিন্দুস্থান ষ্টেটছমেনৰ এটা অসম সংস্কৰণ উলিয়াবলৈ আঁচনি লৈছিল। তাৰ বাবে গুৱাহাটীত ঘৰ নিৰ্মাণৰ বাবে এবিঘামান উপযুক্ত মাটি বন্দৱস্ত কৰিবলৈ মোক অনুৰোধ কৰিছিল। কিন্তু এই আঁচনি কাৰ্যত আগ নাবাঢ়িল। ইতিমধ্যে 'দ্যা আসাম ট্ৰিবিউন' গুৱা-হাটীৰ পৰা দৈনিক বাতৰি কাকত হিচাপে প্ৰকাশ হোৱাত আনন্দ বাজাৰ পত্ৰিকাৰ কৰ্তৃপক্ষই হিন্দুস্থান ষ্টেটছমেনৰ অসম সংস্কৰণ ব্যৱসায়ীক বিবেচনাত লাভজনক নহ'ব বুলি আঁচনি কাৰ্যকৰী নকৰিলে। তথাপি, হিন্দুস্থান ষ্টেটছমেন আৰু আনন্দ বাজাৰ পত্ৰিকালৈ মই যি সেৱা আগ-

বঢ়াইছিলো, তাৰ বাবে কৰ্তৃপক্ষ সন্তুষ্ট হৈছিল যেন মোৰ ধাৰণা হয়।

অসম চৰকাৰৰ নতুন অধীক্ষক সুৰেশ চন্দ্ৰ ভট্টাচাৰ্য অসমীয়া ব্যক্তিৰ মাজত এজন লেখৰ মানুহ আছিল, মানে তেৱেঁই একমাত্ৰ অসমীয়া সাংবাদিক আছিল যিজনে ১৯৩২ চনত ৰেংগুনলৈ গৈ দৈনিক ইংৰাজী কাকত 'দ্যা ৰেংগুন মেইল'ত কামত সোমাই, পিছত এই কাকতৰ সম্পাদক হয়। ১৯২১ চনত গান্ধীজী অসম ভ্ৰমণলৈ অহাত তেওঁৰ তত্ত্বাৱধানৰ বাবে ভলণ্টিয়াৰ আছিল আৰু সেই বছৰৰ শেষৰ ফালে গান্ধীজীৰ নিৰ্দেশত, দক্ষিণ কামৰূপ অঞ্চলত অসহযোগ আন্দোলনৰ সময়ত পুলিচৰ যি দমনমূলক অত্যাচাৰ হৈছিল তাৰ তদন্ত কৰিবলৈ বাবু ৰাজেন্দ্ৰ প্ৰসাদ নগৰবেৰা এলেকালৈ যাওঁতে ভট্টাচাৰ্য আৰু আন এজন (বোধহয় অমিয় কুমাৰ দাস) তেওঁৰ লগত গৈছিল। তেওঁলোক তিনিজন অৰণ্যে গুৱাহাটীৰ পৰা ম'হৰ গাড়ীত গৈছিল যিখন গাড়ীত টিলিঙা আঁৰি দিয়া হৈছিল বাঘ, ভালুক বনৰীয়া জন্তুক ভয় খুৱাবলৈ। তেওঁৰ খুড়ায়েক আছিল অগ্নি-কবি কমলা কান্ত ভট্টাচাৰ্য। সুৰেশ চন্দ্ৰ ভট্টাচাৰ্য এজন মুক্তি-যুঁজাৰু আছিল আৰু ইংৰাজীত ভাল লেখক আছিল। দ্বিতীয় মহাযুদ্ধৰ সময়ত জাপানী আক্ৰমণত ৰেংগুনৰ পতন হোৱাত ভট্টাচাৰ্য আন হাজাৰ-বিজাৰ ভাৰতীয় লোকৰ লগত টামু-ইম্ফল ৰাস্তাৰে ভাৰতলৈ আহিছিল। ভট্টাচাৰ্যই কেন্দ্ৰীয় চৰকাৰৰ তথ্য আৰু অনাতাঁৰ মন্ত্ৰণালয়ত কিছুদিন কাম কৰাৰ পিছত বৰদলৈ-দেৱৰ আমন্ত্ৰণক্ৰমে অসম চৰকাৰৰ প্ৰচাৰ বিভাগৰ মুৰব্বী হিচাপে কামত যোগ দিয়ে। ঘটনাচক্ৰত ময়ো এওঁৰ লগত সহকাৰী অধীক্ষক হিচাপে কাম কৰো। কিন্তু ১৯৫১ চনৰ পহিলা নৱেম্বৰত চৰকাৰী চাকৰি এৰি 'দ্যা আসাম ট্ৰিবিউন'ৰ সহকাৰী সম্পাদকৰ কামত সোমাও, মানে মোৰ সাংবাদিক জীৱন পুনৰ আৰম্ভ কৰো।

মই অতি আনন্দেৰে অনুভৱ কৰো যে ১৯৪৮-৫১ চনৰ কালছোৱা মোৰ জীৱনৰ এছোৱা মূল্যবান সময় আছিল। তাৰ কাৰণ দুটা : চৰকাৰী চাকৰি কৰোঁতে প্ৰসাশন কাৰ্যৰ কিছু আও-ভাও পাইছিলো আৰু এই সময়ছোৱাত মুখ্যমন্ত্ৰী বৰদলৈৰ বাহিৰেও তিনিজন বিশিষ্ট

ব্যক্তিৰ সংস্পৰ্শত আহি, তেওঁলোকৰ লগত পাহাৰ ভৈয়ামত ভ্ৰমণ কৰি তেওঁলোকৰ মুখে ভাৰতৰ ৰাজনীতিৰ বিশেষ জ্ঞান লাভ কৰিবলৈ মোৰ সৌভাগ্য হৈছিল। এই তিনিজন ব্যক্তি আছিল যথাক্রমে অসমৰ ৰাজ্যপাল—ছাৰ আকবৰ হায়দাৰী (৪ মে', ১৯৪৭—২৮ ডিচেম্বৰ, ১৯৪৮), শ্ৰীপ্ৰকাশ (১৬ ফেব্ৰুৱাৰী, ১৯৪৯—২৬ মে', ১৯৫০) আৰু জয়ৰাম দৌলতৰাম (১৭ মে', ১৯৫০—১৪ মে', ১৯৫৬)। কোৱা বাহুল্য যে ছাৰ আকবৰ আছিল এজন অভিজ্ঞ আই-চি-এছ বিষয়া। অসমলৈ অহাৰ পূৰ্বে তেওঁ কেন্দ্ৰীয় চৰকাৰৰ তথ্য আৰু অনাতাঁৰ দায়িত্বৰ একজিকিউটিভ সদস্য আৰু নেহৰুৰ নেতৃত্বত মধ্যকলীন কেন্দ্ৰীয় মন্ত্ৰীসভাৰ উপ-প্ৰধানমন্ত্ৰী চৰ্দাৰ বল্লভভাই পেটেলৰ দায়িত্বত থকা মিনিষ্ট্ৰি অব্ ষ্টেটচৰ সচিবালয়ৰ বিশেষ বিষয়া আছিল। উত্তৰ-পূব ভাৰতৰ বিশেষ সমস্যাৱলী যেনে পাৰ্বত্য এলেকা, নেফা আৰু মণিপুৰ আদিৰ দৰে আহুকলীয়া সমস্যা আৰু দেশ বিভাজনৰ সন্দৰ্ভত হ'ব পৰা পৰিস্থিতিৰ কাৰণেই ছাৰ আকবৰ হায়দাৰীৰ দৰে দক্ষ বিষয়াক অসমৰ ৰাজ্যপাল হিচাপে কেন্দ্ৰীয় চৰকাৰে নিয়োগ কৰিছিল।

মন কৰিবলগীয়া যে ছাৰ আকবৰ হায়দাৰী জন সম্পৰ্ক বিষয়ত বৰ আগ্ৰহী লোক আছিল। গৱৰ্ণৰৰ দায়িত্ব গ্ৰহণ কৰাৰ প্ৰায় এসপ্তাহমান পিছত গুৱাহাটীলৈ আহি বাতৰি কাকতৰ সম্পাদক আৰু সংবাদদাতা সকলক স্থানীয় আৱৰ্ত ভৱনত আনুষ্ঠানিকভাৱে মতৰ বিনিময় কৰে আৰু অসম সমস্যাত উত্তৰ-পূৰ্বাঞ্চলৰ সমস্যাবোৰৰ সম্ভেদ লয়। উপস্থিত থকা সাংবাদিকসকল আছিল 'দ্যা আসাম ট্ৰিবিউন'ৰ সম্পাদক লক্ষ্মীনাথ ফুকন, 'ডেকা অসম'ৰ সম্পাদক অম্বিকাগিৰী ৰায়চৌধুৰী, 'নতুন অসমীয়া'ৰ সম্পাদক দেবকান্ত বৰুৱা, পি-টি-আইৰ মেনেজাৰ পি-ই শংকৰ, 'হিন্দুস্তান ষ্টেণ্ডাৰ্ড' আৰু 'আনন্দ বাজাৰ পত্ৰিকা'ৰ প্ৰতিনিধি সতীশ চন্দ্ৰ কাকতী, 'আজাদ' কাকতৰ সংবাদদাতা অক্ৰাম হুচেইন। কোৱা বাহুল্য যে ৰায়চৌধুৰী ডাঙৰীয়াই অসমলৈ পমুৱা মুছলমানৰ সোঁত আৰু বঙালীৰ প্ৰভুত্বই অসমীয়া জাতিৰ ভৱিষ্যত ভয়াবহ কৰিছে বুলি ৰাজ্যপালৰ দৃষ্টি আকৰ্ষণ কৰিছিল।

১৯৪৮ চনৰ মাৰ্চ মাহত ছাৰ হায়দাৰী লুচাই পাহাৰ জিলা ভ্ৰমণ কৰিবলৈ যায়। প্ৰচাৰ বিষয়া হিচাপে ময়ো তাৰ্ঁে গৈছিলো। সেই সময়ত লুচাই পাহাৰৰ ৰাজনৈতিক পৰিস্থিতি জটিল নাছিল। জিলাখনৰ ৰাজনৈতিক দলকিটাত কোনো ভাগোনমুখী প্ৰস্তাৱ তোলা নাছিল। মিজো য়ুনিয়ন নামৰ দলটো প্ৰগতিবাদী আছিল কিন্তু মিজো চীফসকলৰ দলটোৱে বৃহত্তৰ মিজো পাহাৰৰ প্ৰস্তাৱ দিছিল। তথাপি, ১৯৬৬ চনত মিজো নেচনেল ফ্ৰণ্টৰ নেতা লালডেঙ্গাই যি বিদ্ৰোহ আৰম্ভ কৰিছিল, ১৯৪৮ চনত তাৰ কোনো সম্ভাৱনা পোৱা নগৈছিল। ছাৰ আকবৰ হায়দাৰীয়ে কিন্তু কথা প্ৰসংগত মোক জানিবলৈ দিছিল যে, "Naga Hills and Lushai Hills will be problems for the Government if these are not handled with sympathy."

নগা পাহাৰৰ সমস্যা সমাধানৰ ক্ষেত্ৰত ছাৰ আকবৰ হায়দাৰীয়ে বিশেষ গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ প্ৰচেষ্টাতেই ১৯৪৭ চনৰ জুন মাহত এ-জেদে ফিজোৰ নেতৃত্বাধীন নগা নেচনেল কাউন্সিলৰ লগত কেন্দ্ৰীয় চৰকাৰৰ হৈ ছাৰ আকবৰ হায়দাৰীয়ে এখন ন-দফীয়া চুক্তি কৰিছিল। এই চুক্তিখন "হায়দাৰী চুক্তি" (Hydari Agreement) বুলিও জনাজাত। চুক্তিখনৰ ম্যাদ আছিল দহ বছৰ অৰ্থাৎ চুক্তিৰ চৰ্তমতে দহ বছৰৰ মূৰত চুক্তিৰ ম্যাদ বঢ়াব লাগিব নে নগাসকলৰ ভৱিষ্যত সম্পৰ্কে এখন নতুন চুক্তি সম্পাদন কৰিব লাগিব তাক বিবেচনা কৰা হ'ব। কিন্তু নগা নেচনেল কাউন্সিলৰ নেতা ফিজোয়ে দাবী কৰা মতে নগাসকলক সাৰ্বভৌমত্ব ক্ষমতা প্ৰদান দিয়া হ'ব বুলি ছাৰ আকবৰ হায়দাৰীয়ে কোনো কথা দিয়া নাছিল। এইটো তেওঁৰ সৈতে ইম্ফললৈ যাওঁতে পৰিষ্কাৰভাৱে মোক বুজাই দিছিল। তথাপি, হায়দাৰী চুক্তিখন আজিও বিতৰ্কিত চুক্তি বুলি বহুতে সমালোচনা কৰে।

সেই বছৰৰ নবেম্বৰ মাহত ছাৰ আকবৰ হায়দাৰীৰ লগত অবিভক্ত গোৱালপাৰাৰ ভুটানৰ সীমান্তত হল্টুগাওঁ বনাঞ্চল ভ্ৰমণলৈ যাওঁ। তেওঁ তালৈ চিকাৰলৈ গৈছিল তেওঁৰ পত্নী ছিগফ্ৰীড হায়দাৰী ডেনিছ মহিলা আৰু তেওঁৰ দুজনী কন্যাসহ। গধূলি ৫ বজাত হল্টুগাওঁ বন বিভাগৰ চাং বঙলাত তেওঁ মোক পিছদিনা পুৱা ৮-৩০ বজাত তেওঁৰ

ওচৰলৈ যাবলৈ নিৰ্দেশ দিছিল। সেইমতে, মই চ.বোৰ্ডিনেট অফিচাৰ থকা ওচৰৰ বঙলাটোৰ পৰা পুৱা গৈ ৰাজ্যপালক লগ ধৰো। তেওঁ মোক প্ৰশ্ন কৰিছিল ঃ "What is the time?" মই ৮-৩৫ মিনিট বুলি কোৱাত "You are late by five minutes" বুলি মোক প্ৰায় আতংকিত কৰিছিল। "I am sory, sir" বুলি মই ক্ষমা খুজিছিলো; কিন্তু ছাৰ আকবৰ হায়দাৰীয়ে এটা মৃদু হাঁহি মাৰি মোক কৈছিল ঃ "You need not be sorry, Mr. Kakati. In life be punctual. If you are punctual the half—the work is done and other half will follow." ৰাজ্যপালৰ কথাখিনি যে নিৰ্ঘাত সত্য তাক অস্বীকাৰ কৰিব নোৱাৰি। যিখন দেশত Indian Punctuality নামৰ এপদ বস্তু আছে আৰু হাত ঘড়ীটো আলঙ্কৰিক বস্তু হিচাপেহে ব্যৱহাৰ কৰা হয়, মানে মন্ত্ৰী, পালি-মন্ত্ৰী নামৰ ভাগ্যবান প্ৰাণীয়ে মেল-মিটিঙলৈ যাওঁতে সময়-জ্ঞান পাহৰি যায় আৰু ঘণ্টাৰ পিছত ঘণ্টা অপেক্ষা কৰাৰ পিছত দৰ্শনাৰ্থীসকল সভাস্থলিৰ পৰা গুচি যায় আৰু সভাৰ উপস্থিতি সেৰেঙা হোৱাৰ বাবে বিষয়া প্ৰমুখ্যে উদ্যোক্তাসকলে মন্ত্ৰীৰ ভৎৰ্সনা পায়, তেনে দেশত Punctuality আশা কৰা টান। তথাপি, মই ব্যক্তিগতভাৱে, ছাৰ আকবৰ হায়দাৰীৰ মূল্যবান উপদেশ মনত ৰাখি, সময়-সূচী পালন কৰিবলৈ চেষ্টা কৰো, কিন্তু সময়-সূচী বিষয়টো একপক্ষীয় নহয়।

ছাৰ আকবৰ হায়দাৰী ১৯৪৮ চনৰ ডিচেম্বৰ মাহৰ ২৪ তাৰিখে মণিপুৰলৈ যায়। প্ৰচাৰ বিষয়া হিচাপে মইও তালৈ যাওঁ। ৰাজ্যপালৰ নিমন্ত্ৰণক্ৰমে 'নতুন অসমীয়া'ৰ সম্পাদক হৰেন্দ্ৰ নাথ বৰুৱা আৰু পি-টি-অ ইৰ গুৱাহটীৰ মেনেজ ৰ পি-ই শংকৰো মোৰ লগত গৈছিল। ৰাজ্যপালৰ মণিপুৰ ভ্ৰমণ বৰ গুৰুত্বপূৰ্ণ আছিল। তেতিয়ালৈকে মণিপুৰৰ মহাৰজাই Instrument of Accessionত চহী কৰি মণিপুৰ ৰাজ্য ভাৰত য়ুনিয়নত সংহত কৰিবলৈ ৰাজি হোৱা নাছিল যিদৰে হায়দৰাবাদৰ নিজাম প্ৰমুখ্যে কেইজনমান ৰজা-মহাৰজাই ৰাজি হোৱা নাছিল। স্বাভাৱিকতে মিনিষ্ট্ৰি অব্ ষ্টেটছৰ দায়িত্বত থকা উপ-প্ৰধানমন্ত্ৰী চৰ্দাৰ বল্লভভ ই পেটেল মণিপুৰৰ মহাৰজাৰ ওপৰত অত্যন্ত অসন্তুষ্ট হৈছিল,

অসন্তুষ্ট হৈ ৰাজ্যপাল ছাৰ আকবৰ হায়দাৰীক নিৰ্দেশ দিছিল যেন তেওঁ ইম্ফললৈ গৈ মহাৰাজক Instrument of Accession ত চহী দিবলৈ বাধ্য কৰায়। ৰাজ্যপালে বৰুৱা, শংকৰ আৰু মোক কোৱা মতে চৰ্দাৰ পেটেলৰ কথাখিনি আছিল: "Ask the Maharaja to sign the Instrument of Accession on the dotted line. If he declines, put him under arrest." কিন্তু ইম্ফলত ৰাজ্যপালৰ পক্ষে কামটো জটিল নহ'ল, মানে ২৬ ডিচেম্বৰৰ দিনা প্ৰথম সাক্ষাততেই মহাৰজাই Instrument of Accession ত চহী দি মণিপুৰক ভাৰতৰ লগত সংহত কৰা কাৰ্য নিষ্পত্তি কৰে। হায়দাৰী চাহাবে যেন ডাঙৰ সমস্যা সহজে সমাধান কৰিছিল সেই কথা আমাৰ তিনিজনৰ আগত অতি আনন্দতে ব্যক্ত কৰিছিল।

কিন্তু হৰিষত বিষাদ ঘটিল। ডিচেম্বৰৰ ২৭ তাৰিখে মণিপুৰৰ পৰা আমি গুৱাহাটীমুৱা হওঁ বেলেগে। ৰাজ্যপাল যিদিনা মণিপুৰৰ বিখ্যাত লকটক হ্ৰদৰ পাৰত চিকাৰলৈ যাত্ৰা কৰে তাৰ পিছদিনা ৰাতিপুৱা আমি, মানে হৰেন্দ্ৰনাথ বৰুৱা, শংকৰ আৰু মই, গুৱাহাটী ৰেল ষ্টেচনত নামি খবৰ পাওঁ যে ছাৰ আকবৰ হায়দাৰীৰ লকটক হ্ৰদৰ ওচৰত আকস্মিকভাৱে বিয়োগ ঘটিছে। লগতে জনৰব ওলাইছিল যে মণিপুৰৰ মহাৰজাই বিষাক্ত বস্তু খুৱাই ৰাজ্যপালৰ মৃত্যু ঘটাইছে। এই জনৰব ওলাইছিল এই কাৰণেই যে মহাৰজাই ৰাজ্যপাল চিকাৰলৈ যোৱাৰ সময়ত (সেই সময়ত আমি তিনিজনো উপস্থিত আছিলো) খোৱা বস্তু যেনে—চাউল, শাক-পাচলি, ঘি ৰাজপালক দি গৈছিল। বোধহয় জনৰবটো মহাৰজাই Instrument of Accession ত চহী কৰিবলৈ দ্বিধাবোধ কৰাৰ পৰিপ্ৰেক্ষিততেই ওলাইছিল। কিন্তু চৰকাৰী সূত্ৰই জনৰবটো সম্পূৰ্ণ ভিত্তিহীন বুলি কয় আৰু হৃদযন্ত্ৰ বন্ধ হৈ ছাৰ আকবৰ হায়দাৰীৰ হঠাৎ বিয়োগ ঘটিছিল বুলি ঘোষণা কৰে। আমাৰ তিনিজনৰ পক্ষে হায়দাৰীৰ বিয়োগ বাতৰি সঁচাকৈয়ে অপ্ৰত্যাশিত আছিল।

ইম্ফলত থকা তিনিটা দিনত হায়দাৰী চাহাবৰ লগত বহু বিষয়ত মিলৰে কথা হ'বলৈ সুবিধা পাইছিলো সেইদৰে তেওঁৰ পত্নী ছিগফ্ৰীদ হায়দাৰীৰ সৈতেও অসমৰ বিষয়ে নানা কথা পাতিছিলো। মাত্ৰ এবছৰৰ

ভিতৰাতেই লেডী হায়দাৰীয়ে অসম তথা পূৰ্বোত্তৰ ভাৰতৰ বিষয়ে যথেষ্ট জ্ঞান লাভ কৰিছিল। অসমীয়া মানুহখিনিৰ সন্দৰ্ভত তেওঁ যিখিনি কথা কৈছিল, সি আজিও মোৰ মনত সেউজ হৈ আছে। তেওঁৰ মতে অসমীয়া মানুহ হেনো Born aristocrats। ইয়াৰ অৰ্থটো মই বুজি পোৱা নাছিলো, কিন্তু তেওঁ মোক জানিবলৈ দিছিল যে অসমীয়া মানহখিনিৰ প্ৰত্যেকৰে নিজৰ মাটি এডৰা, তামোল-পাণসহ ঘৰখন, হালৰ গৰু হাল--এইখিনিক সম্বল হিচাপে পালে বৰ সুখী হয়। আনকি, অসমীয়া শিক্ষিত কিজনেও নিজৰ ঠাইখিনি এৰি দূৰৈত চাকৰি কৰিবলৈ টান পায় আৰু অসমীয়া মানুহ সৰল অথচ উদ্যোগী নহয় ইত্যাদি। এই সম্পৰ্কে এটা প্ৰবন্ধ লিখিবলৈ মই লেডী হায়দাৰীক অনুৰোধ কৰিছিলো। তেওঁৰ স্বামীৰ আকস্মিক বিয়োগ হোৱা সত্বেও, কেইমাহ-মান পিছত মোৰ অনুৰোধ মতে প্ৰবন্ধটো পঠিয়াইছিল। এই প্ৰবন্ধটো মোৰ 'Discovery of Assam' নামৰ গ্ৰন্থত সন্নিবিষ্ট কৰা আছে। অসমীয়া মানুহখিনি সম্পৰ্কে তেওঁ লিখিছে ঃ "The Assamese posseses, in my eyes, the virtue and defects of the born aristocrat. His natural dignity rarely deserts him in any crisis, big or small. He will not bestir himself unduly for added lucre. An elegant sufficiency is his motto. The lessons which some of us learn in anguish of the spirit come naturally to him : to be humble, to find stillness in the core of our being, to be silent and content in our little corner that is the secret of life." কথাখিনিৰ মৰ্ম যে সত্য তাক অস্বীকাৰ কৰিব নোৱাৰি বুলি মোৰ দৃঢ় বিশ্বাস। প্ৰায় দুকুৰি বছৰৰ আগত অসমীয়া মানুহৰ যি প্ৰবৃত্তি বা গুণ আছিল, তাৰ কিছু পৰিবৰ্তন হৈছে যদিও, লেডী হায়দাৰীৰ কথাখিনি নিশ্চয় সত্য হৈ আছে।

সি যি কি নহওক, ছাৰ আকবৰ হায়দাৰীৰ সম্পৰ্কলৈ আহি মই নানাভাৱে যে উপকৃত হৈছিলো, বিশেষকৈ পাৰ্বত্য অঞ্চলৰ সমস্যাৰ বিষয়ে, তাক মই অতি কৃতজ্ঞতাৰে সুঁৱৰিছো।

হায়দাৰী চাহাবৰ পৰবৰ্তী অসমৰ আন দুজন ৰাজ্যপাল শ্ৰীপ্ৰকাশ আৰু জয়ৰাম দাস দৌলতৰামৰ সান্নিধ্যত আহি ভাৰতৰ স্বাধীনতা

আন্দোলনৰ বিষয়ে বহু কথা জানিব পাৰিছিলো। উভয়ে আছিল স্বাধীনতা আন্দোলনৰ দুজন আগশাৰীৰ নেতা। শ্ৰীপ্ৰকাশ বৰ দয়ালু আৰু পণ্ডিত লোক আছিল। আনজন ৰাজ্যপাল দৌলতৰাম সিন্ধু প্ৰদেশৰ (বৰ্তমান পাকিস্থানত) লোক আছিল। এওঁ কংগ্ৰেছ ৱাৰ্কিং কমিটীৰ একেৰাহে দহ নে বাৰ বছৰ সদস্য আছিল। উভয়ে গান্ধীবাদী আছিল। সেই কাৰণতেই বোধহয় গোপীনাথ বৰদলৈ আৰু বিষ্ণুৰাম মেধীৰ মুখ্যমন্ত্ৰীত্বৰ কালত ৰাজ্যপাল হিচাপে তেওঁলোকৰ কোনো বিষয়ত মতানৈক্য হোৱা নাছিল। অৱশ্যে, বৰদলৈৰ লগত ছাৰ আকবৰ হায়দাৰীৰ কোনো কোনো গুৰুতৰ বিষয়ত যেনে মণিপুৰ তথা দেবেশ্বৰ শৰ্মা প্ৰসংগ, নগা সমস্যা সন্দৰ্ভত মতানৈক্য নোহোৱাকৈ থকা নাছিল। তথাপি, মই যিমানে সেই কালছোৱাৰ কথা স্মৰণ কৰো, তাৰ পৰা মোৰ যথেষ্ট উপকাৰ হৈছিল আৰু মিল্টনৰ এষাৰি কথা মনত পৰে। মিল্টনে কৈছিল ঃ "Where there is much desire to learn, there of necessity will be much arguing, much writing, many opinions ; for opinion in good men is but knowledge in the making."

# ৬

অসম চৰকাৰৰ প্ৰচাৰ বিভাগত বাৰবছৰ কাম কৰাৰ পিছত মই কাম ইস্তফা দি পুনৰ সাংবাদিক জীৱন আৰম্ভ কৰো। ১৯৫১ চনৰ পহিলা নবেম্বৰত গুৱাহাটীত 'দ্যা আসাম ট্ৰিবিউন' দৈনিক কাকতৰ সহকাৰী সম্পাদকৰ পদত যোগ দিওঁ। সাধাৰণতে চৰকাৰী চাকৰি কম লোকে এৰিব পাৰে ; কাৰণ চৰকাৰী কামৰ যিদৰে নিৰাপত্তা আছে, সেইদৰে তাৰ প্ৰতি চাকৰিয়ালৰ এটা মোহ আছে। প্ৰচাৰ বিভাগৰ সহকাৰী অধীক্ষকৰ চাকৰিটো মোৰ পক্ষে আকৰ্ষণীয় আছিল। তথাপি এটা বিশেষ পৰিস্থিতিত মই চাকৰি এৰিব লগা হৈছিল, মানে যিজনৰ পৰামৰ্শ বা অনুগ্ৰহত মই চাকৰিত সোমাইছিলো, সেইজন তথা মুখ্যমন্ত্ৰী (সেই সময়ত মুখ্যমন্ত্ৰীৰ পৰিবৰ্তে প্ৰধানমন্ত্ৰী বোলা হৈছিল) গোপীনাথ বৰদলৈৰ উপদেশ ক্ৰমে মই চৰকাৰী কাম ইস্তফা দিছিলো।

বৰদলৈ ডাঙৰীয়া ১৯৫০ চনৰ পাঁচ আগষ্টত গুৱাহাটীৰ নৱনিৰ্মিত সাধাৰণ ঘৰত (ৰিহাবাৰীত) হঠাৎ বিয়োগ হোৱাৰ চাৰিমাহমান আগত মই কিমান দৰমহা পাওঁ আৰু তাৰ দ্বাৰা পৰিয়াল চলাব পাৰিছো নে তেওঁ মোক সুধিছিল। উত্তৰত মই মোৰ মাহিলী দৰমহা ৪০০ টকা বুলি কোৱাত বিত্তমন্ত্ৰী বিষ্ণুৰাম মেধিলৈ মোৰ দৰমহা বঢ়াবলৈ তেওঁ এটা প্ৰস্তাৱ পঠায়। প্ৰস্তাৱ নিদি, মুখ্যমন্ত্ৰী হিচাপে বৰদলৈয়ে নিজে হুকুম দিব পাৰিলেহেঁতেন। কিন্তু তেওঁ প্ৰশাসনৰ নীতি-নিয়মবোৰ নিষ্ঠাৰে পালন কৰিছিল। তেওঁ ১৯৫০ চনৰ আগভাগত লুচাই পাহাৰ ভ্ৰমণ কৰিবলৈ যাওঁতে আইজল-লুংলে পথ উন্নত কৰাৰ অৰ্থে আৰ্থিক মঞ্জুৰী দিবলৈ স্থিৰ কৰিছিল। কিন্তু মই বিষয়টো বৰদলৈ বিত্তমন্ত্ৰী

মেধিৰ সমৰ্থন বিচাৰি এটা বেতাৰ বাৰ্তা পঠিয়াইছিল যদিও তেওঁৰ মন্ত্ৰী বৈদ্যনাথ মুখাৰ্জীয়ে মুখ্যমন্ত্ৰীৰ কৰ্তৃত্বত মন্ত্ৰীসভা ভংগ কৰাৰ অধিকাৰ আছে বুলি বৰদলৈক জনাইছিল। সেই সময়ত তেওঁলোকৰ লগত ময়ো উপস্থিত আছিলো। মেধি ডাঙৰীয়াই অৱশ্যে আইজল-লুংলে পথৰ বাবে বিত্তীয় অনুদানৰ প্ৰতি সমৰ্থন দি তাঁৰ বাৰ্তা পঠায় আৰু তাৰ পিছত আইজলত প্ৰস্তাৱটো বৰদলৈয়ে ঘোষণা কৰে।

কিন্তু মোৰ দৰমহা বৃদ্ধিৰ ক্ষেত্ৰত সেইয়া নহ'ল, মানে বৰদলৈ ডাঙৰীয়াৰ প্ৰস্তাৱ মেধি ডাঙৰীয়াই নাকচ কৰে। এদিন তেওঁৰ শ্বিলঙৰ চৰকাৰী বাসভৱন ব্ৰাইটৱেলত সন্ধিয়া তেওঁৰ ব্যক্তিগত সচিব ক্ষীৰোদ গগৈয়ে মোৰ সম্পৰ্কৰ ফাইলটো বৰদলৈক দেখুৱাত অৰ্থাৎ তেওঁৰ প্ৰস্তাৱটো মেধিয়ে নামঞ্জুৰ কৰাত তেওঁৰ ইমান খং উঠিছিল যে বৰদলৈয়ে ফাইলটো দলিয়াই দিছিল। মন্ত্ৰী বৈদ্যনাথ মুখাৰ্জী, ৰামনাথ দাস আৰু মহেন্দ্ৰমোহন চৌধুৰী পূৰ্বৰ দৰে সেই সময়ত বৰদলৈৰ লগত আছিল। অৱশ্যে ময়ো তাত আছিলো। বৰদলৈয়ে তেতিয়া মোক কৈছিল: "তুমি যোৱাগৈ। কাম এৰি দিয়া।" মুখ্য-মন্ত্ৰী বৰদলৈয়ে স্বাভাৱিকতে মেধিৰ দ্বাৰা প্ৰস্তাৱটো নাকচ হোৱাত বোধহয় বৰ বেজাৰ পাইছিল। সি যি নহওক, তাৰ কিছুদিন পিছত মই মোৰ পদত্যাগ পত্ৰ দাখিল কৰো।

ইতিমধ্যে বৰদলৈৰ আকস্মিক মৃত্যুত মেধি ডাঙৰীয়াই মুখ্যমন্ত্ৰীৰ ভাৰ গ্ৰহণ কৰে। মোৰ পদত্যাগৰ বিষয়টো জানিব পাৰি পূজাৰ সময়ত গুৱাহাটীৰ তেওঁৰ বাসভৱনলৈ মোক মাতি নি মেধিয়ে মোক পদত্যাগ পত্ৰ উঠাই ল'বলৈ কয়। অৱশ্যে পদত্যাগৰ কাৰণটো মই তেওঁৰ আগত সদৰি কৰা নাছিলো। প্ৰচাৰ বিভাগৰ দায়িত্বত থকা মন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীৰ হতুৱাইও মোৰ পদত্যাগ তুলি ল'বলৈ মুখ্যমন্ত্ৰী মেধিয়ে চেষ্টা কৰিছিল। কিন্তু চৌধুৰীয়ে যি পৰিস্থিতিত, পদত্যাগ কৰিবলৈ মই সিদ্ধান্ত লৈছিলো, সেই কথা তেওঁ জানিছিল কাৰণে মোক কোনো হেঁচা দিয়া নাছিল। শ্বিলঙৰ মুখ্যমন্ত্ৰীৰ নিৰ্দেশক্ৰমে প্ৰচাৰ বিভাগৰ সচিব আই-এ-এছ বিষয়া খাছী ভদ্ৰলোক মিঃ পাইকেনথাইনে ( Pykenthein ) মোক তেওঁৰ অফিচলৈ মাতি নি পদত্যাগ পত্ৰ উঠাই

ল'বলৈ মোক বুজনি দিয়ে, কিন্তু মোৰ সিদ্ধান্তটো অচল-অটল বুলি কোৱাত চৰকাৰী কাম এৰি ক'লৈ যাম, কি কৰিম আদি প্ৰশ্ন কৰাত মই সাংবাদিকতাৰ বৃত্তিকে লম বুলি জানিবলৈ দিওঁ। লগতে এই কথাটোও জনাওঁ 'দ্যা আসাম ট্ৰিবিউন' কিম্বা 'হিন্দুস্তান ষ্টেণ্ডাৰ্ড'ত যোগ দিব পাৰোঁ। ট্ৰিবিউনত মোৰ কি ভৱিষ্যত আছে বুলি পুনৰ প্ৰশ্ন কৰাত যথা সময়ত তাৰ সম্পাদক হোৱাৰ সম্ভাৱনা আছে বুলি সচিবজনক জানিবলৈ দিওঁ। হঠাৎ পাইকেনথাইনে ক'লে: Kakati, you are very ambitious. কথাষাৰ কৈ চেক্সপিয়েৰৰ Brutus was an honourable man and he was ambitious for which he had to pay heavy price. কথাষাৰ কৈছিল। কটন কলেজত চেক্সপিয়েৰৰ 'ছিজাৰ' নাটকখন পঢ়িছিলো, কিন্তু প্ৰায় ১৭ বছৰৰ মূৰত যে এজন আই-এ-এছ বিষয়াৰ পৰা চেক্সপিয়েৰৰ উদ্ধৃতি শুনিব লগা হ'ব তাক কল্পনা কৰা নাছিলো। মিঃ পাইকেনথাইনক অৱশ্যে ময়ো প্ৰত্যুত্তৰত কৈছিলো: "Mr. Pykenthein, today you are Secretary to the Government of Assam. Don't you have an ambition to become its Chief Secretary?" এইবাৰ সচিব ডাঙৰীয়াই কোনো উত্তৰ নিদি মই পদত্যাগ কৰিবলৈ লোৱা সিদ্ধান্ত যে পৰিবৰ্তন নহয়, সেই কথা মুখ্যমন্ত্ৰী মেধি ডাঙৰীয়াক জনাই দিব বুলি মোক বিদায় দিলে। কোৱা বাহুল্য যে মই ট্ৰিবিউনত থকা সময়ত তেওঁ প্ৰবন্ধ-পাতি পঠিয়াইছিল আৰু ব্যক্তিগত-ভাৱে মোৰ তেওঁৰ লগত বন্ধুত্ব হৈছিল।

লোকপ্ৰিয় বৰদলৈৰ সান্নিধ্যলৈ আহি তেওঁৰ নেতৃত্বৰ বিষয়ে মোৰ যি ধ্যান ধাৰণা হৈছিল, তাৰ বহল বিৱৰণ দিবলৈ মন যায়, কাৰণ বৰদলৈক এজন প্ৰশাসনিক হিচাপে তেওঁৰ জীৱনৰ মূল্যায়ন কৰিলে যথেষ্ট নহয়। মই ভাবো বৰদলৈৰ নেতৃত্ব অসমৰ জাতীয় জীৱনৰ এটা সংকট মুহূৰ্তৰ ৰাজনৈতিক ইতিহাস। ইতিমধ্যে, চৰকাৰে লোক-প্ৰিয় গোপীনাথ বৰদলৈৰ জন্ম শতবাৰ্ষিকী (১৯৯০ চন, ৬ জুন) উৎযাপন কৰিবলৈ এখন অভিলাষী আঁচনি প্ৰস্তুত কৰি উলিয়াইছে। এই আঁচনিত বৰদলৈৰ বিষয়ে এখন তথ্যচিত্ৰ, গুৱাহাটী আৰু নতুন দিল্লীত ব্ৰঞ্জৰ মূৰ্তি, বৰদলৈৰ ভাষণাৱলী আৰু এখন পূৰ্ণাংগ জীৱনী প্ৰকাশ সামৰা আছে। সেই কাৰণে মোৰ লেখাত বৰদলৈৰ সন্দৰ্ভত মোৰ অভিজ্ঞতাৰ

দীঘলীয়া বিৱৰণ সংযোজনা কৰিবলৈ ইচ্ছা কৰা নাই। তথাপি সংক্ষেপে দুই চাৰিটা বিষয় উল্লেখ কৰাৰ লোভ এৰিব নোৱাৰিলো।

কোৱা বাহুল্য যে ৰাজনীতিৰ খলা-বমাত লোকপ্ৰিয় বৰদলৈ দৃশ্যতঃ উদাস মনোভাবৰ ব্যক্তি আছিল। তেওঁ নিঃসন্দেহে ১৯৩৭-৫০ চনৰ সময়ত অসমৰ ৰাজনীতিৰ ক্ষেত্ৰত এটা নিৰংকুশ স্থিতি লাভ কৰিছিল, যিদৰে গান্ধীজীৰ ঘনিষ্ঠ সম্পৰ্কলৈ আহি গান্ধীবাদী আদৰ্শৰে প্ৰভাৱান্বিত হৈ সৰ্বভাৰতীয় ৰাজনীতিতো তেওঁ সন্মানীয় স্থান পাইছিল। তথাপি তেওঁ ৰাজনীতিৰ পৰা অব্যাহতি লোৱাৰ মানসেৰে, মই জনা মতে, দুবাৰ মুখ্যমন্ত্ৰীত্বৰ পৰা পদত্যাগ কৰিবলৈ স্থিৰ কৰিছিল। ১৯৪৮ চনত ছাৰ আকবৰ হায়দাৰীৰ আৰু দেৱেশ্বৰ শৰ্মাৰ মাজত উত্তৰ হোৱা পৰিস্থিতিত যে বৰদলৈয়ে মুখ্যমন্ত্ৰীৰ পদ এৰিবলৈ স্থিৰ কৰিছিল তাক মোৰ পূৰ্বৰ নিবন্ধত উল্লেখ কৰা হৈছে। ১৯৫০ চনৰ আগভাগতো তেওঁ পদত্যাগ কৰাৰ বাবে গুথাগঁথা কৰিছিল। মুখ্যমন্ত্ৰীৰ পদ এৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ বাব ল'বলৈ ইচ্ছা কৰিছিল, মানে বিশ্ববিদ্যালয়খনক তেওঁ নতুন ঠাঁচত গঢ়ি তুলিবলৈ মানস কৰিছিল। প্ৰাথমিক অৱস্থাত তেওঁ আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণস্বৰূপ। বিশ্ববিদ্যালয়ৰ স্থান নিৰ্বাচনৰ বাবে ডঃ ভুৱনেশ্বৰ বৰুৱা, অমিয় কুমাৰ দাস, সিদ্ধিনাথ শৰ্মা নেতাসকলৰ উপৰিও ফণী দত্ত (এওঁ বিশ্ববিদ্যালয়ৰ প্ৰথম ৰেজিষ্ট্ৰাৰ), চেটেলমেণ্ট অফিচাৰ যামিনী চক্ৰৱৰ্তীক লগত লৈ জালুকবাৰীত বৰদলৈয়ে স্থান নিৰ্বাচন কৰি অত্যন্ত প্ৰফুল্লিত হোৱা দেখিছিলো। প্ৰস্তাবিত বিশ্ববিদ্যালয়ৰ মাজত থকা যাই ৰাষ্ট্ৰীয় পথটো উঠাই নি তাৰ দক্ষিণ মূৰেদি গুৱাহাটী চহৰক সংলগ্ন কৰাৰ তেওঁ প্ৰস্তাৱ দিছিল, আৰু নতুন বিশ্ববিদ্যালয়খন এখন আবাসিক বিশ্ববিদ্যালয় হিচাপে গঢ়িবলৈ মনস্থ কৰিছিল। কিন্তু এই দুটা প্ৰস্তাৱ কাৰ্যকৰী কৰা নহ'ল। আনকি, বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলৰ বাবে চান্দমাৰীত অস্থায়ী ঘৰ-দুৱাৰ বন্দোবস্ত বৰদলৈ অতীষ্ঠ হৈছিল, মানে তেওঁৰ পৰিকল্পনাৰে আবাসিক বিশ্ববিদ্যালয় গঢ়ি উঠাৰ আঁচনি বিফল হোৱা দেখি আক্ষেপ কৰিছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমজন উপাচাৰ্য হিচাপে বৰদলৈয়ে হিন্দী পণ্ডিত গান্ধীবাদী কাকা কালেলকাৰক অনাৰ বাবে চিন্তা অৰ্থাৎ

loud thinking কৰিছিল; চিন্তা কৰিছিল যদিও, এই বিষয়ত আগ নাবাঢ়ি, পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈক ডাঙৰীয়াক নিয়োগ কৰিবলৈ সিদ্ধান্ত লয়। কিন্তু সন্দিকৈয়ে যে এই পদ গ্ৰহণ কৰিব বৰদলৈয়ে আশা কৰা নাছিল। শেহান্তৰত, কেইটামান চৰ্তসাপেক্ষে সন্দিকৈয়ে বৰদলৈৰ অনুৰোধ ৰক্ষা কৰে। শ্বিলঙত কংগ্ৰেছ বিধায়িনী দলৰ একাংশই কিন্তু কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াক গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমজন উপাচাৰ্যৰ পদ দিয়াত ভাল পোৱা নাছিল। অৱশ্যে এওঁলোকে সন্দিকৈৰ পাণ্ডিত্য কিম্বা অৰ্হতাৰ প্ৰশ্ন তুলি যে আপত্তি কৰিছিল সেইটো নহয়, আপত্তি কৰিছিল এই কাৰণে যে প্ৰাথমিক অৱস্থাত গৃহ আদি নিৰ্মাণ কাৰ্যত সন্দিকৈ ডাঙৰীয়াই আৱশ্যকীয় অৰিহণা যোগাব পাৰিব বুলি তেওঁলোক প্ৰত্যয় যোৱা নাছিল। আপত্তি খণ্ডন কৰি তেওঁলোকক মোৰ সাক্ষাততে বৰদলৈয়ে কৈছিল ঃ "তোমালোকে কি জানা? সন্দিকৈৰ ব্যক্তিগত লাইব্ৰেৰীত কিমান মূল্যবান গ্ৰন্থ আছে তোমালোকে নাজানা। সন্দিকৈয়ে যে উপাচাৰ্যৰ পদ গ্ৰহণ কৰিব তাক মই বিশ্বাস কৰিবলৈ টান পাইছিলো। কিন্তু তেওঁ আহিব। মোৰ সমস্যা হৈছে তেওঁক আৰু তেওঁৰ লাইব্ৰেৰীৰ কাৰণে কেনেকৈ এটা আহল-বহল ঘৰৰ বন্দোবস্ত কৰিব পাৰো।" সেই মতে বৰদলৈয়ে কটন কলেজৰ অধ্যক্ষৰ বিৰাট বাংলোটো সন্দিকৈৰ বাসভৱন হিচাপে নিৰ্দিষ্ট কৰিছিল আৰু তাতেই তেওঁ তিনিবছৰীয়া তিনিটা Term অৰ্থাৎ ন বছৰ আছিল। কিন্তু সন্দিকৈদেৱ যে ইমান বছৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈ থাকিব তাক বৰদলৈয়ে অনুমান কৰা নাছিল। সেয়েহে বৰদলৈয়ে মুখ্যমন্ত্ৰীৰ পদ ইস্তফা দি সন্দিকৈৰ কাৰ্যকালৰ প্ৰথম টাৰ্মৰ পিছত, মানে ১৯৫১ চনত, উপাচাৰ্যৰ পদ লোৱাৰ কথা ভাবিছিল যেন অনুমান হয়। কিন্তু ১৯৫০ চনত বৰদলৈৰ আকস্মিক মৃত্যুত সেই কল্পনাৰো অন্ত পৰে। তথাপি, কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰ দিনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটা নিজা ভাবমূৰ্তি গঢ়ি উঠিছিল। বৰ্তমান সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সেই ভাবমূৰ্তি আছে নে নাই সেইখিনি নিঃসন্দেহে বিচাৰ্য্য বিষয়। কিন্তু বৰদলৈৰ স্মৃতিত গুৱাহাটী বিশ্ব-বিদ্যালয়ত আজিলৈকে কোনো স্মৃতি ৰক্ষা নোহোৱাটো বিস্ময়ৰ কথা।

লোকপ্ৰিয় বৰদলৈৰ সন্দৰ্ভত নগা সমস্যা সম্পৰ্কে মোৰ এটা অভিজ্ঞতা মনত পৰে। ১৯৪৮ চনত তেওঁ নগা পাহাৰ জিলা ভ্ৰমণ কৰিবলৈ যায়। কোহিমালৈ যোৱাৰ পথত ৱাখা (Wakha) নামৰ ৰাষ্ট্ৰীয় পথৰ দাঁতিত নগা ৰাইজে তেওঁলোকৰ বাৰেবৰণীয়া পোছাক, যাঠি, দাৰে সজ্জিত হৈ বৰদলৈক এনে এটা সম্বৰ্দ্ধনা জনাইছিল যে সেই বিৰাট এমাইল-জোৰা নগাসকলৰ সমাবেশটো দেখি আমি বিস্ময় মানিছিলো। বৰদলৈ অভিভূত হৈছিল। কিন্তু নগাসকলৰ এজন প্ৰধানে (Chief) বৰদলৈৰ আগত আৰু সমদলকাৰীৰ সমৰ-ধ্বনিৰ মাজত নাগামিজ ভাষাত যিখিনি কথা কৈছিল তাৰ মৰ্মটো যে ৰাজনৈতিক দৃষ্টিত ইংগিত-পূৰ্ণ আছিল তাক বুজিবলৈ আমাৰ বেছি সময় লগা নাছিল। বৰদলৈ ডাঙৰীয়াই পিছত আমাক জানিবলৈ দিছিল যে নগাসকলে কথাবোৰ diplomatically কয়। নগা প্ৰধানজনে কোৱা কথাখিনি আছিল: বৰদলৈ চাহাব, আপোনালোক স্বাধীন হোৱাত আমি নগা খুচি হৈছো। আমি গান্ধীৰ নাম শুনিছো। কিন্তু আমি নগাসবে বৃটিছৰ বিৰুদ্ধে যুঁজিবলৈ নাপালো। এতিয়া ভাৰতে নগাক স্বাধীন কৰি দিব লাগে। আমি আপোনালোকৰ বন্ধু হিচাপে থাকিম ইত্যাদি।

নগা আন্দোলনে পৰৱৰ্তী বছৰকেইটাত কি ৰূপ লৈছিল সি সৰ্বজন-বিদিত। তথাপি বৰদলৈৰ মৃত্যুত যে পাৰ্বত্য জনজাতীয়সকলে তেওঁ-লোকৰ এজন পৰম হিতাকাংক্ষী লোক হেৰুৱাইছিল তাত কোনো সন্দেহ নাই। তেওঁৰ মৃত্যুত ভৈয়ামবাসীতকৈ পাৰ্বত্য জনজাতিৰ লোক বেছি শোকাতুৰ হৈ পৰিছিল। নগা নেতা ফিজোয়ে বৰদলৈৰ পৰিয়াললৈ দিয়া শোকবাৰ্তাত সি প্ৰকাশ হৈছিল। বাৰ্তাটোত ফিজোয়ে লিখিছিল:

"With only few others Bardoloi saw, years ago, amidst the gathering storm, a patch of blue sky. In that great vision of his and his unremitting contribution towards its realisation will be found truly depicted the impression of his character which neither death nor time can rob away. In life Bardoloi was a friend of Nagas whose frendship they held dear. Nagas have been made poorer today that he has gone.

সম্প্ৰতি জনজাতীয় আৰু অসমীয়া গোষ্ঠীৰ মাজত ক্ৰমবৰ্দ্ধমান তিক্ততাৰ সন্দৰ্ভত বৰদলৈৰ আদৰ্শ আৰু কৰ্ম-কুশলতাৰ বিষয়ে তেওঁৰ উত্তৰসুৰীসকলে গভীৰভাৱে চিন্তা কৰাৰ প্ৰয়োজন।

সাধাৰণতে, কোনো ৰাজনীতিবিদে ৰাজনৈতিক ক্ষমতাৰ মোহ স্বেচ্ছায় ত্যাগ কৰা দেখা নাযায়। আনকি, যি শ্ৰেণী ৰাজনীতিবিদে বৰণ কৰে সেই শ্ৰেণীৰ ৰাজনীতিবিদেও ৰাজনীতি ত্যাগ নকৰে অৰ্থাৎ এজন মাকিন ৰাষ্ট্ৰপতি টমাছ এডিচনে ৰিজনে ৰাজনীতিৰ যুঁজত কেবাবাৰো কৃতকাৰ্য হোৱা নাছিল—তেওঁৰ ভাষাত "I shall not give up, for I may have a streak of luck before I die." আশা পালি ৰাজনীতিৰ একাবেঁকা বাটত নিৰন্তৰ দৌৰি থাকে। কিন্তু মোৰ দৃষ্টিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ তাৰ ব্যতিক্ৰম আছিল অৰ্থাৎ ৰাজনীতিত কৃতকাৰ্যতা লাভ কৰা সত্বেও তেওঁ তাৰ পৰা স্বেচ্ছাই আঁতৰি আহিবলৈ মানস কৰিছিল।

মোৰ স্মৃতি কথা লেখাতকৈ ব্যক্তি বিশেষৰ জীৱনী আৰু ৰাজনৈতিক ঘটনাসমূহৰ বিৱৰণতহে প্ৰাধান্য দিয়া যেন লাগিছে। কিন্তু সাংবাদিকৰ স্মৃতি-কথাত তেনে বিৱৰণ অপৰিহাৰ্য। বিখ্যাত বৃটিছ সাংবাদিক তথা প্ৰভাৱশালী ইংৰাজী সাপ্তাহিক 'নিউ ষ্টেটচমেন' ) New Statesman) কাকতৰ সম্পাদক কিংচলে মাকিনৰ (Kingsley Markin) • আত্ম-জীৱনী ( Father Figures আৰু Eitor নামৰ গ্ৰন্থ দুখনত তেওঁৰ সাংবাদিক জীৱনৰ (১৯৩০-৬০) অভিজ্ঞতা বৰ্ণনা কৰোতে সেই কালছোৱাৰ প্ৰখ্যাত ৰাজনীতিবিদ, লেখক আৰু তেওঁৰ সমসাময়িক সম্পাদকসকলৰ বিষয়েহে উল্লেখ কৰিছে; উল্লেখ কৰি এই ব্যক্তিসকলে দ্বিতীয় মহাযুদ্ধৰ পূৰ্বে যুদ্ধৰ সময়ত আৰু তাৰ উত্তৰ কালত কেনে ভূমিকা লৈছিল তাক বৰ্ণনা কৰিছে। তেনে বিৱৰণ দিবলৈ মোৰ অৰ্হতা আছে বুলি দাবী কৰাৰ ধৃষ্টতা নাই। তথাপি, অতি সীমিতভাৱে মই যি সকলৰ সম্পৰ্কত আহিবলৈ সুযোগ পাইছিলো তাৰ সংক্ষিপ্ত বিৱৰণ দিবলৈ চেষ্টা কৰিছো।

'দ্যা আসাম ট্ৰিবিউন'ৰ স্বত্বাধিকাৰী ৰাধাগোবিন্দ বৰুৱা ডাঙৰীয়াই তেওঁৰ নৱজাত দৈনিক কাকতত যোগ দিবলৈ মোক কিয় হেঁচা দিছিল

সেই বিষয়ে মই আজিও অজ্ঞাত । কিন্তু মোৰ ওপৰত যে তেওঁৰ অসীম বিশ্বাস আছিল তাক মই উপলব্ধি কৰিছিলো । সেই কাৰণে মই ট্ৰিবিউন অনুষ্ঠানত ছাব্বিশ বছৰ কাল কটাবলৈ মোৰ সুযোগ হৈছিল । ১৯৫৫ চনত যেতিয়া 'অসম বাণী' নামৰ সাপ্তাহিক কাকত প্ৰকাশ হয় সেই কাকতৰ সম্পাদকৰ দায়িত্ব তেওঁ মোৰ ওপৰত ন্যস্ত কৰিছিল, যদিও ট্ৰিবিউনৰ সহকাৰী সম্পাদকৰ ভাৰ মোৰ ওপৰতেই আছিল । আৰ-জি-বৰুৱা এজন সৃজনশীল ব্যক্তি আছিল । তাৰ প্ৰমাণ ট্ৰিবিউন কাকতৰ সফলতা, তাৰ মানে কাকতখনৰ সোণালী জয়ন্তী, "অসম বাণী"ৰ জনপ্ৰিয়তা, "দৈনিক অসম"ৰ সাফল্য, সাহিত্য-প্ৰকাশৰ অগ্ৰগতিৰ উপৰিও অসমৰ ক্ৰীড়া, সাংস্কৃতিক আৰু সমাজ সেৱাৰ ক্ষেত্ৰত তেওঁৰ বৰঙণিৰ তুলনা নাই । ১৯৫৪ চনত কথা প্ৰসংগত বৰুৱাই "দ্যা ইলাষ্ট্ৰেটেড উইক্লি অব্ ইণ্ডিয়া" নামৰ প্ৰখ্যাত ইংৰাজী সাপ্তাহিক-খনৰ আহিত এখন আলোচনী প্ৰকাশ কৰাৰ ইচ্ছা মোক জানিবলৈ দিয়ে আৰু মোৰ মতামত বিচাৰে । বৰুৱাদেৱৰ প্ৰস্তাৱটো মোৰ ধাৰণাত বৰ অভিলাষী যেন লাগিছিল আৰু অসমত তেনে সাপ্তাহিক এখনে ব্যৱসায় ভিত্তিত সাফল্য লাভ কৰিব নোৱাৰিব বুলি মোৰ অভিমত ব্যক্ত কৰিছিলো । এই মত সঠিক আছিল নে নাই মই ক'ব নোৱাৰো । কিন্তু বৰুৱাই মোৰ কথা মানি ললে । অৱশ্যে, অসমীয়া ভাষাত Tabloid আকাৰৰ সাপ্তাহিক বাতৰি কাকতৰ প্ৰচুৰ সম্ভাৱনা আছে বুলি কৈছিলো ।

আৰ-জি-বৰুৱাদেৱে সেইদৰে সিদ্ধান্ত লয় । বৰুৱা এনে এজন ব্যক্তি আছিল যিজনে কোনো এটা সিদ্ধান্তলৈ অহাৰ পিছত পাছফালে চোৱা নাছিল । তেওঁৰ অসাধাৰণ উদ্যম, সময়-সূচী তথা Punctuality-ৰ জ্ঞান, সহকৰ্মীৰ প্ৰতি সহনশীলতা, বহল দৃষ্টিভংগী আদৰ্শস্থানীয় আছিল । অসমৰ ৰাজ্যপাল ছাৰ আকবৰ হায়দাৰীয়ে আৰ-জি-বৰুৱাৰ dynamism দেখি এদিন মোক কৈছিল, "R. G. Baruah was born on the wrong side of Bengal." মানে অসমৰ বাহিৰত জন্ম লাভ কৰা-হেঁতেন আৰ-জি-বৰুৱাই মহৎ কাম কৰিব পাৰিলেহেঁতেন । অথচ আকবৰ হায়দাৰীয়ে বৰুৱাৰ কৰ্মশীলতা মাত্ৰ তেৰ বছৰকালহে লক্ষ্য কৰিছিল ।

কোৱা বাহুল্য যে অতি কম সময়ৰ ভিতৰত "অসম বাণী"য়ে অসমত সৰ্বাধিক প্ৰচাৰিত সাপ্তাহিক হিচাপে জনপ্ৰিয়তা লাভ কৰিছিল। দৰাচলতে "অসম বাণী" অসমীয়া মানুহৰ ঘৰে ঘৰে প্ৰচাৰিত হৈছিল যিদৰে, সেইদৰে "আনন্দ বাজাৰ পত্ৰিকা"ৰ প্ৰাক্তন সম্পাদক চপলা কান্ত ভট্টাচাৰ্যই এদিন মোক কোৱা মতে, পত্ৰিকা গোষ্ঠীৰ 'দেশ' নামৰ বঙালী সাপ্তাহিকখন দেশ-বিদেশত থকা প্ৰত্যেক বঙালী মানুহৰ ঘৰত অপৰিহাৰ্য সাপ্তাহিক। সঁচাকৈয়ে "অসম বাণী"ৰ জনপ্ৰিয়তা বৃদ্ধিত মই বৰ সুখী হৈছিলো। তাত নিয়মীয়া শিতানকেইটা সপ্তাহটোৰ মানুহজন তথা ব্যক্তি পৰিচয়, ৰাশিফল, কথাৰ সাগৰ, গল্প, ক্ৰীড়া আৰু চিনেমাৰ পৃষ্ঠা 'বাণী'ৰ অন্যান্য বিশেষত্ব আছিল। প্ৰতি সপ্তাহত অসমীয়া ভাষা, সংস্কৃতি, ক্ৰীড়া, ৰাজনৈতিক, সংগীত আদি বিষয়ত যিসকল ব্যক্তিয়ে অৰিহণা যোগায় তেওঁলোকৰ জীৱিত কালত পঢ়ুৱৈৰ লগত পৰিচয় কৰি দিয়াটো আছিল "সপ্তাহটোৰ মানুহজন" শিতানৰ উদ্দেশ্য আৰু এইবোৰ থূপুৱাই কেবাখণ্ডত Who is who আকাৰত প্ৰকাশ কৰাৰ মোৰ পৰিকল্পনা আছিল। কিন্তু পিছত এই শিতানটো বন্ধ হ'ল। মই স্বীকাৰ কৰিব লাগিব যে "অসম বাণী"ৰ সফলতাৰ গুৰিত আছিল সহকৰ্মী প্ৰয়াত নীৰেন বৰুৱা (নীলমণি), নিৰোদ চৌধুৰী, প্ৰয়াত শশধৰ ৰায়বৰুৱা, জয়ন্ত মাধব ( বৰ্তমান মেনিলাত আন্তৰ্জাতিক বিত্তীয় সন্থা এচিয়ান ডেভলেপমেণ্ট বেংকৰ উচ্চ বিষয়া), তিলক হাজৰিকা, প্ৰয়াত মণিকা বৰুৱা (সাংবাদিকতাক বৃত্তি হিচাপে গ্ৰহণ কৰা প্ৰথম মহিলা), প্ৰিণ্টাৰ প্ৰয়াত ননী ভট্টাচাৰ্য প্ৰমুখ্যে নিষ্ঠাবান কৰ্মীবৃন্দ। এসময়ত "অসম বাণী"ৰ চাৰ্কুলেচন ৮৫ হাজাৰলৈ উঠিছিল। স্বাভাৱিকতে, আৰ-জি বৰুৱা বৰ সুখী হৈছিল। সেইদৰে সুখী হৈছিলো মই, কাৰণ বৰুৱাদেৱক মই যি প্ৰস্তাৱ দিছিলো সেইয়া আশাতীতভাৱে সফল হৈছিল।

সম্প্ৰতি অসমীয়া সাপ্তাহিক, অৰ্দ্ধ-সাপ্তাহিক, পষেকীয়া আৰু মাহেকীয়া বাতৰি কাকত আৰু আলোচনীৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি হৈছে। তাক অসমীয়া সাংবাদিক জগতত এটা বিস্ফোৰণ বুলি ক'ব পাৰি। কেবাখনো অসমীয়া আলোচনীৰ মানদণ্ড সৰ্বভাৰতীয়

আলোচনীৰ মানদণ্ডতকৈ কম নহয়। কিন্তু মোৰ বিবেচনাত, survival of the fittest নামৰ যুঁজত কিমানখন তিষ্ঠিব পাৰিব সেইয়া এটা অন্য প্ৰশ্ন। তথাপিও এই সংবাদপত্ৰ আৰু আলোচনীকেইখনে নবীন লেখক শ্ৰেণীক পৰম উৎসাহ আৰু সুযোগ দিছে। এইটো উৎসাহৰ বিষয়। কোৱা বাহুল্য যে অসমত লেখক এজনে সাহিত্য তথা লেখাৰ দ্বাৰা জীৱন নিৰ্বাহ কৰিব নোৱাৰে; নোৱাৰে যদিও, দীৰ্ঘম্যাদী উদ্দেশ্য আগত ৰাখি শ্ৰম কৰিলে তাৰ বাবে স্বীকৃতি আৰু আৰ্থিক প্ৰতিদান পোৱাৰ প্ৰচুৰ সম্ভাৱনা হৈছে। বৰ্তমান সময়ত অসমীয়া লেখক আৰু গ্ৰন্থ প্ৰকাশন আগবঢ়া নাই। ৰাজ্যিক পুথিভঁৰালৰ অধীক্ষক ৰাম গোস্বামীয়ে প্ৰতি বছৰে অসমীয়া গ্ৰন্থ প্ৰকাশৰ বিষয়ে এটা সমীক্ষা দাঙি ধৰে। সদ্যহতে অসমীয়া বাতৰি কাকত আৰু আলোচনী প্ৰকাশে এটা বলিষ্ঠ লেখক শ্ৰেণীক জন্ম দিব বুলি মোৰ ধাৰণা।

# ৭

মই আসাম ট্ৰিবিউনৰ সম্পাদকৰ দায়িত্ব লওঁ ১৯৬৪ চনত। অৱশ্যে প্ৰতিষ্ঠাপক-সম্পাদক লক্ষ্মীনাথ ফুকনক কাকতখনৰ মুখ্য সম্পাদক হিচাপে মালিক আৰ-জি বৰুৱাই এবছৰ কাল কামত বাহাল ৰাখিছিল। স্বাভাৱিকতে সম্পাদকৰ সম্পূৰ্ণ দায়িত্ব ১৯৬৫ চনলৈ ফুকন ডাঙৰীয়াই বহন কৰিছিল। তেওঁ অৱসৰ গ্ৰহণ কৰাৰ পিছত মই পূৰ্ণ পৰ্যায়ৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰো। বাতৰি কাকতৰ সম্পাদনা কাৰ্য গধুৰ —গধুৰ এই কাৰণে যে বাতৰি কাকত এখনক সজাই পৰাই নিয়মিতভাৱে প্ৰকাশ কৰাৰ উপৰিও সম্পাদকজনে আইনমতে কিছুমান বিষয়ত নিজে দায়িত্ব লব লাগে। তাৰ ভিতৰত তিনিটা বিষয় প্ৰধানকৈ উল্লেখযোগ্য। এই তিনিটা বিষয় হ'ল বিধান সভা আৰু সংসদৰ বিশেষ অধিকাৰ মানে বিধান সভা আৰু সংসদৰ কাৰ্যবিবৰণী প্ৰকাশত ত্ৰুটি হ'লে-সংশ্লিষ্ট কাকতৰ সম্পাদক আৰু প্ৰিণ্টাৰ উভয়ে Contempt of the House তথা সংসদ আৰু বিধান সভাৰ বিশেষ অধিকাৰ সংক্ৰান্তত সংবিধানৰ ১৫০ আৰু ১৯৪ ধাৰামতে দণ্ডনীয় হব পাৰে আৰু অভিযোগ বিশেষ অধিকাৰ কমিটীৰ দ্বাৰা প্ৰমাণিত হ'লে সম্পাদক আৰু প্ৰিণ্টাৰক সদনৰ আগত ভৰ্ৎসনা কৰা হয় কিম্বা কাৰাদণ্ড দিয়া হয়।

বাতৰি কাকতৰ সম্পাদকজনৰ আন এটা বিপদ আদালতৰ অৱমাননা ( Contempt of the Court ) অৰ্থাৎ আদালতৰ বা-বাতৰি প্ৰকাশ কৰোতে ত্ৰুটি হ'লে, আইনমতে দণ্ডনীয় হয়। সম্পাদকৰ তৃতীয় বিপদটো হ'ল ব্যক্তি বিশেষে ভুল বা মানহানিজনক বাতৰি প্ৰকাশ কৰাৰ অভি-

যোগে সম্পাদক আৰু প্ৰিণ্টাৰক ভাৰতীয় দণ্ডবিধি আইনৰ ৫০০ ধাৰামতে হাৰাশাস্তি কৰিব পাৰে।

মই মোৰ সম্পাদকৰ জীৱনত Contempt of the House আৰু ব্যক্তি বিশেষৰ মানহানি প্ৰকাশ তথা Defamation-ৰ অভিযোগৰ সন্মুখীন হব লগাত পৰিছিলো। কিন্তু এনে অৱস্থা যিকোনো সম্পাদকৰ সাংবাদিক জীৱনৰ লগৰীয়া তথা বৃত্তিমূলক বিপদ যাক Professional hazards বুলি কোৱা হয়। আসাম ট্ৰিবিউনত অসম বিধান সভাৰ সংবাদ পৰিবেশন কৰোতে জনৈক সদস্য অসন্তুষ্ট হৈ মোৰ বিৰুদ্ধে সদনৰ অবমাননাৰ অভিযোগ অনাত বিষয়টো Committee of Privileges-ৰ আগত উত্থাপন কৰা হয়, কিন্তু কমিটীৰ অধ্যক্ষ দণ্ডেশ্বৰ হাজৰিকাই বিষয়টোত শিথিলভাব লোৱাত মোৰ শাস্তি নহ'ল।

এইখিনিতে মোৰ মনত পৰিছে 'নতুন অসমীয়া'ৰ সম্পাদক হৰেন্দ্ৰ নাথ বৰুৱাই এবাৰ 'লাঠিয়াল' শিতানত এটা সম্পাদকীয় লিখোতে সদনৰ বিশেষ অধিকাৰ ভংগ কৰা দোষত পৰিছিল। সম্পাদকীয়টোত বৰুৱাই সমালোচনা প্ৰসংগত লিখিছিল যে অসম বিধান সভাৰ সদস্য-সকল ৰাইজৰ দ্বাৰা নিৰ্বাচিত যদিও, তেওঁলোকৰ বহুতে নিজৰ দায়িত্ব পালন নকৰে কাৰণ বিধান সভাত উত্থাপিত বিলবোৰৰ মৰ্ম বিচাৰ নকৰাকৈ মন্ত্ৰীৰ লাঠিয়ালৰ দৰে অন্ধভাৱে সমৰ্থন কৰে যিদৰে বিহাৰত মন্ত্ৰী-উপমন্ত্ৰীয়ে এপাল লাঠিয়াল ৰাখি ৰাইজৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰে। বৰুৱাৰ সম্পাদকীয়টো চোকা আছিল সঁচা, কিন্তু তেওঁৰ শাস্তি নহ'ল। তেওঁ মোক কৈছিল যে আমি সম্পাদকসকল এনে তথাকথিত দোষৰ অভিযোগত ভীত হ'ব নালাগে যিহেতু বাতৰি কাকতৰ সম্পাদক-সকলেও ৰাইজৰ হকে চোকা মন্তব্য কৰাৰ অধিকাৰ বা কৰ্তব্য আছে।

বিচাৰালয় তথা আদালতৰ অৱমাননাৰ ( Contempt of the Court ) দোষত মই সম্পাদক হিচাপে সন্মুখীন হোৱা নাছিলো। কিন্তু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ থাডানিৰ ৰোষত মই পৰিছিলো। গুৱাহাটী উচ্চ ন্যায়ালয়ত বিচাৰাধীন মোকৰ্দমাৰ সংখ্যা বৃদ্ধি হৈ থকাৰ বিষয়ে ট্ৰিবিউনত এটা বাতৰি ওলাইছিল। বাতৰিটো নিঃসন্দেহে আপত্তিজনক নাছিল আৰু সেই সন্দৰ্ভত ন্যায়ালয়ৰ পৰা

আইনমতে কোনো আনুষ্ঠানিক নটিচো মোলৈ অহা নাছিল, কিন্তু মুখ্য ন্যায়াধীশজনে তেওঁৰ ব্যক্তিগত সচিবৰ হতুৱাই তেওঁৰ বঙলালৈ এদিন আবেলি পাঁচ বজাত মোক মতাই নিয়ে। মুখ্য ন্যায়াধীশ মহোদয়ে অতি ৰাঢ় ভাষাত প্ৰশ্ন কৰে মই সেই বাতৰিটো কিয় প্ৰকাশ কৰিছিলো। স্বাভাৱিকতে মই আচৰিত হৈছিলো আৰু তেওঁক সানুনয়ে কৈছিলো ঃ I thought you had invited me for tea, but I find you have insulted me at your residence. If the news is not correct, you may send a clarification or bring a case against me on contempt of court. ন্যায়াধীশ থাডানিৰ পৰা কোনো উত্তৰ নাহিল আৰু মই তেওঁৰ বঙলাৰ পৰা খঙেৰে গুচি আহো। উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ এজনৰ পৰা এনে ব্যৱহাৰ আশা কৰা নাছিলো। কিন্তু বৰ আচৰিত কথা যে তাৰ তিনিদিন পিছত এজন বন্ধুৰ ঘৰত বিবাহ উপলক্ষে পতা অভ্যৰ্থনাত যেতিয়া তেওঁ মোক লগ পায়, সেইদিনা "I am sorry for the incident at my residence. Please forget it.' বুলি ন্যায়াধীশ থাডানিয়ে মোৰ ওচৰত কাৰ্যতঃ ক্ষমা বিচাৰিছিল।

ব্যক্তিগত মানহানিৰ (Defamation) সম্পৰ্কে মোৰ কেবাটাও কথা মনত পৰে। কিন্তু 'অসম বাণী'ত প্ৰকাশিত বাতৰিত যোৰহাটৰ এজন ভদ্ৰলোকে মোৰ বিৰুদ্ধে আদালতত গোচৰ তৰি মোক জুলুম কৰিছিল যদিও আদালতৰ ৰায় মোৰ সপক্ষে হৈছিল।

আজিকালি Contempt of Court আৰু Contempt of the House সম্পৰ্কে আইন-আদালত আৰু সংসদ কৰ্তৃপক্ষ কিছু উদাৰ হোৱা যেন দেখা যায়, কিন্তু ব্যক্তিগত মানহানিৰ (Defamation) বিষয়টো বাতৰি কাকতৰ সম্পাদকৰ পক্ষে জোৰ-জুলুমৰ মূল হৈ আছে। অৱশ্যে বিধান সভা আৰু সংসদৰ বিশেষ অধিকাৰবোৰ আইনৰ দ্বাৰা নিৰ্দিষ্ট নোহোৱাত সম্পাদক তথা বাতৰি কাকতৰ পক্ষে কিছু অসুবিধা চলি আছে।

পূৰ্ণ পৰ্যায়ৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি মই মোৰ দায়িত্ব কিভাৱে পালন কৰিম সেই বিষয়ে চিন্তা কৰিছিলো। প্ৰত্যেক বাতৰি কাকতৰ এটা নিজস্ব ভূমিকা আছে ; কিন্তু সকলো বাতৰি কাকতৰ মূল ভূমিকা হ'ল জনমত গঠন তথা গণতন্ত্ৰৰ আহিলা হিচাপে দায়িত্ব পালন।

তেতিয়া দুজন বিখ্যাত ইংৰাজ সম্পাদকে কোৱা কথাখিনি মোৰ মনত পৰিছিল। লণ্ডনৰ বিখ্যাত News Statesman and Nation কাকতৰ সম্পাদক কিংছলে মাৰ্টিনে ( Kingley Martin ) তেওঁৰ স্মৃতি কথাত লিখিছে ঃ "I made myself so much a part of the paper that I can scarely disentagle my own opinions and conflicts from more of the the New Statesman be his mistress." আনজন বিখ্যাত বৃটিছ সাংবাদিক জে. এল. গাৰ্‌ভিন নামৰ ( J. L. Garvin, ) দ্যা অব্‌জাৰভাৰ ( The Observer ) কাকতৰ সম্পাদকজনে কৈছিল ঃ "The policies of the paper must change from time to time' but it is wiser for an editor to proceed in curves rather than in right angles"

মই সম্পাদকৰ জীৱনত ওপৰোক্ত সূত্ৰ দুটা যথাসম্ভৱ মানি চলিছিলো। মই স্বীকাৰ কৰো যে যিহেতু মই এজন মুক্তিযুঁজাৰু আৰু কংগ্ৰেছৰ সভ্য আছিলো, সেই হেতুকে মই প্ৰাথমিক অৱস্থাত মোৰ নিজৰ ধ্যান-ধাৰণা সম্পূৰ্ণভাৱে পৰিহাৰ কৰিব পৰা নাছিলো। কিন্তু ১৯৬৪ চনত সম্পাদকৰ বাব লোৱাৰ পিছত মই কংগ্ৰেছৰ সভ্য পদৰ পৰা আঁতৰি আহিছিলো আৰু সম্পূৰ্ণ নিৰ্দলীয় আৰু সাংবাদিক দৃষ্টিৰে মোৰ দায়িত্ব পালন কৰিবলৈ চেষ্টা কৰিছিলো।

উল্লেখ কৰা প্ৰয়োজন যে ১৯৬৫ চনৰ পৰা পাৰ্বত্য জিলাকেইখনত অসম বিভাজনৰ বাবে প্ৰবল আন্দোলন হয়। আসাম ট্ৰিবিউনে এনে বিচ্ছিন্নতাবাদী আন্দোলনৰ বিৰুদ্ধে জনমত গঠন কৰিব লগা হৈছিল। ১৯৬৬ চনত মিজো নেচনেল ফ্ৰণ্টৰ নেতা লালডেংগাই বিদ্ৰোহ কৰাত অসমৰ পৰিস্থিতি অতি জটিল হৈ উঠে। সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনৰ পৰা আসাম ট্ৰিবিউনে একাধিকবাৰ সম্পাদকীয় লিখাত মই কেবাখনো চিঠি পাইছিলো। সেই চিঠিবোৰত মোৰ জীৱন নাশৰো ভাবুকি দিয়া হৈছিল। ১৯৬৮ চনৰ ২৯ মে'ৰ দীঘলীয়া চিঠিৰে Voice of Hillmen of the Entire North-Eastern Region-ৰ নামত ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৰাজনীতিবিদ শ্ৰেণীক পাৰ্বত্য এলেকাৰ মানুহখিনিৰ অসন্তুষ্টিৰ বাবে দায়ী বুলি লিখি মোক সাৱধান বাণী শুনাইছিল যে "Beware of the dire consequences which will result from the

obstructionist ways adopted by your socalled Assamese leaders voiced through your most hated organ. The day of reckoning is not far off..We have suffered evils so long perpetrated by your own lords...be prepared to face dreadful consequences for which you will be responsible."

মিজোৰামৰ বিদ্ৰোহৰ সময়ত মোৰ জীৱন নাশৰ ভাবুকি দিয়া কেবাখনো বেনামী চিঠি পাইছিলো আৰু সেই চিঠিবোৰ মই মুখ্যমন্ত্ৰী চলিহালৈ পঠিয়াইছিলো। এই খবৰটো দিল্লীৰ বাতৰি কাকতত প্ৰকাশ হোৱাত হেম বৰুৱাই (এম-পি) মোলৈ এখন সহানুভূতিসূচক চিঠি দিছিল। বৰুৱা মোৰ সহপাঠী আছিল। বৰুৱাই চিঠিখনত লিখা কথাখিনি আছিল ঃ "ইয়াৰ বাতৰি কাকতত আপোনালৈ মিজোৱে প্ৰাণ-নাশৰ ভাবুকি দিয়া খবৰটো ওলাইছে। মোক কেবাজনো এম-পিয়ে বহুত প্ৰশ্ন কৰিছে। মই তেওঁলোকক আশ্বাস দিছো যে কাকতী মুখ্য-মন্ত্ৰী চলিহাৰ বন্ধু। চলিহাই আৱশ্যকীয় ব্যৱস্থা লব।" কোৱা বাহুল্য যে মোৰ চিঠিবোৰ পাই চলিহা ডাঙৰীয়াই মোৰ নিৰাপত্তাৰ ব্যৱস্থা কৰিছিল যদিও প্ৰায় ছমাহকাল মই গুৱাহাটীৰ বাহিৰলৈ আৰক্ষী বৰ-মূৰীয়াৰ পৰামৰ্শক্ৰমে যোৱা নাছিলো।

এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে যেতিয়া সুকীয়া পাৰ্বত্য ৰাজ্যৰ দাবী প্ৰকট হৈ উঠে আৰু ভাৰত চৰকাৰৰ গৃহ-মন্ত্ৰণালয়ৰ কৰ্মকৰ্তাসকল কেপ্তেইন উলিয়ামচন চাংমা প্ৰমুখ্যে এ-পি-হি-লি-কনফাৰেন্সৰ নেতা-সকলৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল আৰু দিল্লীৰ বাতৰি কাকতবোৰে অসম চৰকাৰৰ পাৰ্বত্য নীতি তীব্ৰ ভাষাৰে সমালোচনা কৰিছিল। ইয়াৰ ফলত পাৰ্বত্য ৰাজ্য গঠনৰ দাবী কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰিবলৈ শেষ পৰ্য্যায়ত উপস্থিত হৈছিল, তেতিয়া মুখ্যমন্ত্ৰী চলিহাই মোক আৰু নকুল দাসক (বৰ্তমান 'নতুন দৈনিক'ৰ সহকাৰী সম্পাদক) নতুন দিল্লীলৈ পঠায় যাতে আমি নতুন দিল্লীৰ সম্পাদকসকলক লগ ধৰি সুকীয়া পাৰ্বত্য ৰাজ্য গঠন যে আমি তথা ভাৰতৰ পক্ষে ক্ষতিকাৰক হব পতিয়ন নিয়াব প্যাৰো। আমাৰ উদ্দেশ্য কিন্তু সফল নহ'ল। শেষ সময়ত সদিনা চলিহা নিজে দিল্লীলৈ গৈ আমি আয়োজন কৰা অশোক হোটেলত

দিল্লীৰ সম্পাদকসকলক নিশাৰ ভোজত লগ ধৰি পৰিস্থিতি বুজাই দিছিল। বুজাই দিছিল যদিও, সেইদিনাই কেন্দ্ৰীয় চৰকাৰে মেঘালয় ৰাজ্য স্থাপন কৰিবলৈ সিদ্ধান্ত লৈছিল। কিন্তু সম্পাদকসকলে মুখ্যমন্ত্ৰী চলিহা আৰু আমাক জনাইছিল যে অসমৰ বিষয়ে দিল্লীৰ সচেতন মহলত চলা প্ৰচাৰ অতি দুখলগা। অথচ সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনৰ নেতৃবৃন্দই তেওঁলোকৰ দাবীৰ সন্দৰ্ভত প্ৰয়োজন হোৱা প্ৰচাৰ কাৰ্য অতি দক্ষতাৰে চলাইছিল।

মোৰ সাংবাদিক জীৱনৰ অভিজ্ঞতাৰ বিষয়ে ক'বলৈ গলে কেইগৰাকীমান ৰাজনীতিবিদৰ লগত মোৰ সম্পৰ্ক কেনে আছিল তাক উল্লেখ নকৰি নোৱাৰো। বোধহয় এইটো সকলো সাংবাদিকৰ জনা কথা যে সাংবাদিক আৰু ৰাজনীতিত থকা ব্যক্তিসকলৰ মাজত বিচিত্ৰ অৰ্থাৎ Love-Hate-ৰ সম্পৰ্ক থাকে। সাংবাদিক শ্ৰেণীয়ে ৰাজনীতিবিদসকলক এৰিব নোৱাৰে সেইদৰে ৰাজনীতিবিদসকলেও সাংবাদিকসকলক বাদ দি ৰাজহুৱা জীৱনৰ কাম-কাজ কৰিব নোৱাৰে। তাৰ মানে, ৰাজনীতিবিদ শ্ৰেণী সাংবাদিকসকলৰ বাবে সংবাদৰ উৎস আৰু সাংবাদিকসকলৰ সহযোগত ৰাজনীতিৰ মানুহখিনিয়ে তেওঁলোক মন্ত্ৰী, পালিমন্ত্ৰী, এম-এল-এ, এম-পি কিম্বা অনুষ্ঠানৰ যি পদতেই নাথাকক, তেওঁলোক বাতৰি কাকতৰ প্ৰচাৰ-প্ৰয়াসী। কিন্তু যেতিয়া ৰাজনীতিবিদ এজনৰ অবাঞ্চনীয় অনুৰোধ সাংবাদিকে ৰক্ষা কৰিব নোৱাৰে, তেতিয়া উভয়পক্ষৰ মাজত সম্বন্ধ তিক্ত হৈ পৰে। এনে অভিজ্ঞতা মোৰ যথেষ্ট হৈছিল, কিন্তু তাৰ ভিতৰত এটা অভিজ্ঞতা মই পাহৰিব পৰা নাই।

আমাৰ দেৱকান্ত বৰুৱা এজন প্ৰখ্যাত ৰাজনীতিবিদ আৰু অসমীয়া সাহিত্যৰ এগৰাকী চিনাকি ব্যক্তি। সাংবাদিক হিচাপেও বৰুৱাৰ কৃতিত্ব সকলোৰে জনাজাত। সৰ্বভাৰতীয় ৰাজনীতিত বৰুৱাৰ খ্যাতি স্বীকৃত। কংগ্ৰেছৰ সভাপতিৰ পদ লাভ কৰা দেৱকান্ত বৰুৱা প্ৰথম জন অসমীয়া। মোৰ সম্পাদক-জীৱনত মই তেওঁৰ এটা অনুৰোধ ৰক্ষা কৰিব নোৱাৰাত পিছত মই বৰুৱাৰ বিৰাগভাজন হৈছিলো। তেওঁ চলিহা মন্ত্ৰীসভাত এজন প্ৰভাৱশালী মন্ত্ৰী আছিল, কিন্তু বৰুৱা-চলিহাৰ মাজত কোনো কোনো বিষয়ত মতানৈক্য হোৱাত বৰুৱাই

মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰিছিল কিম্বা পদত্যাগ কৰিবলৈ বাধ্য হৈছিল।

ৰাজনীতিবিদ হিচাপেও বৰুৱা বৰ এলাপেছা বিধৰ লোক নহয়। চলিহাৰ কেতবোৰ কামৰ সমালোচনা কৰি বৰুৱাই প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীলৈ এখন দীঘলীয়া চিঠি লিখিছিল আৰু এই চিঠিখনৰ নকল মোক দেখুৱাইছিল। ১৯৬৬ চনৰ ২৯ মে'ত বৰুৱা উজান বজাৰৰ বাসভৱনলৈ আহি উপস্থিত হয় আৰু লগত মহেন্দ্ৰ মোহন চৌধুৰী। বৰুৱাৰ উদ্দেশ্য বুজিবলৈ মোৰ বেছি সময় লগা নাছিল। তেওঁ আমাক অৰ্থাৎ মোক আৰু চৌধুৰীক জানিবলৈ দিছিল যে অসমৰ বৃহত্তৰ স্বাৰ্থত চলিহা-মন্ত্ৰীসভাৰ পৰিবৰ্তন বাঞ্ছনীয়। দীঘলীয়া আলোচনাত চৌধুৰীয়ে হা-না কোনো মন্তব্য কৰা নাছিল, মানে বৰুৱাৰ কথাখিনি নিৰৱে শুনি আছিল। মই বৰুৱাক জনাইছিলো যে যিহেতু সাধাৰণ নিৰ্বাচনৰ বাবে এবছৰতকৈও কম সময় আছে, তেনে অৱস্থাত কংগ্ৰেছ বিধায়িনী দলৰ দলপতি সলনি কৰাৰ পৰিবৰ্তে নিৰ্বাচনৰ পিছত বিষয়টো নিষ্পত্তি কৰিব পৰা যাব। বৰুৱাই মোৰ পৰামৰ্শটো যে পছন্দ কৰা নাছিল তাক মই সহজে অনুমান কৰিছিলো। চৌধুৰী ডাঙৰীয়াই আলোচনাত অংশ লোৱা নাছিল, অংশ নলৈ কিয় শ্ৰোতা হৈ আছিল, সেই কথা বুজাটো মোৰ পক্ষে কঠিন নাছিল, মানে মোতকৈ চৌধুৰীয়ে দেৱকান্ত বৰুৱাক বেছি ভালকৈ জানিছিল আৰু জানিছিল কাৰণেই বোধহয় চলিহা-বিতাৰণ বিষয়ত চৌধুৰী নিষ্ক্ৰিয় আছিল।

এই ঘটনাৰ এপষমান পিছত আৰ-জি বৰুৱা ডাঙৰীয়াক মই কথাখিনি কোৱাত তেওঁ মোক কৈছিল যে দেৱকান্ত বৰুৱাই হেনো চলিহা প্ৰসংগটো তেওঁৰ আগত এদিন উত্থাপন কৰিছিল; উত্থাপন কৰিছিল যদিও, তেওঁৰ পৰা দেৱকান্ত বৰুৱাই কোনো সঁহাৰি নাপালে। অৱশ্যে দুয়োজন বৰুৱাৰ মাজত ব্যক্তিগত সম্পৰ্ক মধুৰ আছিল। বৰুৱাৰ পৰা সঁহাৰি নাপাই দেৱকান্ত বৰুৱাই মোৰ সৈতে প্ৰসংগটো আলোচনা কৰিছিল যেন মোৰ অনুমান হয়।

চলিহা-বৰুৱা প্ৰসংগটো মই উল্লেখ কৰিলো এই কাৰণেই যে ইয়াৰ লগত বাৰ্তাৰি কাকত আৰু সম্পাদকৰ বিষয়টো জড়িত আছিল।

# ৮

১৯৭৫ চনৰ ২৬ জুনত কেন্দ্ৰীয় চৰকাৰে জৰুৰীকালীন ঘোষণা কৰাৰ ফলত ৰাষ্ট্ৰীয় জীৱনত কেবাটাও সমস্যাৰ সৃষ্টি হৈছিল। তাৰ ভিতৰত বাতৰি কাকতৰ স্বাধীনতাৰ ওপৰত কৰা নিষেধাজ্ঞা আছিল অন্যতম। স্বাধীনতাৰ পিছত যে কোনো কোনো ৰাজ্য চৰকাৰে বাতৰি কাকতৰ কণ্ঠৰোধ কৰিবলৈ চেষ্টা নকৰিছিল এনে নহয়, কিন্তু এনে ব্যৱস্থা নিক্ষিপ্ত ধৰণৰ আছিল মানে ৰাষ্ট্ৰীয় ভিত্তিত বাতৰি কাকতৰ স্বাধীনতা সাধাৰণতে খৰ্ব হোৱা নাছিল। জৰুৰীকালীন অৱস্থাই বাতৰি কাকতৰ স্থিতি সম্পূৰ্ণভাৱে পৰিবৰ্তন কৰিছিল যাৰ ফলত বাতৰি কাকত-বোৰে চৰকাৰৰ চেন্সৰ ( Censor ) আইনৰ তলত কাম কৰিব লগাত পৰিছিল।

আসাম ট্ৰিবিউনৰ সম্পাদক হিচাপে মই সিদিনা এটা নতুন পৰিস্থিতিৰ সন্মুখীন হৈছিলো। এই সংক্ৰান্তত সৰ্বভাৰতীয় বা ৰাজ্যিক পৰ্যায়ৰ সম্পাদকসকলৰ মাজত কোনো আলোচনা কৰাৰ অৱকাশো নাছিল। প্ৰত্যেকজন সম্পাদকে নিজা ৰবীয়াকৈ সিদ্ধান্ত লবলগীয়া হৈছিল, কিন্তু চৰকাৰৰ আদেশ উপেক্ষা কৰাৰ কোনো প্ৰশ্ন নাছিল। ২৬ জুনৰ সন্ধিয়া, জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ পিছত তথা বাতৰি কাকতৰ স্বাধীনতাৰ বিলুপ্তি হোৱাত, ২৭ জুনৰ আসাম ট্ৰিবিউনৰ সংখ্যাটোত কোনো সম্পাদকীয় নিদি সম্পাদকীয় কলমটো খালি ৰাখি তাৰ দ্বাৰা জৰুৰী অৱস্থাৰ ঘোষণাৰ প্ৰতিবাদ কৰিছিলো, যিদৰে যুটিছ দিনত চৰকাৰৰ কোনো কোনো কাৰ্যৰ বিশেষকৈ বাতৰি কাকতৰ সংক্ৰা-

স্তত কঠোৰ ব্যৱস্থা লোৱাত সম্পাদকীয় স্তম্ভ খালি ৰাখি প্ৰকাশ কৰা হৈছিল। সেই আহিতেই মই ট্ৰিবিউনৰ ২৭ জুনৰ সংখ্যাত সম্পাদকীয় কলম খালি ৰাখিছিলো। স্বাভাৱিকতে এয়া প্ৰতিবাদৰ প্ৰতীক আছিল। কোৱা বাহুল্য যে এই বিষয়ত কাকতখনৰ স্বত্বাধিকাৰীয়ে কোনো হস্তক্ষেপ কৰা নাছিল, যদিও মোৰ এই সিদ্ধান্তই চৰকাৰৰ ৰোষ আনিব বুলি মই অনুমান কৰিছিলো।

মোৰ অনুমান সঠিক আছিল। প্ৰায় ১৫ দিনমানৰ পিছত তেতিয়াৰ তথ্য আৰু অনাতাঁৰ দপ্তৰৰ ৰাজ্যিক পৰ্যায়ৰ মন্ত্ৰী ভি-চি শুক্লাই (বৰ্তমান জনতা দলৰ অন্যতম নেতা) ভাৰতৰ বিভিন্ন প্ৰান্তৰৰ ২০ জন বাতৰি-কাকতৰ সম্পাদকক আমন্ত্ৰণ কৰি নতুন দিল্লীত জৰুৰীকালীন ঘোষণা কৰাৰ আৱশ্যকতা আৰু তাৰ বাবে বাতৰি কাকতৰ সমৰ্থন বিচাৰে। এই সম্পাদক সন্মিলন তথা আলোচনাৰ বাবে অসমৰ একমাত্ৰ সম্পাদক হিচাপে মই উপস্থিত আছিলো। ভাৰতৰ আন কোনো বাতৰিকাকতে ২৭ জুনৰ সংখ্যাটো সম্পাদকীয় নোহোৱাকৈ প্ৰকাশ কৰিছিল নে নাই, মই জনা নাছিলো, কিন্তু মন্ত্ৰী শুক্লাই মোক বিশেষভাৱে আঙুলিয়াই কৈছিল যে মোৰ কাৰ্য জৰুৰীকালীন আইন বিৰোধী আছিল, বিৰোধী আছিল যদিও, তেওঁ আসাম ট্ৰিবিউনৰ বিৰুদ্ধে কোনো ব্যৱস্থা নল'ব বুলি মোক জানিবলৈ দিছিল যাতে ভবিষ্যতে মই তেনে কাম নকৰো।

এই প্ৰসংগতে ইন্দিৰা গান্ধীয়ে বাতৰিকাকতৰ স্বাধীনতাৰ সম্পৰ্কে কেনে মনোভাব লৈছিল তাক সংক্ষিপ্তভাৱে উল্লেখ কৰাৰ প্ৰয়োজন। লাল বাহাদুৰ শাস্ত্ৰীৰ প্ৰধানমন্ত্ৰীত্বত ইন্দিৰা গান্ধী ১৯৬৫ চনত তথ্য আৰু অনাতাঁৰ দপ্তৰৰ কেবিনেট পৰ্যায়ৰ মন্ত্ৰী আছিল। সেই বছৰত মোৰ আমন্ত্ৰণক্ৰমে নিখিল ভাৰত বাতৰিকাকত সম্পাদক সন্মিলনৰ বছৰেকীয়া অধিবেশন গুৱাহাটীত বহে। তাৰ পিছত অসমত এই সন্মিলনৰ অধিবেশন ( All India Newspapers Editors Conference ) অসমত অনুষ্ঠিত হোৱা নাই। এই অধিবেশনলৈ ভাৰতৰ প্ৰায় ২০০ জন সম্পাদক আহিছিল আৰু সন্মিলনৰ সাফল্য দেখি আমাৰ সাংবাদিকসকলৰ প্ৰতি প্ৰশংসামুখৰ হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ তথ্য আৰু অনাতাঁৰ মন্ত্ৰী হিচাপে ইন্দিৰা গান্ধীয়ে অধিবেশন মুকলি কৰিছিল আৰু সভাপতিত্ব

কৰিছিল 'নব ভাৰত'ৰ সম্পাদক অজিত কুমাৰ জৈনে। কোৱা বাহুল্য যে অভ্যৰ্থনা সমিতিৰ সভাপতিৰ গধুৰ দায়িত্ব পৰিছিল মোৰ ওপৰত। উদ্বোধনী ভাষণত কিন্তু ইন্দিৰা গান্ধীয়ে এনে এটা মন্তব্য কৰিছিল যি মন্তব্যই সন্মিলনত সম্পাদকসকলক স্তম্ভিত কৰিছিল। তেওঁ কৈছিল যে ভাৰতীয় বাতৰিকাকতে যদি নিজকে নিয়ন্ত্ৰণ নকৰে, তেতিয়া চৰকাৰে নিয়ন্ত্ৰণ কৰিবলৈ ইতস্তত নকৰিব। ইন্দিৰা গান্ধীৰ ভাষাত "If the Indian Press does not behave, the Government will see that it behaves."

স্বাভাৱিকতে, ইন্দিৰা গান্ধীৰ মন্তব্যটো বৰ ইংগিতপূৰ্ণ আছিল। সম্পাদকসকলৰ মনত এই বিষয়ে কোনো সন্দেহ নাছিল। এই সন্দৰ্ভত ১৯৭২ চনৰ আন এটা ঘটনা মোৰ মনত পৰিছে। নিখিল ভাৰত বাতৰিকাকত সন্মিলনৰ আৰম্ভণিৰ পৰা প্ৰধান মন্ত্ৰীয়ে ইয়াৰ বছৰেকীয়া অধিবেশন উদ্বোধন কৰিছিল। নেহৰুৱে নিজৰ ব্যস্ততাৰ ভিতৰতো তাৰ ব্যতিক্ৰম কৰা নাছিল। প্ৰধানমন্ত্ৰী হোৱাৰ পিছত ইন্দিৰা গান্ধীয়ে নিঃ ভাঃ বাঃ সঃ সন্মিলনৰ অনুৰোধ সত্বেও তেওঁ উদ্বোধন কৰিবলৈ অহা নাছিল। ১৯৭২ চনত সন্মিলনৰ ষ্টাণ্ডিং কমিটীয়ে প্ৰধান মন্ত্ৰীৰ ওচৰলৈ এটা সঁজাতি দল পঠাইছিল। এই দলত 'মাদ্ৰাজ মেইল'ৰ সম্পাদক ৰাজন, 'হিন্দুস্থান ষ্টেটওাৰ্ড'ৰ (সন্ধিয়া সংকলন) সম্পাদক সুধাংশু কুমাৰ সেন, জলন্ধৰৰ 'প্ৰতাপ'ৰ সম্পাদক বীৰেন্দ্ৰ, সন্মিলনৰ সম্পাদক জগপ্ৰবেশ (বৰ্তমান দিল্লী প্ৰশাসনৰ মুখ্য কাৰ্যবাহী কাউন্সিলৰ), পাটনাৰ 'ইণ্ডিয়ান নেচন' কাকতৰ সম্পাদক বি-এন-আজাদ আৰু মই আছিলো। আমি প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক তেওঁৰ চাউথ ব্লক অফিচত লগ ধৰো আৰু পৰৱৰ্তী অধিবেশনলৈ আমন্ত্ৰণ জনাই উদ্বোধন কৰিবলৈ অনুৰোধ কৰো। তেতিয়া তেওঁ মিচিকীয়া হাঁহিৰে আমাক কৈছিল ঃ "I am not coming to inaugurate your conference, because you have been doing something, which I have not liked" মন্তব্যটোৰ মৰ্ম বুজিবলৈ আমাৰ টান হোৱা নাছিল, তাৰ মানে সম্পাদক সন্মিলনৰ কেতবোৰ প্ৰস্তাৱ প্ৰধানমন্ত্ৰীৰ মনঃপুত হোৱা নাছিল তথা ১৯৬৫ চনত তথ্য আৰু অনাতাঁৰ দপ্তৰৰ মন্ত্ৰী

হিচাপে গুৱাহাটীত কৰা তেওঁৰ মন্তব্য সলনি হোৱা নাছিল। কোৱা বাহুল্য, তেওঁ আমাৰ সঁজাতি দলৰ নিমন্ত্ৰণ গ্ৰহণ নকৰিলে। তাৰ দ্বাৰা নেহৰুৰ দিনৰ পৰা চলি অহা পৰম্পৰা নোহোৱা হয়।

ইন্দিৰা গান্ধীৰ চৰকাৰত কোনো পূৰ্ণপৰ্যায়ৰ কেবিনেট মন্ত্ৰীৰ হাতত তথ্য আৰু অনাতাঁৰ দপ্তৰৰ দায়িত্ব দিয়া হোৱা নাছিল। তাৰ পৰিবৰ্তে ৰাজ্যিক পৰ্যায়ৰ মন্ত্ৰী এজন দপ্তৰৰ দায়িত্বত আছিল। এইদৰে দায়িত্বত থকা মন্ত্ৰীকিজন আছিল প্ৰথমজনা নন্দিনী সৎপতী (পিছত উৰিষ্যাৰ মুখ্যমন্ত্ৰী), দ্বিতীয়জন ইন্দৰ কুমাৰ গুজৰাল আৰু তৃতীয়জন ভি-চি শুক্লা। সৎপতী আছিল প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ দৰে বাতৰি কাকতৰ স্বতন্ত্ৰতাৰ বিৰোধী; গুজৰাল আছিল অতি সহিষ্ণু আৰু পণ্ডিত লোক কিন্তু তেওঁ বাতৰি কাকতৰ যি কোনো নিয়ন্ত্ৰণৰ পক্ষপাতি নাছিল যেন মোৰ ধাৰণা হৈছিল। বোধহয় ১৯৮০ চনৰ সাধাৰণ নিৰ্বাচনৰ পিছত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে সেই কাৰণে গুজৰালক মন্ত্ৰীসভাত ভৰ্তি নকৰিলে; তাৰ পৰিবৰ্তে তেওঁক ছোভিয়েট ইউনিয়নত ভাৰতীয় ৰাষ্ট্ৰদূত হিচাপে নিযুক্তি কৰে। সম্প্ৰতি আই-কে গুজৰাল ৰাজীৱ গান্ধী চৰকাৰৰ দুৰ্ঘোৰ সমালোচক। ভি-চি শুক্লাই জৰুৰীকালীন অৱস্থাৰ সময়ছোৱাত তথ্য আৰু অনাতাঁৰ দপ্তৰৰ দায়িত্বত আছিল। কোৱা বাহুল্য যে সম্পাদক সন্মিলনৰ ষ্টাণ্ডিং কমিটীৰ সদস্য হিচাপে এই সৎপতী, গুজৰাল আৰু শুক্লাক ভালকৈ জানিছিলো, কাৰণ ষ্টাণ্ডিং কমিটীৰ সভালৈ আহি সম্পাদকসকলৰ সৈতে বাতৰি কাকত আৰু চৰকাৰৰ মাজত সম্বন্ধৰ বিষয়ে তেওঁলোকে আলোচনা কৰিছিল।

জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ পিছত ২০ জন সম্পাদকৰ লগত আলোচনা কৰোতে ভি-চি শুক্লাই আসাম ট্ৰিবিউনৰ বিৰুদ্ধে কোনো শাস্তিমূলক ব্যৱস্থা লোৱা নহব বুলি যিখিনি কথা তেওঁ কৈছিল, সেই কথাখিনি কিন্তু সঁচা প্ৰমাণিত নহ'ল। কাৰণ, তাৰ কিছুদিন পিছত ভাৰতৰ চৰকাৰ আৰু অসম চৰকাৰ উভয়ে চৰকাৰী বিজ্ঞাপন আসাম ট্ৰিবিউনলৈ বন্ধ কৰি দিয়ে। অথচ বিজ্ঞাপন বন্ধ কৰা সন্দৰ্ভত চৰকাৰে কোনো নীতি নিয়ম মনা নাছিল; আনকি, আনুষ্ঠানিকভাৱে চৰকাৰে কোনো অৰ্ডাৰ দিয়াও নাছিল। এনে কৌশল লোৱাৰ কথা ১৯৭৭ চনত

জনতা চৰকাৰৰ তথ্য আৰু অনাতাঁৰ দপ্তৰৰ মন্ত্ৰী এল-কে আডৱানীৰ পৰা মই নতুন দিল্লীত তেওঁক সাক্ষাৎ কৰাত জানিব পাৰিছিলো।

সি যি কি নহওক, ১৯৭৬ চনৰ এপ্ৰিল মাহত যেতিয়া নিখিল ভাৰত সম্পাদক সন্মিলনৰ বাৰ্ষিক অধিবেশন পাটনাত বহিছিল, তাত ভি-চি শুক্লাক মই লগ পাই আসাম ট্ৰিবিউনৰ বিৰুদ্ধে লোৱা শাস্তিমূলক ব্যৱস্থা, মানে বিজ্ঞাপন বন্ধ কৰা কাৰ্য, তুলি ল'বলৈ অনুৰোধ কৰো। উত্তৰত ৰাজ্যিক পৰ্যায়ৰ মন্ত্ৰী শুক্লাই কৈছিল ঃ "I am helpless. My boss Barooah has asked me to stop Government advertisements for your paper. I have no option." (বৰুৱাজন দেৱকান্ত বৰুৱা, সেই সময়ৰ কংগ্ৰেছ সভাপতি তথা অতি প্ৰভাৱশালী ব্যক্তি যিজনে জৰুৰীকালীন সময়ত নতুন দিল্লীৰ বোট ক্লাবত অনুষ্ঠিত সমাবেশত India is Indira, Indira is India ধ্বনি তুলি ভাৰতীয় ৰাজনীতিত আলোড়নৰ সৃষ্টি কৰিছিল)।

বৰুৱাই যে আসাম ট্ৰিবিউনলৈ চৰকাৰী বিজ্ঞাপন বন্ধ কৰাত প্ৰধান ভূমিকা লৈছিল তাক আন সূত্ৰতো জানিব পাৰিছিলো। কিন্তু দেৱকান্ত বৰুৱা সিমানতে সন্তুষ্ট হোৱা নাছিল ; তেওঁ আনকি আসাম ট্ৰিবিউনৰ সম্পাদকৰ পদৰ পৰা মোক আঁতৰ কৰিবলৈ কাকত-খনৰ মালিকৰ ওপৰতো হেঁচা দিছিল, যদিও মালিকে বৰুৱাৰ হেঁচাত সেও মনা নাছিল। আসাম ট্ৰিবিউনৰ এই প্ৰসংগটো ১৯৭৭ চনত জনতা চৰকাৰে ইমাৰ্জেন্সীৰ সময়ত অত্যাচাৰ আৰু অবিচাৰৰ সন্দৰ্ভত প্ৰকাশ কৰা শ্বেতপত্ৰত (The White Paper) উল্লেখ আছে। মোৰ প্ৰসংগটো উল্লেখ কৰি শ্বেতপত্ৰৰ ওপৰত হোৱা সংসদৰ আলোচনাত পশ্চিম বংগৰ এম-পি অধ্যাপক দিলীপ চক্ৰৱৰ্তীয়ে ১৯৭৭ চনৰ ১২ নৱেম্বৰত তেওঁৰ বক্তৃতাত কৈছিল ঃ

"Take the case of Assam Tribune from the standpoint of region and population served by this newspaper. It serves nearly six state.—Assam, Meghalaya, Arunachal Pradesh etc. On page 5 of the White Paper it is stated.—In the case of Assam Tribune the DAVP drastically reduced the quantum of advertisements to the paper in August 1975."

অধ্যাপক চক্ৰবৰ্তীয়ে আৰু কৈছিল ঃ "I am not quoting everything in order to save time. In the same paragraph the last sentence reads as follows : The management was also pressured to remove Shri Satis Chandra Kakati. This was the result of some tussle going on between Mr. Kakati and Mr. Deo Kanta Barooah because he could not agree his the former Congress President. ( parliament )-ৰ বিৱৰণীৰ পৰা উদ্ধৃত ) ।

মই যেতিয়া জানিব পাৰিলো যে মই আসাম ট্ৰিবিউনৰ সম্পাদক হৈ থকা বাবে আসাম ট্ৰিবিউনৰ কাৰণে চৰকাৰী বিজ্ঞাপন বন্ধ কৰা হৈছে, তেতিয়া মই কাকতখনৰ অন্যতম মালিক প্ৰফুল্ল গোবিন্দ বৰুৱাক কামৰ পৰা মোক অব্যাহতি দিবলৈ অনুৰোধ কৰো। পি-জিয়ে কিন্তু অব্যাহতি নলবলৈ মোক কৈছিল। কিন্তু অনুষ্ঠানটোৰ বৃহত্তৰ স্বাৰ্থত মই মোৰ ব্যক্তিগত লোকচানৰ কথা নাভাবি ১৯৭৬ চনৰ পহিলা জুলাইৰ পৰা কামৰ পৰা অব্যাহতি লওঁ, অৱশ্যে 'অসম বাণী'ৰ সম্পাদকৰ দায়িত্বত কেইবছৰমান কাম কৰো অৰ্থাৎ অসম বাণীত ২৫ বছৰ কাল সম্পাদক আছিলো ।

১৯৭২ চনতো ট্ৰিবিউনৰ সম্পাদক হিচাপে মই এটা গুৰুতৰ পৰিস্থিতিৰ সন্মুখীন হওঁ। তেতিয়া বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম সম্পৰ্কত অসম ছাত্ৰ সন্থাৰ আন্দোলন। এদিন মই আগবেলা ট্ৰিবিউনৰ মোৰ অফিচত কাম কৰি থাকোতে গুৱাহাটী পুলিচৰ চোৰাংচোৱা বিভাগৰ এজন ডি-এচ-পিয়ে মোক ফোনত জানিবলৈ দিয়ে যে এটা উন্মত্ত ছাত্ৰদল মোৰ ওচৰলৈ আহি আছে আৰু মোক আক্ৰমণ কৰাৰ ভয় আছে বুলিও তেওঁ কয়। লগতে কয় যে তেওঁ আৰক্ষী দল এটা পঠাব, কিন্তু পৰিস্থিতি যাতে নিয়ন্ত্ৰণ কৰিব পাৰি, তাৰ বাবে মই মোৰ অফিচ কোঠালীৰ পৰা আঁতৰি যাব লাগে। উত্তৰত মই জানিব দিছিলো যে মই পলাই গৈ নিৰাপত্তা বিচাৰিবলৈ সাজু নহয়। তেওঁ যেন কোনো আৰক্ষী দল আসাম ট্ৰিবিউনলৈ নপঠায় তাৰ বাবেও ডি-এচ-পি জনক অনুৰোধ কৰো।

অলপ পিছত উত্তেজিত ছাত্ৰদলটো আহি ট্ৰিবিউনৰ চৌহদত সোমায় আৰু মোক বাহিৰলৈ আহি তেওঁলোকৰ বক্তব্য শুনিবলৈ ধ্বনি দিয়ে। মই প্ৰথমতে সন্মত হোৱা নাছিলো, কিন্তু মোৰ সহকৰ্মী ৰবীন্দ্ৰ নাথ বৰুৱা প্ৰমুখ্যে বাহিৰলৈ আহি ছাত্ৰ সমদলক লগ ধৰিবলৈ কোৱাত

বাহিৰলৈ ওলাই আহোঁ। এজন উত্তেজিত ছাত্ৰই মোৰ চোলাটোত জুই লগাই দিবলৈ উত্তেজিত হয়। কিন্তু তেনে কোনো অঘটন নহ'ল; অঘটন নহ'ল যদিও, সেইদিনাৰ পৰিস্থিতি মোৰ কাৰণে বৰ ভয়াবহ আছিল। সম্পাদকৰ জীৱন নিৰাপদ নহয়, কিন্তু দেৱকান্ত বৰুৱাৰ দৰে নেতাসকলে বাতৰি কাকতৰ প্ৰতি দেখুওৱা ব্যৱহাৰৰ কথা মনত পৰিলে আচৰিত হওঁ। যিদিনা নতুন দিল্লীত আসাম ট্ৰিবিউনৰ নতুন দিল্লীস্থ বিশেষ সংবাদদাতা তথা প্ৰতিনিধি নৰেশ ৰাজখোৱা আৰু কাকতখনৰ অন্যতম মালিক পি-জি বৰুৱাই আসাম ট্ৰিবিউনলৈ চৰকাৰী বিজ্ঞাপন পুনৰ দিবলৈ দেৱকান্ত বৰুৱাৰ কাষ চাপিছিল, তেতিয়া বৰুৱাই অতি খঙেৰে কৈছিল: "I don't read your newspaper. Your editor does not know even how to write a correct sentence... First change your editor." সেই সময়ত দেৱকান্ত বৰুৱা প্ৰভাৱশালী ব্যক্তি আছিল যদিও, নতুন দিল্লীৰ সাংবাদিক এজনৰ মতে বৰুৱা আছিল The sly jester সঞ্জয় গান্ধীয়ে বৰুৱাক Clown বুলি কৈছিল আৰু জয়প্ৰকাশে Court jester হিচাপে মূল্যায়ণ কৰিছিল। সেই কাৰণে দেৱকান্ত বৰুৱাই মোৰ প্ৰতি কৰা অন্যায় অপ্ৰত্যাশিত নাছিল। মোৰ ধাৰণা হয় যে ১৯৬৬ চনৰ ২৯ মে'ত মোৰ গুৱাহাটী বাসভাৱনত চলিহাদেৱক মুখ্য-মন্ত্ৰী পদৰ পৰা আঁতৰাবলৈ ট্ৰিবিউনৰ সম্পাদক হিচাপে মই বৰুৱাক সমৰ্থন নকৰা কাৰণে মোৰ প্ৰতি এটা মাৰাত্মক ষড়যন্ত্ৰ পুহি ৰাখিছিল আৰু ন বছৰৰ মূৰত সেই ষড়যন্ত্ৰত দেৱকান্ত বৰুৱা কৃতকাৰ্য হৈছিল। তাৰ বাবে মই খেদ নকৰো। কিন্তু বিখ্যাত সাংবাদিক জনাৰ্দন ঠাকুৰে তেওঁৰ All the Prime Minister's Men নামৰ গ্ৰন্থত দেৱকান্ত বৰুৱা সম্পৰ্কে লিখা অধ্যায়টো পঢ়ি ভাল লাগে। ঠাকুৰৰ বিবেচনাত বৰুৱা "A sly and scheming politician who escaladed to power through sychopancy and manipulation. He always tried to create an image that was different from his real self' অতএব এনে এজন ব্যক্তিৰ পৰা মই মোৰ প্ৰতি সুবিচাৰ আশা কৰা নাছিলো। কিন্তু মোৰ ব্যক্তিগত বিষয়টো মূল প্ৰশ্ন নহয়—মূল প্ৰশ্নটো হৈছে কংগ্ৰেছ সভাপতিৰ দৰে উচ্চ আসনত থকা ব্যক্তি এজনে সংবাদ-পত্ৰৰ বিষয়ত হস্তক্ষেপ কৰা কাৰ্যটো অত্যন্ত গৰ্হিত বুলি ক'ব পাৰি।

# ৯

উনৈশ শতিকাৰ বিখ্যাত ৰুছ ঔপন্যাসিক ফিউদৰ ডষ্টোয়েভস্কিৰ ( Feodor Dostoyevski ) মতে আত্মজীৱনী বা স্মৃতি-কথা লেখোতে সংশ্লিষ্ট ব্যক্তিজনে তেওঁৰ লেখাত মিছা কথা সংযোজন কৰে ঃ Man lies about himself। এই মতটো উগ্র বিধৰ হব পাৰে। মই মোৰ স্মৃতি-বিচিত্রা বৰ্ণনা কৰোতে ৰুছ লেখকজনৰ উক্তি মনত ৰাখিছো আৰু মোৰ লেখাত পাৰ্যমানে স্মৃতিৰ সঁচা বিবৰণ দিবলৈ চেষ্টা কৰিছো। এনে সাৱধানতা লোৱা সত্ত্বেও অ'ত ত'ত দিন-বাৰ আৰু আন ধৰণৰ ভুল 'সোমাইছে মোৰ নিজৰ অসাৱধানতা বশত। উল্লেখ কৰা উচিত হব যে মই কোনো ডায়েৰী ৰখা নাছিলো। বোধহয় আমাৰ অসমীয়া সমাজত কম সংখ্যাৰ লোকৰহে ডায়েৰী ৰখা অভ্যাস আছে। কিন্তু মই বাতৰি কাকতৰ টুকুৰা আৰু মোৰ মনত লগা গ্রন্থ সংগ্রহ কৰো আৰু তাক সযত্নে ৰাখো যিখিনি মোৰ স্মৃতি-লেখাৰ সম্বল।

১৯৬২ চনত মোৰ এটা নতুন অভিজ্ঞতা হয়। এই অভিজ্ঞতা কিন্তু সাংবাদিক জীৱনৰ নাছিল, মানে মই হঠাৎ ৰাজনীতিত সোমাই পৰিছিলো। অৱশ্যে ১৯৩০ চনৰ পৰা মুক্তি যুঁজাৰু হিচাপে ১৯৬৪ চনলৈ মই সক্রিয় কংগ্রেছ সদস্য আছিলো, সদস্য আছিলো যদিও, লোকসভাৰ এম-এল-এৰ দৰে ৰাজনৈতিক পদৰ কাৰণে চেষ্টা কৰা নাছিলো। আসাম ট্রিবিউন কাকতৰ সম্পাদকৰ দায়িত্ব লোৱাৰ পিছত যে মই কংগ্রেছ সদস্য হোৱা নাই, তাক পূৰ্বৰ এটা নিবন্ধত উল্লেখ

কৰিছো। কিন্তু তাৰ দুবছৰৰ আগত অনুষ্ঠিত গুৱাহাটী পৌৰসভাৰ সাধাৰণ নিৰ্বাচনত মই কংগ্ৰেছ প্ৰাৰ্থী হব লগাত পৰিছিলো। গুৱাহাটী জিলা কংগ্ৰেছে দলীয় প্ৰাৰ্থী বাছনিৰ দিনা মই গুৱাহাটীৰ বাহিৰত আছিলো আৰু প্ৰাৰ্থীত্ব বিচাৰি মই আবেদনো কৰা নাছিলো, কিন্তু মোৰ পৰিবাৰ কনকলতা কাকতী কংগ্ৰেছৰ সক্ৰিয় সদস্যা হিচাপে সেই দিনাৰ সভাত উপস্থিত আছিল। মই সন্ধিয়া ঘৰলৈ উভতি অহাত তেওঁ মোক বাতৰিটো দিয়ে। মই অস্বস্তি বোধ কৰিছিলো, কিন্তু মোৰ বন্ধু-বান্ধবে গুৱাহাটী পৌৰসভাৰ মই চেয়াৰমেন নিৰ্বাচিত হোৱাৰ সম্ভাৱনা আছে বুলি কোৱাত মোৰ স্বাভাৱিকতে সেই পদলৈ লোভ জন্মিছিল যিহেতু অসমৰ সৰ্ববৃহৎ নগৰৰ চেয়াৰমেনৰ পদৰ এটা নিজস্ব মৰ্যাদা আছে।

সেই সময়ত গুৱাহাটী মিউনিচিপালটিত তিনিজন চৰকাৰী মনোনীত প্ৰাৰ্থীৰ বাহিৰে ২৭ জন নিৰ্বাচিত সদস্য (সেই সময়ত সদস্যসকলক ৱাৰ্ড কমিচনাৰ বোলা হৈছিল)। মই দুই নম্বৰ ৱাৰ্ডৰ পৰা নিৰ্বাচিত হৈছিলো। মোৰ কাৰণে পৰম আনন্দৰ কথা আছিল যে কংগ্ৰেছ দলৰ প্ৰাৰ্থী হিচাপে মই পৌৰসভাৰ চেয়াৰমেন নিৰ্বাচিত হৈছিলো ১৯৬২ চনৰ মে মাহত। দৃশ্যতঃ, মোৰ পক্ষে এইয়া যিদৰে সন্তোষৰ বিষয়। আছিল, সেইদৰে সক্ৰিয় ৰাজনীতিৰ ক্ষেত্ৰত এটা পদক্ষেপ বুলি মোৰ ধাৰণা হৈছিল, ধাৰণা হৈছিল এই কাৰণে যে গুৱাহাটী মিউনিচিপাল ব'ৰ্ডৰ চেয়াৰমেনৰ দৰে পদে বহুতক ৰাজনীতি কৰিবলৈ দিয়া সুবিধাৰ যথেষ্ট নজিৰ আছে। কিন্তু চেয়াৰমেন হিচাপে মোৰ কেতমান অভিজ্ঞতাই মোক ৰাজনীতিৰ খলা-বমা বাটত উজুতি খুৱাইছিল। তাৰ ফলত মই চেয়াৰমেনৰ বাব দুবছৰৰ মূৰত স্বেচ্ছাই ত্যাগ কৰিছিলো, অথচ মোৰ নিয়মীয়া কাৰ্যকাল তিনি বছৰীয়া আছিল।

মই চেয়াৰমেন নিৰ্বাচিত হোৱাৰ পিছদিনাৰ অভিজ্ঞতাটো বৰ আমোদজনক। যিদিনা মোৰ বাসভবনত ৰাতিপুৱা এজন মধ্যবিত্ত শ্ৰেণীৰ বিহাৰী লোক উপস্থিত, কিন্তু তেওঁ সুদাহাতে অহা নাছিল অৰ্থাৎ এজন বিহাৰী শ্ৰমিকৰ হতুৱাই আনিছিল এপাচি তৰকাৰী, ফল-মূল আৰু এটা ডাঙৰ চিতল মাছ। এই সামগ্ৰীখিনি কাৰ বাবে আনিছিল

বুলি প্ৰশ্ন কৰাত তেওঁ কৈছিল যে, পূৰ্বৰ প্ৰথা মতে নতুন চেয়াৰমেন হিচাপে মোৰ কাৰণে এই সামগ্ৰীখিনি মাননি হিচাপে আনিছে। পূৰ্বৰ চেয়াৰমেনসকলক সেইদৰে মাননি দিছিল কিম্বা তেওঁলোকে তাক গ্ৰহণ কৰিছিল নে নাই তাক মই জনা নাছিলো, কিন্তু মই বিহাৰী মানুহজনৰ কাম ভাল পোৱা নাছিলো আৰু সামগ্ৰীখিনি লৈ যাবলৈ নিৰ্দেশ দিছিলো। স্বাভাৱিকতে মানুহজন হতাশ হৈছিল। মই মিউনি-চিপাল অফিচত খবৰ লৈ পিছত জানিব পাৰিছিলো যে এই বিহাৰী মানুহজন এজন সাধাৰণ ব্যৱসায়ী আৰু পুৰণি উজান বজাৰ ঘাটৰ বালুচৰত খৰালি কালত আৰু বাৰিষাৰ দিনত ৰাস্তাৰ দাঁতিত মিউনি-চিপালটিৰ বিনা অনুমতিত কেবাটাও ঘৰ বান্ধি ভাড়া লৈছিল। মই এই বে-আইনীভাৱে বন্ধা ঘৰবোৰ তৎকালীনভাৱে উচ্ছেদ কৰিবলৈ হুকুম দিছিলো, যদিও সংশ্লিষ্ট বিষয়াজন বৰ অসন্তুষ্ট হোৱা দেখিছিলো।

এই প্ৰসংগটো গুৱাহাটীৰ এজন প্ৰথিতযশা নাট্যকাৰ খেলুৱৈ বন্ধুক কোৱাত তেওঁ মোক কৈছিল যে মই ৰাজনীতিৰ লায়ক নহয়, কাৰণ তেওঁৰ বিবেচনাত ৰাজনীতি কৰা মানুহে আপোচ কৰিব লাগিব আৰু আপোচ নকৰিলে ৰাজনীতিত খাপ খুৱাই লোৱা টান। প্ৰায় এবছৰমান পিছত নাট্যকাৰ বন্ধুজনৰ কথাখিনি ভাৰতৰ সেনাধ্যক্ষ ফিল্ড-মাৰ্চাল মণ্টোগোমাৰিৰ ( Field Marshal Montogomery ) মধ্যম আকাৰৰ গ্ৰন্থ The Path To Leadership নামৰ ১৯৬১ চনত প্ৰকাশিত গ্ৰন্থত পঢ়িবলৈ পাওঁ। এই গ্ৰন্থত বিশ্বৰ প্ৰখ্যাত নেতা যেনে উইন্‌স্টন চাৰ্চিল, জেনেৰেল দীগলে, ক্ৰমৱেল, জৱাহৰলাল নেহৰু প্ৰমুখ্যে কেবাজনো ব্যক্তিৰ নেতৃত্ব বিশ্লেষণ কৰিছে। গ্ৰন্থখনত তেওঁ এটা বৰ ইংগিতপূৰ্ণ কথা উল্লেখ কৰিছে তথা লণ্ডনত অনুষ্ঠিত এখন নৈশ ভোজমেলত যি ভোজমেলত ফিল্ড মাৰ্চেলৰ উপৰিও সেই সময়ৰ বৃটিছ চেঞ্চেলাৰ অব্ এক্সচেকাৰ তথা বিত্তমন্ত্ৰী ডেৰিক হিথ্‌কোট্-আমেৰি ( Derick Heathcoat Amery ) প্ৰমুখ্যে কেবাজনো বৃটিছ বিশিষ্ট ব্যক্তি উপস্থিত আছিল। হিথ্‌কোট্ আমেৰি এজন সৎ ৰাজনীতিজ্ঞ বুলি জনাজাত আছিল। ফিল্ড-মাৰ্চেল মণ্টোগোমাৰিয়ে সিদিনাৰ ভোজমেলত এজন

বন্ধুৰ লগত ৰাজনীতিবিদসকল যে দুৰ্নীতিপৰায়ণ সেই কথা উল্লেখ কৰি কৈছিল যে বিত্ত-মন্ত্ৰী হিথ্‌কোট্‌-আমেৰি তাৰ ব্যতিক্ৰম আছিল আৰু বিত্ত-মন্ত্ৰীজনলৈ আঙুলিয়াই দিছিল, কিন্তু তেওঁৰ বন্ধুজনে বিখ্যাত সেনাধ্যক্ষজনক কৈছিল যে যদি বিত্ত-মন্ত্ৰীজন দুৰ্নীতিপৰায়ণ নহয়, তেন্তে তেওঁ ৰাজনীতিবিদ নহয়। ফিল্ড-মাৰ্চেল মণ্টোগোমাৰিৰ ভাষাত ঃ "At a dinner party in London one night a few of us were discussing the integrity or otherwise of politicians. I pointed to Derick Heathcoat-Amery. Chancellor of the Exchequer, who was present and said to my neighbour : 'There is one of the honest politicians in England.' He (the friend) replid.: 'Yes, but he's not a politician. সেনাধ্যক্ষৰ লিখনিৰ পৰা দেখা যায় ৰাজনীতি কৰা মানুহখিনি আৰু দুৰ্নীতিৰ মাজৰ সম্বন্ধ নিবিড় অথচ ইজন ৰাজনীতিবিদে আনজনক দুৰ্নীতিপৰায়ণ বুলি সমালোচনা কৰে। ভাৰতৰ এনে সমালোচনা বাতৰিকাকতৰ শিৰোনামা।

যি কি নহওক, নাট্যকাৰ বন্ধুজনে (প্ৰয়াত প্ৰবীণ ফুকনে) যিখিনি কথা মোক কৈছিল, সেই একে কথাখিনি যে সেনাধ্যক্ষ ফিল্ড-মাৰ্চেল মণ্টোগোমাৰিজনৰ বন্ধুজনে কৈছিল, তাক মই পাহৰিব পৰা নাই। ফুকনে তেওঁৰ নাট্যকাৰ দৃষ্টিৰে বিবেচনা কৰি কথাষাৰ কৈছিল।

চেয়াৰমেন হিচাপে ১৯৬২ চনৰ মোৰ আন এটা অভিজ্ঞতা। সেই বছৰৰ মে নে জুন মাহত মিউনিচিপেল ব'ৰ্ডৰ এখন গুৰুত্বপূৰ্ণ সভা। সভাখনৰ জাননী মতে দিনৰ চাৰে দহ বজাত অনুষ্ঠিত হোৱাৰ কথা। কিন্তু আমাৰ দলৰ সদস্যকেজন আহোঁতে পলম হোৱাৰ বাবে মই অধ্যক্ষ হিচাপে সভাখন সময়মতে আৰম্ভ নকৰি আধাঘণ্টা পিছুৱাই দিওঁ। এই কাৰ্যত বিৰোধী দলৰ লক্ষ্যধৰ চৌধুৰী (এওঁ পিছত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ নিৰ্বাচিত হয়) আৰু আন সদস্য কেইজনমানেও আপত্তি তোলে। তেওঁলোকৰ উদ্দেশ্য আছিল আমাৰ দলৰ সদস্যৰ অনুপস্থিতিত আমাৰ প্ৰস্তাৱ নাকচ কৰা। আপত্তি সত্ত্বেও ব'ৰ্ডৰ সভা পলমকৈ বহি আমাৰ প্ৰস্তাৱ গ্ৰহণ কৰো। খঙত নে ক্ষোভত, বিৰোধী পক্ষৰ লক্ষ্যধৰ চৌধুৰী প্ৰমুখ্যে সভাকক্ষত মোক এঘণ্টা সময় ঘেৰাও কৰি ৰাখে আৰু পিছত সেইদিনাৰ পৌৰসভাৰ কাৰ্য্যাৱলী তথা প্ৰস্তাৱ

'অবৈধ' ভাবে গৃহীত হৈছে বুলি চৰকাৰে অনুমোদন নিদিবলৈ আজি দাখিল কৰে। চৰকাৰে তেওঁলোকৰ অনুৰোধ ৰক্ষা নকৰিলে ; ৰক্ষা নকৰি, গুৱাহাটী মিউনিচিপাল আইনখনত চৰকাৰে এটা উপ-বিধি সংযোজন কৰে, যি উপ-বিধি মতে সভাৰ যিকোনো সভা আধাঘণ্টা পলমকৈ বহিলেও তেনে সভাৰ কাৰ্যবিবৰণী অবৈধ বুলি কোৱা নহ'ব।

আন এটা অভিজ্ঞতাই চেয়াৰমেনৰ পদত থকাত মোক অসহায় অৱস্থাত পেলাইছিল। ময়লা কঢ়িওৱাৰ বাবে সেই সময়ত মিউনিচিপাল ব'ৰ্ডৰ ছটা বলদ গৰু ৰখা হৈছিল। প্ৰতি বছৰত এই গৰুকেটাৰ খাদ্য যেনে খলিহা, মাহ, খেৰৰ বাবদ ৬০ হেজাৰ টকা বাজেটত ধৰা হৈছিল অথচ আচল খৰচ সেই সময়ৰ টকাৰ মূল্যত ৩০ হেজাৰতকৈ বেছি নাছিল। কিন্তু এই অপৰিমিত ধনাখিনি হ্ৰাস কৰিবলৈ মই অক্ষম হৈছিলো, কাৰণ ইয়াৰ ঠিকা আমাৰ দলৰ জনৈক সদস্যই তেওঁৰ এজন আত্মীয়ৰ নামত তথা বেনামীকৈ লৈছিল। এনেবোৰ কামত মই বিবেকৰ বিৰুদ্ধে সন্মতি দি বৰ বেজাৰ পাইছিলো। শেহত মই চেয়াৰমেন পদৰ পৰা অব্যাহতি লও। অৱশ্যে, তাৰ ফলত ভাইচ-চেয়াৰমেন তথা বিৰোধী পক্ষৰ সৰোজকুমাৰ সেনগুপ্তই অস্থায়ী চেয়াৰমেনৰ দায়িত্ব লোৱাত কংগ্ৰেছ দল এটা অশুভ অৱস্থাত পৰিছিল। মুখ্যমন্ত্ৰী চলিহা আৰু গুৱাহাটী জিলা কংগ্ৰেছৰ সভাপতি নৰনাৰায়ণ গোস্বামীয়েও চেয়াৰমেন পদৰ পৰা ইস্তফা দিয়াত মোক বেয়া পাইছিল। কিন্তু মই অনুভৱ কৰিছিলো যে ৰাজনীতিত, মোৰ নাট্যকাৰ বন্ধুজনে কোৱা মতে, খাপ খুৱাব পৰা নাছিলো। উল্লেখযোগ্য যে প্ৰায় দুবছৰকাল গুৱাহাটীৰ দৰে ডাঙৰ চহৰ এখনৰ চেয়াৰমেনৰ দায়িত্ব লৈও মই আসাম ট্ৰিবিউন আৰু অসম বাণী কাকত দুখনৰ সম্পাদনাৰ কাম-কাজ নিয়াৰিকৈ কৰিছিলো।

গুৱাহাটী মিউনিচিপাল ব'ৰ্ডৰ কথা কওতে এই ব'ৰ্ডৰ (বৰ্তমান অসমৰ একমাত্ৰ পৌৰ নিগম) সেই সময়ত কাৰ্যালয়টোৰ অৱস্থা দেখি ব'ৰ্ডৰ বাবে এটা আধুনিক বিল্ডিং নিৰ্মাণৰ কথা চিন্তা কৰিছিলো। তাৰ বাবে অসম চৰকাৰৰ পৰা মাটি দিয়াৰ সিদ্ধান্ত পাইছিলো। এনে বিল্ডিঙৰ বাবে পানবজাৰৰ ৰেলৱে দলঙৰ কাষত দ কিন্তু আহল বহল

চৰকাৰী মাটিখিনি পোৱা গৈছিল। বিত্তীয় অভাৱৰ কাৰণে আঁচনিৰ কাম হাতত ল'ব পৰা নহ'ল। সেই মাটিখিনি পিছত অসম অগ্নি সেৱাৰ কাৰ্যালয়ৰ বাবে পট্টন দিয়া হয়। কিন্তু বাৰ লাখ লোকসংখ্যা বিশিষ্ট গুৱাহাটী পৌৰ নিগমৰ কাৰণে আজিও এটা আধুনিক বিল্ডিং গঢ়ি নুঠাত নিগম কতৃ'পক্ষই কাম-কাজ নিয়াৰিকৈ পৰিচালনা কৰিছে বুলি কব নোৱাৰি, বৰঞ্চ অসমৰ অন্যতম ৰাজহৱা হল পূৰ্বৰ কাৰ্জন হল আৰু বৰ্তমানৰ নবীন চন্দ্ৰ বৰদলৈ হলটো গুৱাহাটী পৌৰ নিগমৰ কাৰ্যালয়ত পৰিণত হৈছে যাৰ ফলত এটা ঐতিহ্যময় ৰাজহুৱা অনুষ্ঠানৰ অপব্যৱহাৰ হৈছে। মোৰ স্মৃতিলেখাত এই বিষয়টো উল্লেখ কৰিলো এই কাৰণেই যে ১৯৬২-৬৩ চনত গুৱাহাটী পৌৰ সভা তথা নিগমৰ কাৰণে এটা দেখনিয়াৰ কাৰ্যালয় গৃহ নিৰ্মাণৰ বাবে যি প্ৰস্তুতি হৈছিল, সেই প্ৰস্তুতি আগ নাবাঢ়িল। গুৱাহাটীৰ নাগৰিকবৃন্দ, ৰাজ্যিক চৰকাৰ আৰু নিগমৰ কতৃ'পক্ষৰ বাবে এইয়া গৌৰৱৰ কথা নহয়।

১৯৬২ চনৰ চীনা আক্ৰমণৰ ফলত অসমত যি সন্ত্ৰাসৰ পৰিস্থিতিৰ উদ্ভৱ হৈছিল তাৰ প্ৰক্ৰিয়াত গুৱাহাটী পৌৰসভা আৰু কামৰূপ জিলা প্ৰশাসনৰ দায়িত্ব বাঢ়িছিল। সেই সময়ত নেফা তথা অৰুণাচল প্ৰদেশৰ পৰা কেবাশ মানুহ আহি কলেজিয়েট স্কুলত আশ্ৰয়প্ৰাৰ্থী হৈছিল। তেওঁলোকক সহায় কৰাৰ বাবে পৌৰসভাৰ পৰা যথাসম্ভৱ সাহায্য আগবঢ়োৱা হৈছিল। ইতিমধ্যে ২১ নবেম্বৰৰ দিনা পুৱাৰ ভাগত নতুন দিল্লীৰ পৰা বিশেষ বিমানযোগে পাঁচজন কেন্দ্ৰীয় নেতা--লাল-বাহাদুৰ শাস্ত্ৰী, কেশৱদেও মালব্য, ইন্দিৰা গান্ধী, অতুল্য ঘোষ আৰু বিজু পাটনায়ক (বৰ্তমান লোকসভাৰ নেতা) গুৱাহাটীত উপস্থিত হয়। প্ৰধান মন্ত্ৰী নেহৰুৰ নিৰ্দেশক্ৰমে অসমৰ পৰিস্থিতিৰ বুজ লবলৈ তেওঁ-লোক আহিছিল। চীন চৰকাৰে ২০ নবেম্বৰত একপক্ষীয়ভাৱে তেওঁলোকৰ সৈন্য অপসাৰণ কৰাত পৰিস্থিতিৰ শাম কাটে। শাম কাটিছিল যদিও, কেন্দ্ৰৰ অৱহেলাত, বিশেষকৈ দেশৰক্ষাৰ ক্ষেত্ৰত, নেফা আৰু অসমৰ মানুহখিনিক তেনেদৰে এটা বিদেশী শত্ৰুৰ সন্মুখত ঠেলি দিয়াত এই অঞ্চলৰ মানুহখিনিৰ প্ৰতি অৱজ্ঞা কৰাৰ প্ৰতিবাদ কৰি প্ৰধানমন্ত্ৰী নেহৰুলৈ গুৱাহাটীৰ আমি সাতজন ব্যক্তিয়ে ২২ নবেম্বৰত এখন চিঠি

লিখি লালবাহাদুৰ শাস্ত্ৰীৰ হাতত নেহৰুলৈ প্ৰেৰণ কৰো। নেহৰুয়ে অসম আৰু নেফাবাসীৰ অৱস্থা বুজি ২৫ নবেম্বৰৰ দিনা এজন বিশেষ বাৰ্তাবাহী বিষয়াৰ যোগে আমাৰ চিঠিৰ উত্তৰ পঠায়। অৱশ্যে ২০ নবেম্বৰতো নেহৰুয়ে অল ইণ্ডিয়া ৰেডিঅ'ৰ যোগেদি অসমবাসীলৈ 'সমবেদনা' জনাই এটা বক্তৃতা দিছিল।

## ১০

২৫ নৱেম্বৰৰ চিঠিখনাৰ পূৰ্ণপাঠ দিয়াৰ লোভ সামৰিব নোৱাৰিলে।. যদিও নেহৰুৰ চিঠিখন সেই সময়ত ‘গোপনীয়’ আছিল। চিঠিখনৰ নকল ঃ

Confidential
No. 2057-PMH/62
Prime Minister's House
New Delhi,
November 25, 1962

My dear Mahendra Mohan,

Your letter of the 22nd November reached me two or three days ago. The letter is signed by a number of others also.

I have read your letter with care and thank you for it. I have also been told of conditions in Assam at present by Shri Lal Bahadur Shastri, Indiraji and others who visited Assam.

I need not tell you how deeply pained we have been at recent events in NEFA and Assam. Our hearts have gone out to all of your people there. I can assure you that there can be no peace till we have rid India and, of course, Assam also, of this Chinese menace. Assam is a living part of

India, and what happens to Assam happens to the whole of India. I cannot, of course, guarantee what ups and downs we may have in the near future. But of the end, I can quite certain, and I hope that the people of Assam will bear with determination and fortitude whatever burden they may have to shoulder, remembering always that they have the entire people of India behind them. We have to deal with a strong, capable and ruthless enemy. We have to look ahead and prepare ourselves for this conflict. We cannot possibly surrender to them even indirectly.

We are carefully considering their recent offer. We are unable to accept it as such. At the same time, we do not want a quick resumption of operations. We want a little time to prepare ourselves.

Please do not be despondent. We must hold together stoutly and work and prepare for a better Assam and a better India.

If possible, I shall try to come myself for a day or two to Assam. At present I am terribly occupied here with our war effort* and other preparations.

You can share this letter with your co-signatories. But please do not give publicity to it.

Yours sincerely,
Sd/- Jawaharlal Nehru

কোৱা বাহুল্য যে চিঠিখন নেহৰুৱে মহেন্দ্ৰ মোহন চৌধুৰীৰ নামত লিখিছিল আৰু চৌধুৰীয়ে তাৰ প্ৰতিলিপি এটা মোলৈ পঠিয়াইছিল।

[নবেম্বৰৰ ২২ তাৰিখে লিখা চিঠিৰ স্বাক্ষৰকাৰীসকল আছিল অসম বিধান সভাৰ অধ্যক্ষ মহেন্দ্ৰ মোহন চৌধুৰী, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি শ্ৰীমান প্ৰফুল্ল গোস্বামী, গুৱাহাটী পৌৰসভাৰ চেয়াৰ-মেন সতীশ চন্দ্ৰ কাকতী, গুৱাহাটীৰ দুজন এম-এল-এ ডাঃ ঘনশ্যাম দাস

আৰু দেবেন্দ্ৰ নাথ শৰ্মা, এ-আই-চি-চি-ৰ তিনিজন সদস্য গিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী, লক্ষীধৰ বৰা আৰু ৰমেশ চন্দ্ৰ চৌধুৰী।]

*     *     *

অতীত কালৰ পৰা আমাৰ দেশত জ্যোতিষী আৰু হস্তৰেখা বিচাৰকৰ প্ৰতি বহুত লোকৰ আকৰ্ষণ বা দুৰ্বলতা থকা সকলোৰে জনা কথা। প্ৰকৃততে, জ্যোতিষী বিদ্যা আৰু তাৰ চৰ্চা ভাৰতৰ এটা পুৰণি পৰম্পৰা। নৱজাত শিশুৰ কাৰণে হিন্দু সমাজত এখন সোঁৱৰণী প্ৰস্তুত কৰা হয়। পশ্চিমীয়া দেশবোৰতো জ্যোতিষ আৰু হস্তৰেখা বিচাৰ জনপ্ৰিয় হৈছে। আনকি আমেৰিকাত God Man তথা ঈশ্বৰৰূপী মানুহ কিছুমানে তাত এনেভাবে জনপ্ৰিয় হৈ পৰিছে যে এই বিষয়টো এটা উদ্যোগত পৰিণত হৈছে। আমাৰ দেশত জ্যোতিষ বিদ্যা আৰু হস্তৰেখা বিচাৰৰ বাহিৰেও কিছুমান অন্ধবিশ্বাস সমাজৰ অংগ হৈ পৰিছে যাক শিক্ষা আৰু আন প্ৰগতিয়ে আঁতৰ কৰিব পৰা নাই।

প্ৰায় চল্লিছ বছৰমান আগত এই সম্পৰ্কে এজন ইংৰাজ সাংবাদিকে লণ্ডনৰ বিখ্যাত দৈনিক কাকত Times ত এটা বিশ্লেষণমূলক প্ৰবন্ধ লিখিছিল। তাৰ ভিতৰত উল্লেখ কৰা কথাবোৰৰ দুটা মোৰ মনত আজিও সজীৱ হৈ আছে। তেওঁ লিখিছিল যে ভাৰতত আঁহত গছৰ গুৰিত জনৈক জটাধাৰীয়ে যদি এচটা শিলত সেন্দুৰ লগাই তাৰ ওচৰত কেইটামান ৰঙা বৰণৰ ফুল ৰাখি বহি থাকে, তাৰ ওচৰেদি যোৱা কোনো পথিকে মূৰ নোদোঁৱাকৈ আৰু সিকা বা আধলিটো নিদিয়াকৈ যাব নোৱাৰে। বিভিন্ন ৰোগত পৰি থকা বেমাৰীৰ আৰোগ্যৰ কাৰণে কেবা মাইল খোজ কাঢ়ি গৈ তেনে ৰোগীৰ সম্বন্ধীয় লোকে বিশেষ এবটল পানী আনিবলৈ যায় বুলি ইংৰাজ লেখকজনে উল্লেখ কৰিছিল। বোধহয় সেই সময়ত নলবাৰী অঞ্চলত 'নিভাৰ্যাৰ পানী' খ্ৰি পানী বেমাৰৰ অমোঘ দৰব বুলি প্ৰচাৰ হৈছিল সেই প্ৰসংগটোকে উল্লেখ কৰিছিল।

কোৱা বাহুল্য যে আমাৰ সমাজত ৰাজনীতিৰ মুধাফুটা ব্যক্তি বহুতে জ্যোতিষী আৰু হস্তৰেখা বিচাৰকৰ কবলত নপৰাকৈ থকা নাই। মই

জনা মতে ছাৰ মহম্মদ শ্বাদুল্লা, ৰোহিনী কুমাৰ চৌধুৰী প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল অসমৰ এজন প্ৰখ্যাত জ্যোতিষীৰ প্ৰতি আকৰ্ষিত আছিল।

প্ৰসংগক্ৰমে উল্লেখ কৰা প্ৰয়োজন যে ভাৰতৰ সংবাদ পত্ৰবোৰত ব্যক্তিগত আৰু ৰাষ্ট্ৰগত ৰাশিফল আজিকালি এটা অপৰিহাৰ্য আৰু নিয়মীয়া বিভাগ হৈছে। আনকি, প্ৰথম শ্ৰেণীৰ দৈনিক বাতৰি কাকতৰ বহুলাংশে এই বিভাগ প্ৰচলন কৰিছে। 'অসম বাণী' অসমীয়া সাপ্তাহিক বাতৰিকাকতখন আৰম্ভ কৰোতে তাৰ সম্পাদক হিচাপে 'ৰাশিফল' স্তম্ভটো মই নিয়মীয়াকৈ প্ৰকাশ কৰিছিলো আৰু এই স্তম্ভটো আজিও চলি আছে। মই ৰাশিফলত বিশ্বাস ৰাখি যে তাক প্ৰকাশ কৰিছিলো তেনে নহয়; 'অসম বাণী'ৰ জনপ্ৰিয়তা বৃদ্ধি কৰাৰ প্ৰয়াসে এই শিতান খোলা হৈছিল। দক্ষিণ ভাৰতৰ এজন প্ৰখ্যাত জ্যোতিষী বি, ভি, ৰমনৰ দ্বাৰা সম্পাদিত জ্যোতিষবিষয়ক আলোচনীখনৰ জনপ্ৰিয়তা—ভাৰত আৰু বিদেশত—সকলোৰে জনা কথা। সেই বাবেই 'অসম বাণী'ত ইয়াৰ প্ৰচলন কৰিছিলো। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰো যে, ইন্দিৰা গান্ধীয়ে ১৯৭৭ চনৰ সাধাৰণ নিৰ্বাচনত পৰাজিত হৈ ক্ষমতাচ্যুত হোৱাত জ্যোতিষী ৰমনে তেওঁৰ আলোচনীত ভৱিষ্যত বাণী কৰিছিল যে ইন্দিৰা গান্ধীয়ে পুনৰ ক্ষমতালৈ আহিব নোৱাৰিব আৰু তেওঁৰ মৃত্যু অস্বাভাৱিক (unnatural) হ'ব। বহুতে অস্বাভাৱিক মৃত্যুক আত্মহত্যা বুলি কোৱা শুনিছিলো। ৰমনৰ ভৱিষ্যত বাণীৰ অৰ্দ্ধেকহে সত্য প্ৰমাণিত হৈছিল, মানে ১৯৮০ চনত ইন্দিৰা গান্ধী পুনৰ প্ৰধানমন্ত্ৰী হৈছিল, কিন্তু ১৯৮৪ চনৰ ৩১ অক্টোবৰত তেওঁৰ গা-ৰখীয়াৰ হাতত মৃত্যু বৰণ কৰিছিল তথা তেওঁৰ অস্বাভাৱিক মৃত্যু হৈছিল।

সমাজৰ আন ব্যক্তিৰ দৰে ময়ো জ্যোতিষী আৰু হস্তবিচাৰকৰ বন্দী নোহোৱাকৈ থকা নাই, বিশেষকৈ মোৰ যৌৱন কালত চাকৰি আৰু বিবাহৰ ক্ষেত্ৰত একাধিক জ্যোতিষী আৰু হস্তবিচাৰকৰ ওচৰ চাপিছিলো। যিদৰে আন যুবক-যুবতীয়ে জ্যোতিষী বা হস্তবিচাৰকৰ কাষ চাপে। ১৯৫৭ চনৰ কোনো এটা দিনত মোৰ উজান বজাৰৰ বাসভৱনত এজন নেপালী জ্যোতিষী উপস্থিত। জ্যোতিষীজনে মোৰ সোঁহাতখন চাবলৈ ইচ্ছা প্ৰকাশ কৰে। যিহেতু জ্যোতিষীৰ প্ৰতি পূৰ্বৰ পৰাই মোৰ দুৰ্বলতা

আছিল, সেই কাৰণে অতি আগ্ৰহেৰে মোৰ সোঁৱৰণী যিখন সোঁৱৰণী মোৰ পিতাই গাঁৱৰ জনৈক দৈবজ্ঞৰ হতুৱাই কৰাইছিল সেই সোঁৱৰণীখন তেওঁক দিওঁ। তেওঁ সযত্নে সোঁৱৰণীখন পৰীক্ষা কৰি মোৰ সোঁহাত-ৰেখা বিচাৰ কৰে, তাৰ ক্ষন্তেক পিছত নেপালী জ্যোতিষীজনে মোক জানিবলৈ দিয়ে যে মোৰ হস্তৰেখা আৰু সোঁৱৰণীমতে মোৰ ভাগ্যত চাৰিবাৰ বিদেশ ভ্ৰমণ আছে। জ্যোতিষীজনৰ ভৱিষ্যতবাণী শুনি ভাল পাইছিলো হয়, কিন্তু বিশ্বাস কৰিবলৈ টান পাইছিলো। তাৰ কাৰণ মই ডাক্তৰ, ইঞ্জিনিয়াৰ কিম্বা কোনো প্ৰযুক্তিবিদ্যাৰ লোক নহয় যে চৰকাৰ বা নিজাববীয়াকৈ ব্যয়বহুল বিদেশ ভ্ৰমণ কৰাৰ কিবা সম্ভাৱনা আছিল। মোৰ দৰে সাধাৰণ সাংবাদিক এজনে আনকি এবাৰ বিদেশলৈ যোৱাৰ ক্ষীণ সম্ভাৱনা নাছিল। কিন্তু নেপালী জ্যোতিষীজনে মোক বাৰে বাৰে কৈছিল যে তেওঁৰ ভৱিষ্যতবাণী সত্য প্ৰমাণিত হ'ব।

কিন্তু বৰ আচৰিত কথা যে ১৯৫৯ৰ পৰা ১৯৬৩ চনৰ ভিতৰত মই চাৰিবাৰ বিদেশ ভ্ৰমণ কৰিবলৈ সুযোগ পাইছিলো। ১৯৫৯ চনৰ ফেব্ৰুৱাৰী মাহত বৃটিছ চৰকাৰৰ আমন্ত্ৰণক্ৰমে বৃটেইনত এমাহ ভ্ৰমণ কৰো। ১৯৬০ চনত মাকিন যুক্তৰাষ্ট্ৰ চৰকাৰৰ আমন্ত্ৰণত তাত দুমাহ ভ্ৰমণ কৰিছিলো। সেই নিমন্ত্ৰণী পত্ৰখন ভাৰতস্থ মাকিন ৰাষ্ট্ৰ-দূত মিঃ এলচৱাৰ্থ বাঙ্কাৰৰ ( Ellsworth Bunker ) পৰা পাইছিলো। তাৰ তিনিবছৰৰ পিছত ১৯৬৩ চনত এমাহৰ কাৰণে পশ্চিম জাৰ্মানী চৰকাৰৰ নিমন্ত্ৰণক্ৰমে তাত ভ্ৰমণ কৰো। পশ্চিম জাৰ্মানীত থাকোতে তাৰ বৃটিছ ৰাষ্ট্ৰদূতাবাসৰ পৰা এখন চিঠি পাওঁ যি চিঠিৰে মোক আৰু মোৰ লগৰ আন দুজন ভাৰতীয় সাংবাদিকক বৃটেইনত দহদিন ভ্ৰমণৰ কাৰণে নিমন্ত্ৰণ কৰে। এই নিমন্ত্ৰণ গ্ৰহণ কৰি দ্বিতীয়বাৰৰ কাৰণে বৃটেইনলৈ যাওঁ।

ব্যক্তিগতভাৱে বিদেশী চৰকাৰৰ নিমন্ত্ৰণত চাৰিবাৰ বিদেশ ভ্ৰমণ কৰা বোধহয় ময়েই একমাত্ৰ অসমীয়া সাংবাদিক। এইয়া মোৰ কাৰণে যিদৰে আনন্দৰ বিষয় সেইদৰে অসমৰ সাংবাদিকতাৰ স্বীকৃতি হিচাপে লৈছিলো। উল্লেখ কৰিব পাৰি যে বিদেশ ভ্ৰমণ কালত বৃটেইন, আমেৰিকা আৰু পশ্চিম জাৰ্মানীত কেবাজনো ৰাজনীতিবিদ, সাংবাদিক,

সমাজবিজ্ঞানী আৰু বিভিন্ন অনুষ্ঠানৰ লগত জড়িত ব্যক্তিৰ লগত মত বিনিময় কৰিবলৈ সুযোগ পাইছিলো আৰু তাৰ অভিজ্ঞতাই মোৰ সাংবাদিক জীৱনত যথেষ্ট সম্বল আৰু উৎসাহ দিছিল ।

১৯৫৮ চনৰ ১৬ ডিচেম্বৰৰ দ্বিতীয় সপ্তাহত অপ্ৰত্যাশিতভাবে কলিকতাৰ বৃটিছ ইন্‌ফৰমেচন চাৰ্ভিচৰ আঞ্চলিক প্ৰচাৰ বিষয়া মিঃ জে-চি জাচ্‌পাৰৰ ( J C Jasper ) পৰা বৃটেইনত ভ্ৰমণ কৰিবলৈ (২০ ফেব্ৰুৱাৰীৰ পৰা ২০ মাৰ্চলৈ, ১৯৫৯) নিমন্ত্ৰণী চিঠিখন পাইছিলো সিদিনা মোৰ অৱস্থা 'আনন্দে নভৰে হিয়া'ৰ দৰে হৈছিল । মোৰ শুভাকাংক্ষী বন্ধু-বান্ধৱ যেনে—আৰ-জি বৰুৱা, মহেন্দ্ৰ মোহন চৌধুৰীক সংবাদটো দিয়াত তেওঁলোকো বৰ উৎফুল্লিত হৈছিল । আসাম ট্ৰিবিউন আৰু অসমবাণীৰ এজন সাংবাদিকে যে এই সন্মানটো লাভ কৰিছিলো, তাৰ বাবে বৰুৱা বিশেষভাৱে সুখী হৈছিল । অৱশ্যে সিদিনা মোৰ মনত পৰিছিল নেপালী জ্যোতিষীজনৰ কথা আৰু ভাবিছিলো যে জ্যোতিষীজনৰ ভৱিষ্যতবাণী তথা মোৰ বিদেশ ভ্ৰমণ হয়তো একাধিকবাৰ হ'ব পাৰে ।

সি যি কি নহওক, লণ্ডনলৈ যাত্ৰাৰ বাবে যিহেতু দুমাহতকৈ কম দিন আছিল, তাৰবাবে যাবতীয় প্ৰস্তুতি যেনে পাছপ'ৰ্ট, ইনকম টেক্স চাৰ্টিফিকেট, পৌৰসভাৰ পৰা স্বাস্থ্য-চাৰ্টিফিকেট সংগ্ৰহ কৰো । বৃটিছ চৰকাৰে মোৰ অহা-যোৱা, থকা-মেলা, ভ্ৰমণ আদিৰ সকলো খৰচ বহন কৰিব ; বিদেশী মুদ্ৰাৰ মোৰ আৱশ্যক নাছিল । তথাপি তাৰ বাবে ৰিজাৰ্ভ বেংকলৈ দৰ্খাস্ত কৰি অলপ ধন নিজৰ ফালৰ পৰা লৈছিলো ।

কিন্তু মোৰ এটা সমস্যা হৈছিল, মানে মই কি পোছাক ল'ম । জীৱনত সেই দিনলৈ হাফপেণ্ট এটাও পিন্ধা নাছিলো, মাত্ৰ ১৯৩০ চনত গুৱাহাটীৰ জেলত তৃতীয় শ্ৰেণীৰ পোছাক অৰ্থাৎ হাফপেণ্ট আৰু চোলা এটা পিন্ধিছিলো । বিলাতলৈ ধুতি আৰু চাৰ্ট পিন্ধি যোৱাটো অসম্ভৱ । ফেব্ৰুৱাৰী মাহত তেতিয়া তাত বৰ জাৰ পৰে । শেহান্তৰত দুটা চুট যোগাৰ কৰো আৰু ঘৰতে ৰাতি পিন্ধি অভ্যস্ত হওঁ ।

লণ্ডন অভিমুখে ১৯ ফেব্ৰুৱাৰীত (১৯৫৯) যাত্ৰা কৰাৰ পথত কলিকতাত বৃটিছ ইন্‌ফৰমেচন চাৰ্ভিচৰ বিষয়াবৰ্গৰ লগত আগদিনা কথা-বতৰা হওঁ । কলিকতাত তেওঁলোকৰ পৰা জানিব পাৰিলো মোৰ

লগত আন দুজন সাংবাদিক (মাদ্ৰাজৰ 'মেইল' দৈনিক কাকতৰ সংবাদ-দাতা তথা দক্ষিণ ভাৰতীয় সাংবাদিক সন্থাৰ সভাপতি এচ-ৰামনাথন আৰু ইণ্ডিয়ান এক্সপ্ৰেছ কাকতৰ মুখ্য সংবাদদাতা বি-এছ-ভি ৰাও) আৰু বি-এচ-আইৰ এজন ভাৰতীয় বিষয়া বি-এল কাপুৰ যাব। এই খবৰটো পাই মনত আনন্দ পাইছিলো যিহেতু বিদেশত অকলশৰীয়া ভাবটো মনলৈ নাহিব।

কলিকতাত মিঃ জাচ্পাৰৰ কলিকতাস্থ বাসভবনত তেওঁৰ কেবাজনো সহকৰ্মীৰ লগ পাওঁ গধূলিৰ চাহমেলত। তেওঁলোকে বৃটেইনৰ বতৰ, যাতায়াত আদিৰ বিষয়ে মোক কিছু জানিবলৈ দিয়ে। কথা প্ৰসংগত এজন ইংৰাজ বিষয়াই তাৰ দহদিন আগৰ প্ৰকাশিত (৯ ফেব্ৰুৱাৰী, ১৯৫৯) বহু-প্ৰচাৰিত লণ্ডনৰ 'ডেইলি এক্সপ্ৰেছ' ( Daily Express ) কাকতৰ সংখ্যাটো পঢ়িছিলোনে নাই প্ৰশ্ন কৰিছিল। তেওঁ ফাইলৰ পৰা এই সংখ্যাটো আনি মোৰ হাতত দিয়াত তাৰ প্ৰথম পৃষ্ঠাতে পৰিবেশন কৰা Banner Headline ৰ তলত সংবাদ পঢ়ি আচৰিত হৈছিলো। এই সংবাদ আছিল কাকতখনৰ লণ্ডনৰ সংবাদদাতা ড'নাল্ড ৱাইজে ( Donald Wise ) দিয়া সেই সময়ৰ নগালেণ্ডত সংঘটিত বিদ্ৰোহী নগাৰ সমৰ সদৃশ কাৰ্যবোৰৰ সচিত্ৰ খবৰ আৰু ভাৰত চৰকাৰে নগাৰ বিৰুদ্ধে লোৱা কাৰ্যৰ বিতং বিবৰণ। Banner Headline কিটা আছিল ঃ Expressman Wise reports on Nehru's jungle terror—Headhunters' war—I see the hills of the naked and dead" নগা বিদ্ৰোহীৰ কাৰ্যকলাপৰ এই সচিত্ৰ সংবাদটো ইংৰাজ বন্ধুজনৰ আগত অতি মনোযোগেৰে দুবাৰ পঢ়ো। প্ৰবন্ধটো পঢ়ি মোৰ ভাব কেনে হৈছিল তাক ক'ব নোৱাৰো, কিন্তু ইংৰাজ বন্ধুজনে মোৰ ভাবটো অনু-মান কৰি কৈছিল ঃ Please do not take it as our Government's view.

ইংৰাজ বিষয়াজনৰ আগত মোৰ অস্বস্তিকৰ এনৰ ভাবটো প্ৰকাশ কৰা নাছিলো। কিন্তু বৃটেইনৰ অন্যতম বহুল প্ৰচাৰিত বাতৰি কাকত এখনে নগা-আন্দোলন সম্পৰ্কত অতিৰঞ্জিত আৰু ভাৰতবিৰোধী বাতৰি প্ৰকাশ কৰি, তাৰ ভিত্তিত The Myth and the Truth শিতানত

সম্পাদকীয় লিখাত বৃটিছ সাংবাদিকতাৰ ওপৰত যিদৰে মোৰ বিৰক্তি হৈছিল, সেইদৰে মিঃ ড'নাল্ড ব্ৰাইজে চোৰাংকৈ নগাপাহাৰত ভ্ৰমণ কৰি যি বাতৰি আৰু চিত্ৰ সংগ্ৰহ কৰিছিল তাত বিস্ময় মানিছিলো। নগা-আন্দোলনৰ সন্দৰ্ভত এটা ভ্ৰান্ত ধাৰণা আছিল বুলি মই জানিছিলো; কিন্তু সুদূৰ লণ্ডনৰপৰা জনৈক সংবাদসেৱী নগাপাহাৰৰ অটব্য হাবিৰ মাজত বিদ্ৰোহী নগাৰ নেতা কেইজনমানক সাক্ষাৎ কেনেকৈ কৰিছিল, সেই দুঃসাহসিক কাম কেনেকৈ কৰিছিল, তাক ভাবি পোৱা নাছিলো, কাৰণ সেই সময়ত বিদেশী সাংবাদিকৰ প্ৰবেশৰ অনুমতিৰ কথাই নাই, আনকি কোনো ভাৰতীয় সাংবাদিকে তাত প্ৰবেশ কৰিব নোৱাৰিছিল।

পিছত জনা গৈছিল যে ইংৰাজ সাংবাদিক ড'নাল্ড ব্ৰাইজে নগা-পাহাৰৰ নিকটৱৰ্তী এখন চাহ বাগিচাৰ সহকাৰী মেনেজাৰ জনষ্টন নামৰ এজন ইংৰাজৰ সহায়ত নগাপাহাৰত প্ৰবেশ কৰি বিদ্ৰোহী নগাৰ শিবিৰত থাকি সংবাদ সংগ্ৰহ কৰিছিল। এই চোৰাং কামত এজন নগা ছাত্ৰও জড়িত আছিল আৰু পিছত তেওঁ পুলিচৰ দ্বাৰা আটক হয় বুলি মই লণ্ডনত থাকোতে টাইমচ কাকতত পঢ়িছিলো। অৱশ্যে ড'নাল্ডৰ প্ৰসংগটো লোকসভাত উত্থাপিত হৈছিল।

নগা প্ৰসংগটো সেই সময়ত বিলাতৰ বাতৰি কাকতবোৰত প্ৰধান বাতৰিৰ পৰ্যায়ৰ আছিল। অসম চৰকাৰৰ তলত কাম কৰা আই-চি-এছ বিষয়া টি-টি-এছ হেইলিয়ে ( T.T.S. Hailey ) তেওঁৰ লণ্ডনৰ ৫-আপাৰ উইম্পল ষ্ট্ৰীটস্থ বাসভৱনলৈ মোক আৰু ড° প্ৰভাস চন্দ্ৰ গোস্বামীক ৰাতি আহাৰলৈ নিমন্ত্ৰণ কৰিছিল। (ড° গোস্বামী সম্প্ৰতি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু ১৯৫১ চনত লণ্ডনত ডক্টৰেটৰ বাবে অধ্যয়নত আছিল।) ১৯৪৮ চনলৈ হেইলি পূৰ্বতে শিৱসাগৰ জিলাৰ উপায়ুক্ত আৰু বৰদলৈ চৰকাৰৰ তলত গাওঁ উন্নয়ন বিভাগৰ অধীক্ষক আছিল। মই প্ৰচাৰ বিভাগত কাম কৰোতে হেইলিৰ লগত মোৰ পৰিচয় হৈছিল। হেইলি আছিল আমাৰ কমিছনাৰ ছাৰ কেইথ কেণ্টলীৰ ( Sir Keith Cantlie ) জোৱায়েক। আমি দুৱাৰৰ বেল বজাই দিয়াত কেণ্টলী চাহাবেই দুৱাৰ মেলি দিছিল, কিন্তু প্ৰায় ৭৫ বছৰীয়া চুটি চাপৰ মানুহজনেই যে অসমত এসময়ত উচ্চ বিষয়া

আছিল তাক মই অনুমান কৰিব পৰা নাছিলো। কেণ্টলী চাহাবে আন আন কথাৰ লগত গুৱাহাটী শ্বিলং ৰাস্তাৰ অৱস্থা, তেওঁৰ ব্যক্তিগত সহায়ক নীলনাথ শৰ্মাৰ ব্যতৰি লৈছিল। কিন্তু নগা পাহাৰৰ পৰিস্থিতিৰ ওপৰতহে তেওঁ গুৰুত্ব দিছিল আৰু তাৰ সবিশেষ বাতৰি জানিবলৈ ইচ্ছুক যেন মোৰ ধাৰণা হৈছিল। বোধহয় 'ডেইলী এক্সপ্ৰেছ'ৰ দৰে বাতৰি কাকতত প্ৰকাশিত বাতৰিবোৰ পঢ়ি নগা সমস্যাৰ বিষয়ে বিতং বিৱৰণ জানিবলৈ বিচাৰিছিল।

উল্লেখ কৰা প্ৰয়োজন যে কেইথ্ কেণ্টলী এসময়ত নগাপাহাৰৰ উপায়ুক্ত আছিল। নগাপাহাৰত তেওঁৰ দৰে আন এজন উপায়ুক্ত আছিল ডঃ জে-এইচ হাটন (Dr. J. H. Hutton) দুয়োজন আই-চি-এছ বিষয়াই তথ্যগধুৰ গ্ৰন্থ নগাজাতিৰ ওপৰত লিখিছে। নগা সম্পৰ্কে বিশেষজ্ঞ বুলি কব পাৰি।

সি যি কি নহওক, কেণ্টলীয়ে নগা সম্পৰ্কে যি প্ৰশ্ন কৰিছিল তাক মই পাহৰা নাই, মানে Why are you killing the Nagas? You should develop them economically. They are backward people. Spend a lot of money for them, educate them. provide jobs etc etc. উত্তৰত মই কৈছিলো যে নগাসকলৰ কাৰণে ভাৰতৰ সংবিধানত যথেষ্ট সংৰক্ষণৰ ব্যৱস্থা আছে যিদৰে আন পাহাৰী জনজাতিৰ বাবে ব্যৱস্থা আছে অথচ নগাসকলৰ এচাম উগ্ৰবাদী হৈ ভাৰতৰ পৰা বিচ্ছিন্ন হবলৈ বিচাৰিছে যাৰ ফলত চৰকাৰে কঠোৰ ব্যৱস্থা লবলৈ বাধ্য হৈছে। লগতে তেওঁক অনুৰোধ কৰিছিলো যাতে নগাজাতিৰ এজন হিতাকাংক্ষী আৰু অভিজ্ঞতাপুষ্ট প্ৰশাসক হিচাপে বৃটেইনৰ বাতৰি কাকতত প্ৰবন্ধ পাতি লিখি নগা সমস্যাটোৰ নিষ্পত্তি কৰাত সহায় কৰে।

প্ৰায় সাত বছৰৰ পিছত যেতিয়া ৰেভাৰেণ্ড মাইকেল স্কটে (Rev-Michael Scott) (এই বৃটিছ পাদুৰী চাহাবজন জয়প্ৰকাশ নাৰায়ণ আৰু বিমলা প্ৰসাদ চলিহাৰ সৈতে ১৯৬৫ চনত নগা শান্তি মিছনৰ তৃতীয়জন সদস্য আছিল, কিন্তু তেওঁ মিছনৰ কামৰ লগতে বিদ্ৰোহী নগাৰ সৈতে আপত্তিজনক কামত লিপ্ত হোৱাত ভাৰত চৰকাৰে ভাৰতৰ

পৰা বহিস্কাৰ কৰিছিল) লণ্ডনলৈ গৈ ১৯৬৬ চনৰ ৩১ মে তাৰিখৰ দ্যা টাইমছ ( The Times ) কাকতত নগা বিদ্ৰোহীৰ কাৰ্য্য সমৰ্থন কৰি নগাৰ স্বাধীন নগালেণ্ডৰ দাবী ভাৰত চৰকাৰে উপেক্ষা কৰিলে, বিদ্ৰোহ উত্তৰ-পূব সীমান্তলৈ বিয়পি পৰিব বুলি ভাবুকি দিছিল। স্কটৰ ভাষাত ঃ "A bell will toll for more than the death of the Naga people and the present conflict will extend to other areas of Assam and the North-East Frontier Agency."

কিন্তু মই পিছত জানিব পাৰিলো যে ড০ হাটন আৰু ছাৰ কেইথ কেণ্টলীয়ে নগা শান্তি মিছনৰ কাম আগ নবঢ়াত ( শান্তি মিছনৰ কাম ১৯৬৫ চনৰ ৬ মাৰ্চলৈ বঢ়াই দিয়া হৈছিল ) লণ্ডন টাইমচৰ ১৯৬৫ চনৰ ২৭ জানুৱাৰীৰ সংখ্যাত এখন গুৰুত্বপূৰ্ণ চিঠি প্ৰকাশ কৰিছিল যি চিঠিখন লণ্ডনস্থ ভাৰতীয় উচ্চ আয়ুক্তই বেভাবেণ্ড মাইকেল স্কটৰ বিবৃতিৰ প্ৰত্যুত্তৰ হিচাপে টাইমচ কাকতত ১ জুনৰ সংখ্যাত অৰ্থাৎ স্কটৰ বিবৃতি প্ৰকাশৰ পিছত প্ৰকাশ হৈছিল। এই বিবৃতিত ডঃ হাটন আৰু কেণ্টলীৰ নগা সমস্যাৰ সম্পৰ্কত লিখা চিঠিখনৰ পূৰ্ণপাঠ সংযোজন কৰি স্কটৰ অভিযোগ খণ্ডন কৰিছিল। মই টাইমচ কাকতখনৰ ১ জুনৰ সংখ্যাত যিটো সংখ্যা মই লণ্ডনৰ এজন ইংৰাজ বন্ধুৰ পৰা পাইছিলো তাৰ পৰা জানিব পাৰিছিলো যে ১৯৫৯ চনত কেণ্টলী চাহাবৰ আগত মই কোৱা কথাখিনি অথলে যোৱা নাছিল।

যিহেতু ডঃ হাটন আৰু ছাৰ কেইথ কেণ্টলী নগাপাহাৰৰ সম্পৰ্কত দুজন প্ৰশাসক আৰু বিশেষজ্ঞ বুলি জনাজাত ; সেই হেতুকে তেওঁলোকৰ মত অকাট্য আৰু ঐতিহাসিক। বৃটিছ দুজনৰ চিঠিৰ অংশ বিশেষ উল্লেখ কৰা হ'ল ঃ—

"The question of peace in Naga Hills seems to hang in the balance..We feel compelled to write on the chance that this letter may throw even the least crumb of weight in the scale of peace after many years of the bitterest unrest.

"In Part XVI of the Constitution of India as modified upto March 3, 1963 comprehensive provision are laid down for the protection of minority tribes, and in Part XXI it is specially

provided that no Act of the Indian Parliament shall apply to Nagaland unless the Legislative Assambly so decides. In effect, this means that Nagaland is completely independant in all matters except those of foreign affairs and external defence."

"Obviously India could go no further than this most generous offer..Nor it is easy to conceive how is any other way the Naga tribes could have the best of two worlds—complete self government for themselves, as much, or as little, administrative isolation from the rest of India as they wish, and the backing of India of which their country is essentailly a geographical entity after all, in the case of aggression from outside. Indeed, the dissidents have not only all they could have hoped but more."

"To refuse a settlement on such terms would be worse than a blunder, it would be a crime against their own people, for it is they who will suffer most if peace be not now achieved."

বোধহয় সকলো নিৰপেক্ষ লোকে স্বীকাৰ কৰিব যে ড০ হাটন আৰু কেন্টলী চাহাবৰ যি দুজন নগালোকৰ পৰম শুভাকাংক্ষী আৰু নগা পাহাৰৰ বিষয়ত প্ৰশাসন, সংস্কৃতি আদিৰ বিশেষ জ্ঞান আছে, তেওঁলোকৰ চিঠিখন গুৰুত্বপূৰ্ণ আৰু নগা সমস্যাৰ সন্দৰ্ভত এখন ঐতিহাসিক দলিল। এই দলিলৰ মৰ্ম যিচাম নগা বিদ্ৰোহী হৈ আছে, তেওঁলোকে গভীৰভাৱে বিবেচনা কৰিব লাগে আৰু বিবেচনা কৰি, হিংসাত্মক কাৰ্য ত্যাগ কৰা উচিত। ব্যক্তিগতভাৱে মই সুখ পাইছো যে ১৯৫৯ চনত ছাৰ কেন্টলীক মই মোৰ সাধাৰণ জ্ঞানৰ যিখিনি কথা কৈছিলো তাক তেওঁ পাহৰা নাছিল।

## ১১

বৃটিছ চৰকাৰৰ আমন্ত্ৰণক্ৰমে মোৰ প্ৰথম বিদেশ ভ্ৰমণ আৰম্ভণ হয় ১৯৫৯ চনৰ ২০ ফেব্ৰুৱাৰীত যিদিনা লণ্ডন বিমান কোঠত আবেলি উপস্থিত হওঁ। মোৰ লগত 'মাদ্ৰাজ মেইল' নামৰ দৈনিক বাতৰি কাকতৰ সংবাদদাতা এছ-ৰামনাথন আৰু 'ইণ্ডিয়ান এক্সপ্ৰেছ' কাকতৰ মুখ্য সংবাদদাতা বি এছ ভি ৰাওৰ উপৰিও নতুন দিল্লীস্থ বৃটিছ ইনফৰ-মেছন চাৰ্ভিচৰ বিষয়া বি এল কাপুৰ আছিল। বিমান কোঠত কমন-ৱেলথ ৰিলেছনচ অফিচৰ দুজন বিষয়াই আমাক আদৰণি জনাই টেভিষ্টক হোটেলত আমাক থিতাপি লগায়। আমি দুদিন জিৰণি লোৱাৰ পিছত কমনৱেলথ ৰিলেছনচৰ কেন্দ্ৰীয় কাৰ্যালয়ত এমাহজোৰা এখন ভ্ৰমণ সূচীৰ যোগেৰে আমি কোন অনুষ্ঠান, ব্যক্তি বিষয়াৰ লগত আলোচনা কৰিম তাক জানিবলৈ দিয়ে। অৱশ্যে আমাৰ পৰামৰ্শমতে ভ্ৰমণ-সূচীৰ কিছু সালসলনিও কৰা হয়। কিন্তু ভ্ৰমণ-সূচী এনেভাৱে প্ৰস্তুত কৰা হৈছিল যে দেওবাৰৰ বাহিৰে আমাৰ আজৰি নাছিল।

ভ্ৰমণ-সূচীত উল্লেখযোগ্য বিষয়কেইটা আছিল এনে ধৰণৰ যে আমি ভাৰতীয় সাংবাদিক দলটোৱে বৃটেইনৰ ৰাজনীতি, ব্যৱসায়, সংবাদপত্ৰ, চাহ নীলাম কেন্দ্ৰ, লণ্ডন প্ৰেছ ক্লাব, টেলিভিচন, লণ্ডনৰ পুলিচ প্ৰশাসনৰ স্নায়ুকেন্দ্ৰ স্কটলেণ্ড ইয়াৰ্ড, ৰয়টাৰ্চ অফিচ, সমবায় সমিতি, হাউচ অব্ কমন্স্, লৰ্ড'চত মেৰিলিবেন ক্ৰিকেট ক্লাব, সংক্ষেপে এম চি চি, আৰু অষ্ট্ৰেলিয়া দলৰ মাজত ক্ৰিকেট খেলা, বৃটিছ ৰাজনীতিত প্ৰধান কনজাৰভেটিভ আৰু লেবাৰ পাৰ্টিৰ মুখ্য কাৰ্যালয় দুটা, অক্সফ'ৰ্ড

আৰু কেম্ব্ৰিজ বিশ্ববিদ্যালয় দুখন, চেক্সপিয়াৰৰ জন্মস্থান ষ্টেটফৰ্ড আপন এভন ( Stratford-upon-Avon ), প্ৰখ্যাত মটৰ গাড়ী প্ৰস্তুতকাৰক ফ'ৰ্ড কোম্পানীৰ কাৰ্যালয়কে ধৰি বৃটেইনৰ ৰাষ্ট্ৰীয় আৰু অৰ্থনৈতিক জীৱনৰ বিষয়ে বহু কথা জনাৰ সুযোগ পাইছিলো ।

কোৱা বাহুল্য যে আমি ভ্ৰমণ কৰা চহৰবোৰৰ ভিতৰত লণ্ডনৰ বাহিৰে ব্ৰাইটন, কাৰ্ডিফ, ব্ৰিষ্টল, অক্সফ'ৰ্ড, কেম্ব্ৰিজ, বাৰ্মিংহাম, প্ৰেষ্টটন, কাৰ্লাইল, নিউকেলচ, এডিনবৰো, গ্লাচগো আৰু দাণ্ডি চহৰবোৰ আছিল । এই চহৰকিখন ভ্ৰমণ কৰি আৰু বিভিন্ন শ্ৰেণীৰ লোকৰ লগত কথা-বতৰা পাতি আমি ভাৰতীয় সংবাদসেবীকিজনে যিবোৰ কথাৰ সম্ভেদ পাইছিলো, তাৰ দ্বাৰা বৃটিছ জাতিৰ বিষয়ে আমাৰ যথেষ্ট জ্ঞান হৈছিল আৰু সেইদৰে তেওঁলোকেও ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছত মানে ১৯৪৭ চনৰ পৰা ১৯৫৯ চনৰ কালছোৱাত আমাৰ দেশৰ ৰাজনীতি, অৰ্থনীতি, সাম্প্ৰদায়িক পৰিস্থিতি আদি নানা বিষয়ে জানিব পাৰিছিল ।

সাংবাদিক হিচাপে আমি বৃটেইনৰ বাতৰিকাকতবোৰৰ বিষয়ে বিতং কথা জানিবলৈ আগ্ৰহ প্ৰকাশ কৰাত ইনফৰমেচন চাৰ্ভিছৰ এজন উচ্চ বিষয়াই আমাক বাতৰিকাকত সম্পৰ্কত সকলো তথ্যপাতি জানিবলৈ দিছিল । বৃটেইনৰ কাকতবোৰে পৰোক্ষ বা প্ৰকাশ্যে আৰু কম বেছি পৰিমাণে দলীয় নীতিৰে প্ৰভাৱান্বিত হোৱা যেন আমাৰ অনুমান হৈছিল । সেই সময়ত বৃটেইনত ১৫০ খনমান দৈনিক আৰু দেওবৰীয়া বাতৰি কাকত আছিল । তাৰ ভিতৰত ১৬ খন কাকত একমাত্ৰ লণ্ডন চহৰত প্ৰকাশ হয় । তাৰ উপৰিও, সন্ধিয়া তিনিখন আৰু দেওবাৰে ১১ খন বাতৰিকাকত প্ৰকাশ হোৱা দেখিছিলো । বৰ্তমান বোধহয় তাৰ সংখ্যা বাঢ়িল । লণ্ডন চহৰৰ বাহিৰত তথা ইংলেণ্ডত ৰাতিপুৱা ১৬ খন, গধূলি ৬৫ খন আৰু দেওবাৰে তিনিখন ; ওৱেলচত ৰাতিপুৱা এখন আৰু গধূলি তিনিখন ; স্কটলেণ্ডত ৰাতিপুৱা সাতখন, গধূলি আঠখন আৰু দেওবাৰে দুখন ; আৰু উত্তৰ আয়াৰ্লেণ্ডত ৰাতিপুৱা তিনিখন আৰু গধূলি এখন বাতৰিকাকত প্ৰকাশ হয় বুলি আমাক জানিবলৈ দিছিল । তাৰ উপৰিও, বিভিন্ন বিষয়ৰ যেনে খেলা-ধূলা, সংস্কৃতি,

মহিলা, আনকি ধৰ্ম বিষয়কে ধৰি উন্নত ধৰণৰ ১৩০০ খন সাপ্তাহিক ইংৰাজী ভাষাৰ কাকত আছিল। কোৱা বাহুল্য যে বৃটেইনত বাতৰি কাকতৰ পঢ়ুৱৈৰ সংখ্যা সদায় ক্ৰমবৰ্দ্ধমান।

বৃটেইনৰ মানুহে বাতৰিকাকত খুব পঢ়ে। বাটে-ঘাটে, ট্ৰেইন, বাছ, টিউব মানে মাটিৰ তলেৰে যোৱা ৰেল, হোটেল, ৰেষ্টুৰা, সকলোতে প্ৰত্যেকজন লোকৰ হাতত এখন বাতৰিকাকত বা আলোচনী দেখিছিলো। কিন্তু কামৰ সময়ত অফিচ বা কোনো ব্যৱসায়ী প্ৰতিষ্ঠানতে হওক বাতৰিকাকত পঢ়ি সময় নষ্ট নকৰে। বৃটেইনত বাতৰিকাকতৰ সংখ্যা আৰু তাৰ চাৰ্কুলেচন বৃদ্ধি হোৱাৰ অন্যতম কাৰণ যে শিক্ষিতৰ হাৰ শতকৰা এশজন হোৱাৰ উপৰিও, এটা পৰিয়ালৰ প্ৰত্যেকজন ব্যক্তিয়ে নিজৰ অভিৰুচি মতে এখন বাতৰিকাকত বা আলোচনী লয়।

ভাৰতীয় বাতৰিকাকত আৰু বিলাতৰ বাতৰিকাকতৰ মাজত আমি এটা প্ৰভেদ লক্ষ্য কৰিছিলো বাতৰি পৰিবেশনৰ ক্ষেত্ৰত। টাইমচ্, গাৰ্ডিয়ান, অবজাৰভাৰ, ডেইলি টেলিগ্ৰাফ, ডেইলি মেইল নামৰ বাতৰি-কাকতকিখনৰ বাহিৰে তাৰ বেছিভাগ বাতৰিকাকতে চাঞ্চল্যকৰ বাতৰি পৰিবেশন কৰে। এটা সাধাৰণ সংবাদক সজাই পৰাই এনেদৰে পৰিবেশন কৰে যে সাধাৰণ পঢ়ুৱৈ শ্ৰেণীয়ে তাক পঢ়ি ৰস পায়। বিবাহ-বিচ্ছেদ, চুৰি-ডকাইতি, আত্মহত্যা আদি খবৰ এই শ্ৰেণী কাকতত বেছিকৈ প্ৰকাশ হয়। ৰাজনৈতিক কেতবোৰ বাতৰি চকুত লগাকৈ ছপাই পঢ়ুৱৈৰ মন যোগায়।

আমি লণ্ডনত থকা সময়ত 'দ্যা নিউজ অব্ দ্যা ৱাৰ্ল্ড' যিখন ১৮৪৩ চনত প্ৰথমে প্ৰকাশ হয় আৰু যিখন কাকত বৃটেইনৰ কাকতবোৰৰ ভিতৰত সৰ্বাধিক প্ৰচাৰিত এই বাতৰিকাকতখনে আৰক্ষী বিভাগৰ চিপাহী এজনক হত্যা কৰা অপৰাধত জনৈক ব্যক্তিৰ ফাঁচীৰ হুকুমৰ বাতৰিটো এনেদৰে পৰিবেশন কৰিছিল যে আমি ভাৰতীয় সাংবাদিককিজন স্তম্ভিত হৈছিলো। তাত অপৰাধীজনৰ ফটো আৰু ফাঁচীৰ হুকুমটো দেখনিয়াৰকৈ প্ৰকাশ কৰাৰ উপৰিও সেই অপৰাধী তথা মৃত্যুদণ্ডেৰে দণ্ডিত হোৱা মানুহজনৰ ঘৈণীয়েক আৰু শাহুৱেকৰ ফটোৰ লগত সাক্ষাতৰ বাতৰি আৰু তেওঁলোকৰ প্ৰতিক্ৰিয়াৰ সুদীৰ্ঘ বাতৰি প্ৰকাশ

কৰিছিল। তাৰ কেইদিনমান পিছত আন এখন বাতৰি কাকতে ডাক-ঘৰত হোৱা সাধাৰণ ডকাইতিৰ সংবাদ তেনেভাৱে প্ৰকাশ কৰিছিল অথচ আমাৰ বাতৰি কাকতত এনে বাতৰি হয়তো পঞ্চাশটামান শব্দত আবদ্ধ থাকিলহেঁতেন।

প্ৰথম শ্ৰেণীৰ বাতৰিকাকত যেনে 'টাইমচ্', 'গাৰ্ডিয়ান', 'অব্জাৰ-ভাৰ' কাকতবোৰে কিন্তু এনে বাতৰিত প্ৰাধান্য নিদিয়ে। সংবাদ পৰি-বেশনৰ ক্ষেত্ৰত Human interest তথা মানবীয় মনোযোগ বা কৌতু-হলৰ দিশ এটা আছে, আছে যদিও, বাতৰি কাকতৰ একাংশই চাৰ্কুলেচন বৃদ্ধি কৰাৰ প্ৰয়াসে চাঞ্চল্যকৰ বাতৰি পৰিবেশন কৰা বুলি আমাক জানিবলৈ দিছিল। বৃটিছ বিষয়াজনে এই প্ৰসংগত ১৯৫৮ চনৰ ২৫ এপ্ৰিলত প্ৰকাশিত প্ৰধানমন্ত্ৰী হেৰ'ল্ড মেকমিলানৰ বক্তৃতাৰ তলত দিয়া কথাখিনি আমাক জানিবলৈ দিছিল ঃ

"If I had any criticism to offer it would be on the score that the daily headlines of British newspapers) tend to spread a certain aroma of pessimism and doubt. I do not think this is very good for our morale as a nation. At the moment when we could be cheerful, we look surreptuously round the concern for the piece of gloom which, we are convinced, awaits us."

আজিকালি আমাৰ দেশৰ বাতৰিকাকতবোৰতো শিৰোনামাবোৰ পঢ়ি অৰ্থাৎ হিংসাত্মক কাৰ্যকলাপত হত্যাকাণ্ড, লুটপাত, বিশৃংখলতা, নাৰী হত্যা আৰু আন এনেবোৰ বাতৰি পঢ়িলে হেৰ'ল্ড মেকমিলানে ত্ৰিশ বছৰৰ আগত বৃটেইনৰ বাতৰিকাকত সম্পৰ্কত কৰা মন্তব্যটো আমাৰ দেশৰ কাকতৰ ক্ষেত্ৰতো প্ৰযোজ্য যেন লাগে।

আমি ভাৰতীয় সাংবাদিকৰ দলটো ২৪ ফেব্ৰুৱাৰীৰ দিনা লণ্ডনৰ অন্যতম বহু প্ৰচাৰিত বাতৰিকাকত 'ডেইলি মেইল'ৰ অফিচলৈ যাওঁ। ১৮৯৬ চনত প্ৰথমে প্ৰকাশিত এই বাতৰিকাকতখনৰ চাৰ্কুলেচন সেই সময়ত প্ৰায় ১৭ লাখ আছিল। বাতৰিকাকতখন ৰক্ষণশীল গোষ্ঠীৰ তাৰু মানচেষ্টাৰ চহৰত প্ৰধান কাৰ্যালয়। আমি 'ডেইলি মেইল'ৰ লণ্ডন কাৰ্যালয়ত উপস্থিত হোৱাৰ লগে লগে টেলিপ্ৰিণ্টাৰত এটি সম্ভাষণ

বাণী আমালৈ আহে। বাণীটো আছিল ঃ 'Mancester wire room staff of The Daily Mail send greeting to the four Indian members of the journalistic world who are visiting our London office. Hope your visit is of great interest to you in comparing Indın and Englısh newspapers. Cheerio from Cottonpolis.' মানচেষ্টাৰ চহৰ বৃটেইনৰ বস্ত্ৰশিল্পৰ কেন্দ্ৰস্থল কাৰণে চহৰখন 'কটন-পলিচ' বুলিও জনাজাত।

প্ৰসংগক্ৰমে মোৰ মনত পৰিছিল যে স্বাধীনতা আন্দোলনৰ সময়ত গান্ধীজীয়ে বিলাতী কাপোৰ বৰ্জন কৰি ভাৰতবাসীয়ে নিজে হাতে কটা সূতাৰ কাপোৰ ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছিল যাতে বিলাতৰ বস্ত্ৰ কলবোৰ বন্ধ হৈ যায়। নলবাৰীৰ এখন ৰাজহুৱা সভাত স্বভাৱ-সুলভ ওজস্বিনী বক্তৃতাত ১৯৩০ চনত ত্যাগবীৰ হেম বৰুৱাই (এম-পি হেম বৰুৱাজন নহয়) ৰাইজক কৈছিল যে 'আমি বিলাতী কাপোৰ বৰ্জন কৰিব লাগিব যাতে মানচেষ্টাৰৰ কাপোৰৰ কলবোৰ বন্ধ হৈ যায় আৰু আমি বৃটিছ শোষণৰ পৰা মুক্ত হ'ব পাৰো। মানচেষ্টাৰৰ কাপোৰৰ কল বন্ধ হ'লে, বহুত ইংৰাজ নিবনুৱা হ'ব আৰু আমাক ইংৰাজে স্বৰাজ দিবলৈ বাধ্য হ'ব।' ত্যাগবীৰ বৰুৱাৰ বক্তৃতাৰ মৰ্মখিনি তেতিয়া ভালকৈ বুজা নাছিলো যদিও, মানচেষ্টাৰ চহৰত উপস্থিত হৈ সেই কথা মোৰ মনলৈ আহিছিল। যি কি নহওক, 'ডেইলি মেইল'ৰ সম্ভাষণ-বাণীয়ে ভাৰতীয় আৰু বৃটিছ বাতৰিকাকতৰ ভিতৰত এটা তুলনামূলক আলোচনা কৰিবলৈ সুযোগ দিয়াত আমি সাংবাদিকতাৰ বিভিন্ন দিশ খুলমুলভাৱে আলোচনা কৰিছিলো।

কেইদিনমান পিছত বাৰ্মিংহাম চহৰত এখন ভোজমেলত 'চানডে মাৰ্কুৰি' নামৰ বাতৰিকাকতৰ সম্পাদক মিঃ এফ হোৱাইটহেডৰ সৈতে বৃটিছ বাতৰিকাকত শিল্প আৰু সম্পাদনা সম্পৰ্কে দীঘলীয়া আলোচনা কৰো। তেওঁ আমাক জানিবলৈ দিছিল যে বৃটিছ বাতৰিকাকতসমূহৰ মাজত সংবাদ-সংগ্ৰহ আৰু সৰবৰাহৰ ক্ষেত্ৰত তীব্ৰ প্ৰতিযোগিতা আৰু কুশলী সংবাদসেৱীসকলৰ পাৰিশ্ৰমিক যথেষ্ট ভাল। নিউজপ্ৰিন্ট আদি যোগানত বৃটেইনৰ বাতৰিকাকতৰ কিবা সমস্যা আছে নেকি বোলা

প্ৰশ্নত মিঃ হোৱাইটহেডে আমাক জানিবলৈ দিছিল যে তেওঁলোকৰ তেনে সমস্যা নাই ; বৃটিছ বাতৰিকাকতবোৰৰ চাহিদা পূৰণৰ বাবে নিউজপ্ৰিণ্ট অৰ্দ্ধেক বৃটেইনত উৎপন্ন হয় আৰু বাকীখিনি আমদানি কৰা হয়, কিন্তু উৎপাদনৰ বাবে যাবতীয় কেঁচামাল বাহিৰৰ পৰা অনা হয় বুলি তেওঁ কৈছিল ।

আন এটা প্ৰশ্ন মানে টেলিভিচনৰ প্ৰচলন আৰু জনপ্ৰিয়তাৰ ফলত বাতৰিকাকতৰ ক্ষতি হ'ব নে বোলা প্ৰশ্নৰ উত্তৰত সম্পাদকজনে আমাক কৈছিল যে বাতৰিকাকতৰ সম্পাদক, আৰু মালিক সকলে তেনে আশংকা কৰা নাই, কিন্তু ব্যৱসায় আৰু বাণিজ্যৰ পৰা বাতৰিকাকতবোৰে বিজ্ঞাপন যোগে যি আয় লাভ কৰে সি সামান্যভাৱে কমিব পাৰে বুলি ধাৰণা কৰিছে । মিঃ হোৱাটহেডে অৱশ্যে আমাক জনাইছিল যে বৃটিছ ব্যৱসায়গোষ্ঠী ইমান প্ৰচাৰধৰ্মী যে তেওঁলোকে কোনো প্ৰচাৰ মাধ্যমক বাদ দিব নোৱাৰে ।

বৃটিছ ৰাজনীতিত বৃটেইনৰ বাতৰি কাকতবোৰে কি ভুমিকা লয় তাক জনাৰ উদ্দেশ্যে স্মীথ স্কোৱাৰত ৰক্ষণশীল দলৰ কাৰ্যালয়ত আমি বিষয়টো আলোচনা কৰো আৰু আলোচনা কৰো শ্ৰমিক দলৰ কাৰ্যা-লয়তো । ইয়াৰ উপৰিও, লণ্ডন প্ৰেছ ক্লাবত বৃটিছ সাংবাদিকসকলৰ লগত মতৰ আদান প্ৰদান কৰো । আলোচনাৰ পিছত আমাৰ এনে ধাৰণা হৈছিল যে তাৰ বাতৰিকাকত কোনো দল বিশেষৰ মুখপাত্ৰ নহয়, কিন্তু নিৰ্বাচনৰ সময়ত আৰু চৰকাৰৰ কাম কাজ সমালোচনা কৰাত আগশাৰীৰ বাতৰিকাকতকিখনে দলীয় দৃষ্টিভংগী নোলোৱাকৈ নাথাকে যিহেতু লণ্ডন টাইমছ কাকতকে ধৰি প্ৰধান বাতৰিকাকতকিখনৰ সম্পাদক আৰু মালিকসকল প্ৰধান ৰাজনৈতিক দল দুটাৰ কৰ্মকৰ্তাসকলৰ লগত জড়িত যেন অনুমান হয় । অৱশ্যে বাতৰি পৰিৱেশনৰ ক্ষেত্ৰত তাৰ বাতৰিকাকতবোৰ নিৰপেক্ষ । বিখ্যাত সাংবাদিক চাৰ্লচ প্ৰেষ্টিউইক স্কটৰ (Charles Prestwick Scott) স্মৰণীয় বাক্য 'Comment is free but facts are sacred' বৃটেইন বাতৰিকাকতৰ কৰ্মকৰ্তাসকলে মানি চলে যেন ধাৰণা হয় ।

বিশ্ববিখ্যাত ৰয়টাৰ্চ নিউজ এজেন্সী কাৰ্যালয় (৮৫ ফ্লিট ষ্ট্ৰীট,

ই-চি 4, লণ্ডন) দৰ্শন আছিল আমাৰ কাৰ্যসূচীৰ অন্যতম আকৰ্ষণ। ১৮৫০ চনত স্থাপিত এই এজেন্সী যাৰ তলত ১১০০ জন সংবাদদাতাৰ জৰিয়তে ১৮৩ খন দেশৰ বিভিন্ন সংবাদ গ্ৰহণ কৰি বিশ্বৰ বাতৰিকাকত-বোৰলৈ সৰবৰাহ কৰে, তাৰ এজন উচ্চ বিষয়া মিঃ কে ভেলপিয়ে ( Mr. K. Valpy ) ৰয়টাৰ্চৰ গাঁথনি আৰু সংবাদ সংগ্ৰহ প্ৰণালীটো আমাক বুজাই দিছিল। তাৰ ডাঙৰ কোঠালিটোত য'ত বিভিন্ন দেশৰ লগত টেলিপ্ৰিণ্টাৰৰ সংযোগ আছে তাত কুৰিটামান ডাঙৰ ৱাল ক্লক ৰখা দেখিছিলো আৰু প্ৰত্যেকটো ঘড়ী প্ৰধান দেশবোৰৰ স্থানীয় সময়মতে চলি আছিল। মিঃ ভেলপিয়ে বিভিন্ন দেশৰ সংবাদ সংগ্ৰহৰ ক্ষেত্ৰত ঘড়ীকিটাৰ আৱশ্যকতা বুজাই দিছিল। কোৱা বাহুল্য যে ৰয়টাৰ্চ নিউজ এজেন্সী কোনো চৰকাৰী অনুষ্ঠান নহয়। বৃটেইন, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডৰ বাতৰি কাকতবোৰৰ সম্বাৰ হাতত মালিকীস্বত্ব ৰখা আছে। বৰ্তমান তাৰ কিবা পৰিবৰ্তন হৈছে যদি তাক নাজানো। সেই সময়ত বৃটেইনত তিনিটা প্ৰধান নিউজ এজেন্সী আছিল। তাৰ ভিতৰত Reuters Limited আটাইতকৈ বৃহৎ।

আমি ভাৰতীয় সাংবাদিক তিনিজনে মিঃ ভেল্‌পিৰ আগত অভিযোগ কৰিছিলো যে ৰয়টাৰ্চে ভাৰতৰ সাম্প্ৰদায়িক সংঘৰ্ষ, প্ৰাকৃতিক দুৰ্যোগ আদি বিষয়ক বা-বাতৰিবোৰত গুৰুত্ব দিয়ে আৰু তেনে বাতৰিবোৰ বিভিন্ন দেশৰ বাতৰিকাকতলৈ সৰবৰাহ কৰে অথচ ভাৰতৰ উন্নয়ন আৰু গঠনমূলক গণতান্ত্ৰিক পদ্ধতিৰ বিষয়ৰ বাতৰি সংগ্ৰহ কৰা দেখা নাযায়। মিঃ ভেল্‌পিয়ে আমাক সন্তোষজনক উত্তৰ দিব পৰা নাছিল, কিন্তু প্ৰেছ ট্ৰাষ্ট অব্ ইণ্ডিয়া নামৰ ভাৰতীয় নিউজ এজেন্সী গঠনৰ পিছত পৰিস্থিতি ভাৰতৰ অনুকূলে হ'ব বুলি আভাস দিছিল।

কোৱা বাহুল্য যে আমাৰ ভ্ৰমণ-সূচী আৰম্ভ হোৱাৰ প্ৰথম দিনত তথা ২৩ ফেব্ৰুৱাৰীৰ দিনা দিনৰ চাৰে এঘাৰ বজাত বৃটিছ মন্ত্ৰী-সভাৰ পালিয়ামেণ্টৰী আণ্ডাৰ চেক্ৰেটাৰী অব্ ষ্টেট মানে আমাৰ দেশৰ কেন্দ্ৰীয় মন্ত্ৰীসভাৰ ৰাজ্যিক মন্ত্ৰীৰ পৰ্যায়ৰ মন্ত্ৰী মিঃ চি জে এম এলপৰ্টৰ (Mr. C. J. M. Alport M.P.) লগত সৌজন্যমূলক সাক্ষাৎ আছিল ডাউনিং ষ্ট্ৰীটত য'ত বৃটিছ প্ৰধানমন্ত্ৰীৰ বাসগৃহ আৰু অফিচ (১০

ডাউনিং ষ্ট্ৰীট)। আমাৰ সাক্ষাতৰ সময় আছিল ১১-৩০ মিনিটত। কিন্তু আমি সাংবাদিককিজন আৰু এজন বৃটিছ বিষয়া মিঃ এলপ'র্টৰ দপ্তৰ ১১-২৫ মিনিটত পাই পোনে পোনে তেওঁৰ কোঠাত সোমাও। মিঃ এলপ'র্ট তেতিয়া এটা টাইপ ৰায়টাৰত কিবা টাইপ কৰি আছিল। আমি নিৰ্দ্ধাৰিত সময়তকৈ পাঁচ মিনিট আগে তেওঁৰ কোঠাত প্ৰবেশ কৰাত তেওঁক অপ্ৰস্তুত যেন পাইছিলো। মানে তাত কাম-কাজবোৰ সময়-সূচী মতে হয়। তাৰ হেৰফেৰ হ'লে সকলোৰে পক্ষে অস্বস্তিবোধক অথচ আমাৰ দেশত মন্ত্ৰীসকলৰ কাৰ্যালয়ত একহাতে দৰ্শকৰ ভিৰ, আনহাতে চাপ্ৰাচী-পিয়নৰো লেখ নাই। মিঃ এলপ'র্টক সাক্ষাৎ কৰোতে আমাৰ পূবৰ ৰাজধানী শ্বিলঙৰ চেক্ৰেটাৰীয়েটত মন্ত্ৰীসকলৰ অফিচ কোঠাৰ সমুখত বিড়ি বা চুৰট হুপি থকা বা বৰ্তমান ৰাজধানী দিছপুৰত দৰ্শকৰ যি ভিৰ হয় লণ্ডনৰ ডাউনিং ষ্ট্ৰীটত তেনে দৃশ্য দেখা নাছিলো। কৰ্তব্যৰত আৰক্ষী বাহিনীৰ কেইজনমান তাত তহল দি থকা দেখিছিলো। দিছপুৰত দৰ্শকৰ ভিৰ হোৱাৰ বাবে কিন্তু ৰাইজক দোষ দিব নোৱাৰি কাৰণ আমাৰ প্ৰশাসন যন্ত্ৰটো এনে অৱস্থাত উপস্থিত হৈছে যে আনকি প্ৰাথমিক স্কুলৰ বাবে মঞ্জুৰী বা সাহায্যৰ কাৰণেও দিছপুৰ দৰ্শন নকৰিলে নহয় কিম্বা বৃদ্ধাৱস্থাৰ বা স্বাধীনতা যুঁজাৰুৰ পেঞ্চন পোৱাৰ আশাৰে দিছপুৰলৈ একাধিকবাৰ আহিব লগা হয় অথচ ক্ষমতা বিকেন্দ্ৰীকৰণৰ ধ্বনি সৰব হৈ আছে।

মিঃ এলপ'র্টক দেখা কৰিবলৈ গৈ পাঁচ মিনিট আগত তেওঁৰ কোঠালিত সোমাওতে আমাৰ যি অভিজ্ঞতা হৈছিল, তাৰ কেইদিনমানৰ পিছত বৃটিছ ইনফৰমেচন চাৰ্ভিচৰ কেন্দ্ৰীয় কাৰ্যালয়লৈ যাওঁতে আমাৰ তাৰ বিপৰীত অভিজ্ঞতা হৈছিল। আমি কাৰ্যালয় পোৱাত পাঁচ মিনিট-মান পলম হৈছিল, কাৰণ বাটত গাড়ীৰ ইমান ভিৰ হৈছিল যে ড্ৰাইভাৰ-জনে যথা সময়ত আমাক কাৰ্যালয়ত উপস্থিত কৰাব নোৱাৰিলে। কিন্তু এনে সামান্য পলম হোৱাৰ কাৰণে ড্ৰাইভাৰজন ইমান লজ্জিত হৈছিল যে তেওঁ 'I am very sorry' বুলি আমাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছিল। তেওঁৰ কোনো দোষ হোৱা নাই আৰু গাড়ীৰ ভিৰৰ কাৰণে অলপ দেৰি হৈছে বুলি কোৱা সত্বেও ড্ৰাইভাৰজনে আমাৰ ওচৰত একাধিকবাৰ ক্ষমা বিচাৰিছিল।

ইফালে বৃটিছ ইন্‌ফৰমেচন চাৰ্ভিচৰ সহায়িকা এজনীয়ে আমি সেই ঠাই পোৱাত পলম হোৱাৰ কাৰণে এটা ফাইল আৰু কলমটো হাতত লৈ কাৰ্যালয়ৰ দুৱাৰদলিত আমাৰ অপেক্ষাত বৈ আছিল। আমি সাংবাদিকজন কেইখনমান ভাউচাৰ তথা কাগজত চহী দিবলৈ গৈছিলো। সিদিনা মোৰ মনত পৰিছিল ছাৰ আকবৰ হায়দাৰীয়ে সময় সূচী সম্পৰ্কে কোৱা কথামাৰ অৰ্থাৎ Punctualityৰ কথা। বিলাতত থকা মাহটোত তাৰ মানুহৰ সময়-জ্ঞান দেখি মুগ্ধ হৈছিলো অথচ তাত মানুহৰ জীৱন অতি ব্যস্ততাপূৰ্ণ। আমাৰ দেশত তাৰ অভাৱ দেখি বিৰক্তিবোধ কৰাৰ বাহিৰে কোনো বিকল্প ব্যৱস্থা নাই।

# ১২

নিউকেচল আৰু ডাণ্ডী। বৃটেইনৰ দুখন চহৰ। দুয়োখন চহৰ স্কটলেণ্ডত। স্কুলত পঢ়োতে আমাৰ ভূগোল-শিক্ষকজনে নিউকেচল আৰু ডাণ্ডী ক'ত আৰু কিহৰ কাৰণে বিখ্যাত তাক মনত ৰখাৰ বাবে ছাত্ৰসকলক বাৰে বাৰে কৈছিল, কাৰণ ভূগোলৰ প্ৰশ্ন কাকতত অন্ততঃ এই নগৰ দুখনৰ এখন নগৰৰ বিষয়ে প্ৰশ্ন অহাৰ সম্ভাৱনা আছিল। কিন্তু মই যে এসময়ত চহৰ দুখন ভ্ৰমণ কৰিব পাৰিম তাক কল্পনাই কৰিব পৰা নাছিলো। ১৯৫৯ চনত মোৰ বৃটেইন ভ্ৰমণৰ কাৰ্যসূচীত বৃটিছ ইনফৰমেচন চাৰ্ভিচৰ কৰ্মকৰ্তাসকলে নিউকেচল আৰু ডাণ্ডী চহৰ ভৰ্তি কৰিছিল। অৱশ্যে তাৰ লগতে বৃটেইনৰ তৃতীয় বৃহৎ নগৰ গ্লাচগো আৰু স্কটলেণ্ডৰ ৰাজধানী এডিনবৰো চহৰ দুখনকো সামৰা হৈছিল। গ্লাচগো চহৰত মহিলা ট্ৰেফিক পুলিচৰ কাৰ্যদক্ষতা দেখি আমি ভাৰতীয় সাংবাদিক কিজন মুগ্ধ হৈছিলো আৰু এডিনবৰোত তাৰ বোটানিকেল গাৰ্ডেন আৰু ৰাজপ্ৰাসাদ চাই বৰ আনন্দ পাইছিলো।

নিউকেচল চহৰখন বৃটেইনৰ কয়লা উৎপাদনৰ ঘাই কেন্দ্ৰ যিদৰে ডাণ্ডী চহৰখন মৰাপাট শিল্পৰ বাবে জনাজাত। সেই কাৰণেই আমাক ভূগোলৰ শিক্ষকজনে এই চহৰ দুখনৰ গুৰুত্বৰ বিষয়ে আমাক মানে ছাত্ৰসকলক বুজাই দিছিল।

আমি ভাৰতীয় সাংবাদিক তিনিজনে লণ্ডনত এসপ্তাহ কাল কটোৱাৰ পিছত নিৰ্দ্ধাৰিত ভ্ৰমণ সূচীমতে বৃটেইনৰ আন চহৰকিখন মানে অক্সফ'ৰ্ড বাৰ্মিংহাম যিখন সেই দেশৰ দ্বিতীয় চহৰ আৰু তাৰ পিছত নিউকেচল

এডিনবৰো, গ্লাচগো আৰু ডাণ্ডীলৈ ১০ দিনৰ ভ্ৰমণত যাত্ৰা কৰো। বাৰ্মিংহাম চহৰত থকা দুদিনৰ ভিতৰত আমি তিনি মাৰ্চৰ দিনা মটৰেৰে চেক্সপিয়াৰৰ জন্মস্থান ষ্টেটফৰ্ড চাবলৈ যাওঁ আৰু এই বিশ্ববিখ্যাত ইংৰাজ কবি আৰু নাট্যকাৰজনৰ জন্মস্থান তথা বাসভৱন হাথ্‌ৱেইজ কটেজটো (Hathaway's Cottage) চোৱাৰ সৌভাগ্য হয়। তেওঁৰ থকা ঘৰটোৰ পৰা প্ৰায় যাঠি ফুটমান দূৰৈত এটি সৰু চাংঘৰ লক্ষ্য কৰিছিলো। আমাৰ লগত যোৱা প্ৰচাৰ বিভাগৰ বিষয়াজনে আমাক জানিবলৈ দিছিল যে চেক্সপিয়াৰে সেই চাং ঘৰটোতে লেখা-পঢ়া কৰিছিল। তেওঁৰ থকা ঘৰটোত লেখা-পঢ়া কামত দৰ্শক আৰু টেলিফোনৰ উৎপাতে তেওঁক বিৰক্তি দিছিল আৰু তাক এৰাবৰ কাৰণে চাং ঘৰটো সাজি চেক্সপিয়াৰে তাত নীৰৱে কাম কৰিছিল বুলি আমাক জানিব দিছিল।

আমাৰ ভ্ৰমণ-সূচীমতে আমি মাৰ্চৰ ৬ তাৰিখে নিউকেচলত উপস্থিত হওঁ। তাত এদিন সন্ধিয়া স্থানীয় এজন ভদ্ৰলোকৰ ঘৰত ৰাতিৰ সাজ খাবলৈ নিমন্ত্ৰণ কৰে। আমাৰ দলটোৰ দুজনে তেওঁৰ ঘৰলৈ ৰাতিৰ আহাৰৰ কাৰণে যাওঁ। বাকী দুজন বন্ধু সেইদৰে আন এঘৰত অতিথি হয়গৈ। নিউকেচলত পৰিয়ালৰ ঘৰত আমাক ৰখাৰ কাৰণ জানিবলৈ আমি ইচ্ছা প্ৰকাশ কৰাত বৃটিছ বিষয়াজনে আমাক জানিবলৈ দিছিল যে বিদেশী আলহীক বৃটিছ পৰিয়ালে কি দৰে সোধপোচ কৰে তাক জনাবৰ বাবে ৰাতিৰ সাজ তেনেদৰে বন্দবস্ত কৰিছিল।

আমাক হোটেলৰ পৰা আদৰি নিবলৈ আহিছিল এজনী ভদ্ৰমহিলা তেওঁৰ গাড়ীত। আমাক দেখিয়েই মহিলাজনীয়ে 'আপলুকে মিল্‌কৰ মুজে বৰী খুশী হুই' শব্দকিটা কৈ আমাক সম্ভাষণ জনাইছিল, কিন্তু ভাৰতীয় দস্তুৰমতে হাতজোৰ নকৰি বিলাতী প্ৰথা মতে আমাৰ লগত কৰমৰ্দন কৰিছিল। মহিলাজনীয়ে তেওঁৰ পৰিচয় দি আমাক জানিব দিছিল যে তেওঁৰ নাম মিচেছ বাছেল আৰু বৃটিছ বনুৱা দলৰ এজনী বিশিষ্টা কৰ্মী আৰু নিউকেচল পৌৰ সভাৰ সদস্যা। হোটেলৰ পৰা প্ৰায় ছয় কিলোমিটাৰ দূৰৈত অৱস্থিত তেওঁৰ ঘৰলৈ যোৱাৰ পথত নিউকেচল পৌৰ সভাই দুখীয়া পৰিয়ালৰ কাৰণে গৃহ আঁচনিমতে কিদৰে গৃহ নিৰ্মাণ কৰিছিল তাক দেখুৱাইছিল। কয়লা খনিৰ বনুৱা পৰিয়াল এটাৰ

ঘৰত ৰেডিঅ' আৰু টেলিভিচনৰ ব্যৱস্থা দেখি আমি আচৰিত হৈছিলো অথচ আমাৰ দেশত তেতিয়ালৈ টেলিভিচন প্ৰবৰ্তন হোৱাই নাছিল, মানে মই এই পদ প্ৰচাৰ মাধ্যমক দেখা নাছিলো। ভাৰতত ১৯৫৯ চনৰ ছেপ্তেম্বৰ মাহতহে দিল্লীত টেলিভিচনৰ এটা পাইলট প্ৰজেক্ট আৰম্ভ হয়।

ৰাতি চাৰে আঠ বজাত মিচেছ ৰাছেলৰ ঘৰ পাওঁ। গিৰীয়েক এজন ডাক্তৰ। আমি উপস্থিত হোৱাৰ সময়ত স্থানীয় কেইজনমান আলহী উপস্থিত হয়। কোৱা বাহুল্য যে সমবেত আলহী কিজনৰ কোনোৱে খাইছিল চিগাৰেট, কোনোৱে খাইছিল বিয়াৰ বা হুইস্কি আৰু আনে খাইছিল অৰেঞ্জ স্কোৱাচ। মোৰ লগৰ ভাৰতীয় বন্ধু তিনিজনে অৱশ্যে হুইস্কী বা তেনে ধৰণৰ মদ্যপান কৰিছিল। তাত উপস্থিত থকা এজনী মহিলাই মই মদ্যপান নকৰাত আচৰিত হৈছিল, আচৰিত হৈ, মোক তেওঁলোকৰ লগত যোগ দিবলৈ টানি ধৰিছিল। মই তেওঁক জানিবলৈ দিছিলো যে আমাৰ দেশত মদ খোৱা নিষেধ আৰু আমাৰ অসমত মাদক দ্ৰব্য নিবাৰণী আইন আছে। মহিলাজনী আচৰিত হৈ কৈছিল যে, এইবোৰ খাদ্যৰ অংশ আৰু তাক আইনেৰে কেনেকৈ নিষেধ কৰিব পাৰে তেওঁ জানিবলৈ বিচাৰে। পশ্চিমীয়া উন্নত দেশবোৰত মদ খাদ্যৰ অংশ হ'ব পাৰে, কিন্তু ভাৰতৰ দৰে এখন দুখীয়া দেশত সি খাদ্য হ'ব নোৱাৰে বুলি বুজাই দিছিলো আৰু লগত মাদকদ্ৰব্যৰ বিষয়ে গান্ধীজীৰ মত উত্থাপন কৰো। মহিলাজনীয়ে কিন্তু মোৰ বুজনি গ্ৰহণ নকৰিলে আৰু মই তেওঁৰ হেচাত sherry নামৰ মহিলাৰ কাৰণে প্ৰস্তুত মদ খাবলৈ বাধ্য হৈছিলো। সেয়ে মোৰ প্ৰথম তাৰু শেষ মদ্যপান।

ইতিমধ্যে আমাৰ মাজত বিভিন্ন বিষয়ে আলোচনা হয়। তাৰ মাজত ডা০ ৰাছেলে মোক কৰা প্ৰশ্নটো আছিল ঃ 'আপোনালোকে বাৰু গণভোটৰ যোগেদি কাশ্মীৰ বিবাদটো নিষ্পত্তি নকৰে কিয়? কাশ্মীৰ এখন মুছলমান প্ৰধান দেশ। কাশ্মীৰখন পাকিস্তানেহে পোৱা উচিত ইত্যাদি। উত্তৰত মই তেওঁক কৈছিলো যে ভাৰতবৰ্ষই গণভোটৰ দ্বাৰা বিবাদটো মীমাংসা কৰাত আপত্তি নকৰে, কিন্তু তাৰ পূৰ্বে পাকিস্তানে কাশ্মীৰৰ কিয়দাংশ বেদখল কৰি ১৯৪৮ চনৰ পৰা থকা তেওঁলোকৰ

খোপনি এৰি দিব লাগিব, কিন্তু পাকিস্তান তাৰ বাবে সাজু নহয়। মোৰ উত্তৰত ডাঃ ৰাছেল সন্তুষ্ট হোৱা যেন দেখা নাছিলো, বৰঞ্চ তেওঁ কিছুমান অবান্তৰ প্ৰশ্ন কৰিছিল। মিচেছ ৰাছেলে গিৰীয়েকৰ প্ৰশ্নবোৰ শুনি ভাল পোৱা নাছিল আৰু ডাঃ ৰাছেলক কৈছিল ঃ Don't put silly questions. They are our guests' লগতে মোক কৈছিল, 'Well, he does not try to understand you.' সিমানতে আমাৰ আলোচনাৰ অন্ত পৰিছিল।

সেই সময়ত কাশ্মীৰ বিষয়টো বৃটেইনৰ আৰু আন কেতবোৰ দেশত এটা জ্বলন্ত প্ৰশ্ন বুলি বিবেচিত হৈছিল। নিউকেচলৰ পৰা কেই-দিনমান পিছত ডাণ্ডী পোৱাত তাতো কাশ্মীৰ সন্দৰ্ভত প্ৰশ্নৰ সন্মুখীন হ'ব লগাত পৰিছিলো। ডাণ্ডী মৰাপাট শিল্পৰ কেন্দ্ৰস্থল য'ত কেবাটাও মৰাপাট কল আছে যি কলবোৰত ভাৰতৰ কেঁচা মৰাপাটৰ দ্বাৰা কেবাবিধ বস্তু যেনে, কাৰ্পেট, থৈলা আৰু বৃটিছ উৎপাদিত বস্তু মানচেষ্টাৰৰ কাপোৰ ভাৰতলৈ ৰপ্তানী কৰোতে ব্যৱহাৰ কৰা চট কাপোৰ। ডাণ্ডীত মৰাপাট শিল্পৰ প্ৰযুক্তিবিদ্যাৰ বাবে এখন কলেজ আছে যি কলেজখনত ভাৰতীয়, পাকিস্তানী আৰু আফ্ৰিকাৰ পৰা প্ৰশিক্ষণ ল'বলৈ প্ৰতিবছৰে বহুত ছাত্ৰ যায়। কলেজৰ অধ্যক্ষজনৰ আমন্ত্ৰণক্ৰমে আমি অনুষ্ঠানটো আৰু তাৰ ওচৰতে থকা মৰাপাট কাল চাবলৈ গৈছিলো। তাত আমাৰ কাৰণে এখন চাহমেলৰ ব্যৱস্থাও হৈছিল। তালৈ কেবাজনো ছাত্ৰ আহিছিল। স্বাভাৱিকতেই আমাৰ ভাৰতীয় সাংবাদিক আৰু ছাত্ৰ কিজনৰ মাজত ভাবৰ আদান-প্ৰদান হৈছিল। কিন্তু তাত উপস্থিত থকা দুজন পূব পাকিস্তানী শিক্ষাৰ্থীৰ প্ৰশ্নত আমি আচৰিত হৈছিলো। এজন পাকিস্তানী ছাত্ৰই মোক প্ৰশ্ন কৰিছিল এইদৰে ঃ 'ভাৰতে আমাৰ দেশৰ প্ৰতি শত্ৰুতা আচৰণ কৰে কিয়? কাশ্মীৰ আপোনালোকে অন্যায় আৰু বলেৰে দখল কৰি আছে কিয়?' কি অদ্ভুত প্ৰশ্ন! আমি সাংবা-দিক কিজন এনে প্ৰশ্নৰ বাবে সাজু নাছিলো। তথাপি তাৰ উত্তৰ দিয়াৰ ভাৰ মোৰ ওপৰত থকাত মই পাকিস্তানী ছাত্ৰ কেইজনক কৈছিলো ঃ 'ভাৰতবৰ্ষই পাকিস্তানৰ লগত বন্ধুভাৱে থাকিবলৈ প্ৰস্তুত কিন্তু পাকিস্তানে ভাৰতৰ বন্ধুত্ব গ্ৰহণ কৰিবলৈ ইচ্ছা কৰা নাই। পাকিস্তানৰ চৰকাৰ যিদৰে ভঙা-পতা হৈ থাকে, তাৰ পৰিপ্ৰেক্ষিতত ভাৰতে কাশ্মীৰ সমস্যা

নিষ্পত্তি কৰিব পৰা নাই। পাকিস্তানত সাধাৰণ নিৰ্বাচন কিয় হোৱা নাই? সামৰিক শাসন তাত কিয় চলিছে।' উত্তৰত পাকিস্তানী ছাত্ৰ এজনে ক'লে যে তেওঁলোকে গণতন্ত্ৰ নিৰ্বিচাৰে যিহেতু পাকিস্তান এখন নবজাত দুখীয়া ৰাষ্ট্ৰ; কিন্তু লগতে কাশ্মীৰ প্ৰশ্নটো মীমাংসা কৰাৰ প্ৰয়াসে তাত গণভোট গ্ৰহণৰ বাবে ছাত্ৰজনে দোহাৰে। আমি ভাৰতীয় সাংবাদিককিজনে উত্তৰত তেওঁলোকক জানিবলৈ দিছিলো যে যি ৰাষ্ট্ৰত গণতন্ত্ৰ নাই, সেই ৰাষ্ট্ৰই কাশ্মীৰ সমস্যা সমাধানৰ বাবে গণভোটৰ বাবে ওকালতি কৰাৰ অধিকাৰ নাই। তাত উপস্থিত থকা গানা আৰু কেনিয়াৰ ছাত্ৰকিটাই আমাৰ যুক্তিত পতিয়ন গৈছিল যেন অনুমান হৈছিল।

কাশ্মীৰ প্ৰশ্নটোৰ বিষয়ে এডিনবৰাৰ ব্ৰুটছ্‌ফিল্ড ক্ৰেচেণ্টত অৱস্থিত বৃটিছ কাউন্সিলৰ দ্বাৰা পৰিচালিত ছাত্ৰাবাসতো কেনিয়া, নায়াচিলেণ্ড, উগাণ্ডা, গানা আদি কেবাখনো কমনৱেলথ ৰাষ্ট্ৰৰ ছাত্ৰক উত্তৰ দিব লগা হৈছিল। অনুসন্ধান কৰি জানিব পাৰিছিলো যে ভাৰতীয় ছাত্ৰক তাত ৰখাৰ ব্যৱস্থা নাছিল আৰু ভাৰতীয় ছাত্ৰ সেই ছাত্ৰাবাসত থকাৰ বাবে ইচ্ছুকো নাছিল। ছাত্ৰাবাসৰ ৰিডিং ৰূমত বিশ্বৰ বহুত বাতৰিকাকত আৰু আলোচনী দেখিছিলো, কিন্তু লণ্ডনস্থ ভাৰতীয় দূতাবাসৰ পৰা প্ৰকাশিত চৰকাৰী বাতৰিকাকতৰ বাহিৰে তাত আমাৰ দেশৰ আন বাতৰিকাকত দেখা নাপালো, মানে আমাৰ দেশৰ প্ৰচাৰ যন্ত্ৰ বিদেশত দুৰ্বল আছিল যাৰ ফলত ভাৰতৰ উন্নয়ন আৰু বিবদমান সমস্যা সম্পৰ্কে কমনৱেলথ বা আন বিদেশী ছাত্ৰ আৰু নাগৰিকে প্ৰকৃত তথ্যপাতি নাজানিছিল। আনহাতে, পাকিস্তানী দূতাবাস আৰু বিদেশত অধ্যয়নৰত পাকিস্তানী ছাত্ৰই ভাৰতৰ বিৰুদ্ধে প্ৰচাৰ কৰাত বৰ ক্ৰিয়াশীল আছিল।

নগা সমস্যা সম্পৰ্কে যে বিদেশত এটা ভ্ৰান্ত ধাৰণা আছিল তাক আমি ভাৰতীয় সাংবাদিককিজনে কেবা ঠাইতো লক্ষ্য কৰিছিলো। ১৮ মাৰ্চত লণ্ডনস্থ ইণ্ডিয়া হাউচত আমাৰ ভাৰতীয় সাংবাদিক কেইজনৰ অভ্যৰ্থনাৰ বাবে এটা ককটেইল পাৰ্টিৰ আয়োজন কৰিছিল। তাত প্ৰায় বিশজন-মান বৃটিছ আৰু ভাৰতীয় বাতৰিকাকতৰ প্ৰতিনিধিক লগ পাইছিলো। তাৰ ভিতৰত দ্যা নিউ ষ্টেটচমেন কাকতৰ প্ৰতিনিধি মিচেছ ভৰথী

উড্‌মেন ( Dorothy Woodman ) অন্যতম আছিল। এই মহিলা সাংবাদিকাজনীয়ে মোক লগ পাবলৈ উধাতু খাই মোৰ ওচৰলৈ আহিছিল। নগাপাহাৰৰ পৰিস্থিতি সম্পৰ্কে তেওঁ প্ৰথম প্ৰশ্নটো অৱতাৰণা কৰিছিল। মই পৰিস্থিতিটো ভালদৰে বিশ্লেষণ কৰি দিছিলো যদিও মিচেছ উড্‌মেন সন্তুষ্ট নহ'ল। ভাবিছিলো, এই মহিলাজনী ডেইলী এক্সপ্ৰেছ কাকতৰ ডনাল্ড ৰাইজৰ গোষ্ঠীৰ নেকি ? কিন্তু কথা প্ৰসংগত তেওঁ যে দুবছৰ আগতে অসমলৈ আহিছিল তাক মোক জানিব দিয়ে। তেওঁ ব্ৰহ্ম সীমান্ত, নেফা আৰু অসম ভ্ৰমণ কৰি গৈছে। বিদ্ৰোহী নগাচামৰ এখন সুকীয়া চৰকাৰ থকা বুলিও মোক জানিবলৈ দিয়ে। ড০ সূৰ্যকুমাৰ ভূঞা আৰু কনকলাল বৰুৱাৰ প্ৰণীত বুৰঞ্জীবোৰ পঢ়িছে বুলি মোক জানিবলৈ দিছিল। ইণ্ডিয়া হাউচৰ গ্ৰন্থালয়ত ড০ ভূঞাৰ বুৰঞ্জীখন মোক দেখুৱায়। এডৱাৰ্ড গেইটৰ( A History of Assam ) নামৰ বুৰঞ্জীখনো তেওঁ পঢ়িছে বুলি মোক জানিব দিছিল, কিন্তু গেইট চাহাবে বুৰঞ্জীখন বৃটিছ দৃষ্টিভংগীৰে সংকলন কৰিছিল বুলি মিচেছ উড্‌মেনে মন্তব্য কৰিছিল। সি যি হওক, নগাপাহাৰ সন্দৰ্ভত সেই সময়ত বৃটেইনত কিছুমান ভুল আৰু অতিৰঞ্জিত বাতৰি প্ৰচাৰ হোৱা আমি লক্ষ্য কৰিছিলো।

লণ্ডনত থকা কেইদিনৰ ভিতৰত নিকটবৰ্তী এখন গো পাম আমাক দেখুৱাইছিল। সেইখন গো পাম বোলা হৈছিল যদিও, তাত মুৰগীৰ পামো আছিল। মুৰগীবোৰ এনেদৰে পোহপাল দিয়া হৈছিল যে চৌবিশ ঘন্টাৰ ভিতৰতে এজনী মুৰগীয়ে দুটাকৈ কণী দিছিল। বিজুলী যন্ত্ৰেৰে পোহৰ আৰু এন্ধাৰ এনেদৰে নিয়ন্ত্ৰণ কৰা আছিল যে প্ৰতিজনী মুৰগীয়ে প্ৰতিদিনে দুটাকৈ কণী দিয়াত কণীৰ উৎপাদন দুগুণ বাঢ়িছিল। অৱশ্যে মুৰগীৰ আহাৰ আদিও সেই অনুপাতে যোগান ধৰা হৈছিল। তথাপি কণী উৎপাদন বৃদ্ধিৰ প্ৰক্ৰিয়াটো দেখি আমি মুগ্ধ হৈছিলো।

কোৱা বাহুল্য যে বৃহৎ গো-পামখনৰ সন্দৰ্ভত বিষয়াজনে আমাক সকলো তথ্য-পাতি জানিবলৈ দিছিল। পামৰ কৰ্তৃপক্ষই চাহৰ পৰিবৰ্তে আমাৰ প্ৰত্যেকক এগিলাচ গাখীৰেৰে অভ্যৰ্থনা কৰিছিল। গাখীৰখিনি খাই মই হঠাৎ This is very pure milk বুলি মন্তব্য কৰিছিলো।

মোৰ মন্তব্যত বিষয়াজন আচৰিত হৈ Mr. Kakati, what you mean by pure milk ? It there any impure milk ? উত্তৰত মই কৈছিলো ঃ Yes, in our country it is difficult to get pure milk. The milkman mixes it with water. বিষয়াজনে মোৰ উত্তৰৰ মৰ্ম বুজিব নোৱাৰি মোকে প্ৰশ্ন কৰিছিল ঃ Is that a kind of powder milk ? আমাৰ দেশত পনীয়া গাখীৰৰ প্ৰচলন বুলি তেওঁক জানিব দি গোৱালে তাৰ লগত পানী মিহলাই দুপইচা অধিক উপাৰ্জন কৰা বুদ্ধিটো বুজাই দিছিলো। খাদ্যবস্তু তেনেদৰে ভেজাল কৰাটো তেওঁলোকৰ দেশত ডাঙৰ অপৰাধ বুলি আমাক জানিব দিছিল আৰু কৈছিল যে খাদ্যবস্তুৰ শ্ৰেণী মাত্ৰ এটা অৰ্থাৎ বিশুদ্ধ শ্ৰেণী আৰু তাৰ বিকল্প নাই বুলি আমাক জনাইছিল।

আমি হোটেললৈ ঘূৰি অহাত মাদ্ৰাজী সাংবাদিক বন্ধু (তেওঁ আমাৰ দলৰ অন্যতম সাংবাদিক আছিল) মিঃ ৰামচন্দ্ৰনে মোৰ ওপৰত অভিযোগ কৰিছিল যে গাখীৰৰ প্ৰসংগটোৰ যোগেদি আমাৰ দেশৰ চৰিত্ৰৰ এটা দিশ বিদেশীজনৰ আগত প্ৰকাশ কৰাটো সমীচিন হোৱা নাছিল। এটা মৃদু হাঁহিৰে বন্ধুজনক মই কৈছিলো 'সত্যমেৱ জয়তে !'

# ১৩

অসমৰ চাহপাত, অসমৰ তেল তথা পনীয়া সোণ আৰু অসমৰ মৰাপাট—এই তিনিটা মূল্যবান সম্পদ বৃটেইনত জনাজাত। এই তিনি-বিধ সম্পদ বৃটিছ বণিক শ্ৰেণীয়ে শোষণ কৰি যথেষ্ট চহকী হৈছিল। আমি মানে মই আৰু আন দুজন ভাৰতীয় সংবাদসেৱীয়ে ১৯৫৯ চনত বৃটেইন ভ্ৰমণ কৰিবলৈ যাওঁতে চাহপাত, তেল আৰু মৰাপাট শিল্পৰ লগত জড়িত কেবাজনো বৃটিছ ব্যক্তিক লগ পাইছিলো আৰু তেওঁলোকৰ লগত সংশ্লিষ্ট বিষয়ে আলোচনা কৰাৰ সুযোগ পাইছিলো। আমাৰ ভ্ৰমণ-সূচীমতে লণ্ডনৰ মিন্‌চিং লেনত অৱস্থিত টি ব্ৰোকাৰ্চ এচোচিয়েচন অব্ লণ্ডনৰ মুখ্য কাৰ্যালয়ত চাহ নিলাম কেন্দ্ৰত চাহপাতৰ নিলাম পদ্ধতি চাবলৈ গৈছিলো। এচোচিয়েচনৰ সভাপতি মিঃ এ বি ইউলে চাহ নিলামৰ সকলো দিশ বুজাই দিছিল। নিলাম কেন্দ্ৰটো আকাৰত সৰু আৰু তাত সমবেত হোৱা ব্যৱসায়ীৰ সংখ্যাও বিশজনতকৈ বেছি নাছিল অথচ সেই কেন্দ্ৰত লাখ লাখ পাউণ্ড মূল্যৰ চাহ নিলাম হয়। কোৱা বাহুল্য যে সেই সময়ত ভাৰতীয় চাহপাতৰ প্ৰায় আশী শতাংশ বৃটেইনত বিক্ৰী হৈছিল। আজিকালি ভাৰতৰ চাহপাত আন কেবাখনো দেশলৈ ৰপ্তানী হয়।

সিদিনাৰ নিলামত অসমৰ চাহপাত নাছিল, মানে দক্ষিণ ভাৰতৰ উৎপাদিত আৰু দাৰ্জিলিঙৰ চাহপাত নিলাম হৈছিল আৰু নিলাম হৈছিল শ্ৰীলংকাৰ চাহপাত। অসমৰ চাহপাত নিলামৰ তালিকাত নথকাৰ কাৰণ কি বুলি প্ৰশ্ন কৰাত মিঃ ইউলে আমাক জানিবলৈ দিছিল যে অসমত

উৎপাদিত চাহপাতৰ গুণাগুণ নিম্নগামী হোৱাৰ ফলত অসমৰ চাহপাতৰ চাহিদা কিছু কমিছে। তাৰ কাৰণটো জানিবলৈ বিচৰাত তেওঁ আমাক বুজাই দিছিল। অসমৰ চাহপাত যি প্লাইউডৰ বাকছত ৰপ্তানী কৰা হৈছিল সেই বাকছবোৰ হেনো উচ্চ মানৰ নাছিল, মানে প্লাইউড শিল্পটো লাভখোৰ ব্যৱসায়ীৰ হাতলৈ যোৱাত চাহপাত শিল্পই পূৰ্বৰ গুণাগুণ হেৰুৱাইছিল। এই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ বাণিজ্য মন্ত্ৰণালয়ৰ দৃষ্টিলৈ অনা হৈছিল যদিও, তাৰ সুফল পোৱা নহ'ল বুলি মিঃ ইউলে আমাক জানিবলৈ দিছিল। লগতে তেওঁ সাৱধান কৰি দিছিল যে প্লাইউড্ৰ-বাকছবোৰৰ গুণগত মানদণ্ড বঢ়াব নোৱাৰিলে ভাৰতীয় চাহ-পাতে বৃটিছ বজাৰত পূৰ্বৰ স্থান হেৰুৱাব।

মই ১৯৭৮-৮১ চনত ভাৰত চৰকাৰৰ টি ব'ৰ্ডৰ সদস্য হৈ থকা সময়ত ব'ৰ্ডৰ সভাপতি বি কে গোস্বামীয়ে মিঃ ইউলৰ অভিযোগটো অস্বীকাৰ কৰা নাছিল। সম্প্ৰতি ভাৰতীয় চাহপাতে, শ্ৰীলংকা, চীন আৰু কেনিয়াৰ চাহপাতৰ প্ৰতিযোগিতাৰ সন্মুখীন হৈছে। অৱশ্যে, টি ব'ৰ্ডে ভাৰতীয় চাহপাতৰ গুণাগুণ ৰক্ষাৰ বাবে কিছুমান ব্যৱস্থা হাতত লৈছে।

লণ্ডনৰ চাহপাত নিলাম কেন্দ্ৰত চাহপাত 'ভাৰতীয় চাহ' বুলি জনা-জাত। 'দাৰ্জিলিং চাহপাত'ৰ নামো আছে। কিন্তু অসমৰ চাহপাত বুলি কোনো বিশেষ নাম নাই অথচ অসমত ৭৫০ খন চাহ বাগিচা অৰ্থাৎ দেশৰ দুই-তৃতীয়াংশ চাহ বাগিচা আছে। ভাৰতত উৎপাদিত চাহপাতৰ ৫৩ শতাংশ অসমতেই উৎপাদন কৰা হয়।

চাহ-শিল্পৰ দৰে অসমৰ তেল শিল্পও বিলাতত জনাজাত। ১৮ মাৰ্চৰ দিনা বৃটিছ চৰকাৰৰ কেন্দ্ৰীয় তথ্য দপ্তৰৰ কাৰ্যালয়ত সেই সময়ত বৰ্মা অয়েল কোম্পানী তথা ডিগবৈৰ অসম অয়েল কোম্পানীৰ দ্বাৰা নাহৰকটীয়াত তেল উদ্‌ঘাটনৰ বাবে খনন কাৰ্যৰ কাম ছায়াচিত্ৰৰ দ্বাৰা আমাক দেখুৱাইছিল। মনটো উৎফুল্লিত হৈছিল, কিন্তু অসমত এই আপুৰুগীয়া সম্পদবোৰ যেনে চাহ শিল্প, তেল শিল্প আৰু মৰাপাট শিল্পৰ প্ৰভূত সম্ভাৱনা থকা সত্বেও অসম বহুখিনি পিছপৰি থকাত আমি ভাৰতীয় সাংবাদিককিজনে আক্ষেপ কৰিছিলো। সিদিনাৰ দুপৰীয়াৰ আহাৰত অসম অয়েল কোম্পানীৰ প্ৰাক্তন জেনেৰেল মেনেজাৰ নে

বৰ্মা অয়েল কোম্পানীৰ প্ৰাক্তন অধ্যক্ষ মিঃ মেক্‌ফাৰ্‌চনে ( Mr. Macpherson ) মোক জানিবলৈ দিছিল যে অসমখন হেনো পনীয়া সোণৰ ওপৰত ওপঙি আছে। লগতে তেওঁ কৈছিল যে অসমৰ তেল উৎপাদন বৃদ্ধি কৰাৰ বাবে বৰ্মা অয়েল কোম্পানীৰ আঁচনি আছিল, কিন্তু বৃটিছে যে ১৯৪৭ চনত ভাৰত ত্যাগ কৰিব তাক কোম্পানীয়ে অনুমান কৰা নাছিল।

মই কলেজত ৰাজনীতি-বিজ্ঞানৰ ছাত্ৰ হিচাপে এই বিভাগৰ প্ৰফেচাৰ ব্ৰাউনৰ পৰা জানিছিলো যে বৃটিছ পালিয়ামেণ্ট বিশ্বৰ সংসদী ৰাজনীতিত মাতৃস্বৰূপ Mother of Parliaments আৰু তাৰ মুখ্য ৰাজনৈতিক দল দুটা (ৰক্ষণশীল দল আৰু শ্ৰমিক দল) আদৰ্শনীয় অৰ্থাৎ ব্ৰাউন চাহাবৰ ভাষাত আনৰ বাবে Model। আমি ভাৰতীয় সাংবাদিক কিজনে বিশেষকৈ মই বৃটিছ চৰকাৰৰ কেন্দ্ৰীয় তথ্য দপ্তৰৰ মুখ্য বিষয়াজনক জানিবলৈ দিছিলো যে আমি ৰাজনৈতিক দল দুটাৰ ঘাই কাৰ্যালয় আৰু বৃটিছ পালিয়ামেণ্টৰ কাম-কাজ চাবলৈ ইচ্ছুক। সেইদৰে তেওঁলোকে আমাৰ ভ্ৰমণসূচী প্ৰস্তুত কৰিছিল আৰু বৃটিছ দলীয় ব্যৱস্থা আৰু আমি পালিয়ামেণ্টৰ কাম-কাজ জনাৰ সুযোগ পাইছিলো।

প্ৰথমতে আমি ৰক্ষণশীল দলৰ (Conservative Party) আৰু তাৰ পিছদিনা শ্ৰমিক দলৰ (Labour Party) মুখ্য কাৰ্যালয় দুটালৈ যাওঁ। ৰক্ষণশীল দলৰ কাৰ্যালয় ৩২ স্মিথ স্কোৱাৰত অৱস্থিত। শ্ৰমিক দলৰ মুখ্য কাৰ্যালয়টোও স্মিথ স্কোৱাৰত ট্ৰেন্সপ'ৰ্ট হাউচত। দুয়োটা কাৰ্যালয় মুখামুখিভাবে অৱস্থিত। ৰক্ষণ দলৰ কাৰ্যালয়ত দলৰ প্ৰধান প্ৰচাৰ বিষয়া মিঃ ৰোনাল্ড চিমচ্ আৰু বহিঃ বিভাগৰ মিঃ আৰ ডি মিল্‌নে আমাক ৰক্ষণশীল দলৰ আদৰ্শ আৰু কাৰ্যক্ৰমনিকাৰ বিষয়ে সবিশেষ জানিবলৈ দিয়ে। সেই সময়ত তথা ১৯৫৯ চনৰ সাধাৰণ নিৰ্বাচনৰ যো-জা চলিছিল। সাধাৰণ নিৰ্বাচনত ৰক্ষণশীল দলৰ জয়লাভৰ সম্ভাৱনা কেনে বুলি প্ৰশ্ন কৰাত মিঃ মিল্‌নে অতি দৃঢ়তাৰে জানিবলৈ দিছিল যে ৰক্ষণশীল দলে নিশ্চয়কৈ ক্ষমতা পুনৰ লাভ কৰিব। আমি সাংবাদিককিজন মিঃ মিল্‌নৰ উত্তৰত অলপো আচৰিত হোৱা নাছিলো, কাৰণ কোনো ৰাজনৈতিক দলে পৰাজয় হ'ব বুলি নিৰ্বাচনত ব্ৰতী নহয়।

পিছদিনা শ্ৰমিক দলৰ কাৰ্যালয়তো যাইকৈ আমি নিৰ্বাচনৰ বিষয়ে কথা পাতিছিলো। তাতো শ্ৰমিক দলৰ মুখপাত্ৰকিজনে নিৰ্বাচনত তেওঁলোকৰ দল জয়ী হ'ব বুলি সজোৰে কৈছিল। শ্ৰমিক দলৰ সাফল্য লাভ কৰিবলৈ আমি আগতীয়াকৈ শুভেচ্ছা জনাইছিলো। দলৰ প্ৰচাৰ সম্পাদকজনে Well, have you any particular reason to be happy with the labour Party's victory in the election? বুলি প্ৰশ্ন কৰিছিল। উত্তৰত তেওঁক জানিবলৈ দিছিলো যে ৰক্ষণশীল দলক ভাৰতবাসীয়ে বৃটেইনৰ শাসক হিচাপে পছন্দ নকৰে। ৰক্ষণশীল দলৰ প্ৰধান মন্ত্ৰী উইন্‌ষ্টন চাৰ্চিলে মহাত্মা গান্ধীক যে 'নঙঠা ফকিৰ' (Naked Fakir) বুলি ইতিকিং কৰিছিল আৰু তেওঁৰ শাসনৰ সময়ত লাখ লাখ ভাৰতীয়ই জেল-জৰিমনা আদি নিকাৰ ভুগিছিল তাৰো উল্লেখ কৰিছিলো। লগতে তেওঁক জানিবলৈ দিছিলো যে চাৰ্চিল চাহাবে এবাৰ ডাঙৰোপ মাৰি কৈছিল "I am not going to preside over the liquidation of the British Empires." ভাৰতে যে শ্ৰমিক দলৰ শাসন তথা মিঃ এট্‌লিৰ প্ৰধান মন্ত্ৰিত্বত স্বাধীন হয়, সেই কথাও উল্লেখ কৰিছিলো। স্বাভাৱিকতেই শ্ৰমিক দলৰ বিষয়ববীয়া কিজন আমাৰ উত্তৰত বৰ সুখী হৈছিল। কিন্তু নিৰ্বাচনী ফলাফলত পিছত দেখা গ'ল যে হাউচ অব্ কমন্সৰ মুঠ ৬৩৫ খন আসনৰ ভিতৰত ৰক্ষণশীল দল আৰু সহযোগী উপদলে ৩৬৫ খন আসন লাভ কৰি ক্ষমতা পুনৰ লাভ কৰিছিল আৰু মিঃ হেৰল্ড মেক্‌মিলানৰ নেতৃত্বত ৰক্ষণশীল চৰকাৰ গঠন হৈছিল। শ্ৰমিক দলে ২৫৯ খন আসন লাভ কৰিছিল; বাকী ১১ খন আসন লিবাৰেল দল আৰু স্বতন্ত্ৰ প্ৰাৰ্থীয়ে পাইছিল।

ৰক্ষণশীল দল আৰু শ্ৰমিক দলৰ কাৰ্যালয়ত উভয় দলৰ মুখপাত্ৰ-কিজনে আমাক জানিবলৈ দিছিল যে বৃটেইনৰ সাধাৰণ নিৰ্বাচনত ভোটাৰৰ সক্ৰিয়তা মন কৰিবলগীয়া। তেওঁলোকৰ তথ্য মতে ১৯৪৫ চনৰ সাধাৰণ নিৰ্বাচনত শতকৰা ৭১·১ জনে ভোট দিছিল; ১৯৫০ চনৰ নিৰ্বাচনত ভোট দিছিল শতকৰা হাৰত ৮৪ জনে; ১৯৫১ চনত ৮২·৬ জনে (অনিয়মীয়া নিৰ্বাচন); ১৯৫৫ চনত ৭৬·৮ জনে। ১৯৫৯

চনত শতকৰা ৭৮·৮ জন ভোটাৰে ভোট দিয়া পিছত প্ৰকাশ হৈছিল।

আলোচনাৰ সময়ত আমি লক্ষ্য কৰিছিলো যে নিজ দলৰ স্থিতি বুজাবলৈ যাওঁতে প্ৰতিপক্ষৰ বিফলতাৰ ওপৰত গুৰুত্ব নিদিয়ে; গুৰুত্ব নিদি, নিজ দলৰ আঁচনি বুজাই দিয়ে। আমাৰ দেশত তাৰ বিপৰীত দিশটো দেখা যায়, মানে ক্ষমতাধিষ্ঠ দলে বিৰোধী দলক আৰু বিৰোধী দলে ক্ষমতাধিষ্ঠ দলক কটু কথাৰে সমালোচনা কৰে যিবোৰ আমাৰ বাতৰি কাকতত শিৰোনামা হৈ প্ৰকাশ হয়। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে বৃটেইনত ইদলে সিদলক কটু কথাৰে সমালোচনা নকৰে; সমালোচনা কৰে আঁচনিৰ ভিত্তিত। ৰক্ষণশীল দলৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী মিঃ হিথে সিদিনা তেওঁৰ নিজৰ দলৰ প্ৰধানমন্ত্ৰী মিচেছ মাৰ্গাৰেট থেচাৰক Bloody woman বুলি গোৱাল গালি দিলে। তথাপি স্বীকাৰ কৰিব লাগিব যে বৃটেইনৰ দলীয় ৰাজনীতিৰ মানদণ্ড বহুত উৰ্দ্ধত আৰু সেইগুণে তাত গণতন্ত্ৰ সুস্থিৰ। বৃটেইনৰ House of Commons আজিও Mother of Parliaments বুলি সমাদৃত।

নিৰ্দ্ধাৰিত সময়-সূচীক্ৰমে আমি ১৭ মাৰ্চত পালিয়ামেণ্ট ভৱন আৰু সংসদৰ কাম-কাজ চাবলৈ যাওঁ। ভৱনটো বিৰাট আৰু কাৰুকাৰ্যৰ ফালৰ পৰা অপূৰ্ব। ভৱনটো সজা হৈছিল ১৮৫৪ চনত। ভৱনৰ এছোৱাত হাউচ অব্ কমন্স আৰু আন ছোৱাত হাউচ অব্ লৰ্ডচ্। কিন্তু সদন দুটাৰ অন্তৰ্ভাগ, আমি পূৰ্বতে ভবা মতে, ডাঙৰ নহয় মানে হাউচ অব্ কমন্সত ৬৩৫ জন সদস্য একেলগে বহাৰ ব্যৱস্থাই নাই। সেইদৰে হাউচ অব্ লৰ্ডৰ ৮০০ মান সদস্য বহিবৰ ঠাই নাই। টেমচ্ নদীৰ পাৰত অৱস্থিত দেখনিয়াৰ ৱেষ্টমিনষ্টাৰ পেলেচ (Palace of Westminster) পালিয়ামেণ্ট সদনক সামৰি এটা ঐতিহাসিক অনুষ্ঠান। ১৮৩৪ চনৰ প্ৰকাণ্ড অগ্নিকাণ্ডত পালিয়ামেণ্ট ভৱনটো ধ্বংস হৈছিল। ভৱনটো নতুনকৈ আৰু ডাঙৰকৈ পুনৰ নিৰ্মাণ কৰাৰ প্ৰস্তাৱ হৈছিল যদিও, আকাৰ আৰু কাৰুকাৰ্যৰ ক্ষেত্ৰত কোনো পৰিৱৰ্তন নহ'ল। দ্বিতীয় মহাযুদ্ধৰ সময়ত শত্ৰুপক্ষৰ বোমাবৰ্ষণত হাউচ অব্ কমন্স আৰু হাউচ অব্ লৰ্ডচৰ ভৱন (হাউচ অব্ লৰ্ডচত ৰাণী বা ৰজাৰ

সিংহ্যাসন আছে যি সিংহাসনৰ পৰা তেওঁ যুটীয়া সদনৰ অধিবেশন মুকলি কৰে।) ক্ষতি হৈছিল। তাৰ পিছত সদন ভবনটো আহল-বহলকৈ সজাৰ প্ৰস্তাৱ হৈছিল, কিন্তু তেতিয়াৰ প্ৰধানমন্ত্ৰী চাৰ্চিলে তাত সম্মতি নিদিলে। সেই কাৰণে বৃটেইনৰ পৰম্পৰা মতেই সদন ৰক্ষা কৰা আছে। সদস্যসকল বহাৰ বাবে সদন কক্ষ দুটাত চকীও নাই—আছে দীঘলীয়া বেঞ্চ। বহু সংখ্যক সদস্যই কক্ষত ভুম বান্ধি থিয় হৈ থকা আমি দেখিছো। তাৰ পৰা আমি বুজিব পাৰিছিলো যে বৃটিছ জাতি সদায় পৰম্পৰাৰ পূজাৰী। সদন কক্ষ দুটা কিন্তু অতি জাকজমক। মন কৰিবলগীয়া যে এই সদনৰ যোগেদি 'সূৰ্য অস্ত নোযোৱা' বৃটিছ সাম্ৰাজ্য গঢ়ি কেবা শতাব্দী কাল বৃটিছ জাতিয়ে ৰাজত্ব কৰিছিল। পাৰ্লিয়ামেণ্ট ভবনৰ এমূৰত 'ভিক্টোৰী টাৱাৰ' (Victory Tower) ) আৰু আন মূৰত প্ৰখ্যাত 'বীগ বেন' (Big Ben) ঘড়ীটো আজিও চলি আছে।

হাউচ অৱ কমন্সৰ বৈঠক আবেলি ২·৩০ বজাত আৰম্ভ হয়। সদনৰ অধ্যক্ষ যথাসময়ত সদনত সোমায়। সেই দৃশ্যটো চাবলৈ বহুত দৰ্শকৰ সমাগম হয়, কাৰণ সেই দৃশ্যটো অত্যন্ত আনুষ্ঠানিক আৰু আকৰ্ষণীয়। আমাৰ লোকসভাৰ অধ্যক্ষ সদনলৈ আহোতে তেনে দৃশ্য দেখা নাযায়। কিন্তু আমি Mother of Parliaments তথা হাউচ অৱ কমন্সৰ আলোচনা বসাল হোৱা নেদেখিলো। তাত সদন কক্ষ ত্যাগ বা চিঞৰ-বাখৰৰ দৰে কোনো ঘটনা নহয় বুলি আমাক সদনৰ এজন বিষয়াই জানিব দিছিল।

বৃটেইন ভ্ৰমণ-কালত খেলা, থিয়েটাৰ, বি-বি-চি (British Broadcasting Corporation) বৃটিছ মিউজিয়াম আদি কেবাটা অনুষ্ঠান চাবলৈ সুযোগ পাইছিলো। তাৰ ভিতৰত থিয়েটাৰ ৰয়েলত My Fair Lady নামৰ নাটখনৰ কথা মনত পৰে। শুনিছিলো যে তেতিয়ালৈকে ২২ লাখ ৭৫ হাজাৰ দৰ্শকে নাটৰ মঞ্চস্থ চাইছিল আৰু একেৰাহে চাৰি বছৰ চলিছিল আৰু ১৯৬২ চনৰ বৰদিনৰ সময়লৈকে ছিট ৰিজাৰ্ভ কৰা আছিল, মানে বৃটেইনৰ থিয়েটাৰ ইতিহাসত এটা অভিলেখ—এই ইতিহাস হেনো আৰম্ভ হৈছিল ১৬৬৩ চনৰ এপ্ৰিল মাহত।

আমাক জানিবলৈ দিছিল যে বিখ্যাত থিয়েটাৰ ৰয়েলত 'ওক্লাহমা' (Oklahoma) নামৰ থিয়েটাৰখনে ১৩৭৫ বাৰ মঞ্চস্থ হৈ ৰেকৰ্ড কৰি থৈছিল, কিন্তু My Fair Lady য়ে সেই ৰেকৰ্ড তথা অভিলেখ ভংগ কৰিব বুলি আমি তাত জানিব পাৰিছিলোঁ। বৃটিছ সমাজ যে এনেভাবে থিয়েটাৰপ্ৰেমী তাক আমি সহজে অনুমান কৰিছিলোঁ।

আমি ভাৰতীয় সাংবাদিক তিনিজনে এমাহ জোৰা ভ্ৰমণ সমাপ্ত কৰি বিমানেৰে ২১ মাৰ্চত (১৯৫৯) বম্বে পাওঁ। সিদিনা মই ভাবিছিলোঁ যে সেইয়া আছিল মোৰ প্ৰথম আৰু শেহ বিদেশ ভ্ৰমণ। কিন্তু মোৰ সেই অনুমান সঠিক নাছিল, মানে ১৯৬০ চনত তথা বৃটেইন ভ্ৰমণৰ ১৫ মাহৰ পিছত মাৰ্কিন যুক্তৰাজ্য চৰকাৰৰ আমন্ত্ৰণক্ৰমে দুমাহৰ বাবে তালৈ যোৱাৰ সৌভাগ্য হৈছিল। কোৱা বাহুল্য, এই নিমন্ত্ৰণো মোলৈ আহিছিল এজন সাংবাদিক হিচাপে যিটো কথা মনত পৰিলে মোৰ পৰম আনন্দ হয়। হেৰোৱা দিনবোৰ আৰু তাৰ স্মৃতি জীৱনৰ বিয়লি পৰত কিমান মধুৰ! Oft. in the silly might/ Ere slumber's chain has bound me / Fond Memory brings the light / Of other days around me. (Thomas Moore)

# ১৪

উনৈশ শ'ষাঠি চনৰ ৰঙালী বিহুৰ বাবে দুদিন বন্ধ থকাৰ পিছত মই মোৰ কাৰ্যালয়ত থাকোতে আগবেলা এঘাৰমান বজাত এজন চাহাব ভদ্ৰলোক মোৰ কোঠাত উপস্থিত। দিনটো আছিল ১৫ এপ্ৰিল। আগবেলা মই সম্পাদক হিচাপে অসম বাণীৰ কাম কৰিছিলো আৰু আবেলি পৰত আসাম ট্ৰিবিউনৰ সহকাৰী সম্পাদক হিচাপে এটা আছুতীয়া কোঠাত কাম কৰিছিলো। চাহাব ভদ্ৰলোকজনে কলিকতাস্থ আমেৰিকান কন্‌চাল-জেনেৰেলৰ সাংস্কৃতিক বিষয়া বুলি তেওঁৰ নামটো মিঃ ফ্ৰাংক (Mr. Funch) বুলি মোক জানিব দি ছীলমোহৰ মৰা চিঠি এখন মোৰ হাতত দিছিল। কিন্তু চিঠিখনৰ বিষয়বস্তু তেওঁ মোক কোৱা নাছিল ; মাত্ৰ চিঠিখন নতুন দিল্লীস্থ আমেৰিকান ৰাষ্ট্ৰদূত মিঃ এল্‌ছ্‌-ৱাৰ্থ বাংকাৰৰ (Mr. Ellsworth. Bunker) চিঠি বুলি মোক জানিব দিছিল। বিষয়াজন ততাতৈয়াকৈ শ্বিলঙলৈ ঘোৰাৰ পথত থকা বাবে মোৰ সৈতে কোনো আলোচনা কৰিব নোৱাৰিলে।

চিঠিখন মই খুলি দেখিলো যে মিঃ বাংকাৰে মোক আমেৰিকাত দুমাহৰ কাৰণে ভ্ৰমণৰ নিমন্ত্ৰণ জনাইছে। স্বাভাৱিকতেই নিমন্ত্ৰণ মোৰ কাৰণে আনন্দৰ বাতৰি আছিল, কাৰণ এবছৰ আগতে বৃটেইন ভ্ৰমণ কৰাৰ পিছত আন এখন বিদেশী চৰকাৰৰ পৰা ভ্ৰমণৰ নিমন্ত্ৰণ! লক্ষ্মীনাথ ফুকনৰ ভাষাত মোৰ হিয়া আনন্দত নভৰা যেন অনুভৱ কৰিছিলো। মোৰ মনত পৰিছিল নেপালী জ্যোতিষীজনৰ কথা যিজনে মোৰ হস্তৰেখা আৰু সৌৰৰণীমতে চাৰিবাৰ বিদেশ ভ্ৰমণ হ'ব বুলি ভৱিষ্যত বাণী কৰিছিল।

ৰাষ্ট্ৰদূত মিঃ বাংকাৰৰ চিঠিখনৰ মূল অংশখিনি আছিল এনেদৰে ঃ

Dear Mr. Kakati,

It is a distinct pleasure for me, on behalf of my Government to extend to you a most cordial invitation to visit the United States of America on a grant under our Educational Exchange program, for the purpose of visiting journalistic institutions and newspaper offices and observing at first hand American cultural institutions.

I sincerely hope you will be able to accept the invitation and request you, if so, please to confirm your acceptance.

The United States Information Service, 7, Chowringhee Road, Calcutta-13 and the American Consulate General, Calcutta have been notified by the invitation. The Cultural Affairs Officer and the Consular Officer will be happy to arrange for your travel, for the issuance of visa and for any other assistance you may require. It would be helpful if you get in touch with them as soon as possible.

It is my hope that your travel and observation in America may be of genuine help to you in carrying out your important work here in India. I know that, in turn, you will help our American newspaper men to have a better understanding of life in India, particularly in your own field....'

[ চিঠিখন নিউ দিল্লীৰ ৰাষ্ট্ৰদূত কাৰ্যালয়ৰ ১১ এপ্ৰিলৰ। ]

মই নিমন্ত্ৰণ গ্ৰহণ কৰি ৰাষ্ট্ৰদূতজনৰ পৰামৰ্শ মতে কলিকতাস্থ কন্‌চাল জেনেৰেল আৰু ইউনাইটেড্ ষ্টেটচ্ ইনফৰমেচন কাৰ্যালয়ক চিঠিৰে জনাও। এসপ্তাহৰ ভিতৰত তেওঁলোকৰ পৰা ভ্ৰমণৰ দিনবাৰ জানিবলৈ পাওঁ মানে তেওঁলোকে মোৰ ভ্ৰমণ দুমাহৰ কাৰণে (১৯৬০ চনৰ ১ জুনৰ পৰা ৩১ জুলাইলৈ) ধাৰ্য কৰিছিল। মই যাতে ২৭ মেইত কলিকতা পাওঁ, তাৰ বাবেও অনুৰোধ কৰিছিল। পাছপ'ৰ্ট আৰু ভিছাৰ সমস্যা মোৰ নাছিল, কাৰণ ১৯৫৯ চনত বৃটেইন ভ্ৰমণৰ সময়ত লোৱা পাছপ'ৰ্টখনৰ ম্যাদ তিনি বছৰলৈ আছিল; ভিছা আদি কনচাল জেনেৰেলে প্ৰস্তুত ৰখাৰ কথা মোক জনাইছিল। মাত্ৰ অলপ

বিদেশী মুদ্ৰা ৰিজাৰ্ভ বেংকৰ পৰা যোগাৰ কৰিছিলো, যদিও মোৰ ভ্ৰমণ থকা-মেলাৰ যাৱতীয় খৰচ মাৰ্কিন চৰকাৰে বহন কৰিছিল। কোৱা বাহুল্য যে মাত্ৰ ১৪ মাহৰ ভিতৰতে যে মই দুখন বিদেশ ৰাজ্য ভ্ৰমণ কৰিবলৈ নিমন্ত্ৰণ পাইছিলো তাত মোৰ শুভাকাংক্ষী বন্ধু-বান্ধৱৰ মাজত কিছু আলোড়ণৰ সৃষ্টি হৈছিল ; কাৰণ তেতিয়ালৈ কোনো অসমীয়া সাংবাদিকে তেনে আমন্ত্ৰণ পোৱা নাছিল। মই নিজে পৰম আনন্দ পাইছিলো হয়, তথাপি মই অনুভৱ কৰিছিলো যে সেইয়া আছিল অসমৰ সাংবাদিক আৰু সংবাদপত্ৰৰ প্ৰতি এটা স্বীকৃতি।

মই ২৭ মেইত গুৱাহাটীৰ পৰা গৈ কলিকতা পাওঁ আৰু তাত তিনিদিন আমেৰিকান কন্‌চাল জেনেৰলৰ সৈতে মোৰ ভ্ৰমণ-সূচী আদিৰ বিষয়ে আলোচনা কৰো, ভিছা লওঁ আৰু তাৰ বিষয়া মিঃ বাৰ্নেট, মিঃ ইম্‌ৰিক, মিঃ ফ্ৰাংক আৰু ভাৰতীয় কৰ্মচাৰীসকলৰ সৈতে আমেৰিকাৰ বতৰ আদিৰ বুজ লওঁ আৰু ৩১ মেইৰ মাৰ্জনিশা প্যান এমেৰিকান (Pan Am) বিমান সেৱাৰে ৱাছিংটন অভিমুখে যাত্ৰা কৰো। কিন্তু মোৰ লগত এইবাৰ কোনো ভাৰতীয় সাংবাদিক নাছিল। সেই কাৰণে কিছু অকলশৰীয়া বোধ কৰিছিলো, বোধ কৰিছিলো যদিও, বিদেশ ভ্ৰমণৰ মাদকতা তথা আমেৰিকা ভ্ৰমণে মোক আনন্দ দি আছিল।

যিখন বিমানত গৈছিলো সেই বিমানখন কৰাচী, কাইৰো, বেৰুট, ইস্তানবুল, মিউনিক, ফ্ৰেঙ্কফ'ৰ্ট আৰু লণ্ডন হৈ ৱাছিংটনলৈ গৈছিল। কৰাচী বিমান কোঠত আধা ঘণ্টা ৰৈছিল কিন্তু তাত এটা অভিজ্ঞতা হৈছিল যি অভিজ্ঞতা আন বিমানকোঠকিটাত পোৱা নাছিলো। কৰাচীত আমি ভাৰতীয় যাত্ৰীকিজন অবতৰণ কৰাৰ লগে লগে এজন পাকিস্তানী বিষয়াই আমাৰ পাছপৰ্টকিটা লৈ গৈছিল অথচ শ্ৰীলংকা, থাইলেণ্ড আদিৰ যাত্ৰী কিজনৰ পাছপৰ্ট তেনেদৰে নিয়া নাছিল। আমি তাৰ কাৰণ প্ৰশ্ন কৰাত বিষয়াজনে আমাক জানিবলৈ দিছিল যে বিমান যাত্ৰাৰ সময়ত পাছপ'ৰ্টবোৰ আমাৰ হাতত দিব।

এই সকল ঘটনাৰ পৰা এটা কথা ওলাই পৰিছিল যে ভাৰত-পাকিস্তানৰ মাজত ১৯৪৭ চনৰ পৰা যেন এটা বৈৰীভাব চলি আছিল। প্ৰকৃতো যিদিনা কৰাচীত বিমানৰ পৰা অবতৰণ কৰোঁতে এখন বৈৰী

দেশৰ ভূমিত নমা যেন অনুভৱ কৰিছিলো। ভাৰত-বিভাজনৰ ফলত উদ্ভৱ হোৱা এই ভাবটো বৰ্তমান সময়তো আছে তাকে বোধ হয় অস্বীকাৰ কৰিব নোৱাৰি।

নিৰ্দিষ্ট ভ্ৰমণ-সূচী মতে পহিলা জুনৰ মাজনিশা ৱাছিংটন বিমান বন্দৰত উপস্থিত হওঁ। দীঘলীয়া উৰণ বিশেষকৈ লণ্ডনৰ পৰা ৱাছিংটনলৈ সেই সময়ত যে একেৰাহে আঠ ঘণ্টা যাব লগা হৈছিল তাত ভাগৰুৱা হৈ পৰিছিলো। কিন্তু বিমান কোঠত বহিঃক্ৰমা মন্ত্ৰণালয়ৰ বিষয়া মিঃ ফ্ৰষ্ট (Mr Frost) আৰু তেওঁৰ পত্নীয়ে মোক আদৰি নিবলৈ অহাত মোৰ ক্লান্ত শৰীৰ আৰু মনে সকাহ পাইছিল। বিমান কোঠৰ পৰা কানেকটিকাট এভিনিউৰ উইণ্ডচৰ পাৰ্ক হোটেললৈ যি হোটেলত মোৰ থকাৰ বন্দবস্ত কৰিছিল তালৈ যোৱাৰ পথত মানে প্ৰায় আধাঘণ্টা সময়ত মিচেছ ফ্ৰষ্টে মটৰ গাড়ীত যিকিটা প্ৰশ্ন কৰিছিল তাক আজিও পাহৰা নাই। মিচেছ ফ্ৰষ্টে কৰা প্ৰথম প্ৰশ্নটো আছিল মোৰ ল'ৰা-ছোৱালীৰ সংখ্যা সম্পৰ্কে। মোৰ দুটা ল'ৰা আৰু চাৰিজনী ছোৱালী থকা বুলি কোৱাত মিচেছ ফ্ৰষ্ট আচৰিত হৈছিল, কিন্তু তেওঁক জানিবলৈ দিছিলো যে তুলনামূলকভাবে মোৰ সন্তান-সন্ততি বৰ বেছি নহয়। লগতে জানিবলৈ দিছিলো যে মোৰ পত্নীৰ ছজনী বায়েক-ভনীয়েক আৰু ছজন ভাই-ককায়েক আছে। তেওঁ 'Oh God, a dozen children! বুলি মিচেছ ফ্ৰষ্ট আশ্চৰ্য প্ৰকাশ কৰিছিল। ভাৰতৰ জনসংখ্যাৰ বিষয়টো যে আমেৰিকাবাসীৰ মনত এটা আতংকৰ বিষয় তাক মই ভ্ৰমণকালত বিভিন্ন অনুষ্ঠান আৰু ব্যক্তিৰ লগত আলাপ কৰোতে জানিব পাৰিছিলো। [এই বিষয়ে বিতং বিৱৰণ পৰৱৰ্তী কোনো এটা নিবন্ধত।]

মিচেছ ফ্ৰষ্টৰ আন প্ৰশ্নটোও আমোদজনক আছিল। ভাৰতীয় হিন্দু তিৰোতাই যে কপালত সেন্দুৰ লয়, তাৰ অৰ্থ জানিবলৈ তেওঁ বিচাৰিছিল। এই প্ৰথাৰ বিষয়ে মোৰ জ্ঞান সীমিত হোৱাৰ কাৰণে বহলাই ক'ব নোৱাৰিলো; মাত্ৰ হিন্দু বিবাহিতা তিৰোতাৰ সেন্দুৰৰ ফোঁট লোৱা এটা ধৰ্মীয় প্ৰথা অৰ্থাৎ বিয়াৰ দিনা সেই ফোঁট লোৱা হয় বুলি তেওঁক জানিব দিছিলো। মুছলমান তিৰোতাই তেনে ৰঙা

কোঁট কিয় নলয় তাৰ কাৰণ জানিবলৈ মিচেছ ফ্ৰুল্টে মোৰ পৰা বিচাৰিছিল, কিন্তু তাৰ উত্তৰ দিবলৈ মোৰ অসমৰ্থতা প্ৰকাশ কৰিছিলো। অৱশ্যে মিঃ ফ্ৰুল্টে ঘৈণীয়েকক Our guest is very tired, Dont trouble him with silly questions. বুলি কৈ মিচেছ ফ্ৰুল্টক সাবধান কৰিছিল। মই পিছত জানিব পাৰিছিলো যে এই বিষয়াসকল বা তেওঁলোকৰ পত্নীসকলে ভাৰতীয় অতিথিক কিছুমান আচহুৱা প্ৰশ্ন কৰে।

মাজনিশা হোটেল পাই মোৰ চুটকেছটো ওপৰলৈ নিয়াৰ বাবে তাৰ আলধৰা লৰাটোক মই আমাৰ ভাৰতীয় মূল্যমান মতে পঞ্চাশ পইচাৰ সমান চেন্ট দিছিলো। তেনে কামৰ কাৰণে কিমান পইচা অৰ্থাৎ Tip আমেৰিকাত দিব লাগে সেই বিষয়ে মোৰ কোনো ধাৰণা নথকাত ভাৰতীয় মানদণ্ডমতে পঞ্চাশ পইচা যাচিছিলো। কিন্তু লৰাটোৱে বাওহাতেৰে লৈ মোক কৈছিল, 'This is no money in America' তেতিয়া মোৰ বুজিবলৈ বাকী নাছিল যে বিশ্বৰ অতি চহকী দেশ আমেৰিকাত যে Tip হিচাপে অন্ততঃ পাঁচটকাৰ কম নহয়।

পিছদিনা (পহিলা জুন) মই ৱাছিংটনত বৈদেশিক বিভাগৰ সংশ্লিষ্ট শাখালৈ গৈ মোৰ দুমহীয়া ভ্ৰমণৰ কাৰ্যসূচী প্ৰস্তুত কৰো। প্ৰথম দহদিন কিন্তু ৱাছিংটনৰ বিভিন্ন ঠাই ৱাছিংটন ইন্টাৰনেচনেল চেণ্টাৰ, নেচনেল প্ৰেছ ক্লাব, হোৱাইট হাউচৰ চৌহদ দৰ্শন, জৰ্জ ৱাছিংটনৰ জন্মস্থান মাউণ্ট ভাৰ্ণন, ৱাছিংটন নেচনেল চিমেটাৰী, লিন্‌কন আৰু জাফাৰচন মেমোৰিয়েল, নেচনেল জুলজিকেল পাৰ্ক, তাৰ পিছত বালিমোৰ চহৰ, চিকাগো, নৰ্থ ডাকোটা, বোষ্টন, ডেট্ৰইট, নিউইয়ৰ্ক আৰু চানফ্ৰান্সিস্কো ভ্ৰমণ অন্তৰ্ভুক্ত কৰা হৈছিল। ৱাছিংটনস্থ ইন্টাৰনেচনেল চেণ্টাৰত বিদেশৰ পৰা নিমন্ত্ৰিত ব্যক্তিসকলক প্ৰায় এসপ্তাহকাল আমেৰিকাৰ ৰাজনীতি, অৰ্থনীতি, সংস্কৃতি আদি বিষয়ত আমেৰিকাৰ বিশেষজ্ঞসকলে সুদীৰ্ঘ বক্তৃতা দিয়ে। এটা কথা উল্লেখ কৰা প্ৰয়োজন যে আমেৰিকালৈ তাৰ চৰকাৰে সাংবাদিক, অধ্যাপক, ৰাজনীতিত থকা লোকক ব্যক্তিগতভাৱে নিমন্ত্ৰণ কৰিছিল, মানে বৃটেইনে ১৯৫৯ চনত আমাৰ তিনিজন ভাৰতীয় সাংবাদিকক দল হিচাপে কৰা নিমন্ত্ৰণ নাছিল। আমেৰিকাত ব্যতিক্ৰম দেখিছিলো। কিন্তু ৱাছিংটন

ইণ্টাৰনেচনেল চেণ্টাৰত ভাৰতৰ বিভিন্ন ঠাইৰ পৰা আমন্ত্ৰিত ব্যক্তি-কিজনক লগ পোৱা যায়। উৰিষ্যাৰ জানকি বল্লভ পাটনায়ক (সেই ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী) আৰু পূব পাকিস্তান তথা বৰ্তমান বাংলাদেশৰ ৰাজচাহী চৰকাৰী কলেজৰ অধ্যক্ষ চামাচুজ্জমানক তাত লগ পাইছিলো। পাটনায়ক সেই সময়ত কটকৰ পৰা প্ৰকাশিত এখন উৰিয়া কাকতত সহকাৰী সম্পাদক আছিল। অধ্যক্ষ চামাচুজ্জামান পূৰ্বতে (১৯৩৭-৪৪) কটন কলেজত অধ্যাপক আছিল। তেওঁৰ গুৱাহাটীৰ কটন কলেজৰ প্ৰতি থকা মোহ হেনো পাহৰিব পৰা নাই। তেওঁ কৈছিল, ‘কটন কলেজখন মোৰ আপোন যেন লাগে’।

তিনি জুনত ৱাছিংটনস্থ নেচনেল প্ৰেছ ক্লাবত দুপৰীয়া আহাৰলৈ নিমন্ত্ৰণ পাইছিলো। এই ক্লাবত বিশ্বৰ ভি-আই-পি যেনে ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী বা তেনে পদবীৰ লোক আমেৰিকালৈ গলে ক্লাবত দুপৰীয়াৰ আহাৰৰ ব্যৱস্থা কৰা হয় আৰু প্ৰায় ডেৰশমান সাংবাদিক আৰু বিশিষ্ট অতিথি তাত উপস্থিত হয়; উপস্থিত হৈ ভি-আই-পিৰ পৰা কোনো বিষয়ে জানিবলৈ সুযোগ পায়। সিদিনাৰ দুপৰীয়াৰ ভোজত উপস্থিত আছিল পাকিস্তানৰ বিদেশ মন্ত্ৰী মনজুৰ কোৱাদিৰ, থাইলেণ্ডৰ ৰাষ্ট্ৰদূত আৰু ছিয়াটোৰ সচিব-প্ৰধান। কিন্তু কোৱাদিৰ চাহাবেহে তাত বক্তৃতা দিছিল আৰু তেওঁৰ বক্তৃতাৰ বিষয়বস্তু আছিল: পাকিস্তানে ছিয়াটো (SEATO) আৰু নেটোত (NATO) কিয় যোগ দিছে? পাকিস্তানৰ বিদেশ-মন্ত্ৰীজনৰ বক্তৃতা কিন্তু বৰ তথ্যপূৰ্ণ আছিল আৰু কৈছিল যে যিহেতু পাকিস্তান ৰাষ্ট্ৰ দুভাগ হৈ বিচ্ছিন্নভাবে অৱস্থিত, সেই কাৰণে পূব আৰু পশ্চিম পাকিস্তানৰ সম্ভাব্য বিদেশী ৰাষ্ট্ৰৰ আক্ৰমণৰ বিৰুদ্ধে যুঁজ দিবলৈ পাকিস্তানৰ নিজা সম্বল নাই আৰু সেই কাৰণে পাকিস্তানে ছিয়াটো আৰু নেটো গোষ্ঠী দুটাৰ সদস্য হৈছে। উপস্থিত সাংবাদিক সকলৰ প্ৰশ্নত তেওঁ নিজস্ব দৃষ্টিৰে উত্তৰ দিছিল।

কিন্তু মনজুৰ কোৱাদিৰ চাহাবৰ বক্তৃতাত এনে এটা ইংগিত পাইছিলো যেন ভাৰতবৰ্ষ পাকিস্তানৰ বৈৰী দেশ। মই বিদেশ ভ্ৰমণ কৰা সময়ত য'তে পাকিস্তানী ব্যক্তিক লগ পাইছিলো তাতে ভাৰত-পাকিস্তানৰ মাজত থকা বৈৰীভাৱৰ গোন্ধ পাইছিলো।

প্ৰসঙ্গক্ৰমে উল্লেখ কৰা প্ৰয়োজন যে বিখ্যাত নেচনেল প্ৰেছ ক্লাবত (এই ক্লাবটো ১৯০৮ চনত স্থাপিত হৈছিল) তেতিয়ালৈকে মানে ১৯৬০ চনলৈ কোনো মহিলা সাংবাদিকৰ প্ৰবেশ নাছিল; কোনো মহিলাই সাংবাদিকৰ অতিথি হিচাপেও যাব নোৱাৰিছিল যিদৰে আমাৰ বৰপেটা সত্ৰত নাৰীৰ প্ৰবেশ নিষেধ। বোধকৰো, নেচনেল প্ৰেছ ক্লাবৰ সেই নিয়ম সম্প্ৰতি উঠাই দিয়া হৈছে। কিন্তু মন কৰিবলগীয়া যে ১৭৮৯ চনত জৰ্জ ৱাছিংটন প্ৰথম ৰাষ্ট্ৰপতি হোৱাৰ দিনৰ পৰা বিগত দুশ বছৰ অৰ্থাৎ আজিকোপতি আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ পদত কোনো মহিলাই এই উচ্চতম পদটো পোৱা নাই। কিবা বাধা আছে নেকি নাজানো।

ৱাছিংটনত জৰ্জ ৱাছিংটন, লিন্‌কন, জেফাৰচনৰ প্ৰতিমূৰ্তিবোৰ দেখি মুগ্ধ হৈছিলো। এই স্মৃতি-স্তম্ভবোৰ যে কিমান যত্নেৰে নিৰ্মাণ কৰিছে! মোৰ তেতিয়া মনত পৰিছিল যে স্বাধীনতা যুদ্ধৰ সময়ত ভাৰতৰ জনতাই মোহনদাস কৰমচাঁদ গান্ধীক 'মহাত্মা' বুলি শ্ৰদ্ধা কৰিছিল আৰু 'মহাত্মাজী কি জয়' ধ্বনি দিছিল। স্বাধীনতা লাভৰ পিছত গান্ধীজীক 'জাতিৰ জনক' হিচাপে ৰাষ্ট্ৰীয় স্বীকৃতি দিয়া হ'ল। কিন্তু আজিলৈকে নতুন দিল্লীত গান্ধীজীৰ প্ৰতিমূৰ্তি এটা স্থাপন হোৱা নাই। ১৯৬৬ চনত মহাত্মাৰ প্ৰতিমূৰ্তি এটা পূৰ্বৰ পঞ্চম জৰ্জৰ প্ৰতিমূৰ্তি থকা ইণ্ডিয়া গেটত স্থাপন কৰাৰ সিদ্ধান্ত হৈছিল।

# ১৫

১৯৬৯ চনত মহাত্মাৰ জন্ম শতবাৰ্ষিকীত প্ৰতিমূৰ্ত্তিটো প্ৰতিষ্ঠা কৰাৰ প্ৰস্তাৱ হৈছিল। কিন্তু আজিও কামটো হৈ উঠা নাই, যদিও প্ৰতিমূৰ্ত্তিটো হেনো প্ৰস্তুত হৈ আছে। নতুন দিল্লীৰ ইণ্ডিয়া গেটত পূৰ্বে নিৰ্দ্ধাৰিত স্থানত প্ৰতিমূৰ্ত্তিটো প্ৰতিষ্ঠা কৰাৰ প্ৰশ্নত ইতিমধ্যে বাক্‌বিতণ্ডাৰ সৃষ্টি হৈছে। অথচ ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা দুকুৰি দুবছৰ হৈ গ'ল, নেহৰু আৰু ইন্দিৰা গান্ধীৰ নামত নানান অনুষ্ঠান নামকৰণ হ'ল। জৰ্জ ৱাছিংটন, এব্ৰাহাম লিন্‌কন আৰু টমাছ জাফাৰ্চনৰ স্মৃতি-চিহ্নবোৰ চাবলৈ যাওঁতে মোৰ এই কথাবোৰ মনত পৰিছিল। অৱশ্যে, মহাত্মাৰ সমাধিস্থল 'ৰাজঘাট' চৰকাৰে যথোপযুক্তভাৱে সংৰক্ষণ কৰাটো প্ৰশংসনীয় কাম হৈছে। কিন্তু গান্ধীজীৰ প্ৰতিমূৰ্তি কেতিয়াবা আৰু ক'ত প্ৰতিষ্ঠা কৰা হ'ব সেইয়া আজিও অনিশ্চিত হৈ আছে। আমাৰ দেশত 'মহাত্মা' আৰু 'জাতিৰ-জনক'ক গালি দিলেও শাস্তি নোপোৱা হ'ল; বৰঞ্চ, এনে সমালোচকক চৰকাৰে সন্মান কৰাৰ নজিৰ আছে। বিখ্যাত শিল্পী ঋত্বিক ঘটকে তেওঁৰ গ্ৰন্থ এখনত গান্ধীজীক 'The son of a pig' বুলি উল্লেখ কৰিছিল। আচাৰ্য কৃপালনিয়ে ১৯৬৯ তথা গান্ধীজীৰ জন্ম শতবাৰ্ষিকীৰ সময়ত গ্ৰন্থখন চৰকাৰে নিষিদ্ধ কৰিব লাগে বুলি সদনত দাবী কৰিছিল; কিন্তু নিষিদ্ধ নহ'ল। বৰঞ্চ, ঋত্বিক ঘটকক চৰকাৰে 'পদ্মশ্ৰী'ৰে সন্মানিত হে কৰিছিল। তাৰ প্ৰতিবাদ হৈছিল, কিন্তু চৰকাৰ নিৰ্বিকাৰ হৈ থাকিল।

ভাৰতৰ কিছুমান ঠাইত গান্ধীজীৰ প্ৰতিমূৰ্তি যেনে দিল্লীৰ সচিবালয়ৰ প্ৰাঙ্গণত আৰু গান্ধী মণ্ডপত গান্ধীজীৰ প্ৰতিমূৰ্তি সংস্থাপন কৰা আছে, কিন্তু তাক যি অৱস্থাত ৰখা আছে তাক দেখিলে দুখ হয়। গান্ধী মণ্ডপত স্থাপিত তেওঁৰ প্ৰতিমূৰ্তি হাবি বননিৰে আবৃত। ত্ৰিশ জানুৱাৰী মানে গান্ধীজীৰ মৃত্যু দিৱসত ঠাইখিনি চিকুণ কৰা হয় যদিও তাৰ পিছত অৱস্থা পূৰ্ববৎ হয়। ক্ষমতাত থকা নেতা-উপনেতাসকলে গান্ধীজয়ন্তীৰ দিনা তালৈ নাযায় অথচ প্ৰাথমিক বিদ্যালয় এখনৰ আধাৰ শিলা স্থাপন বা উদ্বোধনী উৎসৱলৈ মন্ত্ৰী-উপমন্ত্ৰীৰ সময়ৰ অভাৱ নহয়।

মোৰ বিদেশ ভ্ৰমণ কালত বৃটেইন আৰু আমেৰিকাৰ যুগস্ৰষ্টা পুৰুষসকলৰ স্মৃতিসৌধ যি যত্ন আৰু শ্ৰদ্ধাৰে সংৰক্ষণ কৰা দেখিছো সেই সময়ত আমাৰ মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তি ৰাষ্ট্ৰৰ ৰাজধানীত প্ৰতিষ্ঠা নকৰাৰ কথা মনলৈ আহিছিল। স্বাধীনতা লাভৰ দুকুৰি দুবছৰ পাৰ হৈ যোৱাৰ পিছতো এই কামটো হৈ উঠা নাই, অথচ ইয়াতকৈ কম গুৰুত্বপূৰ্ণ কাম-কাজত চৰকাৰে অজস্ৰ ধন খৰচ কৰিছে বা মনোযোগ দিছে। প্ৰকৃততে এইয়া এটা সাঁথৰ যেন লাগে।

আমেৰিকাত মোৰ দুমাহজোৰা ভ্ৰমণৰ প্ৰথম দহদিন মই ৱাছিংটনত কটাইছিলো। এই দহদিনৰ কাৰ্যক্ৰম গৱৰ্ণমেণ্ট এফেয়াৰ্চ ইন্‌ষ্টিটিউটৰ বিষয়া মিঃ মেল্‌ভিন বাৰঘেইমে ( Mr. Melvin Bergheim ) প্ৰস্তুত কৰি ৰাখিছিল। সেই মতে দেওবাৰৰ বাহিৰে বাকীকেইদিন ৱাছিংটন ইণ্টাৰনেচনেল চেণ্টাৰ অৱ দ্যা এমেৰিকান কাউন্সিল অব এডুকেচনৰ কাৰ্যালয়ত বিশেষজ্ঞ বিষয়াই আমেৰিকাৰ ৰাজনীতি, অৰ্থনীতি, উদ্যোগ, কৃষ্টি আদি বিভিন্ন বিষয়ত বক্তৃতা দিছিল। কোৱা বাহুল্য যে মাৰ্কিন চৰকাৰৰ দ্বাৰা নিমন্ত্ৰিত সাংবাদিক, অধ্যাপক, লেখক আৰু শ্ৰমিক-নেতা সেই কাৰ্যালয়ত উপস্থিত হৈছিলো। আমি প্ৰায় বিশজন উন্নয়নশীল দেশৰ পৰা যোৱা ব্যক্তি আছিলো। বক্তৃতাৰ পিছত 'প্ৰশ্ন আৰু উত্তৰ'ৰ ব্যৱস্থা আছিল আৰু আলোচনা ৰসাল আছিল, কিন্তু আমি অভ্যাগত ব্যক্তিসকলক নিজ নিজ দেশৰ বিষয়ে প্ৰশ্ন কৰা নাছিল, তেনে প্ৰশ্ন বিভিন্ন ঠাইত আমি দিব লগা হৈছিল।

এদিন দেওবাৰে ৱাছিংটন জুলজিকেল পাৰ্কখন চাবলৈ যাও। মোৰ লগত এজন আমেৰিকান বিষয়া গৈছিল। এই পাৰ্কখন আমেৰিকাৰ ৩২খন পাৰ্কৰ অন্যতম আৰু ৬৪ একৰ মাটি সামৰি আছে য'ত ১২৫ বিধ বন্যপ্ৰাণী সেই সময়ত ৰখা আছিল। প্ৰতিদিনে হেনো প্ৰায় দহ-হেজাৰ লোক পাৰ্কখন চাবলৈ গৈছিল, অৱশ্যে কোনো প্ৰৱেশমূল্য নাছিল।

স্বাভাৱিকতে পাৰ্কত ৰখা অসমৰ একশিঙীয়া গঁড় আৰু হাতীটো মোৰ প্ৰথমতে চকুত পৰিছিল। চুডানৰ পৰা সংগৃহীত দুটা বগা গঁড় আৰু আফ্ৰিকাৰ দুটা হাতীও তাত দেখিছিলো। কিন্তু বন্যপ্ৰাণী হ'লেও অসমৰ গঁড় আৰু হাতীটোৰ প্ৰতি মোৰ এটা মৰম হোৱা যেন অনুভূতি হৈছিল মানে বিদেশত বন্যপ্ৰাণী আৰু মানুহৰ হৃদয়ৰ সম্বন্ধৰ গোন্ধ। কোৱা বাহুল্য যে অসমৰ তথা কাজিৰঙাৰ একশিঙীয়া গঁড়টো চাবলৈ দৰ্শকৰ ভিৰ দেখিছিলো। এশিঙীয়া গঁড় চাবলৈ বিদেশৰ পৰ্যটক কাজিৰঙালৈ অহাৰ কাৰণ বুজিব পাৰিছিলো।

ৱাছিংটন জুলজিকেল পাৰ্কত ৰখা অসমৰ গঁড়টোৰ নাম আছিল 'তৰুণ'। মোৰ লগত থকা মাৰ্কিন বিষয়াজনে 'তৰুণ' নামটোৰ অৰ্থ জানিবলৈ বিচৰাত মই youth বুলি বুজাই দিছিলো। তাৰ লগত বিষয়াজনে মোক এনে কেইটামান প্ৰশ্ন কৰিছিল যে তাৰ উত্তৰ দিবলৈ মই টান পাইছিলো। ভাৰতবৰ্ষত হিন্দুসকলৰ নামবোৰ দেৱ-দেৱীৰ নামত কিয় ৰখা হয় তাক জানিবলৈ বিচাৰিছিল আৰু জানিবলৈ বিচাৰিছিল মোৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় উপনামৰ অৰ্থ। মই মোৰ তথাকথিত পাণ্ডিত্য দেখুৱাই প্ৰশ্নকেইটাৰ শুদ্ধই হওক বা অশুদ্ধই হওক উত্তৰ দিছিলো। অৱশ্যে তেওঁক জানিবলৈ দিছিলো যে হিন্দুৰ বাহিৰেও ভাৰতত মুছলমান সম্প্ৰদায়ৰ লোকেও তেওঁলোকৰ গুৰু বা ঈশ্বৰৰ নামত যেনে আল্লাউদ্দিন, খোদাবক্স, হাৰুণ-অল-ৰচিদ নাম আদি থয়। বিদেশৰ মানুহে ভাৰতবৰ্ষৰ সম্পৰ্কে এনে কেতবোৰ প্ৰশ্ন কৰে যে তাত বৰ অস্বস্তিকৰ বোধ কৰা যায়, কিন্তু মোৰ দৰে ব্যক্তিয়ে গৱেষণাৰ ছাত্ৰৰ ভাও ধৰাৰ বাহিৰে কোনো বিকল্প ব্যৱস্থা নাথাকে। [ ইয়াৰ আগৰ নিবন্ধ এটাত হিন্দু নাৰীয়ে কপালত সেন্দুৰৰ ফোঁট কিয় লয় তেনে প্ৰশ্নৰ উল্লেখ কৰিছো। ]

সিদিনা মোৰ মনত পৰিছিল অসমৰ এজন প্ৰাক্তন ৰাজ্যপাল জয়-ৰামদাস দৌলতৰামৰ (১৯৫০-১৯৫৬) কথা। এই ৰাজ্যপালজনৰ লগত প্ৰচাৰ বিষয়া হিচাপে মই ভ্ৰমণ কৰিছিলো। তেওঁ যিখন গাওঁ বা চহৰলৈ গৈছিল, সেই গাওঁ বা চহৰৰ নামৰ অৰ্থ জানিবলৈ বিচা-ৰিছিল। মইও গজামিল বিধৰ উত্তৰ দিব লগা হৈছিল। অবিভক্ত গোৱালপাৰা জিলাৰ উপায়ুক্তৰ পদত থাকোতে খনীন্দ্ৰ চন্দ্ৰ বৰুৱা-দেৱেও 'ধুবুৰী', 'গোসাইগাওঁ', 'দেওশ্ৰী', ভোটান-বঙ্গদেশ-অসমৰ সঙ্গমত থকা 'যমদুৱাৰ' আদি ঠাইৰ নাম ৰাজ্যপালক বুজাই দিব লগা হৈছিল। সি যি কি হওক, আমেৰিকাৰ ভ্ৰমণ কালত মই এনে কিছুমান প্ৰশ্নৰ উত্তৰ দিছিলো যিবোৰ আংশিকভাৱেহে বোধহয় শুদ্ধ আছিল, কিন্তু I am sorry বুলি মই মোৰ অসমৰ্থতা প্ৰকাশ কৰা নাছিলো।

মই আৰু উন্নয়নশীল দেশৰ পৰা যোৱা ব্যক্তিসকলে ৱাছিংটন ইন্টাৰনেচনেল চেন্টাৰত কেবাটাও ৰসাল বক্তৃতা শুনিছিলো। তাৰ ভিতৰত মিঃ পিটাৰ ফ্ৰষ্টৰ ( Mr. Peter Frost ) বক্তৃতাৰ মৰ্ম আজিও পাহৰা নাই। তেওঁ দিয়া বক্তৃতাৰ মূল কথাকেইটা আছিল এনে ধৰণৰ ঃ আমেৰিকাবাসীৰ ঘৰুৱা জীৱন তেওঁৰ ভাষাত split up। তেওঁ বুজাই দিছিল যে তাৰ ফলত আমেৰিকাবাসীৰ ধ্যান-ধাৰণাত কোনো আঞ্চলিকতাবাদ নাই, তাৰ পৰিবৰ্তে আছে ৰাষ্ট্ৰীয়তাবাদ। কৃষিপ্ৰধান দেশবোৰৰ দৰে আমেৰিকাবাসী স্থবিৰ নহয়, গতিশীল অৰ্থাৎ Mobile বুলি কৈছিল আৰু এই গতিশীলতাৰ মূল কাৰণ, তেওঁৰ মতে দুটা-এটা অত্যন্ত আধুনিক ৰাস্তা-ঘাট আৰু আনটো মটৰ গাড়ীৰ প্ৰচলন মানে সেই সময়ত আমেৰিকাৰ ১৮ কোটি জনসংখ্যাৰ ভিতৰত ছয়কোটি লোকৰ নিজা মটৰ গাড়ী আছিল। বৰ্তমান সময়ত জন-সংখ্যা অনুপাতে মটৰ গাড়ীৰ সংখ্যা নিশ্চয় বাঢ়িছে। বোধহয় সেইদৰে বাঢ়িছে আন সামগ্ৰীৰ ব্যৱহাৰ। মিঃ ফ্ৰষ্টে কৈছিল যে ঔদ্যোগিক বিপ্লৱে আমেৰিকাৰ সমাজ-সংস্কৃতিৰ আকাৰ-প্ৰকাৰ অভাৱনীয়ভাৱে পৰিবৰ্তন কৰিছে। সেই সময়ত লোকসংখ্যাৰ অনুপাতে আছিল শতকৰা ৮০ জন নগৰবাসী আৰু বিশ শতাংশ গ্ৰামীণ, কিন্তু এই বিশ শতাংশৰ ন শতাংশ কৃষক মানে farmers। কৃষক আৰু ফাৰ্মাৰৰ ভিতৰত এটা প্ৰভেদ তেওঁ বুজাই দিছিল যে উন্নয়নশীল দেশবোৰত কৃষক এজনে কেৱল খেতি কৰে, আন কোনো ব্যৱসায়ভিত্তিত বৃত্তি নলয়, কিন্তু

আমেৰিকা আৰু আন উন্নত দেশবোৰত এজন কৃষকে এখন ফাৰ্ম বা পাম গঢ়ি তোলে য'ত খীৰতী গাই বা খাদ্যৰ বাবে গৰু আৰু হাঁহ কুকুৰাৰ পাম পাতে। কৃষক আৰু ফাৰ্মাৰৰ প্ৰভেদটো মই তেতিয়াহে বুজিব পাৰিছিলো।

বৰ আচৰিত কথা যে আমেৰিকাত গ্ৰামীণ লোকসংখ্যা যদিও শতকৰা হাৰত ২০ জন তাৰ ন শতাংশ খেতিয়কে যন্ত্ৰচালিত পদ্ধতিৰে ইমান খাদ্যবস্তু উৎপাদন কৰে যে আমেৰিকাৰ উৎপাদিত ঘেঁহু আৰু আন খাদ্য সামগ্ৰী পৃথিবীৰ বহুত দেশলৈ ৰপ্তানি হয়। পঞ্চম দশকত আমেৰিকাৰ ৪৮০ পি-এল আঁচনিমতে ভাৰতে ঘেঁহু আমদানী নকৰা হলে খাদ্য সংকটৰ জোৰা মৰা অসম্ভৱ আছিল। বৰ্তমান ভাৰতবৰ্ষই খাদ্য-উৎপাদনত স্বাৱলম্বী হৈছে, কিন্তু ৰপ্তানি আশাতীতভাৱে বৃদ্ধি কৰিব পৰা নাই।

মিঃ ফ্ৰন্টে কৈছিল যে আমেৰিকাৰ ঔদ্যোগিক বিকাশ বা বিপ্লৱ আমেৰিকাবাসীয়ে দুশ বছৰত কৰা অসীম পৰিশ্ৰমৰ প্ৰতিফলন যাৰ ফলত বিশ্বৰ লোকসংখ্যাৰ ভিতৰত আমেৰিকাৰ লোকসংখ্যা মাত্ৰ চাৰি শতাংশ যদিও, বিশ্বৰ সম্পদৰ ৪০ শতাংশ আমেৰিকাবাসীৰ হাতত। অৱশ্যে তাৰ ফলত তেওঁৰ দেশত এনে এটা সামাজিক শৃংখলা (social order) গঢ়ি উঠিছে যাৰ ফলত সমাজত কিছুমান পৰিবৰ্তন ঘটিছে। তেনে পৰিবৰ্তন কৃষিপ্ৰধান দেশবোৰত হোৱা নাই। আমেৰিকাৰ অৰ্থনীতি ব্যক্তিগত কিন্তু অত্যন্ত সংগঠিত। তেওঁ এই বিষয়ে এটা সূত্ৰ আমাক বিশ্লেষণ কৰি কৈছিল যে আমেৰিকাৰ অৰ্থনীতি তথা সমাজ-নীতি ব্যক্তিপ্ৰধান—তেওঁৰ ভাষাত 'I-ness' —যিটো কৃষিপ্ৰধান দেশত সমাজ আৰু অৰ্থনীতিত 'We-ness' আছে তথা গাওঁবোৰৰ এটা নিজস্ব স্থিতি আছে। কিন্তু মিঃ ফ্ৰন্টে ইয়াকো কৈছিল যে আমেৰিকাৰ সমাজ ব্যক্তিকেন্দ্ৰিক যদিও, পৰিয়ালবৰ্গৰ সম্বন্ধ বিচ্ছিন্ন নহয়, মাত্ৰ সাবালকত্ব পোৱাৰ পিছত ল'ৰাই হওক বা ছোৱালীয়ে হওক আত্ম-নিৰ্ভৰশীল হবলৈ ধৰে। কিন্তু সাবালক নোহোৱা পৰ্যন্ত ল'ৰা-ছোৱালীৰ শিক্ষা, ভৰণ-পোষণ মাক-দেউতাকৰ দায়িত্ব।

আলোচনাৰ কালত আমি বুজিব পাৰিছিলো যে আমেৰিকাবাসী কোনো কামৰ কাৰণে চৰকাৰমুখী নহয়। তেওঁলোকে চাকৰি, ব্যৱসায়

আৰু আন ক্ষেত্ৰত নিজৰ যোগ্যতাৰ ওপৰত নিৰ্ভৰ কৰে। পিছত নতুনকৈ নিৰ্বাচিত মাকিন ৰাষ্ট্ৰপতি জন কেনেডীয়ে ৰাষ্ট্ৰপতিৰ পদ গ্ৰহণ কৰাৰ দিনা ভাষণৰ একাংশ মোৰ মনত পৰিছিল। তেওঁ আমেৰিকাবাসীক সম্বোধন কৰি কৈছিল ঃ Ask not what your country can do for you—ask what you can do for you ? —হে আমেৰিকাবাসী তোমালোকৰ ৰাষ্ট্ৰই তোমালোকৰ কাৰণে কি কৰিব পাৰে সেই প্ৰশ্ন নকৰিবা, তোমালোকে ৰাষ্ট্ৰৰ কাৰণে কি কৰিব পাৰা সেই প্ৰশ্ন কৰিবা। আমাৰ দেশত কিন্তু তাৰ সম্পূৰ্ণ বিপৰীত পৰিস্থিতি দেখা যায়। এখন প্ৰাথমিক বিদ্যালয় স্থাপনৰ পৰা গ্ৰামীণ এলেকাত সাধাৰণ আলি বন্ধালৈকে আমাৰ ৰাইজ চৰকাৰৰ ওপৰত নিৰ্ভৰশীল। সেই কাৰণেই বোধহয় আমাৰ দেশৰ অৰ্থনৈতিক গতিশীলতা মন্থৰ হৈ আছে, অথচ চীন আৰু ভাৰতবৰ্ষ যি দুখন বিশ্বৰ ভিতৰত সববৃহৎ দেশ আৰু যি দুখন দেশ সমসাময়িকভাৱে দেশ গঠনৰ কামত ব্ৰতী হৈছিল এই দেশ দুখনৰ মাজৰ অৰ্থনৈতিক অৱস্থাৰ মাজত প্ৰভেদ হৈ আছে। কলিকতা আৰু কেণ্টন চহৰৰ মাজৰ আকাশীযানৰ ভ্ৰমণ এদিনৰ সময়তকৈও কম অথচ কলিকতা চহৰত পথত গৃহহীন লোকৰ অৱস্থা আৰু কেণ্টন চহৰৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ছবিখন দেখিলে আমাৰ দেশৰ প্ৰগতিৰ মন্থৰ গতি চকুত পৰে। চীনত কমিউনিষ্ট ব্যৱস্থাৰ কাৰণে তাৰ প্ৰগতি বুলি তৰ্ক কৰিব পাৰি, কিন্তু আমেৰিকাৰ দৰে অ-কমিউনিষ্ট দেশত যে গৰীব লোক নোহোৱা হৈছে তাক আমি চিন্তা কৰা প্ৰয়োজন। চহৰত মাৰুতি গাড়ীৰ সংখ্যাই দেশৰ প্ৰগতি নুবুজায়। ভাৰতৰ জনসাধাৰণে খোৱা পানীৰ উপযুক্ত যোগান আৰু এটি থকা ঘৰ পাইছেনে সেইয়া ডাঙৰ প্ৰশ্ন। মোৰ স্মৃতি-বিচিত্ৰা বৰ্ণনা কৰোতে এনেবোৰ কথা উল্লেখ কৰা প্ৰাসংগিক হৈছে নে নাই মই কব নোৱাৰো, বিদেশ ভ্ৰমণত কিন্তু নিজ দেশৰ পৰিস্থিতি মনত পৰে আৰু আত্ম-সমালোচনা কৰাৰ প্ৰবণতা জন্মে।

আমেৰিকাৰ চৰকাৰ আৰু নাগৰিকে যি কোনো প্ৰতিযোগিতাক ভয় নকৰে বুলি মিঃ পিটাৰ ফ্ৰেষ্টে আমাক জানিবলৈ দিছিল, কাৰণ প্ৰতিযোগিতাই ব্যক্তিক বেছি কৰ্মশীল কৰে। তেওঁৰ ভাষাত ঃ A man in America is not afraid of competition because he is

not idle but a hard-worker man is not basically idle, but he is victim of conditions. In an agricultural country he is a victim of land system. if the conditions are changed and patterned according to change of time, then men will be prosperous. কিন্তু তেওঁ ইয়াকো কৈছিল যে আমেৰিকাবাসী বিশ্বৰ ভিতৰত আটাইতকৈ চহকী আৰু তাৰ মূল কাৰণ আমেৰিকাৰ অৰ্থনীতি আৰু কৌশল অথচ আমেৰিকাবাসী যেন সুখী নহয় যাৰ ফলত বহুত যুৱক-যুৱতীয়ে ভাবতলৈ হিপ্পী হৈ যায়--শান্তি বিচাৰি !

আন এদিন ইন্টাৰনেচনেল চেন্টাৰত এজন ইংৰাজ অধ্যাপকে বক্তৃতা দিছিল। বক্তৃতাৰ বিষয়বস্তু আছিল ঃ Why do not American young people care about politics ? বিষয়বস্তুটো আমাৰ কাৰণে আচহুৱা যেন আছিল, কাৰণ আমি ভাবিছিলো যে আমাৰ দেশত যিদৰে যুৱকসকলে ছাত্ৰাৱস্থাৰ পৰা ৰাজনীতি মানে সক্ৰিয় ৰাজনীতিত ভাও দিবলৈ ধৰে, আমেৰিকাৰ যুৱক আৰু ছাত্ৰ সম্প্ৰদায়ে ৰাজনীতিত সক্ৰিয় হবলৈ বিচাৰে। আমাৰ এই ধাৰণা সেইদিনাৰ বক্তৃতা শুনাৰ পিছত ভুল প্ৰমাণিত হৈছিল। অধ্যাপকজনে কৈছিল যে আমেৰিকাৰ যুৱক-যুৱতীয়ে উপযুক্ত শিক্ষা লাভ কৰি উদ্যোগ, চৰকাৰী চাকৰি কিম্বা আন ক্ষেত্ৰত নিজকে প্ৰতিষ্ঠা কৰাৰ পিছতহে ৰাজনীতিৰ পথ লয়। তেওঁৰ ভাষাত ঃ 'The attitude of American* young people towards civil government at all levels is that of the audience at a play, and they are traditionally indifferent to politics'. কথাষাৰ বৰ অৰ্থব্যঞ্জক যেন অনুমান কৰিছিলো।

'প্ৰশ্ন আৰু উত্তৰ'ৰ সময়ত এদিন মই প্ৰশ্ন কৰিছিলো যে ধৰ্ম আৰু ৰাজনীতিৰ মাজত আমেৰিকাত কি সম্বন্ধ আৰু প্ৰশ্ন তুলিছিলো পৰাধীন দেশবোৰলৈ যে আমেৰিকাৰ পৰা যিসকল মিছনেৰী গৈছিল তেওঁলোকৰ প্ৰকৃত কাৰ্য কি আছিল। লগতে উল্লেখ কৰিছিলো যে আমাৰ দেশৰ পূৰ্বাঞ্চলত প্ৰটেষ্টাণ্ট খৃষ্টানসকলে গৈ বহুত জনজাতীয় লোকক খৃষ্টান ধৰ্মত দীক্ষিত কৰিছে আৰু ভাৰত-বিৰোধী মনোভাব তেওঁলোকৰ মাজত গঢ়ি তুলিছে। উত্তৰত মোক জানিবলৈ দিছিল যে মিছনেৰীসকল তাঁলৈ

শিক্ষা, স্বাস্থ্য আৰু তেনে কল্যাণমূলক কাম কৰিবলৈ যায়, কোনো লোকক ধৰ্মান্তৰ কৰিবলৈ নাযায়। উত্তৰটো মোৰ কাৰণে গ্ৰহণীয় নাছিল, কিন্তু তেওঁ লোকে দৃঢ়তাৰে কৈছিল যে আমেৰিকাত ধৰ্ম আৰু ৰাজনীতি তথা বিজ্ঞানৰ কোনো সম্বন্ধ নাই।

আমেৰিকাত যে চৰকাৰ উৎপাদিত সামগ্ৰীৰ আটাইতকৈ সৰ্ববৃহৎ উপভোক্তা তাকো আমি ইণ্টাৰনেচনেল চেণ্টাৰত হোৱা এদিনৰ আলোচনাত জানিব পাৰিছিলো। সেই দেশত চৰকাৰে কোনো বস্তু উৎপাদন নকৰে তথা সকলো উৎপাদন ব্যৱস্থা ব্যক্তিগত খণ্ডত যিটো সমাজবাদী আৰু সাম্যবাদী দেশৰ ব্যৱস্থাৰ বিপৰীত। চিমেণ্ট, টাইপৰাইটাৰ বা যি কোনো সামগ্ৰী চৰকাৰেই ক্ৰয় কৰে মানে চৰকাৰ আমেৰিকাত প্ৰধান ভোক্তা।

ৱাছিংটনত থকা কালত পৰৰাষ্ট্ৰ বিভাগৰ দুদিন কনডাকটেড টুৰৰ (Conducted Tour) যোগেদি চুপ্ৰীম-ক'ৰ্ট, কংগ্ৰেছ তথা আমেৰিকাৰ সংসদ লাইব্ৰেৰী, কেপিটেল (The Capital) য'ত ছিনেট আৰু নিম্নসদন অৱস্থিত, হোৱাইট হাউচ (The White House) তথা ৰাষ্ট্ৰপতিভৱন কেইৰাখনো অনুষ্ঠান দৰ্শন কৰিছিলো। তাৰ ভিতৰত দুটা অনুষ্ঠান মোৰ মনত আজিও সেউজীয়া হৈ আছে। তাৰ এটা হৈছে সদনৰ লাইব্ৰেৰীটো য'ত ৪৬০ টা ভাষাৰ প্ৰায় ৮ কোটি পুস্তক আছে। আনটো সদন তথা কেপিটেলৰ ওপৰত থকা ব্ৰঞ্জৰ বৃহৎ Statue of Freedom গম্বুজটো (Dome), যাৰ তলত লিখা আছে E. Puribus Unium out of many one। অনেক্যৰ মাজত ঐক্যৰ প্ৰতীক।

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে ৱাছিংটনত দুজন অসমীয়া বন্ধুক লগ পাই মোৰ বৰ ভাল লাগিছিল। তাৰে এজন আছিল ৰঞ্জন বৰা (কৰ্ণেল শিৱৰাম বৰাৰ নাতি)। তেওঁ ৱাছিংটনত আমেৰিকান ব্ৰডকাষ্টিং ক'ৰপোৰেচনত কাম কৰিছিল আৰু তাত মোৰ এটা সাক্ষাৎ গ্ৰহণ কৰিছিল। বাকীজন আছিল ডাঃ আনন্দেশ্বৰ বৰঠাকুৰ। সেই সময়ত তেওঁ চিকিৎসা বিদ্যা সাং কৰি তাত চিকিৎসা ব্যৱসায় আৰম্ভ কৰিছিল মানে Brain drain ৰ অংশীদাৰ হৈছিল। মোক নিশাৰ সাজ

খাবলৈ, নিমন্ত্রণ কৰিছিল আৰু মই তেওঁ গুৱাহাটীলৈ আহি চিকিৎসা ব্যৱসায় কৰিব লাগে বুলি জোৰ দিছিলো। তেওঁৰ পৰিবাৰ আৰু একমাত্র ছোৱালীজনীয়ে অসমলৈ আহিবলৈ ইচ্ছুক আছিল; কিন্তু ডাঃ বৰঠাকুৰে আমেৰিকা এৰিবলৈ টান পাইছিল যেন মোৰ অনুমান হৈছিল। গুৱাহাটীত যে তেওঁৰ চিকিৎসা ব্যৱসায় চলিব সেই বিষয়ে বৰ আশাবাদী নাছিল। মই অৱশ্যে তেওঁক আশ্বাস দিছিলো যে গুৱাহাটীত যিহেতু তেতিয়া ডাক্তৰৰ সংখ্যা কম আছিল, সেই হেতুকে তেওঁৰ চিকিৎসা ব্যৱসায় কৃতকার্য হোৱাটো খাটাং। কেইবছৰমান পিছত ডাঃ বৰঠাকুৰ গুৱাহাটীলৈ আহিল আৰু বর্তমান তেওঁ এজন কৃতী ডাক্তৰ। এই সকলু ঘটনাটো মনত কৰি মই বৰ সুখ পাও এই কাৰণে যে অসমে এজন উদীয়মান চিকিৎককক হেৰোৱা নাই।

# ১৬

উনৈশ শ ষাঠি চনটো মাকিন যুক্তৰাষ্ট্ৰত ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বছৰ আছিল। এই নিৰ্বাচন তাত এটা হুলস্থুলীয়া ঘটনা। ৰিপাব্লিক আৰু ডেমোক্ৰেটিক দলৰ প্ৰাৰ্থী নিৰ্বাচনৰ পৰা নিৰ্বাচনৰ দিনলৈ মানে নবেম্বৰ মাহৰ প্ৰথম সোমবাৰলৈ দলৰ প্ৰচাৰ কাৰ্য দেখিলে বিস্ময় মানিব লাগে। মই ১৯৬০ চনত আমেৰিকাৰ এই ৰাজনৈতিক পৰ্ব দেখি ভাবিছিলো বৃটেইনৰ দৰে আমেৰিকাবাসীয়েনো এমাহৰ ভিতৰত নিৰ্বাচন সমাপ্ত কিয় কৰিব নোৱাৰে। এপ্ৰিল মাহৰ পৰা নবেম্বৰ মাহলৈ এই আঠ মাহ জুৰি তাৰ বাতৰি কাকতবোৰ নিৰ্বাচনী বা-বাতৰিৰে ভৰা। নিৰ্বাচনৰ ভু-লবলৈ মই ১৬ জুনত ৰিপাব্লিকান নেচনেল কমিটীৰ ৱাছিং-টনস্থ কাৰ্যালয়লৈ যাওঁ আৰু দলৰ গৱেষণা শাখাৰ মিঃ ফ্লইড্ মেক্-কাফ্ৰিক ( Mr. Floyed Ma Ccaffree ) লগ পাওঁ। তেওঁ ৰিপাব্লিক দলৰ গঠন আৰু আন আন দিশ তথ্য-পাতিৰে বুজাই দিয়ে। সেই সময়ত মিঃ আইছেনহাৱাৰ আমেৰিকাৰ ৰাষ্ট্ৰপতি আৰু মিঃ ৰিচাৰ্ড নিক্সন উপ-ৰাষ্ট্ৰপতি। ৰিপাব্লিক দলৰ প্ৰাৰ্থী হিচাপে দুয়ো ১৯৫২ চনৰ নিৰ্বাচনত জিকি উচ্চ পদ দুটা লাভ কৰিছিল; কিন্তু দুটা চাৰি বছৰীয়া কাল শেহ হোৱাত ৰাষ্ট্ৰপতি আইছেনহাৱাৰ তৃতীয় বাৰৰ কাৰণে প্ৰাৰ্থী হোৱাৰ প্ৰশ্ন নাছিল। মাকিন যুক্তৰাষ্ট্ৰৰ ১৯৫১ চনৰ সংশোধনী সংবিধানমতে কোনো ব্যক্তিয়ে দুবাৰতকৈ অধিককাল ৰাষ্ট্ৰপতি হব নোৱাৰে। সেই কাৰণে উপ-ৰাষ্ট্ৰপতি ৰিচাৰ্ড নিক্সন ১৯৬০ চনৰ নিৰ্বাচনত বিপাব্লিকান দলৰ প্ৰাৰ্থী মনোনীত হৈছিল।

আনহাতে ডেমোক্ৰেটিক দলে ৪৩ বছৰীয়া জ'ন কেনেডীক দলৰ প্ৰাৰ্থী মনোনীত কৰে। আমেৰিকাৰ ইতিহাসত জ'ন কেনেডী বয়সৰ হিচাপত দ্বিতীয়জন বিজয়ী ৰাষ্ট্ৰপতি। তেওঁৰ পূৰ্বে ১৯০১ চনত ৪১ বছৰীয়া থিওদৰ ৰুজভেল্ট ৰিপাব্লিকান দলৰ প্ৰাৰ্থী হিচাপে ৰাষ্ট্ৰপতি নিৰ্বাচিত হৈছিল। এই তথ্যবোৰ মই মিঃ মেক্‌কাফ্ৰিৰ পৰা লৈছিলো।

আলোচনা কালত স্বাভাৱিকতে কোন দলৰ প্ৰাৰ্থী মানে শাসনত অধিষ্ঠিত ৰিপাব্লিক দলৰ মিঃ নিক্সন নে ডেমোক্ৰেটিক দলৰ প্ৰাৰ্থী জ'ন কেনেডী নিৰ্বাচনত জয়ী হব—এই প্ৰশ্নটো উঠিছিল। মিঃ মেক্‌কাফ্ৰিয়ে অতি দৃঢ়তাৰে কৈছিল যে জ'ন কেনেডীয়ে নিৰ্বাচনী যুঁজত পৰাজয় হোৱাটো খাটাং। তেওঁ তেওঁৰ দলৰ প্ৰাৰ্থীৰ নিশ্চিত জয় আৰু কেনেডীৰ সম্ভাব্য পৰাজয়ৰ কাৰণ বিশ্লেষণ কৰি জানিব দিছিল যে জ'ন কেনেডী বয়সৰ হিচাপত চেঙেলীয়া আৰু ল'ৰামতীয়া, মানে তেওঁৰ ভাষাত কেনেডী আছিল Boyish অথচ আমেৰিকাৰ ভোটাৰে ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰাৰ্থীজনৰ বয়স, ব্যক্তিগত চৰিত্ৰৰ বাছবিচাৰ কৰি ভোট দিয়ে অৰ্থাৎ ৰাষ্ট্ৰপতিৰ গধুৰ দায়িত্বৰ বাবে অভিজ্ঞ আৰু বয়সীয়া প্ৰাৰ্থী বিচাৰে। বিশেষকৈ সেই সময়ত ছোভিয়েট ৰুছিয়াত ক্ৰুশ্চেভৰ দৰে শক্তিশালী প্ৰধান মন্ত্ৰী থকাত আমেৰিকাত অভিজ্ঞ আৰু বয়সপুষ্ট ৰাষ্ট্ৰপতি হোৱাটো আমেৰিকাবাসীয়ে পছন্দ কৰে বুলি মিঃ মেক্‌কাফ্ৰিয়ে মন্তব্য কৰিছিল। জ'ন কেনেডীক তেওঁ এজন Magnatic Candidate, ভাৰতত যিজনক Charismatic person বুলি কোৱা হয় বুলি স্বীকাৰ কৰিছিল। কিন্তু কেনেডী যে এজন ৰোমান কেথলিক ধৰ্মৰ লোক আছিল তাৰ কাৰণেও আমেৰিকান ভোটাৰে তেওঁক সমৰ্থন নিদিব বুলি মিঃ মেক্‌কাফ্ৰিয়ে আঙুলিয়াই দিছিল। আমেৰিকাত ধৰ্মীয় দিশটোৱে নিৰ্বাচনৰ প্ৰক্ৰিয়াত প্ৰভাৱ পেলাই নে বুলি মোৰ প্ৰশ্নত তেওঁ কৈছিল যে ৰাষ্ট্ৰপতি নিৰ্বাচনত প্ৰাৰ্থীজনৰ ধৰ্মীয় দিশটো বিবেচিত হয়। কিন্তু ৰিপাব্লিকান দলৰ গৱেষক কৰ্মকৰ্তাজনৰ অনুমান সঠিক প্ৰমাণিত নহল। ১৯৬০ চনৰ নিৰ্বাচনত ৰিপাব্লিকান দলৰ শক্তিশালী প্ৰাৰ্থী মিঃ ৰিচাৰ্ড নিক্সনক হৰুৱাই জ'ন কেনেডী হোৱাইট হাউচত ৰাষ্ট্ৰপতিৰ পদত অধিষ্ঠিত হয়। তেৱেঁই আমেৰিকাৰ একমাত্ৰ

ৰোমান কেথলিক ৰাষ্ট্ৰপতি। কিন্তু তেওঁ ৰাষ্ট্ৰপতিৰ পূৰ্ণ চাবি বছৰীয়া ম্যাদ ভোগ কৰিব নোৱাৰিলে। ১৯৬৩ চনৰ ২২ নবেম্বৰত কেনেডীয়ে আততায়ীৰ হাতত মৃত্যু বৰণ কৰে।

ডেমোক্ৰেটিক দলৰ কাৰ্যালয়লৈ মোৰ যোৱা নহ'ল। সেই কাৰণে এই দলৰ বিষয়ে মই সবিশেষ জানিব নোৱাৰিলো। কিন্তু কেইদিনমান পিছত এখন চাহমেলত এজন সক্ৰিয় ডেমোক্ৰেটিক সদস্যক লগ পাই তেওঁৰ দলৰ প্ৰাৰ্থীজনৰ জয়-পৰাজয়ৰ বিষয়ে প্ৰশ্ন কৰিছিলো। উত্তৰত তেওঁ কৈছিল ঃ I have been always a Democrat and Kennedy looks good. But I don't trust the Pope can make him do, কিন্তু কেনেডী ৰাষ্ট্ৰপতি হ'ল। ১৯৬১ চনত জানুৱাৰীত তেওঁ ৰাষ্ট্ৰ-পতিৰ পদ গ্ৰহণ কৰা ভাষণৰ এটা কথা মোৰ মনত আজিও মনৰ পৰা মাৰ যোৱা নাই মানে ঃ Ask not what your country do for you—ask what you can do for your country.

ৱাছিংটনত দুসপ্তাহ কাল কটোৱাৰ পিছত মই বোষ্টন, ডেট্ৰইত, মিনিয়াপলিচ, নৰ্থ ডাকোটা ৰাজ্য, নিউইয়ৰ্ক আৰু চানফ্ৰান্সিস্কো ভ্ৰমণ কৰো প্ৰায় দেৰ মাহ। বোষ্টনত হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ নাৰ্চাৰ বিষয়া মিঃ জে হেমডেন ববে (Mr. J. Hamden Bobb) এখন চিঠিৰে বিশ্ববিদ্যালয়ৰ ১৫ জুনত অনুষ্ঠিত হবলগীয়া কমেন্‌চ্‌মেণ্ট (commencement) যিটো আমাৰ বিশ্ববিদ্যালয়বোৰত কন্‌ভোকেচন বোলা হয়—চাবলৈ নিমন্ত্ৰণ কৰিছিল। বোষ্টনত উপস্থিত হওঁতে বিশ্ববিদ্যালয়ৰ Harvard Department of Governmentৰ অধ্যাপক লয়েড ৰুডল্‌ফৰ পৰা আন এখন নিমন্ত্ৰণী চিঠি পাইছিলো। কোৱা বাহুল্য যে হাৰ্ভাৰ্ড বিশ্ববিদ্যালয় আমেৰিকাৰ অন্যতম প্ৰাচীন বিদ্যালয়—১৬৩৬ চনত স্থাপিত। বৃটেইনত যিদৰে অক্সফোৰ্ড আৰু কেম্ব্ৰিজ বিশ্ববিদ্যালয় দুখন মৰ্যাদাসম্পন্ন শিক্ষাৰ কেন্দ্ৰ বুলি জনাজাত, সেই একেদৰে আমেৰিকাত হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ মৰ্যাদা জনাজাত আৰু এই বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলে উচ্চ পদ লাভ কৰিছে।

সিদিনাৰ কমেনচমেণ্ট তথা অভিবৰ্তনত ৩০৬৭ জনে ডিগ্ৰীৰ প্ৰমাণ-পত্ৰ লৈছিল আৰু প্ৰায় পোন্ধৰ হাজাৰ দৰ্শক উপস্থিত আছিল। তাত

কিন্তু আমাৰ দেশত যিদৰে চামিয়ানাৰ তলত বা হলত অভিবৰ্তন পতা হয় হাভাৰ্ড বিশ্ববিদ্যালয়ৰ অভিবৰ্তন চৌহদৰ ভিতৰত বিৰাট গছবোৰৰ ছাঁত বহিছিল অতি গাম্ভীৰ্যপূৰ্ণ পৰিবেশত। তাৰ পিছত বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰটো চাবলৈ গৈছিলো আৰু গ্ৰন্থাগাৰিকজনে দৰ্শকৰ বহীত মোক চহী কৰিবলৈ কৈছিল। তাত অসমৰ পৰা যোৱা হেম বৰুৱাৰ (এম-পি-জন) চহীটো দেখিছিলো।

বোষ্টনৰ আনখন বিশ্ববিদ্যালয় অৰ্থাৎ বোষ্টন বিশ্ববিদ্যালয়খন চাবলৈও মোক নিমন্ত্ৰণ কৰিছিল। সেই মতে তালৈ গৈছিলো আৰু তাত ৰাজনৈতিক বিজ্ঞান শাখাৰ অধ্যাপক মণ্ডলীৰ লগত আলাপ আলেচনা কৰিছিলো। তেওঁলোকে মোক তিনিটা প্ৰশ্ন কৰিছিল ঃ 1. Who, after Nehru ? 2. Will China attack India ? 3. How is the population problem in India ? মই যথাসাধ্যে প্ৰশ্নকেইটাৰ উত্তৰ দিছিলো। কিন্তু নেহৰু অবিহনে যে ভাৰতৰ এটা চৰম বিপৰ্যয় ঘটিব, চীনে যে ভাৰতৰ প্ৰতি বিশ্বাসঘাতকতা কৰিব আৰু বৰ্দ্ধিত লোকসংখ্যাই যে ভাৰতৰ অৰ্থনৈতিক প্ৰগতিত ব্যাঘাত ঘটাব তেওঁলোকে যুক্তি আৰু তথ্যসহ ব্যাখ্যা কৰিছিল। অধ্যাপককেইজনৰ নেহৰুৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী সম্পৰ্কে কৰা ব্যাখ্যা সঠিক নহল, কিন্তু চীন আৰু লোকসংখ্যাৰ সংক্ৰান্তত দিয়া ব্যাখ্যা ভুল হোৱা নাছিল। তেওঁলোকে ভাৰতত সেই সময়ত দেখা দিয়া আৰ্থিক সংকটৰ বিষয়ে কৈছিল যে ভাৰতৰ বিত্তীয় নাটনিৰ অন্যতম কাৰণ আয়কৰ বিভাগৰ অকৰ্মণ্যতা--তেওঁলোকৰ ভাষাত Ineffective machinery in tax collecting.

বোষ্টন বিশ্ববিদ্যালয়ত গোবিন্দ এছ সিং নামৰ এজন ভদ্ৰলোকক লগ পাইছিলো। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ত ভূগোল বিষয়ৰ লেক-চাৰাৰ আছিল আৰু পিছত বোষ্টন বিশ্ববিদ্যালয়ত 'ক্লাৰ্ক' পদত যোগ দিয়ে। কিন্তু ক্লাৰ্ক মানে সহায়কৰ পদ নহয়--এটা উচ্চ বিষয়াৰ পদ। সিওঁ ড॰ বিৰিঞ্চি কুমাৰ বৰুৱা আৰু দাসৰ (প্ৰাক্তন পঞ্জীয়ক চিদানন্দ দাস) বিষয়ে জানিবলৈ দিছিল। ড॰ বৰুৱাৰ কাৰ্যদক্ষতাৰ তেওঁ ভূয়সী প্ৰশংসা কৰিছিল, কিন্তু তাতকৈ বেছি প্ৰশংসামুখৰ হৈছিল অসমীয়া মানুহখিনিৰ সৰলতাৰ। শুনি ভাল লাগিছিল।

মই বোষ্টনত Christian Science Monitor নামৰ দৈনিক বাতৰি-কাকতৰ কাৰ্য্যালয়লৈ গৈ কাকতখনৰ বৈদেশিক বিভাগৰ সম্পাদক মিঃ জিওফ্রে গড্ছেলৰ (Mr. Geoffrey Godshell) লগত কথা হওঁ। এই বাৰ্ত্তাৰ কাকতখনৰ মালিকসকল খৃষ্টান, প্ৰচলন দিনে সেই সময়ত একলাখ আশী হাজাৰ--প্ৰতি ঘণ্টাত ৩৫ হাজাৰ ছপা হৈছিল। মিঃ গড্ছেলে মোক একে প্ৰশ্নকে কৰিছিল যিকেইটা প্ৰশ্ন বোষ্টন বিশ্ববিদ্যালয়ৰ অধ্যাপক কেইজনে কৰিছিল। চীনে যে ভাৰত আক্ৰমণ কৰিব তাক নিশ্চিতভাৱে মোক জানিব দিছিল আৰু জানিব দিছিল যে আক্ৰমণ ভাৰতৰ উত্তৰ দিশত হব। চীনে হিমালয় অতিক্ৰম কৰি উত্তৰ পূব অঞ্চলত যে আক্ৰমণ কৰিব নোৱাৰিব তাক তেওঁক জানিব দিছিলো, কিন্তু মোৰ ধাৰণা ভ্ৰমাত্মক বুলি তেওঁ কৈছিল। মিঃ গড্ছেলৰ তথ্যভিত্তিক বিশ্লেষণ দেখি মুগ্ধ হৈছিলো অথচ আমাৰ চৰকাৰৰ দায়িত্বত থকা লোকসকলে চীনা আক্ৰমণৰ ভূ পোৱাই নাছিল।

নৰ্থ ডাকোটা ৰাজ্যৰ গ্ৰেণ্ডফ্ৰক বিশ্ববিদ্যালয়ত তাৰ সাংবাদিকতা বিভাগৰ ছাত্ৰ আৰু অধ্যাপকসকলৰ আগত এদিন এটা বক্তৃতা দিব লগাত পৰিছিলো। সেই বিশ্ববিদ্যালয়ত গুৱাহাটীৰ দীঘলী পুখুৰীপাৰৰ ড০ প্ৰমোদ চন্দ্ৰ শৰ্মা পদাৰ্থ বিভাগৰ অধ্যাপক। এওঁ গুৱাহাটী বিশ্ব-বিদ্যালয়ত চাকৰিৰ বাবে দৰ্খাস্ত কৰি চাকৰি নোপোৱাত তেওঁৰ খং মই দেখিছিলো। সেই খণ্ডতেই নেকি ঃ শৰ্মাই আমেৰিকাৰ নাগৰিকত্ব লবলৈ প্ৰাথমিক ব্যৱস্থা হিচাপে গ্ৰীণ কাৰ্ড লৈছিল। পিছত তেওঁ সপৰিয়ালে আমেৰিকাৰ নাগৰিক হয়।

সি যি কি নহওক, মোক ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ বিষয়ে বক্তৃতা দিবলৈ অনুৰোধ কৰিছিল, কাৰণ মোক তেওঁলোকৰ লগত পৰিচয় কৰি দিওঁতে মই স্বাধীনতা আন্দোলনত ছাত্ৰ অৱস্থাতেই জেললৈ গৈছিলো ড০ শৰ্মাই তাক উল্লেখ কৰিছিল। মোৰ পক্ষে বিষয়টো টান নাছিল। মোৰ বক্তৃতাৰ প্ৰসংগত আমাৰ দেশৰ স্বাধীনতাৰ বাবে মহিলা আৰু ছাত্ৰই উল্লেখযোগ্য ভূমিকা লৈছিল, জেললৈ গৈছিল, কনকলতাৰ দৰে যুৱতীয়ে গহপুৰ থানাত ত্ৰিৰঙ্গ পতাকা উৰুৱাই পুলিচৰ গুলীত মৃত্যু বৰণ কৰিছিল তাৰ এটা বিস্তৃত বিবৰণ দিছিলো। সভাত উপস্থিত

থকা ছাত্র আৰু অধ্যাপক কেইজনে 'প্ৰশ্ন আৰু উত্তৰ'ৰ যোগেদি নানান প্ৰশ্ন উত্থাপন কৰিছিল। মই মোৰ সীমিত জ্ঞানেৰে উত্তৰ দিছিলো। মই কিন্তু উপলব্ধি কৰিছিলো যে তাৰ শ্ৰোতাসকলে আমাৰ দেশৰ যুৱক আৰু যুৱতীসকলে স্বাধীনতা আন্দোলনৰ সময়ত লোৱা ভূমিকাৰ বিষয়ে জানি ৰোমাঞ্চকৰ কাহিনী বুলি ভাবিছিল ।

চিকাগো চহৰত চিকাগো ডেইলী ট্ৰিবিউনৰ সংবাদ বিভাগৰ সম্পাদক মিঃ পাৰ্চি উডৰ ( Mr. Percy Wood ) লগত বাতৰি কাকত আৰু ভাৰতৰ ৰাজনৈতিক পৰিস্থিতিৰ বিষয়ে মোৰ দীঘলীয়া আলোচনা হৈছিল। বাতৰি কাকতখনৰ ওপৰত লোৱা চলচিত্ৰ এখনো মোক দেখুৱাইছিল য'ত চিকাগো ডেইলী ট্ৰিবিউনৰ বাবে কিদৰে নিউজপ্ৰিন্ট উৎপাদন কৰা হয়, সংবাদ সৰবৰাহৰ টেক্‌নিক আৰু কাগজখনৰ সম্পাদনাৰ প্ৰক্ৰিয়াটো প্ৰদৰ্শন কৰিছিল। মিঃ উডৰ মতে আমেৰিকাৰ বাতৰি কাকতত পূৰ্বতে ৫০ ভাগ বাতৰি আৰু ৫০ ভাগ এডভাৰটাইজমেণ্টৰ বাবে সংৰক্ষণ কৰা আছিল, কিন্তু দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত এই নিয়মটো ৰদ কৰা হৈছিল আৰু তাক পুনৰ প্ৰয়োগ কৰা হোৱা নাই মানে বাতৰি কাকতৰ পৃষ্ঠাৰ কোনো ধৰাবন্ধা নিয়ম নাই। এড্‌ভাৰটাইজমেণ্টৰ বৃদ্ধি সাপেক্ষে বাতৰি কাকতৰ পৃষ্ঠা বৃদ্ধি কৰা হয় বুলি মিঃ উডে মোক জানিব দিছিল। সিদিনা সন্ধিয়া অনুষ্ঠিত চাহমেলত মোৰ নতুন অভিজ্ঞতা হৈছিল। এজনী মহিলাই প্ৰশ্ন কৰিছিল : Are you a Minister ? মোৰ নেতিবাচক উত্তৰত মই গলবন্ধা কোট কিয় পিন্ধিছিলো বুলি পুনৰ প্ৰশ্ন কৰিছিল কাৰণ তেওঁ Minister মানে মন্ত্ৰীক বুজোৱা নাছিল। আমেৰিকাত খৃষ্টান পাদুৰীয়ে তেনে কোট পিন্ধাৰ বাবে মোকো তেওঁ পাদুৰী বুলিহে ধৰি লৈছিল। আন এজন মহিলাই মই মদ্যপান নকৰাৰ কাৰণ কি বুলি প্ৰশ্ন কৰিছিল। আমাৰ দেশত বিশেষকৈ অসমত মদ নিবাৰণী আইন থকা বুলি কোৱাত মহিলাজনীয়ে আমেৰিকাতো সংবিধানত মদ নিবাৰণীৰ ব্যৱস্থা, সংশোধন কৰা হৈছে বুলি মোক কৈছিল, কিন্তু তেওঁ ইয়াকো কৈছিল যে আমেৰিকাত National Prohibition Committee নামৰ এটা ৰাষ্ট্ৰীয় ৰাজনৈতিক দল আছে যিটো দলে নিৰ্বাচনত প্ৰাৰ্থী থিয় কৰায়। এই দলৰ সদস্য সংখ্যা কম আৰু কোনো প্ৰাৰ্থী জয়ী

হোৱা নাই, কিন্তু আমাৰ দেশৰ গান্ধীবাদীসকলৰ দৰে এই দলে মাদক দ্ৰব্য নিবাৰণৰ আন্দোলন ত্যাগ কৰা নাই।

চিকাগোত নৰ্মান ৰছ শ্বোই ( Mr. Norman Ross Show ) নামৰ WBKB টি-ভি কেন্দ্ৰত মোৰ এটা সাক্ষাৎ লৈছিল। শ্বোৱে ১৯৪৫ চনত আৰু তাৰ পিছত কেবাবাৰো অসমলৈ আহিছিল আৰু চাহশিল্পৰ ওপৰত এখন তথ্যচিত্ৰ গ্ৰহণ কৰিছিল। অসমৰ ৰাজ্যপাল জেনেৰেল শ্ৰীনাগেশ আৰু মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাক সাক্ষাৎ কৰিছিল। চলিহাৰ প্ৰতি তেওঁ প্ৰশংসামুখৰ আছিল। মিঃ শ্বোৱে সাক্ষাৎ প্ৰসংগত মোক কৰা প্ৰশ্নকেইটা আছিল ঃ চাহশিল্পৰ ভৱিষ্যত, পঞ্চশীলৰ অৰ্থ, দালাইলামা আৰু জয়প্ৰকাশ নাৰায়ণৰ ভাৰতীয় ৰাজনীতিত স্থিতি। কোৱা বাহুল্য 'নেহৰুৰ পিছত কোন ?' আন এটা প্ৰশ্ন আছিল। মই মোৰ সাধ্যমতে প্ৰশ্ন কেইটাৰ উত্তৰ দিছিলো। অসমৰ সম্পৰ্কত মিঃ শ্বো'ৰ হাতত যথেষ্ট তথ্যপাতি থকা বুলি মোৰ ধাৰণা হৈছিল।

# ১৭

মোৰ আমেৰিকা ভ্ৰমণৰ শেষ সপ্তাহৰ চাৰিটা দিন (জুলাই ২৪–২৮, ১৯৬০) নিউইয়ৰ্ক চহৰত কটাইছিলো। এই চাৰিদিনৰ কাৰণে ৱাছিং-টনস্থ গবৰ্ণমেণ্ট এফেয়াৰ্চ ইনষ্টিটিউটে ভ্ৰমণৰ কাৰ্যসূচী প্ৰস্তুত কৰিছিল আৰু নিউইয়ৰ্কত থকা সংশ্লিষ্ট বিষয়ালৈ পঠাইছিল। কোৱা বাহুল্য যে আমেৰিকাৰ এই মহানগৰীখন সৰ্ববৃহৎ আৰু তাত চাবলগীয়া অসংখ্য অনুষ্ঠান আছে। সেই সময়ত নিউইয়ৰ্কৰ লোকসংখ্যা আছিল প্ৰায় ৮০ লাখ। মোৰ কাৰণে নিৰ্দিষ্ট কৰা কাৰ্যসূচীত ত্ৰিশটা অনুষ্ঠান আৰু প্ৰতিষ্ঠান চাবলৈ উল্লেখ কৰা আছিল, কিন্তু তাৰ ভিতৰত মানহাটন সাগৰীয় উপকূলত নৌকা ভ্ৰমণ আৰু দি ষ্টেচু অব্ লিবাৰ্টি (The Statue of •Liberty) নামৰ বিখ্যাত ভাস্কৰ মূৰ্তি, আমেৰিকাৰ সৰ্বোচ্চ বিল্ডিং আম্পাৰ ষ্টেট বিল্ডিং যিটোৰ উচ্চতা ১২৫০ ফুট আৰু ১০২ তলা সম্বলিত—টাইম এণ্ড লাইফ বিল্ডিং আৰু নিউইয়ৰ্ক টাইমচৰ বিল্ডিং চাবলৈ গৈছিলো। ইয়াৰ উপৰিও ৰাষ্ট্ৰসংঘৰ কাৰ্যালয়ত এদিন কটাইছিলো।

ৰাষ্ট্ৰসংঘৰ কাৰ্যালয়টো প্ৰকাণ্ড। ৰাষ্ট্ৰসংঘ প্ৰেছ চাৰ্ভিচৰ বিষয়া মিছ ইʼলাণ্ডে ডেল গ্ৰছোৱে (Miss Yolunde del Grosso) মোক আৰু আন কেইজনমান বিদেশী পৰ্যটকক ৰাষ্ট্ৰসংঘৰ বিভিন্ন শাখাবোৰ দেখুৱাইছিল। সেই সময়ত ৰাষ্ট্ৰসংঘৰ কোনো সাধাৰণ সভা বহা নাছিল, কিন্তু নিৰাপত্তা পৰিষদৰ এখন জৰুৰী বৈঠক অনুষ্ঠিত হোৱা দেখিছিলো। মই পূৰ্বে ধাৰণা কৰা মতে ৰাষ্ট্ৰসংঘৰ বৈঠকবোৰ

ৰাজনৈতিকভাৱে গুৰুত্বপূৰ্ণ আছিল যদিও, তাত উপস্থিতিৰ সংখ্যা দেখি হতাশ হৈছিলো। তাত দৰ্শকৰ গেলাৰীতো উপস্থিতিৰ সংখ্যা বৰ সেৰেঙা আছিল। নিৰাপত্তা পৰিষদৰ স্থায়ী ১৫ জন সদস্য আৰু আন কেইজন বিশেষ সদস্যৰ বাহিৰে সভাৰ আকৰ্ষণীয় হলটোত আন সদস্য নাছিল; মাত্ৰ ৰাষ্ট্ৰসংঘৰ কেইজনমান বিষয়ববীয়া আছিল। সদস্যসকলে পূৰ্বতে যুগুতাই লিখিত বক্তৃতা দিয়া দেখিছিলো, মানে আলোচনা উত্তেজনাপূৰ্ণ নাছিল। মিছ গ্ৰছোয়ে আমাক জানিবলৈ দিছিল যে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ (UN General Assembly) বৈঠকৰ বাহিৰে ৰাষ্ট্ৰসভাৰ আলোচনা গতানুগতিক আৰু নিৰস অথচ বিশ্বৰ বাতৰি কাকত আৰু আন প্ৰচাৰ মাধ্যমত ৰাষ্ট্ৰসংঘৰ আলোচনা বহুক্ষেত্ৰত শিৰোনামা হিচাপে প্ৰকাশ হয়। ৰাষ্ট্ৰসংঘৰ সচিব-প্ৰধান নৰৱেৰ মিঃ ট্ৰাইভ লায়ক (Trygve Lie) সৌজন্যমূলকভাৱে লগ ধৰিছিলো। আমাৰ লগত ৰাষ্ট্ৰসংঘৰ কাৰ্যালয়ত থকা পি-টি-আইৰ প্ৰতিনিধি মিঃ পৰশুৰাম আছিল আৰু তেওঁৰ পৰা ৰাষ্ট্ৰসংঘৰ বিষয়ে বহুত তথ্য জানিব পাৰিছিলো।

জুলাইৰ ২৪ তাৰিখে দুপৰীয়া টাইম-লাইফ বিল্ডিঙত বিখ্যাত আলোচনী দুখনৰ এজন সম্পাদক মিঃ ইড্ লুমডেনৰ (Mr. Ed. Lumden) সৈতে হোৱা সাক্ষাৎ মোৰ কাৰণে শিক্ষামূলক আছিল। স্বাভাৱিকতেই তেওঁৰ লগত মোৰ আলোচনা সাংবাদিকতাৰ বিষয়ে আছিল। Time আৰু Life আলোচনী দুখন পূৰ্বতে মই পঢ়িছিলো আৰু এই আলোচনী দুখন উচ্চমানবিশিষ্ট বুলি জানিছিলো। এই আলোচনী দুখনৰ বিশ্বৰ ঘটনাপ্ৰবাহ সম্পৰ্কে ৰখা ৰেকৰ্ডবোৰ বৰ মূল্যবান বুলি মোক মিঃ লুমডেনে জানিব দিছিল; জানিব দি উত্তৰ পূব ভাৰতৰ তথা মোৰ নিজা ৰাজ্য অসমৰ যিকোনো স্মৰণীয় ঘটনাৰ বিষয়ে ৰেকৰ্ড জানিবলৈ ইচ্ছা আছে নেকি বুলি প্ৰশ্ন কৰিছিল। মই এনে প্ৰশ্নৰ বাবে প্ৰস্তুত নাছিলো। তথাপি অসমৰ ১৯৫০ চনৰ বৰ ভূমিকম্পত হোৱা ক্ষয়ক্ষতিৰ বিষয়ে মই জানিবলৈ বিচৰাত ১৯৫০ চনৰ ১৫ আগষ্টত অসমৰ ভূমিকম্পৰ ফাইলটো আনি দেখুৱাইছিল যে এই ভূমিকম্পত ১৫৩০ জন লোকৰ মৃত্যু হৈছিল আৰু ৰিটচাৰ স্কেল মতে ভূমিকম্প

৮·৭ ইঞ্চিৰ আছিল। ইয়াৰ লগতে ১৭৩৭ চনৰ ১১ অক্টোবৰত কলি-কতাৰ ভূমিকম্পত যি ভূমিকম্পত তিনিলাখ লোকৰ মৃত্যু হৈছিল তাকো জানিবলৈ দিছিল আৰু জানিবলৈ দিছিল ১৯৩৪ চনত বিহাৰত হোৱা বিহাৰৰ ভূমিকম্পৰ বিষয়ে। এই ভূমিকম্পত ১০,৭০০ লোকৰ মৃত্যু হৈছিল।.

মিঃ লুমডেনে ভাৰতৰ সংবাদপত্ৰৰ অগ্ৰগতিৰ প্ৰশংসা কৰিছিল, কিন্তু ভাৰতীয় সংবাদপত্ৰই ৰাজনৈতিক ঘটনা প্ৰবাহত বেছি গুৰুত্ব দিয়া বুলি মন্তব্য কৰিছিল। সংস্কৃতি, ক্ৰীড়া, বাণিজ্য বেপাৰ সংক্ৰান্তৰ বাতৰি ভাৰতীয় সংবাদপত্ৰত অতি চমুকৈ প্ৰকাশ কৰা বুলিও মন্তব্য কৰিছিল আৰু ভাৰতৰ আলোচনী সংবাদপত্ৰ চালুকীয়া অৱস্থাত থকা বুলি কৈছিল, কিন্তু The Illustrated Weekly of India আলোচনীখনৰ উচ্চমান প্ৰশংসা কৰিছিল। কিন্তু যোৱা দুটা দশকত ভাৰতৰ বাতৰি কাকত আৰু আলোচনী সংবাদপত্ৰ অতি আকৰ্ষণীয়ভাৱে উন্নত হৈছে। মোৰ বিবেচনাত সম্প্ৰতি সৰ্বভাৰতীয় আলোচনী বিশ্বৰ যিকোনো দেশৰ আলোচনীৰ সৈতে প্ৰতিযোগিতা কৰিব পাৰিছে; আনকি আঞ্চলিক ভাষাৰ আলোচনী কেইখনমানেও বিদেশৰ আলোচনীৰ সমকক্ষ হৈছে।

নিউইয়ৰ্কৰ ৰক্‌ফেলাৰ প্লাজাত অৱস্থিত এচোচিয়েটেড প্ৰেছ অৱ আমেৰিকাৰ মিঃ ষ্টেন্‌লি ছুইন্টন ( Mr. Stanley Swinton ) আৰু ৪৩ নং জনপথত অৱস্থিত নিউইয়ৰ্ক টাইমৰ সহকাৰী সম্পাদক মিঃ ফ্ৰেঙ্ক স্কুইলাৰোক ( Mr. Frank Squillaro ) লগ ধৰো আৰু সংবাদপত্ৰসমূহৰ সমস্যা, সংবাদ পৰিবেশন আদিৰ বিষয়ে আলোচনা কৰো। এই আলোচনাৰ পৰা মোৰ অনুমান হৈছিল বৃত্তিগত বিবেচনাত সেই সময়ত ভাৰতৰ সাংবাদিকতা বহুত পিছ পৰি আছিল।

নিউইয়ৰ্ক বন্দৰত ১৮৮৫ চনত স্থাপিত আমেৰিকাৰ অন্যতম ৰাষ্ট্ৰীয় স্মৃতিস্তম্ভ দি ষ্টেচু অৱ্ লিবাৰ্টি ( The Statue of Liberty ) দেখি মোৰ অত্যন্ত ভাল লাগিছিল। এই স্মৃতিস্তম্ভটো এজন ফৰাচীয়ে আমেৰিকা আৰু ফ্ৰান্সৰ মাজৰ বন্ধুত্বৰ স্মৃতি হিচাপে উপহাৰ দিছিল। এই স্তম্ভটো পৰ্যটক শ্ৰেণীৰ বাবে এটা আকৰ্ষণৰ বস্তু। ভিত্তিবেদী

সহ ইয়াৰ উচ্চতা ৩০৫ ফুট। স্তম্ভটোৰ বেদীত ইমা লেজাৰচ (Ema Lazarus)ৰ বিখ্যাত কবিতাটো খোদিত কৰা আছে। কবিতাটো লিখা আছে এইদৰে ঃ

The New Colossus/Not like the brazen giant of greek fame;/With conquering limbs astride from land to land;/ Here at our sea-washed, sunset gates shall stand/A mighty woman wilth a torch, whose flame/Is the imprisoned lighting and her name/Mother of Exciles. From her beacon-hand/glows world-wide welcome ; her mind eyes command/the air-bridged harbour that twin cities fame/'keep ancient lands your storied pomp !' cries she'/with silent lips. Give me your tired, your poor,/Your huddled masses yearning to breathe free,/The wretched refuse of your teeming shore/Send these, the homeless, tempest-lossed to me,/I lift my lamp beside the golden door !'

এই কবিতাটোৰ মৰ্ম মোৰ অন্তৰত আজিও সেউজীয়া হৈ আছে।

মোৰ নিউইয়ৰ্ক মহানগৰীৰ শেষ দিনা অৰ্থাৎ ২৮ জুলাইত ৰাজপথত সমাজবাদী নেতা অশোক মেহতাক হঠাৎ লগ পাওঁ। তেওঁক চিনি পোৱাত কোনো অসুবিধা নাছিল। মই অসমৰ পৰা আমেৰিকা ভ্ৰমণলৈ যোৱা বুলি তেওঁক মোৰ পৰিচয় দিয়াত মেহতাই Your state is burning বুলি মোক জানিবলৈ দিয়ে, কিন্তু মই কথাখিনিৰ তাৎপৰ্য জানিব নোৱাৰি অসমত কি ঘটিছে বুলি জানিব বিচৰাত তেওঁ বঙালী অসমীয়াৰ সংঘৰ্ষ, গুৱাহাটীত কলেজৰ ছাত্ৰাবাসত পুলিচৰ গুলী চালনাত এজন ছাত্ৰৰ মৃত্যু, উপায়ুক্ত আক্ৰান্ত, গুৱাহাটীত কাৰফিউ আৰু ১৪৪ ধাৰা জাৰি আদিৰ বিষয়ে কিছু জানিবলৈ দিয়ে। মই অত্যন্ত বিস্মিত হৈ পৰিছিলো, কাৰণ মই আমেৰিকা যাত্ৰা কৰাৰ সময়ত অসমত কোনো অশান্ত পৰিস্থিতি দেখা নাছিলো। হঠাৎ এনে অভাৱনীয় ঘটনা কিয় হৈছিল তাক ভাবি মই বিমোৰত পৰিছিলো। আমেৰিকাৰ বাতৰি কাকতত কিন্তু অসমৰ অশান্তিৰ বিষয়ে কোনো সংবাদ প্ৰকাশ হোৱা নাছিল। মেহতাইও অশান্তিৰ সবিশেষ দিব পৰা নাছিল, কিন্তু গুৱাহাটীত যে সান্ধ্যআইন, ১৪৪ ধাৰা আৰু শান্তি-সমিতি আদি গঠন হৈছিল তাৰ পৰা মোৰ বুজিবলৈ বাকী নাছিল যে অসমত অশান্তি ব্যাপক

হৈছিল। তৎ মুহূৰ্ত্ততে মই ৱাছিংটনলৈ আহি ঘৰমুৱা হবলৈ স্থিৰ কৰিছিলো আৰু গবৰ্ণমেণ্ট এফেয়াৰ্ছ ইনষ্টিটিউটৰ কাৰ্যালয়লৈ আহি তাত মোৰ ভ্ৰমণৰ টিকট আৰু চিঠি-পত্ৰ সংগ্ৰহ কৰিছিলো। পূৰ্বৰ নিৰ্দ্ধাৰিত সূচী মতে আন দুখন চহৰলৈ যোৱাৰ কথা আছিল, কিন্তু মোৰ ভ্ৰমণৰ তত্বাৱধানৰ দায়িত্বত থকা মিঃ মেলভিন বাৰ্গঘামক মই ভ্ৰমণসূচী বাতিলৰ কথা জনাওঁ। গুৱাহাটীলৈ প্ৰত্যাবৰ্তন কৰাৰ পথত হাৱাই দ্বীপৰ হনুলুলু চহৰত 'The Population Problem of Developing Countries, শীৰ্ষক এখন আলোচনা চক্ৰত মই অংশ গ্ৰহণ কৰাৰ কথাও আছিল আৰু আছিল জাপান চৰকাৰৰ আমন্ত্ৰণ ক্ৰমে টকিওত দুদিন ভ্ৰমণ। কিন্তু মই মোৰ ভ্ৰমণৰ বাকী অংশ বাতিল কৰি গুৱা-হাটীলৈ প্ৰত্যাবৰ্তন কৰাৰ সিদ্ধান্ত লৈছিলো। মোৰ মনৰ অৱস্থা বুজি মিঃ বাৰ্গঘামে মোৰ অনুৰোধ মতে ৱাছিংটনৰ পৰা পোনে পোনে ছান-ফ্ৰানচিস্কো, তাৰ পৰা হনুলুলু, টকিও, হংকং, বেংকক আৰু কলিকতালৈ আমেৰিকাৰ বিমান সেৱাত পান এম (PAN AM) মোৰ টিকটৰ ব্যৱস্থা কৰি দিছিল।

ইতিমধ্যে মিঃ বাৰ্গঘামৰ অফিচত মোৰ ঘৰৰ পৰা দিয়া চিঠি পাওঁ। দুখোখন চিঠিত অসমৰ অশান্তিৰ বতৰা পাওঁ। লগতে নগাঁওৰ সমাজ-সেৱক ডাঃ ললিতকুমাৰ বৰুৱাৰ শ্বিলং পথত দুৰ্ঘটনাৰ খবৰ পাই বৰ দুখ পাইছিলো। আনখন চিঠিত মোৰ ডাঙৰ ল'ৰা দিলীপক ঘৰতে আবদ্ধ কৰি, গুৱাহাটীৰ অশান্ত অৱস্থাত জড়িত বুলি পুলিচৰ গ্ৰেপ্তাৰৰ পৰা লুকুৱাই ৰখাৰ বাতৰি জানি মোৰ মন বৰ অশান্ত হৈ পৰিছিল। সেই সময়ত দিলীপ কটন কলেজৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তথা ছাত্ৰ নেতা আছিল। স্বাভাৱিকতেই মই বৰ চিন্তিত হৈ পৰিছিলো। ৱাছিংটনত ভাৰতীয় দূতাবাসলৈ গৈ তাত থকা ভাৰতৰ বাতৰি কাকতত অসমৰ পৰিস্থিতি সম্পৰ্কে বুজ লবলৈ যাওঁ, কাৰণ আমেৰিকাৰ বাতৰি-কাকতত সেই সম্পৰ্কে কোনো বাতৰি প্ৰকাশ হোৱা নাছিল অথচ তাৰ বাতৰি কাকতবোৰৰ আকাৰ দেখি স্তম্ভিত হব লাগে। তেতিয়া মোৰ মনত পৰিছিল যে ভাৰতৰ সংবাদপত্ৰত, আনকি আঞ্চলিক সংবাদপত্ৰ-বোৰতো, বিশ্বৰ কোনো কোনো দেশৰ বাতৰি পৰিবেশন কৰা হয়, কি

দেশ বা ঠাইৰ ভৌগোলিক অৱস্থান সম্পৰ্কে আনকি সম্পাদকজনৰো জ্ঞান থকা বুলি কব নোৱাৰি।

সি যি কি নহওক, ভাৰতীয় দূতাবাসত অমৃত বাজাৰ পত্ৰিকাৰ সংখ্যাবোৰ পঢ়ি অসমৰ অশান্ত পৰিস্থিতিৰ বিষয়ে সবিশেষ জানিবলৈ সক্ষম হৈছিলো। পুলিচৰ গুলীত কটন ছাত্ৰাবাসৰ ৰঞ্জিৎ বৰপূজাৰীৰ মৃত্যু, কামৰূপৰ উপায়ুক্ত মিঃ পি এল সোমৰ ওপৰত দুৰ্বৃত্তৰ দ্বাৰা আক্ৰমণ, সান্ধ্য আইনৰ কবলত পৰা গুৱাহাটীৰ অৱস্থা, মিঃ সোমৰ ঠাইত মিঃ গণেশচন্দ্ৰ ফুকনে তৎকালিনভাৱে উপায়ুক্তৰ দায়িত্ব গ্ৰহণ বাতৰিবোৰ পঢ়ি মই বৰ চিন্তিত হৈ পৰিছিলো। দূতাবাসৰ প্ৰচাৰ বিভাগৰ বিষয়া সতীশ কালেল্‌কাৰৰ পৰাও অসমৰ সংঘৰ্ষৰ বিষয়ে বুজ লৈছিলো। এওঁ বিখ্যাত হিন্দী লেখক কাকা কালেল্‌কাৰৰ ভতিজা আছিল। কাকাচাহাব অসমৰ লগত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ যোগেদি বিশেষকৈ অসমত ৰাষ্ট্ৰভাষা প্ৰচাৰৰ সন্দৰ্ভত ঘনিষ্ঠভাৱে জড়িত আছিল। সতীশ কালেল্‌কাৰে কাকাচাহাবৰ যোগেদি অসমৰ বহু কথা জানিছিল বুলি মোৰ ধাৰণা হৈছিল।

ৱাছিংটনৰ পৰা আহি মই ছানফ্ৰান্সিকোত এদিন কটাইছিলো। চহৰখন ডাঙৰ আৰু আটকধুনীয়া। অলপতে তাত এটা ভূমিকম্পৰ হৈ গ'ল। ১৯০৬ চনতো তাত এটা ডাঙৰ ভূমিকম্প হৈছিল। মানুহৰ মৃত্যু সংখ্যা বেছি নাছিল—৫০৩ জনৰ মৃত্যু হৈছিল, কিন্তু সা-সম্পত্তিৰ হেনো বিস্তৰ ক্ষতি হৈছিল আৰু ভৱিষ্যতে যাতে ভূমিকম্পত চহৰখন তেনে ব্যাপক ক্ষতিৰ সমুখীন নহয় তাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষই গৃহনিৰ্মাণত আৱশ্যকীয় আইন প্ৰণয়ন কৰা বুলি মই থকা হোটেলৰ মেনেজাৰে কথা প্ৰসংগত মোক জানিব দিছিল।

পূৰ্বে নিৰ্দ্ধাৰিত কৰা ভ্ৰমণসূচীমতে মই জুলাইৰ ৩১ তাৰিখে কলিকতা পোৱাৰ কথা আছিল যদিও, সংশোধিত ভ্ৰমণসূচীমতে মই ৩০ তাৰিখে নিশা দুই বজাত কলিকতাৰ দমদম বিমানকোঠ পাওঁ। সেইদিনা মোৰ মনত যে কি আতঙ্কৰ সৃষ্টি হৈছিল তাক বৰ্ণনা কৰিব নোৱাৰো। যদিও PAN AM কৰ্তৃপক্ষই গ্ৰাণ্ড হোটেলত মই এদিন থকাৰ বন্দবস্ত কৰি ৰাখিছিল, মই তালৈ নগলো জানোচা কোনো বঙালী দুৰ্বৃত্তই মোক

আক্ৰমণ কৰে! তালৈ নগৈ, পান এমৰ বাছত গৈ ৰাতি প্ৰায় তিনি বজাত এচপ্লেনেড ইষ্টেটত এজন মোৰ অসমীয়া বন্ধুৰ ঘৰত উঠোঁগৈ আৰু তাতে নিশাটো কটাই পিছদিনা গুৱাহাটী পাওঁ। কোৱা বাহুল্য যে বিদেশ ভ্ৰমণৰ যি আনন্দ সেই আনন্দ অসমৰ অশান্ত পৰিস্থিতিৰ বাতৰিয়ে মোৰ মনৰ পৰা সম্পূৰ্ণ নোহোৱা কৰিছিল। মোৰ বিবেচনাত অসমীয়া আৰু বঙালীৰ মাজত পূৰ্বতে তেনে সংঘৰ্ষ হোৱা নাছিল আৰু প্ৰকৃতাৰ্থত ১৯৬০ চনৰ ঘটনাৱলীয়ে এই দুটা ভাষাভাষী গোষ্ঠীৰ মাজত যি অবিশ্বাস আৰু অপ্ৰীতিৰ ভাব জগাই তুলিছিল সেইয়া আজিও আছে বুলি কলে অত্যুক্তি নহয়। ১৯৬০ চনৰ অসমৰ অশান্তি তথা ভাষা আন্দোলনে অসমীয়া আৰু বঙালী গোষ্ঠীদ্বয়ৰ মাজৰ সম্পৰ্কত যে এটা প্ৰচণ্ড আঘাত হানিছে তাক বোধহয় সকলো নিৰপেক্ষ লোকে স্বীকাৰ কৰিব।

প্ৰসংগক্ৰমে মোৰ মনত পৰিছে বিশিষ্ট বঙালী লেখক আৰু প্ৰশাসক অন্নদাশংকৰ ৰায়ৰ কথা। ৰায় অসমীয়া আৰু বঙালী উভয় সম্প্ৰদায়ৰ মাজত সুপৰিচিত আৰু অতি বিবেচক আৰু নিৰপেক্ষ ব্যক্তি বুলি জনাজাত। ১৯৬০ চনৰ অসমৰ ভাষা আন্দোলন মানে অসমীয়া-বঙালীৰ মাজত হোৱা সংঘৰ্ষৰ পৰিপ্ৰেক্ষিতত অন্নদাশংকৰ ৰায় ডাঙৰীয়াই 'অসম বাণী'ত প্ৰকাশৰ কাৰণে 'ড্ৰেগনৰ দাঁত' শীৰ্ষক এটা প্ৰবন্ধ পঠাইছিল। প্ৰবন্ধটো যিদৰে তথ্যভিত্তিক আৰু নিৰপেক্ষ দৃষ্টিৰে লিখা হৈছিল, তেনে প্ৰবন্ধ আন কোনো বঙালী লেখকে লিখিব পাৰিব বুলি মোৰ আজিও বিশ্বাস নহয়। প্ৰবন্ধটো ১৯৬০ চনৰ সাত অক্টোবৰৰ পূজা সংখ্যাত (অসম বাণী) প্ৰকাশ কৰিছিলো আৰু ধন্যবাদ দি ৰায়লৈ এখন চিঠি দিছিলো। তাৰ উত্তৰত অন্নদাশঙ্কৰ ৰায়ে ১৯৬০ চনৰ ১৯ অক্টোবৰত শান্তিনিকেটনৰ পৰা মোলৈ এখন চিঠি লেখিছিল। চিঠিৰ অংশ বিশেষ তলত দিয়া হ'ল ঃ

'Thank you ever so much for your letter of the 11th October and a copy of Asam Bani of the 7th October. I spent half a day poring over your interesting newspaper and read quite a number of articles, including the editorial. I now have a better grasp of the problems facing Assam.

Meanwhile, criticism of the article, 'Draganer Dani' is mounting. All kinds of allegations are being made against me. But I am also receiving friendly letters as well as unfriendly. There are many sensible people in West Bengal and my appeal is mainly to them. It give me additional pleasure that my words have reached 33,000 homes in Assam through your paper. Let us hope and pray for the best. Good forces are no active than evil and will ultimately prevail though things may become worse for a time. (ওপৰত উল্লেখিত 33,000 homes মানে সেই সময়ত 'অসম বাণী'ৰ ৩৩,০০০ গ্ৰাহকক বুজাইছিল।)

মোৰ বিবেচনাত প্ৰখ্যাত বঙালী সাহিত্যিক অন্নদাশঙ্কৰ ৰায়ৰ চিঠিত লেখা কথাখিনিৰ মৰ্মই আজিও সকলো শান্তিপ্ৰিয় লোকক প্ৰভাৱান্বিত কৰাৰ থল আছে আৰু তেওঁ কোৱা মতে শুভ শক্তিয়ে সদায় জয়লাভ কৰে। আনহাতে, আন এজন বিখ্যাত বঙালী লেখক নিৰদ চৌধুৰীয়ে The Illustrated Weekly of Indiaত অসমৰ আন্দোলনৰ পৰি-প্ৰেক্ষিতত এটা প্ৰবন্ধ লিখিছিল যি প্ৰবন্ধত অসম ৰাজ্যক Toilet বুলি আখ্যা দিছিল। দুজন বিখ্যাত বঙালী লেখকৰ মাজত অসম সম্পৰ্কে থকা ধাৰণা কিমান বিপৰীতমুখী!

# ১৮

মোৰ কৰ্ম জীৱনৰ পাঁচটা বছৰ মানে ১৯৫৯ চনৰ পৰা ১৯৬৩ চনলৈ মোৰ পক্ষে স্মৰণীয় কাল। এই কালছোৱাত অগা-পিছাকৈ যথাক্রমে বৃটিছ চৰকাৰ, মাকিন যুক্তৰাজ্য চৰকাৰ আৰু পশ্চিম জাৰ্মান চৰকাৰৰ আমন্ত্রণক্রমে বিদেশ ভ্রমণ কৰিবলৈ সুযোগ পাওঁ, কিন্তু এই সুযোগ মোলৈ আহিছিল কোনো ৰাজনৈতিক নেতা কিম্বা বিশেষজ্ঞ হিচাপে নহয়, এজন অসমীয়া সাংবাদিক হিচাপেহে মই এই নিমন্ত্রণ পাইছিলো। বৃটেইন আৰু আমেৰিকা ভ্রমণৰ পিছত এৰাব নোৱাৰা কাৰণত মই অপ্রত্যাশিতভাৱে অসমৰ প্রধান চহৰ গুৱাহাটী পৌৰ সভালৈ কংগ্রেছ প্রার্থী হিচাপে সদস্য নির্বাচিত হওঁ আৰু চেয়াৰমেনৰ পদ লাভ কৰো। এই পদৰ কাৰণে মই আকাংক্ষা কৰা নাছিলো, কিন্তু পৰিস্থিতিয়ে এক প্রকাৰে এই দুর্লভ পদটো ১৯৬২ চনত মোলৈ আনিছিল আৰু সেই বছৰৰ মে' মাহৰ পৰা চেয়াৰমেন হিচাপে গুৱাহাটী পৌৰসভাৰ প্রশাসনৰ কামত ব্যস্ত হৈ পৰো। অৱশ্যে মই দ্যা আসাম ট্রিবিউন আৰু অসম বাণীৰ যথাক্রমে সহকাৰী সম্পাদক আৰু সম্পাদক হিচাপেও কাম কৰি আহিছিলো।

এদিন হঠাৎ পশ্চিম জাৰ্মান চৰকাৰ তথা ফেডাৰেল ৰিপাব্লিকান অব্ জাৰ্মানিৰ কলিকতাস্থ কন্‌চাল মিঃ ডবলিউ ভোগেলাৰৰ (Mr. W, Vogeler) পৰা এখন ৰেজিষ্টাৰ্ড চিঠি পাওঁ ১৯৬২ চনৰ ১৩ আগষ্ট তাৰিখৰ। তেওঁৰ চৰকাৰৰ হৈ মিঃ ভোগেলাৰে ১০ ছেপ্টেম্বৰৰ পৰা ২৮ ছেপ্টেম্বৰলৈ তিনি সপ্তাহৰ কাৰণে পশ্চিম জাৰ্মানী ভ্রমণ কৰিবলৈ

মোক নিমন্ত্ৰণ কৰিছে। মই চিঠিখন পাই বৰ আনন্দ পাইছিলো, কিন্তু বৃটেইন আৰু আমেৰিকা ভ্ৰমণৰ পিছত যে আন এখন বিদেশী ৰাজ্য ভ্ৰমণ কৰিবলৈ নিমন্ত্ৰণ পাম তাক মই কল্পনা কৰা নাছিলো। স্বাভাৱিকতে তেতিয়া মোৰ মনলৈ আহিছিল নেপালী জ্যোতিষীজনৰ কথা যিজনে মোৰ চাৰিবাৰ বিদেশ ভ্ৰমণৰ ভৱিষ্যত বাণী কৰিছিল ১৯৫৮ চনত। মই নিমন্ত্ৰণ গ্ৰহণ কৰি জাৰ্মান কন্‌চাললৈ উত্তৰ দিছিলো। কিন্তু মোৰ সমস্যা হৈছিল গুৱাহাটী পৌৰসভাৰ অধ্যক্ষৰ দায়িত্বত থাকি এমাহৰ কাৰণে বিদেশলৈ যাবলৈ মোক কংগ্ৰেছ দলে ছুটী দিবনে? সেই সময়ত পৌৰ সভাৰ এটা বিপৰ্যয় হৈছিল, মানে ভাইচ-চেয়াৰমেনৰ পদৰ কাৰণে আমাৰ কংগ্ৰেছ প্ৰাৰ্থী ভাওৰিলাল চাৰাউগী বিৰোধী পক্ষৰ প্ৰাৰ্থীৰ হাতত পৰাজয় হোৱাত বিৰোধী দলৰ প্ৰাৰ্থী সৰোজ সেনগুপ্ত ভাইচ চেয়াৰমেন নিৰ্বাচিত হয়। আমাৰ দলৰ সংখ্যা গৰিষ্ঠতা থকা সত্বেও আমাৰ প্ৰৰ্থীজনৰ পৰাজয় এটা চাঞ্চল্যকৰ ঘটনা আছিল অৰ্থাৎ আমাৰ দলৰ চাৰিজন সদস্যই দলক বিশ্বাসঘাতকতা কৰি বিৰোধী দলৰ প্ৰাৰ্থীক ভোট দিছিল।

এনে পৰিস্থিতিত কংগ্ৰেছ দলে মোক এমাহৰ কাৰণে ছুটী মঞ্জুৰ নকৰিলে। সেই সময়ৰ মুখ্যমন্ত্ৰী বিমলা চলিহাইও পৌৰ সভাৰ স্বাৰ্থত মোক বিদেশলৈ যাবলৈ মানা কৰিছিল। সেই মতে মই মিঃ ভোগেলাৰক জনাওঁ। স্বাভাৱিকতে জাৰ্মানী ভ্ৰমণ বাতিল কৰিব লগাত মই মনত বেজাৰ পাইছিলো আৰু ভাবিছিলো যে এনে সুবিধা পুনৰ মোলৈ অহাৰ সম্ভাৱনা নাছিল। কিন্তু মোৰ অনুমান সঠিক নাছিল। ১৯৬৩ চনৰ মে' মাহত জাৰ্মান ভাইচ কন্‌চাল ডঃ এইচ ডব্লিউ স্কুমেনৰ (Dr. H. W. Schumann) পৰা এখন চিঠি পাওঁ। চিঠিখনত তেওঁ আগৰ নিমন্ত্ৰণ আগবঢ়াই জুনৰ ৫ তাৰিখৰ পৰা তিনিসপ্তাহৰ কাৰণে জাৰ্মানী ভ্ৰমণ গ্ৰহণ কৰিবলৈ মোক অনুৰোধ কৰিছে। এই আমন্ত্ৰণ পাই এফালে যেনেকৈ আনন্দ লাভ কৰিছিলো, আনফালে মই পৌৰসভাৰ অধ্যক্ষ পদৰ পৰা অব্যাহতি লব পাৰিম নে নোৱাৰিম সেই বিষয়ে মোৰ সন্দেহ আঁতৰা নাছিল। মোৰ কাৰণে আনন্দৰ কথা যে এইবাৰ কংগ্ৰেছ দলে মোৰ ছুটী মঞ্জুৰ কৰে আৰু চালিহা ডাঙৰীয়াইও দ্বিতীয়-

বাৰ নিমন্ত্ৰণ অহাত মোৰ ছুটীত আপত্তি কৰা নাছিল। মই ১৯৬৩ চনৰ পাঁচ জুনত কলিকতাৰ পৰা জাৰ্মান বিমান পৰিবহন Lutthanst ৰে জাৰ্মান অভিমুখে যাত্ৰা কৰো। মোৰ লগত আন তিনিজন সাংবাদিক আছিল—পাটনাৰ হিন্দুস্থান ষ্টেটওৰ্ড অফিচৰ নিৰ্মল কুমাৰ চৌধুৰী, আনন্দ বাজাৰ পত্ৰিকাৰ মুখ্য ফটোগ্ৰাফাৰ বীৰেন্দ্ৰ নাথ সিন্‌হা আৰু অমৃত বাজাৰ পত্ৰিকা গোষ্ঠীৰ মণীন্দ্ৰ ৰায়। এওঁ 'অমৃত' নামৰ সাপ্তাহিকৰ সহকাৰী সম্পাদক আৰু বঙালী সাহিত্যৰ এজন লব্ধপ্ৰতিষ্ঠ কবি আৰু লেখক। কোৱা বাহুল্য যে জাৰ্মান চৰকাৰে মই প্ৰথমবাৰ নিমন্ত্ৰণ গ্ৰহণ কৰিবলৈ অসমৰ্থ হোৱা সত্বেও দ্বিতীয়বাৰ নিমন্ত্ৰণ কিয় আগবঢ়াইছিল তাক স্মৰণ কৰি বিস্ময় মানো।

তিনি সপ্তাহ জোৰা ভ্ৰমণত মই আন তিনিজন সাংবাদিকে পশ্চিম জাৰ্মানীৰ প্ৰধান চহৰ কেইখন মানে ৰাজধানী ব'ন, মিউনিক, হামবাৰ্ক, স্টুটগাৰ্ট আৰু ফ্ৰেঙ্কফ'ট ভ্ৰমণ কৰিছিলো। দ্বিতীয় মহাসমৰত বিধ্বস্ত জাৰ্মানী যে মাত্ৰ ১৮ বছৰ সময়ৰ ভিতৰত এখন নতুন দেশ তথা শিল্প আৰু উদ্যোগ আদি বিষয়ত নদনবদন হিচাপে গঢ়ি উঠিছিল তাক আমি কল্পনা কৰিব পৰা নাছিলো। আলোচনা কালত জাৰ্মান বিষয়াৰ পৰা দুটা কথা বিশেষকৈ জানিব পাৰিছিলো। বিষয়াজনে কৈছিল যে যুদ্ধোত্তৰ কালত তথা বিধ্বস্ত দেশ এখনক পুনৰ নিৰ্মাণৰ কালত তাৰ কৰ্মীসকলে ১৯৫৪ চনৰ পৰা কোনো ধৰ্মঘট নকৰিবলৈ সংকল্প লৈছিল যাতে পুনৰ নিৰ্মাণৰ কামত কোনো বিজুতি ঘটিব নোৱাৰে। তেওঁৰ ভাষাত ঃ We have taken a pledge that we will build a new Germany, a more prosperous Germany for our next generation. আন কথাটো আছিল জাৰ্মান জনসাধাৰণে হিট্‌লাৰৰ বিৰুদ্ধে গ্ৰহণ কৰা মত। হিটলাৰক জাৰ্মান বাসীয়ে 'Nightmare' বুলি আখ্যা দিছিল। ৰাজধানী ব'ন চহৰত এটা অনুষ্ঠান আছে য'ত হিট্‌লাৰৰ ধ্বংসাত্মক কাৰ্যবোৰৰ ছবি ৰখা আছে যি ছবিবোৰ চাই জাৰ্মানীৰ নতুন পুৰুষে যাতে যুদ্ধৰ কথা মনলৈ আহিব নিদিয়ে তাৰ ওপৰত গুৰুত্ব দিয়া আছে। বাৰ্লিন আৰু আন দুখন চহৰত ৰুছ বোমাত ধ্বংসপ্ৰাপ্ত কিছুমান অট্টালিকা জাৰ্মান চৰকাৰে তেনে অৱস্থাতে সংৰক্ষণ কৰি ৰাখিছে। তাৰ কাৰণ জানিবলৈ বিচৰাত জাৰ্মান বিষয়াজনে আমাক জানিবলৈ দিছিল

যে সেই ধ্বংসপ্ৰাপ্ত ঘৰ-বাৰী দেখি ভৱিষ্যতে জাৰ্মানীয়ে যাতে যুদ্ধৰ বিভীষিকা স্মৰণ কৰে আৰু হিট্‌লাৰৰ দৰে কোনো যুদ্ধবাদী নেতাক সমৰ্থন নকৰে তথা তেনে নেতা জাৰ্মানীত ওলাব নোৱাৰে তাৰ বাবে ধ্বংসপ্ৰাপ্ত ঘৰবোৰ সংৰক্ষণ কৰা আছে।

আমি সাংবাদিক তিনিজনে বাৰ্লিনৰ দেৱালখন চাবলৈ গৈছিলো। দেৱাল মানে ইটাৰে নিৰ্মিত দেৱাল নহয়, তাঁৰ কাঁটাৰে নিৰ্মিত দেৱাল যিখনে পূব বাৰ্লিন আৰু পশ্চিম বাৰ্লিন নামেৰে পূৰ্বৰ জাৰ্মানীৰ ৰাজধানীখনক দুভাগ কৰি এভাগ পূব জাৰ্মান চৰকাৰে আৰু আনখন পশ্চিম জাৰ্মানৰ তথা যথাক্ৰমে কমিউনিষ্ট পূব জাৰ্মানী আৰু অ-কমিউনিষ্ট পশ্চিম জাৰ্মানীৰ নিয়ন্ত্ৰণত ৰখা আছে। এই কাটাতাঁৰৰ বেৰখন এনে মজবুতভাৱে সজা আৰু তাক দুয়োপক্ষই পুলিচ বাহিনীৰ দ্বাৰা সুৰক্ষিত কৰি ৰাখিছে তাক কল্পনা কৰিব নোৱাৰি। কোনো জাৰ্মান নাগৰিকে দেৱাল অতিক্ৰম কৰি যাব নোৱাৰে। অ-জাৰ্মান নাগৰিক তথা পৰ্যটকৰ বাবে তেনে বাধা নাই; কিন্তু বিপদ আছে। আমাৰ ভ্ৰমণসূচীত দেৱাল পাৰ হৈ পূব জাৰ্মানীলৈ যোৱাৰ ব্যৱস্থা আছিল; ব্যৱস্থা আছিল যদিও, তাত At your personel risk বুলি উল্লেখ আছিল। আমি তেনে বিপদ থকা সত্বেও পূব বাৰ্লিন চহৰ ভ্ৰমণ কৰিছিলো।

আমি সাংবাদিক কেইজনে ভ্ৰমণ কালত কেবাজনো জাৰ্মান ব্যক্তিৰ লগত আলাপ-আলোচনা কৰিছিলো। Inter Nationes (চৰকাৰী বৈদেশিক বিভাগৰ শাখা) আৰু তাত থকা Indo-German Societyৰ যোগেদি তেনে আলোচনাৰ বন্দবস্ত কৰা হৈছিল।

পশ্চিম জাৰ্মানী ভ্ৰমণৰ সময়ত তাত থকা বৃটিছ দূতাবাসে আমি ভাৰতীয় সাংবাদিক চাৰিজনক ১০ দিন বৃটেইন ভ্ৰমণ কৰিবলৈ আমন্ত্ৰণ দিছিল। সেই মতে আমি বৃটেইনলৈ যাওঁ। তালৈ যোৱাৰ পথত আমি দুদিনৰ কাৰণে পেৰিচলৈ যাওঁ, অৱশ্যে নিজা খৰচত। পেৰিচ চহৰ কিন্তু Overpopulated, Overpriced and Overcommercialised বুলি জনাজাত। আমি যি ঘৰত আছিলো সেই পৰিয়ালৰ ল'ৰা-ছোৱালী দুটা ভাৰতীয় লোক অহা বুলি হেনো ৰব ভয় খাইছিল। ভাৰতীয় মানে সিহঁতে Red Indians বুলি ভাবিছিল। অৱশ্যে সিহঁতক মাক-

জনীয়ে ভুলটো বুজাই দিয়াত ল'ৰা-ছোৱালীহাল আমাৰ ওচৰলৈ আহিছিল।

পেৰিচত আমি তিনিটা বিখ্যাত অনুষ্ঠান চাবলৈ গৈছিলো ঃ বিশ্ব-বিখ্যাত Louvre আৰ্ট সংগ্ৰহালয়, Eiffel Tower আৰু চিয়েন নদীৰ মাজৰ এটা সৰু দ্বীপত স্থাপিত Notre Dame গীৰ্জাটো।

পেৰিচৰ পৰা গৈ মই আৰু বাকী তিনিজন সাংবাদিকে লণ্ডন আৰু ওচৰৰ অঞ্চলত দহ দিন কটাইছিলো। মোৰ কাৰণে এইয়া আছিল লণ্ডনত দ্বিতীয় ভ্ৰমণ। সেই সময়ত বিলাতৰ ৰাজনৈতিক বতাহ প্ৰোফুমা কেলেঙ্কাৰি সন্দৰ্ভত বৰ গৰম হৈছিল। প্ৰোফুমা আছিল মেক্‌-মিলান মন্ত্ৰীসভাৰ এজন কেবিনেট পৰ্যায়ৰ মন্ত্ৰী, কিন্তু মন্ত্ৰীজনে খৃষ্টাইন কীলাৰ নামৰ এজনী মহিলাৰ প্ৰেমত পৰি বিপদগ্ৰস্ত হৈছিল। বিলাতৰ বাতৰি কাকতবোৰে এই প্ৰসংগটো ইমান বিস্তাৰিতভাৱে প্ৰকাশ কৰিছিল যে শেহান্তৰত প্ৰোফুমাই (Profumo) মন্ত্ৰীপদ ত্যাগ কৰিবলৈ বাধ্য হৈছিল। স্বাভাৱিকতেই এই কেলেঙ্কাৰিৰ কাৰণে মেক্‌মিলান মন্ত্ৰীসভা এটা ৰাজনৈতিক সংকটৰ সমুখীন হৈছিল।

এদিন আমি House of Commons লৈ গৈ তাৰ সংসদৰ আলোচনা পৰ্যবেক্ষণ কৰিছিলো। প্ৰধান মন্ত্ৰী হেৰল্ড মেক্‌মিলান আৰু বিৰোধী পক্ষ তথা শ্ৰমিক দলৰ নেতা হেৰল্ড উইলচনৰ মাজত কোনো এটা বিষয় সন্দৰ্ভত বৰ তৰ্ক হোৱা দেখিছিলো। তৰ্ক ইমান উত্তপ্ত হৈ পৰিছিল যে মিঃ উইলচনে স্পীকাৰৰ ৰুলিং বিচাৰিছিল। তাৰ উত্তৰত স্পীকাৰে কোৱা শুনিছিলো ঃ 'I am the servant of the House. I am the master of the House. I shall go by whatever decision the House takes. As the servant of the House I shall follow any decision of the Hon'ble Members and I shall as the Master of the House protect its dignity.' কিন্তু স্পীকাৰজনে Master আৰু servant —এই দুটা পৰস্পৰবিৰোধী ভূমিকা কিদৰে পালন কৰে আমি সাংবাদিক কেইজনে বুজিব পৰা নাছিলো। কিন্তু আমাৰ দেশত সদনৰ মজিয়াত যিবোৰ কাণ্ড হোৱা দেখিছো আৰু বাতৰি কাকতত পঢ়িছো, তাৰ লগত House of

Commonsত তৰ্কৰ ব্যৱধান লক্ষ্য কৰিছিলো। সিদিনা বৰ উত্তপ্ত আলোচনা হৈছিল যদিও, সদনৰ মৰ্যাদা সম্পূৰ্ণভাৱে অক্ষত দেখিছিলো।

লণ্ডনত ইণ্ডিয়া হাউচত অনুষ্ঠিত সন্ধিয়া এখন চাহমেললৈ আমি ভাৰতীয় সাংবাদিক চাৰিজন গৈছিলো। তাত দ্যা টাইমচ কাকতৰ প্ৰতিনিধি প্ৰমুখ্যে কেবাজনো বৃটিছ সাংবাদিক উপস্থিত আছিল। বৃটিছ সাংবাদিক কেইজনে তিনিটা বিষয়ে আমাক প্ৰশ্ন কৰিছিল। চীনৰ ১৯৬২ চনত ভাৰত আক্ৰমণ, নেহৰুৰ পিছত ভাৰতৰ প্ৰধানমন্ত্ৰী কোন হব আৰু নগা সমস্যাৰ সমাধানৰ প্ৰশ্ন। চীনৰ আক্ৰমণ আৰু নগা সমস্যাৰ বিষয়ে মই উত্তৰ দিব লগা হৈছিল। চীন আক্ৰমণ দুৰ্ভাগ্যজনক বুলি কোৱা হৈছিল যদিও, ভাৰত চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলত নিৰাপত্তা তথা সামৰিক বাহিনীক যথেষ্টভাৱে সজ্জিত নকৰাৰ ফলশ্ৰুতি বুলি বৃটিছ সাংবাদিক কেইজনক বুজাবলৈ চেষ্টা কৰিছিলো। ১৯৬৩ চনত নগা সমস্যাটো বস্তুতঃ নাই বুলি তেওঁলোকক জনাইছিলো, কিন্তু বিদ্ৰোহী নগা নেতা ফিজোৱে লণ্ডনৰ পৰা বিবৃতি দি সমস্যাটোৰ বিষয়ে বিদেশত প্ৰচাৰ কৰি আছে বুলি মই বুজাবলৈ চেষ্টা কৰিছিলো। সেই সময়ত ফিজো লণ্ডনৰ ৬৭ নং ডেনিছন হাউচ (২৯৬ নং ভেক্‌চুৱেল ব্ৰীজ ৰ'ড, এচ-ডব্লিউ-১, লণ্ডনত) বাস কৰি আছিল। টাইমচ্ কাকতৰ প্ৰতিনিধি-জনে অৱশ্যে নগা সমস্যা সম্পৰ্কে তেওঁৰ কাকতত প্ৰকাশ কৰিবলৈ মোৰ পৰা এটা প্ৰবন্ধ বিচাৰিছিল। নগা সমস্যা সম্পৰ্কে এটা তথ্য-ভিত্তিক প্ৰবন্ধ মই প্ৰথমবাৰ বৃটেইন (১৯৫৯) ভ্ৰমণ কৰি গুৱাহাটীলৈ আহি টাইমচ্ কাকতলৈ পঠাইছিলো, কিন্তু প্ৰবন্ধটো প্ৰকাশ নহ'ল বুলি তেওঁক জানিবলৈ দিছিলো। মই দ্বিতীয়বাৰ প্ৰবন্ধ পঠাবলৈ মান্তি নহলো। After Nehru, Who ? এই প্ৰশ্নটোৰ উত্তৰো আমি দিছিলো। চীনে ভাৰত আক্ৰমণ কৰাৰ পিছত নেহৰুৰ ভাবমূৰ্তি কিছু পৰিমাণে ম্লান হোৱা বুলি বৃটিছ সাংবাদিক কেইজনৰ মাজত এটা ধাৰণা হোৱা যেন দেখা গৈছিল।

মই লণ্ডনত এজন আমেৰিকাৰ অধ্যাপকক লগ পাওঁ। তেওঁ মই থকা হোটেলতে আছিল। ব্লুমিংটনৰ ডঃ ডৰ্চন (Dr. Dorson)। সেই সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই

ডঃ ডৰ্চনৰ নিমন্ত্ৰণক্ৰমে সেই বিশ্ববিদ্যালয়ত Folklore of Assam বিষয়ত Visiting Professor হৈ আছিল। ডং ডৰ্চন আছিল তাৰ বিশ্ববিদ্যালয়ৰ Folklore Departmentৰ মুৰব্বী অধ্যাপক। ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ প্ৰতি তেওঁ প্ৰশংসামুখৰ আছিল। কিন্তু অসমৰ লোক-সংস্কৃতি সম্পৰ্কে এই আমেৰিকাৰ অধ্যাপকৰ জ্ঞান দেখি বিস্ময় মানিছিলো। ডঃ বৰুৱাই ব্লুমিংটনৰ পৰা মোলৈ চিঠি যোগে জনাইছিল যে, অধ্যাপক ডৰ্চন আৰু তেওঁৰ পৰিবাৰ বৰ বঢ়িয়া মানুহ। দুয়োয়ে মোক নানাভাবে সহায় কৰিছে। ডৰ্চনে মোক জোৰকৈহে জুলাইলৈকে ৰখালে Research Projectৰ বাবে। ইয়াত কাকতে-পত্ৰে মোৰ কথা ওলাইছে। New York Timesৰ সম্পাদকে নিউ-ইয়ৰ্কলৈ গ'লে লগ ধৰিবলৈ লিখিছে। নিউইয়ৰ্কলৈ যোৱা আৰু নহয়। কোৱা বাহুল্য যে ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ মৃত্যুৰ বাতৰি মই ড° ডৰ্চনলৈ জনোৱাত তেওঁ এখন দীঘলীয়া চিঠিযোগে ডঃ বৰুৱাৰ পাণ্ডিত্যৰ শলাগ লৈছিল।

মই পশ্চিম জাৰ্মানী ভ্ৰমণ কৰি অহাৰ পিছত কিন্তু পূৰ্বতে নেপালী জ্যোতিষীজনে ভৱিষ্যত বাণী কৰা মতে চতুৰ্থবাৰ বিদেশ ভ্ৰমণ কৰাৰ অপেক্ষাত আছিলো। মই ১৯৭৬ চনত ছোভিয়েত লেণ্ড-নেহৰু বঁটাৰ কাৰণে 'পণ্ডিত জৱাহৰলাল নেহৰু আৰু ছোভিয়েত ৰুছিয়া' নামৰ গ্ৰন্থখনৰ বাবে বঁটা লাভ কৰি ছোভিয়েত দেশ ভ্ৰমণ কৰাৰ আশা কৰিছিলো। কিন্তু তৃতীয় বিভাগৰ পুৰস্কাৰহে পাওঁ। এই পুৰস্কাৰ ১৫০০ টকাৰ (বৰ্তমান ৫০০০ টকা) মানে প্ৰথম বিভাগৰ যি বিভাগৰ পুৰস্কৃত লেখকে নগদ পুৰস্কাৰৰ উপৰিও ছোভিয়েত দেশ ভ্ৰমণৰ সুবিধা পায় মোৰ লাভ নহ'ল। কিন্তু মই হতাশ হোৱা নাছিলো। ছোভিয়েত দেশ ভ্ৰমণ কৰাৰ আকাংক্ষা ৰাখি মই আন এখন গ্ৰন্থ 'মহাত্মা গান্ধী আৰু মহৰ্ষি টলষ্টয়'—লিখো আৰু ১৯৮০ চনত ছোভিয়েত লেণ্ড-নেহৰু পুৰস্কাৰৰ বিচাৰকমণ্ডলীৰ ওচৰলৈ পঠাওঁ। ইতিমধ্যে এই গ্ৰন্থখনৰ কপি এটা পণ্ডিত কৃষ্ণকান্ত সন্দিকৈলৈ পঠাইছিলো। শুনিছিলো, সন্দিকৈ ডাঙৰীয়াই সাধাৰণতে কোনো গ্ৰন্থৰ ওপৰত মন্তব্য নিদিয়ে। কিন্তু তেখেতে যোৰহাটৰ পৰা ১৯৭৯ চনৰ ১৫ নবেম্বৰত মোৰ 'মহাত্মা

গান্ধী আৰু মহৰ্ষি টলষ্টয়' গ্ৰন্থখনৰ বিষয়ে তলত দিয়া মতটো পঠায় ঃ

নিবেদন,

শৰীৰৰ অসুস্থতাৰ কাৰণে আপোনাৰ কিতাপৰ ওপৰত মতামত দিব পৰা নাই।

আপোনাৰ গান্ধীবাদৰ তুলনামূলক আলোচনা শিক্ষাপ্ৰদ আৰু সময়োপযোগী হৈছে। এনে একোটা বিষয়ৰ সবিশেষ আলোচনাই নিশ্চয় জ্ঞানৰ পথ বহলাব। আমাৰ ভাষাত গধুৰ সাহিত্যৰ নিতান্তই অভাৱ। আপোনাৰ কিতাপখনিয়ে তাৰ পুষ্টি সাধন কৰিব।

ইতি
আপোনাৰ
শ্ৰীকৃষ্ণকান্ত সন্দিকৈ

সন্দিকৈদেৱৰ এই মন্তব্য পোৱাৰ পিছত মোৰ গ্ৰন্থখন ছোভিয়েত লেণ্ড-নেহৰু বঁটাৰ (১৯৮০) বাছনিত তথা প্ৰথম বা দ্বিতীয় বিভাগত উঠিব বুলি মই আশা কৰিছিলো। কিন্তু মোৰ আশা পূৰ্ণ নহ'ল। গ্ৰন্থখনৰ ওপৰত আঞ্চলিক ভাষাৰ (অসমীয়া) সমালোচকজনে—এওঁ অসম সাহিত্য সভাৰ এজন প্ৰাক্তন সভাপতি আছিল আৰু কেইবছৰমান আগত ঢুকাল—প্ৰতিকূল মন্তব্য দিয়াত মোৰ গ্ৰন্থখন বাছনিত নপৰিল অথচ পণ্ডিত সন্দিকৈদেৱে গ্ৰন্থখনৰ ওপৰত এটা মূল্যবান মত দিছিল।

ছোভিয়েত লেণ্ড-নেহৰু বঁটাৰ কেন্দ্ৰীয় কমিটীৰ অধ্যক্ষ কে পি এছ মেননে (তেওঁ ছোভিয়েত য়ুনিয়নত সুদীৰ্ঘকাল ভাৰতৰ ৰাষ্ট্ৰদূত আৰু তাৰ পূৰ্বে চিনিয়ৰ আই-চি-এছ হিচাপে ভাৰত চৰকাৰৰ বৈদেশিক সচিবকে ধৰি কেইবাটাও উচ্চ পদত আছিল আৰু কেইবাখনো গধুৰ গ্ৰন্থ লিখিছে)। মোক জানিবলৈ দিয়ে যে সমালোচকজনৰ মত শুদ্ধ নহব পাৰে, কিন্তু কেন্দ্ৰীয় কমিটীয়ে তাক পৰীক্ষা কৰাৰ বাট নাই। (It may not be a fair assessment, but we in the Central Advisory Board had no means of checking it. We authors are bound to meet with such occasional disappointments.)

মেননক মই লগ পোৱা নাই। কিন্তু 'ষ্টেটচ্‌মেন' কাকতত মই লেখা প্ৰবন্ধবোৰ পঢ়ি মোলৈ সঘনে চিঠি লিখিছিল আৰু কেইবাবছৰ

ৰবি আমাৰ দুজনৰ মাজত নিয়মীয়াকৈ পত্ৰ-বিনিময় হৈছিল। মেননে Many Worlds Revisited নামৰ তেওঁৰ গ্ৰন্থৰ উপৰিও আন কেইবাখনো গ্ৰন্থ মোলৈ উপহাৰ স্বৰূপে পঠাইছিল। এই বিখ্যাত আই-চি-এছ প্ৰশাসক আৰু লেখকজন তেওঁৰ নিজৰ ৰাজ্য কেৰালাৰ উট্ৰি-পালম চহৰত ছবছৰ আগতে ঢুকাইছে।

মই উক্ত বিষয়টো স্মৃতি-বিচিত্ৰাৰ অংশ হিচাপে উত্থাপন কৰিলো এই কাৰণে যে মোৰ চতুৰ্থবাৰ বিদেশ ভ্ৰমণ নহ'ল। অৱশ্যে তাৰ বাবে মই খেদ নকৰো। তথাপি বিখ্যাত ইংৰাজ লেখক আৰু বুৰঞ্জী-বিদ্ এডৱাৰ্ড গিবনৰ (Edward Gibbon) এষাৰি কথা মনত পৰে। তেওঁ কৈছিল ঃ 'I must reluctantly observe that two causes, the abbreviation of time, and the failure of hope, will always tinge with a browner shade the evening of life.'

# ১৯

এজন মুক্তি-যুঁজাৰু আৰু সাংবাদিক হিচাপে মই অসমৰ চাৰিজন মুখ্যমন্ত্ৰী তথা ৰাজনৈতিক নেতাক ঘনিষ্ঠভাৱে জানিবলৈ সুযোগ পাই-ছিলো। এই নেতাকেইজন আছিল লোকপ্ৰিয় গোপীনাথ বৰদলৈ যিজনে অসমৰ এটা সংকটপূৰ্ণ সময়ত নেতৃত্ব দিছিল আৰু ৰাজ্যখনত স্বাধীনতাৰ উত্তৰ কালত প্ৰথম মুখ্যমন্ত্ৰীৰ পদ লাভ কৰিছিল আৰু বাকী তিনিজন আছিল যথাক্ৰমে বিষ্ণুৰাম মেধী, বিমলাপ্ৰসাদ চলিহা আৰু মহেন্দ্ৰমোহন চৌধুৰী। অৱশ্যে স্বাধীনতা লাভৰ আগতে মানে ১৯৩৮-৩৯ চনত লোকপ্ৰিয় বৰদলৈ অসমত প্ৰথম কংগ্ৰেছী প্ৰধানমন্ত্ৰীৰ দায়িত্ব লৈছিল। সেই সময়ত ভাৰতৰ সংবিধানমতে আজিকালি যিজনক মুখ্যমন্ত্ৰী বোলা হয়, সেইজনক 'প্ৰধানমন্ত্ৰী' বোলা হৈছিল।

১৯৪৬ চনৰ ১৬ মেইত ঘোষণা কৰা বৃটিছ মন্ত্ৰীসভাৰ প্ৰস্তাৱৰ সংক্ৰান্তত বিশেষকৈ এই প্ৰস্তাৱৰ মৰ্মে অসম প্ৰদেশক বংগদেশৰ লগত সামৰি গ্ৰুপিং তথা 'সমষ্টি' গঠন কৰাৰ যি আঁচনি হৈছিল, সেই সময়ত গোপীনাথ বৰদলৈ ডাঙৰীয়াই এটা অপূৰ্ব নেতৃত্ব দিছিল সেইয়া অসমৰ ইতিহাসৰ এটা স্মৰণীয় অধ্যায় আৰু ব্যক্তিগতভাৱে বৰদলৈৰ ৰাজ-নৈতিক জীৱনত সৰ্বোৎকৃষ্ট সময়—finest hour বুলি কব পাৰি। মুছলমান প্ৰধান বংগদেশৰ লগত হিন্দু প্ৰধান অসমক 'গ' সমষ্টিত অন্তৰ্ভুক্ত কৰি বৃটিছ চৰকাৰে অসমৰ সৰ্বনাশ কৰিবলৈ অপচেষ্টা কৰিছিল, আৰু সেই অপচেষ্টা আৰু চক্ৰান্ত বৰদলৈ ডাঙৰীয়াই

গান্ধীজীৰ আশীৰ্বাদত নাকচ কৰিবলৈ সমৰ্থ হৈছিল। কিন্তু গ্ৰুপিং প্ৰস্তাৱৰ সন্দৰ্ভত আৰু বৰদলৈৰ নেতৃত্ব সম্পৰ্কে যি বিস্তৃতভাৱে আলোচনা আৰু গৱেষণামূলক আলোচনা হ'ব লাগে তেনেদৰে আজিকোপতি হোৱা নাই অথচ বৰদলৈয়ে সেই সংকটৰ সময়ত দিয়া নেতৃত্ব ঐতিহাসিক আছিল।

ইতিমধ্যে বৰদলৈৰ কৰ্মময় জীৱন সম্পৰ্কে মোৰ বিক্ষিপ্তভাৱে লিখা ডায়েৰীত কেইটামান গুৰুত্বপূৰ্ণ কথা পাইছো আৰু তাকে পঢ়ুৱৈৰ আগত উত্থাপন কৰিবলৈ প্ৰয়াস কৰিছো। ১৯৪৬ চনৰ ১৬ মেইত নতুন দিল্লীত বৃটিছ মন্ত্ৰীসভাৰ মিছনৰ হৈ যেতিয়া ছাৰ ষ্টেফৰ্ড ক্ৰীপ্‌সে ভাৰতবাসীলৈ ক্ষমতা হস্তান্তৰ কৰাৰ উদ্দেশ্যে আঁচনি ঘোষণা কৰিছিল, সেইদিনা বৰদলৈ নতুন দিল্লীত আছিল আৰু তেওঁৰ স্বভাৱসুলভ দূৰদৃষ্টিৰে আঁচনিৰ অন্তৰ্গত গ্ৰুপিং তথা 'সমষ্টি' বিষয়ে কৰা প্ৰস্তাৱত অত্যন্ত চিন্তিত হৈছিল; চিন্তিত হৈ, কংগ্ৰেছ ৱৰ্কিং কমিটীৰ ওচৰত 'সমষ্টি'ৰ বিৰোধিতা কৰি এখন স্মাৰক পত্ৰ দিছিল। কিন্তু ৱৰ্কিং কমিটীয়ে বৰদলৈৰ স্মাৰকপত্ৰৰ প্ৰতি কোনো সঁহাৰিকে নিদিলে। বৰদলৈ স্বাভাৱিকতে হতাশ হৈছিল, কিন্তু সম্পূৰ্ণভাৱে নিৰাশ হোৱা নাছিল।

ইতিমধ্যে বৃটিছ মন্ত্ৰীসভাৰ প্ৰস্তাৱৰ ভৱিষ্যত সম্পৰ্কে উদ্ভৱ হোৱা অনিশ্চয়তাৰ মাজত ভাৰতৰ বৰলাটৰ পদত সালসলনি হয়, মানে লৰ্ড ৱাভেলৰ ঠাইত লৰ্ড মাউণ্টবেটেনক ভাইচৰয় হিচাপে বৃটেইনৰ শ্ৰমিক দলৰ প্ৰধানমন্ত্ৰী ক্লিমেণ্ট এট্‌লিয়ে ভাৰতলৈ পঠায় ১৯৪৭ চনৰ মাৰ্চ মাহত। অৱশ্যে ভাৰতৰ ৰাজনৈতিক পৰিস্থিতি সেই সময়ত বৃটিছ চৰকাৰে চম্ভালিব নোৱাৰা অৱস্থাত উপনীত হোৱাত বৃটিছ চৰকাৰে লৰ্ড মাউণ্টবেটেনক এনে কৰ্তৃত্ব দিছিল যাতে ভাৰতবাসীৰ হাতত অতি শীঘ্ৰে ক্ষমতা হস্তান্তৰ কৰা হয়, যদিও প্ৰধানমন্ত্ৰী এট্‌লিয়ে পূৰ্বতে ১৯৪৮ চনৰ জুন মাহত হে ক্ষমতা হস্তান্তৰৰ দিন ধাৰ্য কৰিছিল। নতুন বৰলাট লৰ্ড মাউণ্টবেটেনে বৃটিছ মন্ত্ৰীসভাৰ ১৬ মেইৰ প্ৰস্তাৱৰ ভিত্তিতে ভাৰতৰ প্ৰধান ৰাজনৈতিক দল দুটাৰ (কংগ্ৰেছ আৰু মুছলিম-লীগ) নেতৃবৃন্দৰ লগত আলোচনা কৰিছিল, আলোচনা কৰিছিল যদিও,

গ্ৰুপিং তথা ‘সমষ্টি’ আৰু অন্তৰ্বৰ্তী কেন্দ্ৰীয় চৰকাৰ গঠনৰ প্ৰশ্নত কংগ্ৰেছ আৰু মুছলিম লীগৰ মাজত উত্তৱ হোৱা পৰিস্থিতিত লৰ্ড মাউণ্টবেটেনে কোনো মীমাংসা কৰিব পৰা নাছিল।

লৰ্ড মাউণ্টবেটেনে ‘সমষ্টি’ সন্দৰ্ভত গোপীনাথ বৰদলৈৰ আপত্তি ব্যক্তিগতভাৱে বুজ লোৱাৰ প্ৰয়াসে ১৯৪৭ চনৰ এপ্ৰিল মাহৰ কোনো এটা দিনত বৰলাটে দিল্লীলৈ বৰদলৈক আমন্ত্ৰণ কৰে আৰু দুয়োজনে বিষয়টো আলোচনা কৰে। দিল্লীৰ পৰা গুৱাহাটীলৈ ঘূৰি অহাত বৰদলৈ ডাওৰীয়াক মই তেওঁৰ শিলপুখুৰীস্থ (গুৱাহাটী) বাসভৱনত সাক্ষাৎ লওঁ। বৰদলৈদেৱে ‘গ্ৰুপিং’ দফাৰ দুৰ্ঘোৰ বিৰোধিতা কৰা বুলি মোক জানিবলৈ দিছিল। কিন্তু লগতে বৰদলৈয়ে লৰ্ড মাউণ্টবেটেনক জানিবলৈ দিছিল যে তেওঁ আনকি বংগদেশ বিভাজন কৰাৰো প্ৰতিবাদ কৰিছিল, প্ৰতিবাদ কৰি বৰলাটক পতিয়ন নিবলৈ যুক্তি প্ৰদৰ্শন হিচাপে কৈছিল যে বংগদেশক বিভাজন কৰিলে অসমে যাতায়াত, বেপাৰ-বাণিজ্য আৰু বিভিন্ন ৰকমে অসুবিধাত পৰিব, মানে বৰদলৈয়ে ‘গ’ সমষ্টি সম্পূৰ্ণভাৱে ৰদ কৰাৰ বাবে লৰ্ড মাউণ্টবেটেনৰ আগত বলিষ্ঠ যুক্তি প্ৰদৰ্শন কৰিছিল।

ইতিমধ্যে অসমৰ পক্ষৰ পৰা ‘সমষ্টি’ (গ) গঠনৰ বিৰুদ্ধে তোলা প্ৰবল আপত্তিৰ বিষয়ে প্ৰকৃত পৰিস্থিতি বুজাৰ প্ৰয়াসে লৰ্ড মাউণ্টবেটেনে তেতিয়াৰ ৰাজ্যপাল ছাৰ এণ্ড্ৰু ক্লোৰ (Sir Andrew Clow) মতামত বিচাৰি এটা টোকা বিচাৰিছিল। ছাৰ এণ্ড্ৰু ক্লো অসমত ৰাজ্যপাল হিচাপে ১৯৪৬ চনৰ ২৪ ডিচেম্বৰৰ পৰা ১৯৪৭ চনৰ ৩ মেইলৈকে আছিল। বৰলাটৰ নিৰ্দেশ অনুসৰি ১৯৪৭ চনৰ ২০ এপ্ৰিল তাৰিখে ৰাজ্যপাল ছাৰ এণ্ড্ৰু ক্লোৱে এটি গোপনীয় প্ৰতিবেদন প্ৰেৰণ কৰে। প্ৰতিবেদনত অসমৰ লোকসংখ্যা (১৯৪১ চনৰ লোক পিয়ল অনুসৰি) ৩৪ লাখ বৰ্ণ জাতি, ৭ লাখ অনুসূচীত জাতি, ৩৪ লাখ মুছলমান আৰু ২৬ লাখ জনজাতি আৰু খৃষ্টান হিচাপে উল্লেখ কৰি ৰাজ্যপালে লৰ্ড মাউণ্টবেটেনলৈ তলত দিয়া মতে লিখিছিল ঃ......Caste Hindus are apprehensive and not without cause that a constitution framed for Assam in Group C would place them in a

weaker position than they hold at present, and perhaps even a weaker possition than they deserve, and would have a poor chance at getting secession at the next election. There is substance in the place that it is unfair to Assam that its constitution should be framed by a body in which 5 out of 6 are Bengalis. Bardoloi's claim that Assam should not have the constitution framed by Bengal has consequently had some appeal. But I believe that what he fears is that Assam would get a constitution framed by the Muslims of Bengal and Assam with the aid of the Scheduled casts men of Bengal'.

অসমৰ বৃটিছ ৰাজ্যপাল এজনৰ এই গোপনীয় নোটটো অতি গুৰুত্বপূৰ্ণ আৰু 'সমষ্টি' গঠনৰ সন্দৰ্ভত এখন ঐতিহাসিক দলিল। কংগ্ৰেছৰ উৰ্দ্ধতন পক্ষই 'সমষ্টি' আঁচনিখন যে অসমৰ কাৰণে মাৰাত্মক আছিল তাক বুজিবই পৰা নাছিল যাৰ বাবে বৰদলৈৰ আপত্তি অৰণ্যৰ ৰোদন হৈ পৰিছিল অথচ ছাৰ এণ্ড্ৰু ক্লোই অসমৰ হকে মাত মাতিছিল আৰু বৰদলৈৰ আপত্তি যুক্তিৰে সমৰ্থন কৰিছিল। বোধহয় বৰলাট লৰ্ড মাউণ্টবেটেনে ৰাজ্যপালৰ প্ৰতিবেদনৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। কিন্তু বৰদলৈ এই প্ৰতিবেদনৰ বিষয়ে ভু পাইছিল নে নাই সেই কথা তেওঁ কাকো কোৱা নাছিল। বৃটিছ চৰকাৰে প্ৰকাশ কৰা 'INDIA: The Transfer of Power 1942-47' নামৰ বৃহৎ গ্ৰন্থত ছাৰ এণ্ড্ৰু ক্লোৰ প্ৰতিবেদন সন্নিবিষ্ট কৰা আছে।

প্ৰশাসনীয় ক্ষেত্ৰত বৰদলৈয়ে কিদৰে কাম কৰিছিল তাৰ কেইটামান উদাহৰণ মই নিজে দেখি বৰ আচৰিত হৈছিলো আৰু তাক উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলো, কাৰণ কথা কেইটা দৃশ্যতঃ সাধাৰণ যদিও তাৰ গুণগত বৈশিষ্ট্য আছে।

লোকপ্ৰিয় বৰদলৈ আৰু ডাঃ বৰুৱা মানে দৰদী চিকিৎসক, কংগ্ৰেছী নেতা আৰু অসমৰ জাতীয় জীৱনত সৰবৰহী ব্যক্তি গুৱাহাটীৰ ডাঃ ভুবনেশ্বৰ বৰুৱা দুয়ো পৰম বন্ধু আছিল। চৰকাৰী বিষয়াই হওক কিম্বা নিবনুৱা যুৱকেই হওক কোনো সমস্যাৰ সমুখত পৰিলে আৰু চৰকাৰৰ আৱশ্যক হলে তেওঁলোকে ডাঃ বৰুৱাৰ ওচৰলৈ গৈছিল।

এনে লোকৰ ভিতৰত এজন চৰকাৰী বিষয়া তথা পুলিচ বিভাগৰ ডি-এছ্-পিয়ে তেওঁৰ পদোন্নতি নোহোৱাত ডাঃ বৰুৱাৰ ওচৰলৈ গৈ তেওঁৰ সমস্যাটোৰ কথা এদিন সদৰি কৰে। ডাঃ বৰুৱাইও তেওঁৰ স্বভাৱ-সুলভ সহানুভূতিৰে বিষয়াজনক শ্বিলঙলৈ গৈ মুখ্যমন্ত্ৰী বৰদলৈক লগ ধৰিবলৈ উপদেশ দিয়ে। সেই মতে বিষয়াজনে শ্বিলঙত বৰদলৈক তেওঁৰ চৰকাৰী ভৱন ব্ৰাইটবেলত লগ ধৰে আৰু ডাঃ বৰুৱাই দিয়া চিঠি এখন মুখ্যমন্ত্ৰীক দিয়েগৈ যাতে বিষয়াজনৰ পদোন্নতিৰ প্ৰশ্নটো নিষ্পত্তি কৰি দিয়ে। বৰদলৈয়ে কিন্তু ডাঃ বৰুৱাৰ অনুৰোধ সত্বেও বিষয়াজনৰ কথা শুনিবলৈ সাজু নহ'ল; সাজু নহৈ, ডি-এছ্-পি জনক ধমকি দি কৈছিল ঃ 'মই প্ৰমোচন দিওঁ নেকি? চৰকাৰেহে দিয়ে। তুমি আই-জি-পি-ক দেখা কৰাগৈ।' ডি-এছ্-পি জনে সেই মতে আই-জি-পি-ক দেখা কৰে। কিন্তু আই-জিপি জনেও বিষয়াজনৰ কথা সহানুভূতিৰে নুশুনিলে, নুশুনি, বেচেৰা ডি-এছ্-পি জনক গুৱাহাটীৰ এছ্-পি জনক দেখা কৰিবলৈ নিৰ্দেশ দিয়ে। এছ্-পি চাহাবেও অতি গম্ভীৰ সুৰত ডি-এছ্-পি জনক এনেধৰণৰ উত্তৰ দিছিল মানে প্ৰমোচনৰ হুকুম চৰকাৰেহে দিয়ে! অৱশ্যে এছ্-পি চাহাবে তেওঁৰ অফিচৰ বৰবাবুক দেখা কৰি সংশ্লিষ্ট ফাইলটো যাতে সোনকালে এছ্-পিলৈ পঠাই দিয়ে তাৰ বাবে ডি-এছ্-পিজনক উপদেশ দিছিল। সেই মতে তেওঁ অফিচৰ বৰবাবু অৰ্থাৎ হেড্‌ক্লাৰ্কক দেখা কৰে যিজনে একে সুৰতে তেওঁক জানিবলৈ দিছিল যে প্ৰমোচনৰ অৰ্ডাৰ চৰকাৰেহে দিব। আকৌ 'চৰকাৰ'ৰ কথা শুনি ডি-এছ্-পিজন বিমোৰত পৰিছিল।

ডি-এছ্-পিজন হতাশ হৈ গোটেই কথাখিনি ডাঃ বৰুৱাৰ কাণত পেলালেগৈ। তাৰ কেইদিনমান পিছত বৰদলৈ ডাঙৰীয়া গুৱাহাটীলৈ অহাত ডাঃ বৰুৱাই তেওঁক লগ ধৰি টান সুৰত মই কোৱা শুনিছিলো 'বৰদলৈ, আপোনালোকৰ চৰকাৰ কত থাকে? আপুনি চৰকাৰ নহয় জানো?' আৰু লগতে ডি-এছ্-পি বিষয়াজনে যে 'চৰকাৰ' বিচাৰি হাবাথুৰি খাইছিল সেই কথাটো ডাঃ বৰুৱাই বৰদলৈক জানিব দিছিল। কোনো কোনো বিষয়ত দুয়ো বন্ধু মানে বৰদলৈ আৰু ডাঃ বৰুৱাৰ মাজে সময়ে বাক্‌যুদ্ধ হোৱা দেখিছিলো, কিন্তু এনে বাক্‌যুদ্ধ আছিল

সহাদয়তাৰ। সি যি কি নহওক, ডি-এছ-পিজনে প্ৰমোচন পালে, কিন্তু 'চৰকাৰ' ক'ত থাকে বুলি সোধা প্ৰশ্নটো মই পাহৰিব পৰা নাই, যদিও সেই বিষয়টো ৰঙা ফিটা মানে ( Redtapism ) দৈত্যৰ অংশ আৰু এই দৈত্যৰূপী প্ৰথাটো আজিও প্ৰকট হৈ আছে।

বৰদলৈ মন্ত্ৰী সভাৰ দিনত কোনো কোনো বস্তু বাহিৰৰ পৰা আমদানি কৰাত ব্যৱসায়ী শ্ৰেণীৰ উপৰিও কোনো কোনো নিবনুৱা ডেকাক পাৰমিট দিয়া হৈছিল। এদিন তেওঁৰ শিলপুখুৰীৰ বাসভৱনত কেইজনমান লোকে—এওঁলোকৰ ভিতৰত বৰদলৈৰ ওচৰ চুবুৰীয়া আছিল—গুড় আমদানি কৰাৰ পাৰমিট বিচাৰি গৈছিল। মোৰ উপস্থিতিতেই বৰদলৈ ডাঙৰীয়াই এনে এটা বিৰক্তিসূচক কথা কৈছিল যিটো নিশ্চিতভাৱে বৰ কঠোৰ ভাষাত আছিল। তেওঁ কৈছিল ঃ 'মই মৰা শ নেকি ? শগুণবোৰে মৰা শ আগুৰি ধৰাৰ দৰে আগুৰি ধৰিছা কিয় ?' বৰদলৈ ডাঙৰীয়াৰ কথাখিনি শুনি মই যিদৰে বিস্মিত হৈছিলো, সেইদৰে বিস্মিত হৈছিল পাৰমিট প্ৰাৰ্থীকেইজন। অৱশ্যে পিছত শুনিছিলো এওঁলোকৰ ভিতৰত কেইজনমানক যোগ্যতানুসৰি পাৰমিট দিবলৈ তেওঁ সংশ্লিষ্ট যোগান মন্ত্ৰীক অনুৰোধ কৰিছিল, কিন্তু নিজে হুকুম দিয়া নাছিল।

শ্বিলং-গুৱাহাটী পথৰ পৰিবহন ব্যৱস্থা বৰদলৈ চৰকাৰৰ দিনত ৰাষ্ট্ৰীয়কৰণ হয়। তাৰ পূৰ্বে এই লাভজনক ব্যৱসায়টো কেইজনমান বঙালী ব্যৱসায়ীৰ একচেটিয়া আছিল। তেওঁৰ মন্ত্ৰীসভাত ট্ৰেন্সপ'ৰ্ট দপ্তৰৰ মন্ত্ৰী আছিল ৰামনাথ দাস। কোৱা বাহুল্য যে সক্ৰিয়া নিতৌ একাধিক মন্ত্ৰীয়ে (বিত্তমন্ত্ৰী বিষ্ণুৰাম মেধীৰ বাহিৰে) বৰদলৈৰ শ্বিলঙৰ চৰকাৰী ভৱন ব্ৰাইটৱেললৈ গৈ অনা-চৰকাৰীভাবে কংগ্ৰেছৰ সংগঠন আৰু চৰকাৰী কামকাজৰ আলোচনা কৰিছিল। প্ৰচাৰ বিভাগৰ সহকাৰী অধিকৰ্তা হিচাপে মই শ্বিলঙত থাকোতে তালৈ মই যোৱাৰ সুযোগ পাইছিলো আৰু বিষয়বোৰৰ ভু পাইছিলো। এদিন ট্ৰেন্সপ'ৰ্ট মন্ত্ৰী ৰামনাথ দাসে নতুনকৈ ৰাষ্ট্ৰীয়কৃত শ্বিলং-গুৱাহাটী পথৰ আসাম ষ্টেট ট্ৰেন্সপ'ৰ্ট কৰপোৰেচনৰ এজন ডিৰেক্টৰ হিচাপে বৰদলৈদেৱৰ বৰ জোঁৱায়েক তথা এজন কৰ্মদক্ষ ইঞ্জিনীয়াৰৰ নাম প্ৰস্তাৱ কৰি মুখ্যমন্ত্ৰী বৰদলৈৰ মতামত বিচাৰে। এই প্ৰস্তাৱ কৰোতে বৰদলৈ ডাঙৰীয়া

খণ্ডত অগ্নিশৰ্মা হোৱা দেখিছিলো। দাসক মুখ্যমন্ত্ৰীয়ে দিয়া সমিধানটো আছিল এনে ধৰণৰ ঃ 'তোমালোকে মোৰ পৰামৰ্শ কিয় বিচাৰিছা? তুমি ট্ৰেন্সপ'ৰ্ট মন্ত্ৰী হিচাপে তোমাৰ দায়িত্ব সম্পন্ন কৰিবা। মোৰ জোঁৱাইক এই পদত দিলে মানুহে কি ক'ব? মোক এনেবোৰ কথা নুসুধিবা।'

বিষয়টো সিমানতে অন্ত পৰিছিল। অৱশ্যে আসাম ষ্টেট ট্ৰেন্সপ'ৰ্ট কৰপোৰেচনৰ গুৰি ধৰিবলৈ মানে ডাইৰেক্টৰ পদত বৰদলৈৰ জোঁৱায়েকক নিযুক্তি দিয়া হৈছিল আৰু প্ৰাৰম্ভিক বছৰত তেওঁ এজন কাৰ্যদক্ষ ডিৰেক্টৰ হিচাপে কাৰ্যবহন কৰিছিল। তথাপি বৰদলৈ ডাঙৰীয়াই আজিকালি ভাই-ভতিজা নামৰ যি আত্মীয় স্বজন প্ৰীতিৰ প্ৰবণতা হৈছে তাক তেওঁ পছন্দ কৰা নাছিল আৰু পছন্দ কৰা নাছিল এজন মন্ত্ৰীয়ে সকলো কথাতে মুখ্যমন্ত্ৰীৰ পৰামৰ্শ বিচৰা কাৰ্য।

ডাঃ ভুবনেশ্বৰ বৰুৱাদেৱৰ নাম উল্লেখ কৰোতে মোৰ মনত পৰিছে গুৱাহাটীৰ ডাঃ হৰিকৃষ্ণ দাস আৰু তেওঁৰ দ্বিতীয়া কন্যা শ্ৰীমতী অমলপ্ৰভা দাসক। তেওঁলোকৰ উপৰি মনত পৰিছে ড০ বাণীকান্ত কাকতিৰ কথা। মই নিজে জানো যে ডাঃ বৰুৱা, ডাঃ দাস আৰু অমলপ্ৰভা আৰু ড০ কাকতিক তেতিয়া প্ৰভাৱশালী কংগ্ৰেছৰ নেতা বৰদলৈ প্ৰমুখ্যে কেইবাজনেও সংসদী ৰাজনীতিত তথা এম-এল-এ বা এম-পি'ৰ বাবে কংগ্ৰেছ প্ৰাৰ্থিত্ব যাচিছিল, কিন্তু এওঁলোকৰ কোনোজনে ইয়াক গ্ৰহণ কৰা নাছিল। আনহাতে আজিকালি এই দুৰ্লভ পদ পাবলৈ প্ৰচেষ্টা কৰা লোকৰ অভাৱ নোহোৱা হৈছে। ডাঃ বৰুৱা আৰু ডাঃ হৰিকৃষ্ণ দাসে আজীৱন কংগ্ৰেছ অনুষ্ঠানৰ কাম কৰি তেতিয়াৰ বিদেশী চৰকাৰৰ বিৰাগভাজন হৈছিল। ১৯৩৪ চনত গান্ধীজী অসমলৈ আহোতে ডাঃ দাস ডাঙৰীয়াৰ নিজা ঘৰত আছিল; ১৯৪৬ চনৰ জানুৱাৰী মাহত অসমলৈ আহোতে ডাঃ দাসৰ দ্বাৰা নতুনকৈ নিৰ্মিত শৰণীয়া আশ্ৰমত গান্ধীজীয়ে চাৰিদিন কটাইছিল। ড০ বাণীকান্ত কাকতি ডাঙৰীয়াই শিক্ষাবিদ্ হিচাপে অসমৰ সেৱা কৰি গ'ল, কিন্তু তেওঁ ৰাজনীতিত লিপ্ত থকা অম্বিকাগিৰি ৰায়চৌধুৰী, অমিয়কুমাৰ দাস আৰু লোকপ্ৰিয় বৰদলৈৰ বন্ধু আছিল।

শ্ৰীঅমলপ্ৰভা দাস ভাৰতৰ ভিতৰত এগৰাকী আগশাৰীৰ সমাজ সেৱিকা, পৰম গান্ধীবাদী, শৰণীয়া আশ্ৰম আৰু মৈত্ৰী আশ্ৰমকে ধৰি একাধিক গঠনমূলক অনুষ্ঠানৰ প্ৰাণ; অসমত ভূদান আন্দোলনৰ বলিষ্ঠ কৰ্মী। ১৯৫৫ চনত ভাৰত চৰকাৰে তেওঁক 'পদ্মবিভূষণ' উপাধি প্ৰদান কৰিছিল, কিন্তু অতি নম্ৰভাৱে তাক গ্ৰহণ নকৰিলে, কিন্তু গ্ৰহণ নকৰি, প্ৰধানমন্ত্ৰী নেহৰুলৈ এখন পত্ৰ দিছিল অতি কৃতজ্ঞতাৰ সুৰত যাৰ উত্তৰত পণ্ডিতজীয়ে 'অসমৰ অমলপ্ৰভা নম্ৰতাৰ প্ৰতিমূৰ্তি' বুলি আচাৰ্য বিনোৱাজীক জানিব দিছিল। মই এবাৰ তেওঁক এখন ৰাজহুৱা সভালৈ নিমন্ত্ৰণ কৰিবলৈ যাওঁতে তেওঁ অমান্তি হৈছিল, কিন্তু মোৰ অনুৰোধ এৰাব নোৱাৰি সেই সভালৈ আহিছিল। বৰ্তমান তেওঁৰ বয়স ৭৫ বছৰ। শাৰীৰিক অসুস্থতাৰ কাৰণে তেওঁৰ প্ৰাণৰ সংগঠন-বোৰত সক্ৰিয় হৈ থাকিব পৰা নাই, কিন্তু তেওঁ গান্ধীজী আৰু আচাৰ্য বিনোৱাজীৰ আদৰ্শত আজিও অচল-অটল।

বৰ্তমান সময়ৰ মূল্যবোধহীন ৰাজনীতি আৰু গঠনমূলক কামৰ প্ৰতি প্ৰায় প্ৰত্যেকজন নাগৰিকৰ ঔদাসিন্য দেখি অসমৰ লোকপ্ৰিয় বৰদলৈ, ডাঃ ভুবনেশ্বৰ বৰুৱা, ডাঃ হৰিকৃষ্ণ দাস আৰু কুমাৰী অমল-প্ৰভা দাসৰ বিষয়ে উল্লেখ নকৰি নোৱাৰিলো, যদিও 'স্মৃতি-বিচিত্ৰা'ত প্ৰাসঙ্গিক হৈছে নে নাই সেইয়া সহৃদয় পঢ়ুৱৈৰ বিচাৰ্য।

# ২০

অসমৰ দ্বিতীয় মুখ্যমন্ত্ৰীজন আছিল বিষ্ণুৰাম মেধী ডাঙৰীয়া। ভাৰতৰ মুক্তি-সংগ্ৰামত তেওঁৰ ভূমিকা আৰু প্ৰশাসক হিচাপে মেধীৰ দক্ষতা সকলোৰে জনা কথা। ওকালতি ব্যৱসায়তো তেওঁৰ যশস্যা কাৰো অবিদিত নহয়। সাংবাদিক হিচাপে এই নেতাজনৰ ঘনিষ্ঠ সম্পৰ্কত ১৯৩৭ চনৰ পৰা অহাৰ সুযোগ পাইছিলো আৰু সুযোগ পাই-ছিলো জানিবলৈ, মেধী ডাঙৰীয়াই অসমৰ কেইটামান সমস্যাত কিদৰে তেওঁৰ গভীৰ চিন্তা প্ৰয়োগ কৰিছিল। অসমত প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ সভাপতিৰ বাব লৈ মেধীয়ে প্ৰদেশখনত মুক্তি-সংগ্ৰামৰ গুৰি ধৰিছিল যদিও, তেওঁ ১৯৩৭ চনত অনুষ্ঠিত অসম বিধান সভাৰ নিৰ্বাচনৰ প্ৰাৰ্থী নহ'ল, কাৰণ অনুষ্ঠানৰ কামত তেওঁ বিশেষ গুৰুত্ব দিছিল, মানে অসম কংগ্ৰেছৰ সভাপতি হিচাপে নিৰ্বাচনী অভিযানত তেওঁ লাগি কংগ্ৰেছৰ কৃতকাৰ্যতাৰ বাবে চেষ্টা কৰিছিল। কোনো কোনো মহলে আজিও কয় যে ১৯৩৭ চনৰ বিধান সভাত মেধী প্ৰাৰ্থী হোৱাহেঁতেন তেৱেঁই অসমৰ প্ৰথম মুখ্যমন্ত্ৰী হ'লহেঁতেন; মেধী প্ৰাৰ্থী নোহোৱাৰ ফলত লোকপ্ৰিয় গোপীনাথ বৰদলৈ ডাঙৰীয়াই সেই সন্মান লাভ কৰিছিল, যদিও এই সম্পৰ্কত আন কেতবোৰ বিষয় জড়িত আছে। এই বিষয়টো তৰ্কৰ উৰ্দ্ধত নহয়।

সি যি কি নহওক, কংগ্ৰেছ কৰ্মীসকলৰ অনুৰোধত মেধী ডাঙৰীয়া গুৱাহাটী লোকেল ব'ৰ্ডৰ সদস্য তথা চেয়াৰমেন নিৰ্বাচিত হয় ১৯৩৮ চনত। হিন্দুস্থান ষ্টেণ্ডাৰ্ড আৰু অমৃত বাজাৰ পত্ৰিকাৰ গুৱাহাটীৰ

সংবাদদাতা হিচাপে তেওঁক লগ ধৰি কাকত দুখনত প্ৰকাশৰ বাবে এখন ফটোৰ বাবে মই অনুৰোধ কৰিছিলো। কিন্তু প্ৰথমতে তেওঁ মোৰ অনুৰোধ উপেক্ষা কৰিছিল, উপেক্ষা কৰি কৈছিল যে তেওঁৰ নিজৰ ফটো প্ৰকাশ কৰাতকৈ গুৱাহাটী লোকেল ব'ৰ্ডৰ কাৰ্যালয় ভৱনটোত যে কংগ্ৰেছ চেয়াৰমেন হিচাপে তেওঁ কংগ্ৰেছৰ ত্ৰিৰঙ্গ পতাকা সদায়ে উত্তোলন কৰাৰ ব্যৱস্থা কৰিছে সেই সংবাদটো বাতৰি কাকতত প্ৰকাশ কৰা উচিত। মেধী ডাঙৰীয়াই তাতেই গুৰুত্ব দিছিল। কোৱা বাহুল্য যে গুৱাহাটী কাছাৰী ঘৰত প্ৰত্যেক দিনে উৰি থকা য়ুনিয়ন জেক বৃটিছ পতাকাখনৰ কাষতে যে কংগ্ৰেছৰ পতাকাখন উৰি আছিল সেইয়া নিশ্চয় অৰ্থপূৰ্ণ সংবাদ আছিল। মই সেই সংবাদটো বাতৰি কাকতলৈ পঠাই-ছিলো আৰু লগতে পঠাইছিলো মেধীদেৱৰ এখন ফটো। সংবাদ আৰু ফটোখন প্ৰকাশ হোৱাত তেওঁ ইমান প্ৰফুল্লিত হৈছিল যে তাক মই পাহৰিব পৰা নাই। তেওঁ মোক কৈছিল যে ব্যক্তি বিশেষৰ প্ৰচাৰতকৈ কংগ্ৰেছে কি কাম কৰিছে তাৰ গুৰুত্ব বেছি। মেধীয়ে বৰদলৈ ডাঙৰীয়াৰ মন্ত্ৰীসভাত ১৯৩৮ চনত যোগ দিয়ে। উজান বজাৰৰ সৰবৰহী উকীল যোগেন্দ্ৰ নাথ বৰুৱা এম এল এৰ মৃত্যু হোৱাত মেধী কমলপুৰ সমষ্টিৰ পৰা উপ-নিৰ্বাচনত জয়ী হোৱাৰ পিছত বিত্ত আৰু ৰাজহ বিভাগৰ দায়িত্ব পায়।

সাংবাদিক হিচাপে মেধীদেৱৰ সৈতে মোৰ সুদীৰ্ঘ সম্বন্ধ আৰু ১৯৫০-৫২ চনত অসম চৰকাৰৰ প্ৰচাৰ বিভাগৰ উপ-সঞ্চালক পদত থাকোতে মোৰ কেইটামান অভিজ্ঞতা হৈছিল যি অভিজ্ঞতাই মেধীৰ প্ৰতি এফালে যেনেকৈ মোৰ ব্যক্তিগত শ্ৰদ্ধা বৃদ্ধি হৈছিল আনফালে অসমৰ কেইটামান সমস্যাৰ ওপৰত তেওঁৰ বিচাৰ-বুদ্ধি তথা নীতি জনাৰ সুযোগ পাইছিলো যি নীতি অসমৰ ৰাজনৈতিক আৰু প্ৰশাসনৰ ওপৰত আজিও ৰেখাপাত কৰি আছে যেন অনুমান হয়।

লোকপ্ৰিয় বৰদলৈৰ বিয়োগৰ পিছত বিষ্ণুৰাম মেধীয়ে মুখ্যমন্ত্ৰীৰ দায়িত্ব লয় ১৯৫০ চনৰ আগষ্ট মাহত। তাৰ কেইমাহমান পিছত ভাৰত চৰকাৰে এ ডি পণ্ডিত নামৰ এজন উচ্চ বিষয়াক অসমৰ চীফ চেক্ৰেটাৰী হিচাপে নিয়োগ কৰে। সেই সময়ত অসমত ৰিফিউজী সমস্যা

বৰ প্ৰকট হৈ পৰিছিল আৰু কেন্দ্ৰীয় চৰকাৰে ৰিফিউজীক অসমৰ পতিত মাটি পট্টন দিবলৈ বৰ হেঁচা দিছিল ; কিন্তু মেধীয়ে তাৰ প্ৰতিবাদ কৰিছিল আৰু কেন্দ্ৰীয় চৰকাৰক জানিবলৈ দিছিল যে প্ৰকৃততে অসমত পতিত মাটি বেছি নাই, যিখিনি আছে তাক থলুৱা লোকৰ বাবে প্ৰয়োজন হ'ব। এদিন তেওঁৰ শ্বিলঙৰ চৰকাৰী বাসভৱন ৰ'ক চাইডত (Rock side) মুখ্যমন্ত্ৰী মেধী আৰু চীফ চেক্ৰেটাৰী পণ্ডিতৰ মাজত বৰ তৰ্কাতৰ্কি হোৱা দেখিছিলো। মুখ্যমন্ত্ৰী মেধীৰ আদেশক্ৰমেই প্ৰচাৰ বিভাগৰ বিষয়া হিচাপে মই সেইদিনা ৰ'ক চাইড বঙলাত ৰাতিপুৱা উপস্থিত আছিলো। চীফ চেক্ৰেটাৰীজনে ৰিফিউজীক খেতিৰ মাটি দিবলৈ ইমান টানকৈ ধৰিছিল যে অৱশেষত মেধী ডাঙৰীয়াই খং ভাবেৰে মিঃ পণ্ডিতক কোৱা দেখিছিলো যে ৰিফিউজীবোৰ প্ৰধানকৈ খেতিয়ক নহয়, সৰু কাৰবাৰী লোক। অসম চৰকাৰে সৰু ব্যৱসায়ৰ সুবিধা দি ৰিফিউজী সংস্থাপন কৰিব। কিন্তু একোপধ্যে জমি পট্টন কৰা নহ'ব বুলি চীফ চেক্ৰেটাৰীজনক জানিবলৈ দিছিল আৰু কৈছিল ঃ I am the Chief Minister, I represent the people and answerable to the Assembly. You are a Government officer. If I settle lands with the refugees how shall I face my own people ? তাৰ পিছত মিঃ পণ্ডিতক মই বাহিৰৰ পৰা নিৰুত্তৰ হোৱা যেন লক্ষ্য কৰিছিলো।

শুনিছিলো কেন্দ্ৰীয় চৰকাৰ তথা উপ-প্ৰধানমন্ত্ৰী চৰ্দাৰ বল্লভভাই পেটেলে ইচ্ছাকৃতভাৱে আৰু ৰিফিউজীৰ পুনৰ সংস্থাপনৰ বিশেষ সহায়ক হ'বলৈ এ ডি পণ্ডিতক অসমৰ চীফ চেক্ৰেটাৰী হিচাপে পঠাইছিল। কিন্তু মুখ্যমন্ত্ৰী মেধীৰ আপত্তিত মিঃ পণ্ডিত কিছুদিনৰ পিছত অসমৰ পৰা যাব লগা হৈছিল আৰু তেওঁৰ ঠাইত এছ এল মেহতা মুখ্য সচিব হৈছিল। মেধী-পণ্ডিতৰ বিষয়টো মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব জিতেন্দ্ৰ নাথ দাসেও (ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য) ভালকৈ জানে। এই প্ৰসংগটোৱে নিশ্চিতভাৱে বিষ্ণুৰাম মেধী ডাঙৰীয়া যে খিলঞ্জীয়া অসমীয়া খেতিয়কক বঞ্চিত কৰি ৰিফিউজীক মাটি পট্টন কৰাৰ অত্যন্ত বিৰোধী আছিল তাক সেইদিনা তেওঁ মোক কৈছিল আৰু কৈছিল যে চীফ চেক্ৰেটাৰী পণ্ডিতে নিজৰ ক্ষমতা চেৰাই গৈছিল।

মেধী-মন্ত্ৰীসভাৰ দিনত নগা সমস্যাটো বৰ জটিল হৈ উঠিছিল। তাৰ লগত সুকীয়া পাৰ্বত্য ৰাজ্য গঠনৰ দাবীও প্ৰকট হবলৈ ধৰে। সেই অসমত মই দ্য আসাম ট্ৰিবিউনৰ সহকাৰী সম্পাদক। মেধী ডাঙৰীয়া যেতিয়াই গুৱাহাটীলৈ নামি আহিছিল, তেতিয়াই মই নিজে সাক্ষাৎ কৰিছিলো কিম্বা তেওঁ মোক তেওঁৰ গুৱাহাটীৰ বাসভৱনলৈ মাতি নিছিল আৰু নগা সমস্যা, সুকীয়া পাৰ্বত্য ৰাজ্যৰ দাবী আৰু আন ৰাজনৈতিক বিষয়ে তেওঁৰ চৰকাৰৰ নীতি জানিবলৈ দিছিল আৰু এই নীতিবোৰ বাতৰি কাকতে সমৰ্থন কৰাৰ আৱশ্যকতা দোহাৰিছিল যাতে অসম খণ্ড-বিখণ্ড হ'ব নোৱাৰে।

ইতিমধ্যে নগাপাহাৰ জিলাত বিদ্ৰোহী নগাৰ হিংসাত্মক কাৰ্য বৃদ্ধি হোৱাত প্ৰধানমন্ত্ৰী নেহৰুৱে নগা পাহাৰ কেন্দ্ৰীয় শাসনৰ তললৈ অনাৰ প্ৰস্তাৱ মেধীলৈ পঠাইছিল; অৱশ্যে নেহৰুৱে অসম চৰকাৰক আশ্বাস দিছিল যে নগাপাহাৰ জিলাখন অসমৰ পৰা পৃথক কৰাৰ আঁচনি নাছিল— মাত্ৰ প্ৰশাসনৰ দায়িত্বহে কেন্দ্ৰই সাময়িকভাৱে ল'ব। কিন্তু মুখ্যমন্ত্ৰী মেধীয়ে তাৰ বিৰোধিতা কৰিছিল; বিৰোধিতা কৰি, অসম মন্ত্ৰীসভাত এটা প্ৰস্তাৱো গ্ৰহণ কৰিছিল। আনকি, ১৯৫৭ চনৰ মেই মাহত নেহৰুৰ আঁচনিৰ বিৰোধিতা কৰি নগাপাহাৰৰ প্ৰশাসন কেন্দ্ৰই হস্তগত কৰিলে তেওঁ মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰিব বুলি ভাবুকি দিছিল। সেই সময়ৰ ৰাজ্যপাল ফজল আলিৰ হতুৱাইও নগাপাহাৰক অসম প্ৰশাসনৰ পৰা সাময়িকভাৱে হলেও পৃথক নকৰিবলৈ নেহৰুলৈ চিঠি দিয়াইছিল। শেহত নেহৰু এই কামত আগ নাবাঢ়িল, যদিও তাৰ প্ৰায় পাঁচ বছৰৰ পিছত নগাপাহাৰ অসমৰ অংগ হৈ নৰল। ১৯৬৩ চনত নগাপাহাৰ অসমৰ পৰা পৃথক হ'ল।

তেওঁ যে মুখ্যমন্ত্ৰীৰ পদ কেন্দ্ৰীয় চৰকাৰৰ নগা-নীতিৰ বিৰুদ্ধে এৰি দিবলৈ মনস্থ কৰিছিল এই বাতৰিটো কিন্তু প্ৰকাশ নকৰিবলৈ মোক সতৰ্ক কৰি দিছিল। তথাপি তেওঁ যে বিশ্বাসত লৈ বিষয়টো মোক জানিবলৈ দিছিল তাৰ বাবে মই তেওঁক ধন্যবাদ দিছিলো। অৱশ্যে এই সংক্ৰান্তত উল্লেখ কৰা সংগত হ'ব যে ১৯৫৬ নে ১৯৫৭ চনৰ আগভাগত কংগ্ৰেছ সভাপতি ইউ এন ধেবৰ ভাই নগাপাহাৰ ভ্ৰমণ

কৰাৰ ইচ্ছা প্ৰকাশ কৰাত মুখ্যমন্ত্ৰী মেধীয়ে সন্মতি নিদিলে অথচ খেবৰ-ভাই শাসক দলৰ মুৰব্বী আছিল। এই বিষয়ত অসম প্ৰাদেশিক কংগ্ৰেছৰ কৰ্ম-কৰ্তাসকল মেধীৰ ওপৰত অসন্তুষ্ট হৈছিল, কিন্তু মেধীয়ে তেওঁৰ যিকোনো সিদ্ধান্তত আঁকোৰগোজ মনোভাব লৈছিল।

সুকীয়া পাৰ্বত্য ৰাজ্যৰ দাবীতো মেধী-চৰকাৰ অত্যন্ত বিৰোধী আছিল। কেপ্তেইন উইলিয়ামচন চাংমা প্ৰমুখ্যে অল পাৰ্টি হিল লিডাৰ্চ কনফাৰেঞ্চৰ (All Party Hill Leaders Conference) নেতা সকলে মেধীক বৰ বেয়া পাইছিল আৰু মেধী চৰকাৰে সংবিধানৰ ২৭৫ ধাৰাৰ মৰ্মে কেন্দ্ৰই পাৰ্বত্য জিলাকেইখনৰ উন্নয়নৰ বাবে দিয়া বিশেষ মঞ্জুৰী ভৈয়ামৰ উন্নয়নত ব্যয় কৰা বুলি অভিযোগ আনিছিল, কিন্তু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা গঠিত পাটকাৰ কমিচনে এই অভিযোগ সাৰশূন্য বুলি মত দিছিল আৰু অসমৰ অখণ্ডতা সমৰ্থন কৰিছিল। মেধী-চৰকাৰৰ দিনত এইদৰে নগাপাহাৰ আৰু আন পাৰ্বত্য জিলাকেই-খন অসমৰ অংশ হিচাপে আছিল।

ইতিমধ্যে কিন্তু ১৯৬৭ চনৰ মাজভাগত কেন্দ্ৰীয় চৰকাৰে অসমখন পুনৰ গঠিত কৰি, পাৰ্বত্য এলেকাৰ আন্দোলনৰ পৰিপ্ৰেক্ষিতত এখন ফেডাৰেল ব্যৱস্থাৰে ৰাজ্য পতাৰ বাবে আঁচনি লয়। এই আঁচনিৰ বিষয় জানি মেধী ডাঙৰীয়া বৰ বিচলিত হোৱা লক্ষ্য কৰিছিলো। মই তেতিয়া ট্ৰিবিউন কাকতৰ সম্পাদক। মেধীয়ে ফেডাৰেল আঁচনিৰ বিৰোধিতা কৰি প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীলৈ ১৯৬৭ চনৰ ৪ জুনত লিখা ২৪০০ শব্দৰ চিঠিখন মোক চাবলৈ দিছিল আৰু তাৰ উত্তৰত ইন্দিৰা গান্ধীৰ চিঠিখনো মই পঢ়িবলৈ সুযোগ পাইছিলো। মেধী ডাঙৰীয়াৰ চিঠিখনক চিঠি নুবুলি অসমৰ ৰাজনৈতিক অৱস্থাৰ এটা মূল্যবান বিশ্লেষণমূলক প্ৰবন্ধ বুলি ক'লে অত্যুক্তি কৰা নহয়। এই চিঠিখনৰ দুটা অংশৰ প্ৰাসংগিকতা আজিও নুই কৰিব নোৱাৰি। মেধীৰ ভাষাত ঃ

'The propoal of a new experiment of federal structure of administration in this strat egic region surrounded by un-friendly countries and unsettin the present arrangement, instead of solving the problems of the Hills and Plains is likely to release tangential forces of disruption and tension

beyond the control of a tenuous federal structure and is likely to be a dangerous experiment not conducive to the welfare of the Hills and Plains……The entire India is likely to be disintegrated if we do not put a stop to the forces of disintegration but just follow the example of Nagaland and try to impose the proposed federal structure. '……

মেধীৰ দীঘলীয়া চিঠিৰ উত্তৰত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ১৯৬৭ চনৰ ৬ জুনৰ চিঠিত তেওঁক জানিবলৈ দিয়ে যে অসমৰ সমস্যা বৰ জটিল কিন্তু ফেডাৰেল আঁচনিৰ পোষকতা কৰি মেধীক জানিবলৈ দিয়ে যে, 'The proposal to have a regional federation seeks to preserve some essential links of unity, particularly in respect of the security and development of the area while at the same time providing for the legitimate aspirations of the people of the Valley as well as the Hills of Assam. The proposal deserves careful and disspassionable consideration of the parties concerned……The views which you have expressed will receive full consideration.'

কোৱা বাহুল্য যে মেধী ডাঙৰীয়াৰ বিৰোধিতাৰ পৰিপ্ৰেক্ষিতত ফেডাৰেল গাঁথনিৰ আঁচনি আগ নাবাঢ়িল। কিন্তু ইতিমধ্যে মেধী-চৰকাৰৰ উত্তৰ কালত নগালেণ্ড, মেঘালয়, মিজোৰাম আৰু অৰুণাচল প্ৰদেশ গঠন হ'ল মানে অসম খণ্ড-বিখণ্ড হ'ল। আজিও অসমত ফেডাৰেল প্ৰস্তাৱ কোনো কোনো অত্যুৎসাহী লোকে আগবঢ়াই অসমৰ সমস্যা সমাধান কৰিবলৈ প্ৰয়াস কৰে অথচ এই প্ৰস্তাৱৰ সুদূৰপ্ৰসাৰী মাৰাত্মক ফল বিবেচনা নকৰে যেন ধাৰণা হয়।

কিন্তু মন কৰিবলগীয়া যে মেধী ডাঙৰীয়াই যেতিয়া ফেডাৰেল আঁচনিৰ বিৰোধিতা কৰি প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীলৈ চিঠি লিখিছিল, তেতিয়া তেওঁ মুখ্যমন্ত্ৰী কিম্বা কোনো বিষয়ববীয়াও নাছিল। মাদ্ৰাজৰ ৰাজ্যপালৰ দায়িত্ব কৃতিত্বৰে পাঁচ বছৰ অতিবাহিত কৰি তেওঁ গুৱাহাটীত নিজা বাসভৱনত থিতাপি লৈছিল। তথাপি যে তেওঁ অসমৰ ভৱিষ্যতৰ বিষয়ে চিন্তা-চৰ্চা কৰিছিল তাক ভাবিলে বিস্ময় মানিব লাগে আৰু এই প্ৰবীণ নেতাজনৰ প্ৰতি গভীৰ শ্ৰদ্ধা জন্মে। মোৰ

এপ্ৰিল মাহত বিষ্ণুৰাম মেধীৰ জন্ম-শতবাৰ্ষিকী উৎযাপন যথাযোগ্য-ভাৱে নোহোৱাটো দুখৰ বিষয়।

মেধীয়ে তেওঁৰ মুখ্যমন্ত্ৰীত্ব আৰু তাৰ পিছতো কেন্দ্ৰীয় চৰকাৰলৈ লিখা চিঠিবোৰ বৰ দীঘলীয়া আছিল। তেওঁ সকলো সমস্যাৰ আঁতি-গুৰি জনাই কেন্দ্ৰীয় চৰকাৰৰ মনোযোগ আকৰ্ষণ কৰিবলৈ চেষ্টা কৰি-ছিল, কিন্তু তাৰ ফলত প্ৰধানমন্ত্ৰী আৰু আন নেতাসকলে মেধীৰ চিঠি-বোৰ নিজে পঢ়ি তাৰ মৰ্ম উপলব্ধি বোধহয় কৰা নাছিল। কথা প্ৰসংগত তেওঁ মোক কৈছিল যে তেওঁৰ চিঠিবোৰ প্ৰধানমন্ত্ৰী নিজে পঢ়ি নাচায় আৰু তেওঁৰ উপদেষ্টা তথা সচিববৰ্গই দিয়া নোটমতে সিদ্ধান্ত লয়। এই কথা যে সকলো প্ৰধানমন্ত্ৰীৰ ক্ষেত্ৰতে প্ৰযোজ্য তাক ক'ব নোৱাৰি; কিন্তু প্ৰধানমন্ত্ৰী নেহৰুৱে মহেন্দ্ৰমোহন চৌধুৰীক (তেতিয়া তেওঁ নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক) কৈছিল ঃ 'Your Chief Minister writes very long letters' চৌধুৰীয়ে এই কথা মোক জানিবলৈ দিছিল। কিন্তু মেধীয়ে যে অসমৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ ত্ৰুটি কৰা নাছিল, তাত কোনো সন্দেহ নাই। সেই কালত অসমৰ কংগ্ৰেছৰ প্ৰবীণ নেতাসকলে অসমৰ সমস্যা সমাধান আৰু স্বাৰ্থ পূৰণৰ কাৰণে যথেষ্ট পৰিশ্ৰম কৰিছিল। তাক স্বাধীনতা কালৰ উত্তৰসুৰীসকলে উপলব্ধি কৰিব নোৱাৰে; উপলব্ধি কৰিব নোৱাৰি, প্ৰবীণ নেতাসকলৰ সমালোচনা কৰে। প্ৰয়াত বিষ্ণুৰাম মেধী ডাঙৰীয়া যে এজন নিঃস্বাৰ্থ আৰু পৰম দেশপ্ৰেমী আছিল তাক মই তেওঁৰ লগত থকা সম্পৰ্ক তথা সাংবাদিক হিচাপে জানিব পাৰিছিলো।

# ২১

স্বাধীনতা লাভৰ উত্তৰ কালত অসমৰ সংসদী ৰাজনীতিত ১৯৫৭ চনৰ বছৰটো একাধিক কাৰণত বিশেষভাৱে উল্লেখযোগ্য। এই বছৰটোৰ ঘটনাপ্ৰবাহৰ লগত ৰাজ্যখনৰ কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় জড়িত আছে। ১৯৫৭ চনত অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচন, মেধী-মন্ত্ৰীসভাৰ ঠাইত চলিহা-মন্ত্ৰীসভাৰ শাসনৰ দায়িত্ব গ্ৰহণ, অসমীয়াৰ প্ৰথম জনা ৰাজ্যপাল হিচাপে বিষ্ণুৰাম মেধীৰ পূৰ্বৰ মাদ্ৰাজ তথা বৰ্তমান তামিলনাডুৰ দায়িত্ব গ্ৰহণ, নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ প্ৰথম অসমীয়া মহেন্দ্ৰ মোহন চৌধুৰীলৈ সাধাৰণ সম্পাদকৰ নিযুক্তি, অসমলৈ দ্বিতীয় বাৰৰ কাৰণে কংগ্ৰেছ মহাসভাৰ অধিবেশন নিমন্ত্ৰণ আৰু এই নিমণন্ত্ৰৰ মৰ্মে ১৯৫৮ চনৰ আগভাগত পাণ্ডুত অধিবেশন সম্পন্ন, অসমৰ কংগ্ৰেছী নেতাসকলৰ মাজত উপদলীয় ৰাজনীতিও ১৯৫৭ চনতে প্ৰকট হৈ উঠে। ইয়াৰ উপৰি, নগা পাহাৰত বিদ্ৰোহী নগা চামৰ আন্দোলন, অসমক বিভাজন কৰি এখন সুকীয়া ৰাজ্য প্ৰতিষ্ঠা কৰাৰ প্ৰয়াসে পাৰ্বত্য জিলাৰ নেতা কেইজনৰ আন্দোলনকে ধৰি পৰ্বতীয়া জনজাতিৰ মাজত অসম চৰকাৰ আৰু অসমীয়া তথা ভৈয়ামবাসীৰ বিৰুদ্ধে একাধিক অভিযোগ ১৯৫৭ চনত উত্থাপন কৰা হয়, মানে অসমক বিভক্ত কৰি ক্ষুদ্ৰ ৰাজ্য স্থাপনৰ প্ৰচেষ্টা সেই চনতে উৎকট হোৱা দেখা গৈছিল।

এজন সাংবাদিক হিচাপেই নহয়, পূৰ্বৰ পৰা এই ঘটনাৱলীৰ লগত সংশ্লিষ্ট ব্যক্তি তথা নেতাসকলৰ লগত মোৰ ঘনিষ্ঠ সম্পৰ্কৰ কাৰণে, মই সেই বছৰৰ অসমৰ পৰিস্থিতিৰ কিছু ভু পাইছিলো। ১৯৫০ চনৰ

পাঁচ আগষ্টত অসমৰ তেতিয়াৰ মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ আকস্মিক মৃত্যুত তেওঁৰ মন্ত্ৰীসভাৰ বিত্ত আৰু ৰাজহমন্ত্ৰী বিষ্ণুৰাম মেধীয়ে সৰ্বসন্মতিক্ৰমে সেই দুৰ্লভ পদ লাভ কৰিছিল আৰু লাভ কৰাৰ দুটা কাৰণ আছিল ; প্ৰথম, মেধী ডাঙৰীয়া আছিল অসম বিধান সভাৰ কংগ্ৰেছী দলৰ উপ-দলপতি। স্বাভাৱিকতেই মুখ্যমন্ত্ৰীৰ পদ তেৱেঁই পোৱাৰ অধিকাৰ আছিল আৰু দ্বিতীয়, সেই সময়ত মেধী ডাঙৰীয়াই জ্যেষ্ঠ নেতা আছিল যিজনৰ ব্যক্তিত্ব আৰু দেশাত্মবোধ সকলোৰে দ্বাৰা স্বীকৃত আছিল। তেতিয়া তেওঁ অসমৰ অবিসম্বাদী নেতা আছিল।

এই বিবেচনাত, ১৯৫৭ চনৰ সাধাৰণ নিৰ্বাচনৰ পিছত বিষ্ণুৰাম মেধী ডাঙৰীয়াই দ্বিতীয়বাৰৰ কাৰণে মুখ্যমন্ত্ৰীত্ব পোৱাৰ যোগ্যতা পাইছিল আৰু দলৰ পক্ষৰ পৰা কোনো বাধাপ্ৰাপ্ত হ'ব নালাগিছিল ; কিন্তু সাধাৰণ নিৰ্বাচনত কংগ্ৰেছে অসমতো নিৰঙ্কুশ সংখ্যা গৰিষ্ঠতা লাভ কৰাৰ পিছত দলৰ দলপতি তথা মুখ্যমন্ত্ৰী পদৰ কাৰণে প্ৰতিযোগিতা প্ৰকট হৈ পৰিছিল। তেওঁৰ বিৰুদ্ধে অভিযোগ তোলা হৈছিল যে তেওঁৰ মুখ্যমন্ত্ৰীত্বৰ কালত (১৯৫২-৫৭) অসমৰ সংখ্যালঘু তথা বঙালী আৰু মুছলমান সম্প্ৰদায়ৰ লোকসকল হেনো অসন্তুষ্ট হৈছিল আৰু লগতে অসন্তুষ্ট হৈ উঠিছিল পাৰ্বত্য জনজাতীয় গোষ্ঠী মানে মেধী চৰকাৰে হেনো অসমীয়া মানুহখিনিৰ স্বাৰ্থৰক্ষাতহে অত্যুৎসাহী আছিল।

মন কৰিবলগীয়া, সেই সময়ত বিষ্ণুৰাম মেধীৰ প্ৰতিকূলে নতুন দিল্লীত, কংগ্ৰেছৰ উৰ্দ্ধতন মহলত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ আগত অসমৰ সংসদ সদস্যকেইজনে এনে এটা লবী সৃষ্টি কৰিছিল যে মেধী ডাঙৰীয়াই ১৯৫৭ চনত অসম বিধান সভাৰ কংগ্ৰেছী দলৰ দলপতি নিৰ্বাচনত জয়লাভ কৰি মুখ্যমন্ত্ৰী হোৱাৰ পথত যথেষ্ট অসুবিধা হৈছিল। তেওঁ সৰ্বসন্মতিক্ৰমেতো দলপতি নিৰ্বাচিত হোৱাই নাছিল ; প্ৰতিদ্ব-ন্দ্বিতাত আনজন প্ৰাৰ্থী দেবেশ্বৰ শৰ্মা ডাঙৰীয়াতকৈ মাত্ৰ দুটা ভোটৰ ব্যৱধানতহে জয়ী হ'ব পাৰিছিল আৰু মুখ্যমন্ত্ৰী হৈ মন্ত্ৰীসভা গঠন কৰিছিল। এনে তুমুল প্ৰতিদ্বন্দ্বিতাত জিকি মেধী ডাঙৰীয়াই মন্ত্ৰীসভা গঠনত বৰ অসুবিধাত পৰিছিল।

মই তেওঁৰ পৰা জানিব পাৰিছিলো যে বৰাক উপত্যকাৰ প্ৰভাৱশালী এম এল এ আৰু মুছলমান সম্প্ৰদায়ৰ যুৱক আৰু বলিষ্ঠ নেতা মইনুল হক চৌধুৰীক তেওঁ মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰিবলৈ অনিচ্ছুক আছিল। মেধীয়ে প্ৰকাৰান্তৰে জানিবলৈ দিছিল যে একালত মইনুল হক চৌধুৰী চাহাব মুছলীম লীগ নেতা জিন্নাৰ ব্যক্তিগত সচিব আছিল। কিন্তু ৰাজনৈতিক মহলৰ হেঁচাত আৰু তেওঁ দলপতি নিৰ্বাচনত কথমপি জয়ী হোৱাৰ পৰিপ্ৰেক্ষিতত মেধীয়ে মইনুল হক চাহাবক মন্ত্ৰীসভাত লবলৈ বাধ্য হৈছিল; বাধ্য হৈছিল যদিও, মুখ্যমন্ত্ৰী হিচাপে তেওঁ বৰ সুখী হোৱা নাছিল। এনে পৰিস্থিতিত মেধীয়ে তেওঁৰ দ্বিতীয়বাৰৰ মুখ্যমন্ত্ৰীত্বৰ কালত অসমৰ এটা প্ৰভাৱশালী ৰাজনৈতিক মহলৰ অকৃত্ৰিম বিশ্বাস লাভ কৰিব পৰা নাছিল যাৰ প্ৰতিফলন স্বৰূপে নতুন দিল্লীৰ মেধী-বিৰোধী লবী অত্যন্ত সক্ৰিয় হৈ পৰিছিল, মানে এই চক্ৰটোৱে প্ৰধানমন্ত্ৰী প্ৰমুখ্যে নেতাসকলক এনে এটা ধাৰণা দিছিল যে মেধীক মুখ্যমন্ত্ৰীৰ পদত অব্যাহত ৰাখিলে, অসমৰ পাহাৰী জনজাতি আৰু ভাষিক আৰু সাম্প্ৰদায়িক মানুহখিনি কংগ্ৰেছৰ পৰা গুচি যাব, মানে যাক সম্প্ৰতি ভোট-বেংক বুলি কোৱা হয় তাৰ অন্ত পৰিব আৰু পাৰ্বত্য ৰাজ্যৰ দাবী প্ৰতিহত কৰাত অসুবিধা হ'ব।

কোৱা বাহুল্য যে দ্বিতীয়বাৰ মুখ্যমন্ত্ৰী হোৱাৰ আঠ মাহ পিছত বিষ্ণুৰাম মেধী ডাঙৰীয়াই 'স্বাস্থ্যজনিত' কাৰণত মুখ্যমন্ত্ৰীত্বৰ পৰা অব্যাহতি লবলৈ সিদ্ধান্ত লৈছিল। প্ৰকৃততে, মেধীৰ স্বাস্থ্য ভালেই আছিল, কিন্তু তেওঁৰ বিৰোধী ফৈদ ইমান ক্ৰিয়াশীল হৈছিল যে তেওঁৰ পক্ষে অব্যাহতি লোৱাৰ বাহিৰে আন পথ নাছিল। অৱশ্যে, কংগ্ৰেছৰ উৰ্দ্ধতন মহলে মেধী ডাঙৰীয়াক তামিলনাডুৰ দৰে এখন আগশাৰীৰ ৰাজ্যৰ ৰাজ্যপালৰ নিযুক্তি দিছিল। তাক তেওঁ গ্ৰহণ কৰিছিল আৰু তাত কৃতকাৰ্যতাৰে সম্পূৰ্ণ পাঁচ বছৰীয়া ম্যাদ সমাপ্ত কৰি, এফালে যেনেকৈ অসমৰ যশস্যা অৰ্জন কৰিছিল, আনফালে তামিলসকলৰ বৰ প্ৰিয়পাত্ৰ হৈ পৰিছিল। কিন্তু মন কৰিবলগীয়া যে যিটো মেধী-বিৰোধী লবীয়ে তেওঁক মুখ্যমন্ত্ৰী পদৰ পৰা অপসাৰণ কৰাত জয়ী হৈছিল, সেই লবীৰ অনেক অসমীয়া নেতাই মেধী ডাঙৰীয়াক ৰাজ্যপালৰ পদ দিব

নালাগে বুলি লালবাহাদুৰ শাস্ত্ৰীক অনুৰোধ কৰিছিল। কিন্তু কেন্দ্ৰীয় নেতৃত্বই তাক উপেক্ষা কৰিছিল।

মেধীয়ে মুখ্যমন্ত্ৰী পদৰ পৰা দৃশ্যতঃ স্বাস্থ্যজনিত কাৰণে অব্যাহতিৰ সিদ্ধান্ত লোৱাৰ পিছত (তেওঁ প্ৰকৃততে তেওঁৰ সহকৰ্মী এচামৰ বিৰোধিতাৰ কাৰণেহে পদত্যাগ কৰিছিল) তেওঁৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী কোন হ'ব ? এই প্ৰশ্নটো অসম কংগ্ৰেছ মহলত সৰব হৈ পৰিছিল। তেতিয়া দুজন নেতাৰ নাম ওলাইছিল—নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক মহেন্দ্ৰ মোহন চৌধুৰী আৰু দেবেশ্বৰ শৰ্মা। চৌধুৰীক মেধীৰ উত্তৰাধিকাৰী মুখ্যমন্ত্ৰী হবলৈ ৰবীন কাকতি, খগেনন্দ্ৰনাথ নাথ প্ৰমুখ্যে নেতাসকলে তেওঁৰ ওপৰত হেঁচা দিছিল আৰু হেঁচা দিছিল কংগ্ৰেছ সভাপতি ধেবৰ ভাইয়ে যিজনে চৌধুৰীক অত্যন্ত ভাল পাইছিল আৰু ভাল পাই তেতিয়াৰ দিনত সন্মানীয় পদ কংগ্ৰেছৰ সাধাৰণ সম্পাদকৰ পদত নিযুক্তি দিছিল। কিন্তু চৌধুৰীয়ে লোভনীয় মুখ্যমন্ত্ৰীৰ পদ লবলৈ সন্মত নহ'ল। তাৰ কাৰণ ব্যাখ্যা কৰি মোক তেওঁ জানিবলৈ দিছিল যে মেধীৰ প্ৰতি তেওঁৰ ব্যক্তিগত আনুগত্য আছিল। তেওঁৰ ভাষাত : 'মই মেধীৰ ঠাইত মুখ্যমন্ত্ৰীৰ পদ গ্ৰহণ কৰিলে, মই মেধীক মুখ্যমন্ত্ৰী হিচাপে অপসাৰণ কৰা অভিযোগত লিপ্ত বুলি মোক ৰাইজে দোষাৰোপ কৰিব।' এই 'অপবাদ' (চৌধুৰীৰ ভাষাত) এৰাবৰ কাৰণেই মহেন্দ্ৰ মোহন চৌধুৰীয়ে ১৯৫৭ চনত এই দুৰ্লভ পদ হেৰাব লগীয়া হৈছিল। তেওঁ প্ৰাৰ্থী হোৱাহেঁতেন, তেওঁৰ জয় নিশ্চিত আছিল।

শেহান্তৰত, দেবেশ্বৰ শৰ্মা ডাওৰীয়া আৰু বিমলাপ্ৰসাদ ডাওৰীয়া—এই দুজনৰ নাম পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে শুনা গৈছিল। সেই সময়ত চলিহা অসম বিধান সভাৰ সদস্য নাছিল। ১৯৫৭ চনৰ সাধাৰণ নিৰ্বাচনত তেওঁ আমগুৰি সমষ্টিত আৰ চি পি আই প্ৰাৰ্থী খগেন্দ্ৰনাথ বৰবৰুৱাৰ হাতত পৰাস্ত হৈছিল, পৰাস্ত হৈ, কাৰ্যতঃ ৰাজনীতিৰ পৰা অৱসৰ লৈছিল আৰু তেওঁ শিৱসাগৰত তেওঁৰ নিজা চাহ বাগানৰ পৰিচালনাত ব্যস্ত হৈছিল। অৱশ্যে কিছুদিন পিছত যেতিয়া অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ বাব এৰি মহেন্দ্ৰমোহন চৌধুৰী নিঃ ভাঃ কঃ কমিটীৰ সাধাৰণ সম্পাদকৰ বাব লয়, চলিহাই তেওঁৰ কেইজনমান

সতীৰ্থৰ হেঁচাত চৌধুৰীৰ ঠাইত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতিৰ বাব গ্ৰহণ কৰিছিল।

সি যি কি নহওক, মেধীয়ে মুখ্যমন্ত্ৰী পদৰ পৰা অব্যাহতি লবলৈ সিদ্ধান্ত কৰাত আৰু মহেন্দ্ৰমোহন চৌধুৰীয়ে প্ৰাৰ্থী হবলৈ অসন্মত হোৱাত, দেবেশ্বৰ শৰ্মা আৰু বিমলা প্ৰসাদ চলিহাৰ মাজৰ এজনে মেধীৰ স্থান লোৱাৰ সম্ভাৱনা হৈছিল। কিন্তু শৰ্মা ডাঙৰীয়াই কোনো অঘোষিত কাৰণত প্ৰাৰ্থী হবলৈ আগ নাবাঢ়িল আৰু চলিহাৰ সৈতে আলোচনা কৰি চলিহাৰ প্ৰাৰ্থীত্বকে তেওঁ সমৰ্থন কৰিছিল। কিন্তু দলপতি নিৰ্বাচন বৰ মধুৰ হোৱা নাছিল। অসমৰ অন্যতম আগশাৰীৰ নেতা সিদ্ধিনাথ শৰ্মাই চলিহাৰ বিৰুদ্ধে প্ৰতিদ্বন্দিতাত নামিছিল; প্ৰতিদ্বন্দিতাত নামি-ছিল এই কাৰণেই (মোক তেওঁ কোৱা মতে) যে মেধী ডাঙৰীয়াক এচাম নেতাই 'ষড়যন্ত্ৰ' কৰিহে মুখ্যমন্ত্ৰী পদৰ পৰা আঁতৰাইছে আৰু তাৰ প্ৰতিবাদ হিচাপেই চলিহাৰ লগত প্ৰতিদ্বন্দিতাত নামিছিল। অৱশ্যে তেওঁ জয়ী হ'ব নোৱাৰিলে আৰু চলিহাকে দলে তথাকথিত সৰ্বসন্মতিক্ৰমে দলপতি নিৰ্বাচন কৰিছিল যাৰ ফল হিচাপে চলিহা ডাঙৰীয়াই প্ৰায় ১৩ বছৰ কাল অসমৰ মুখ্যমন্ত্ৰী পদত বাহাল আছিল। ১৯৭১ চনত স্বাস্থ্যজনিত কাৰণতহে তেওঁ এই পদত ইস্তফা দিয়ে আৰু মহেন্দ্ৰমোহন চৌধুৰী অসমৰ পৰবৰ্তী মুখ্যমন্ত্ৰী হয়।

এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে ১৯৫৭ চনত বিমলাপ্ৰসাদ চলিহা যেতিয়া মুখ্যমন্ত্ৰীৰ পদলৈ নিৰ্বাচিত হয়, তেতিয়া তেওঁ অসম বিধানসভাৰ সদস্য নাছিল; সেই চনৰ সাধাৰণ নিৰ্বাচনত পৰাজিত হৈ অত্যন্ত হতাশ হৈ আছিল। কিন্তু মুখ্যমন্ত্ৰী হোৱাত সাংবিধানিক ব্যৱস্থামতে বিধান সভালৈ নিৰ্বাচন বিচাৰিবলৈ বাধ্য হৈছিল। সেই মতে মইনুল হক চৌধুৰী প্ৰমুখ্যে তেওঁৰ এচাম সতীৰ্থৰ পৰামৰ্শ আৰু সাহায্যত বদৰপুৰ সমষ্টিৰ উপ-নিৰ্বাচনত জয়ী হৈ আহিছিল। চলিহাৰ এই কাৰ্যক বহুতে সহজে লোৱা নাছিল, মানে মইনুল হক চৌধুৰীৰ বিতৰ্কিত ৰাজনীতিত সোমাই পৰিছিল বুলি বহুতে তেওঁক সমালোচনা কৰিছিল; সমালোচনা কৰিছিল যদিও, চলিহাই মুখ্যমন্ত্ৰীৰ পদত কেৱল অসমতেই নহয়, ভাৰতৰ ভিতৰতেই বোধহয় একমাত্ৰ ব্যক্তি আছিল যিজনে ক্ৰমান্বয়ে এই পদত ১৩ বছৰ বতি আছিল।

বিমলাপ্ৰসাদ চলিহাৰ ৰাজনৈতিক আৰু প্ৰশাসনীয় কৌশল সাধাৰণ নাছিল। তেওঁৰ লগত আলাপ আলোচনা কৰি মোৰ এনে ধাৰণা হৈছিল যে তেওঁ যিকোনো গুৰুত্বপূৰ্ণ কামত নিজস্ব বিচাৰ-বুদ্ধিৰে আগ-বাঢ়িছিল। তাৰ কেইটামান দৃষ্টান্ত বিশেষভাৱে উল্লেখনীয়। ১৯৫৭ চনত তেওঁ নতুন মন্ত্ৰীসভা গঠন কৰাৰ কিছুদিন পিছত সুকীয়া পাৰ্বত্য ৰাজ্য গঠনৰ দাবীৰ মুখ্য হোতা তথা সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলন নামৰ (All Party Hill Leaders Conference) সভাপতি কেপ্তেইন উইলিয়ামচন চাংমাক তেওঁৰ মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰে, অথচ তেওঁ কংগ্ৰেছী দলৰ সদস্যই নাছিল আৰু মন্ত্ৰীসভাৰ সন্মুখত কোনো সংকটৰ উদ্ভৱো হোৱা নাছিল। চলিহাৰ এই কাৰ্যত অসম কংগ্ৰেছৰ নেতাসকলৰ মাজত প্ৰতিকূল প্ৰতিক্ৰিয়া কৰিছিল। আনকি ১৯৫৮ চনত ডিব্ৰুগড়ত বহা অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সভাত সভাপতিৰ ভাষণত মহেন্দ্ৰ মোহন চৌধুৰীয়ে চলিহাৰ এই কাৰ্যৰ তীব্ৰ সমালোচনা কৰিছিল। কিন্তু চলিহাই কেপ্তেইন উইলিয়ামচন চাংমাক মন্ত্ৰীসভাত অন্তৰ্ভূক্ত কৰাৰ যুক্তি দিছিল, কিন্তু বিশদভাৱে বিশ্লেষণ কৰা নাছিল। কথা প্ৰসংগত চলিহাদেৱে মোক জানিবলৈ দিছিল যে পাৰ্বত্য ৰাজ্য গঠনৰ দাবী তথা সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলন দুৰ্বল কৰাৰ প্ৰয়াসে ৰাজনৈতিক কৌশল হিচাপে তেওঁ চাংমাক মন্ত্ৰিত্ব দিছিল আৰু পৃথক জিলাৰ দাবী চাংমাই উঠাই লব বুলি আশা কৰিছিল। কোৱা বাহুল্য, এই বিষয়ে চলিহা আৰু চৌধুৰীৰ মাজত তীব্ৰ মত পাৰ্থক্য হোৱাৰ কাৰণে কিছু বছৰ এই নেতা দুজনৰ মাজত সদ্ভাৱ নাছিল যেন ধাৰণা হয়।

কিন্তু চলিহাৰ কৌশল সফল নহ'ল অৰ্থাৎ কেপ্তেইন উইলিয়মচন চাংমাই পৃথক পাৰ্বত্য ৰাজ্যৰ দাবী পৰিত্যাগ নকৰিলে; পৰিত্যাগ নকৰি, তেওঁ মন্ত্ৰীত্ব পদ এৰি দিয়ে আৰু পৃথক পাৰ্বত্য ৰাজ্যৰ দাবী সবল কৰি তোলে আৰু শেহান্তৰত সুকীয়া পাৰ্বত্য ৰাজ্য মেঘালয় স্থাপন হয়। এই বিষয়ত চলিহা যে কেপ্তেইন চাংমাৰ প্ৰতি অত্যন্ত বিৰাগ-ভাজন হৈছিল এনে নহয়; তেওঁ কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিও বৰ অসন্তুষ্ট হৈছিল।

বিমলাপ্ৰসাদ চলিহাদেৱে নগাপাহাৰত ফিজো-নেতৃত্বাধীন বিদ্ৰোহী চামৰ আন্দোলনত বৰ চিন্তিত হৈছিল আৰু এই সমস্যাটোৰ যিকোনো সন্তোষজনক মীমাংসাত জড়িত হৈছিল। ১৯৬৪ চনৰ নগা শান্তি মিছন ( Nagaland Peace Mission ) অন্যতম উদাহৰণ। এই মিছনৰ সদস্য আছিল জয়প্ৰকাশ নাৰায়ণ, ইংলণ্ডৰ ৰেভাৰেণ্ড মাইকেল স্কট আৰু চলিহা নিজে, যদিও মুখ্যমন্ত্ৰীৰ দায়িত্বত আছিল। এই তিনি-জনীয়া মিছনৰ পক্ষৰ পৰা ১৯৬৪ চনৰ ২০ ডিচেম্বৰত নগা-সমস্যাৰ মীমাংসাৰ উদ্দেশ্যে এটা ১৭-দফীয়া সূত্ৰও প্ৰকাশ কৰি বিদ্ৰোহী নগাচামক আলোচনাত বহিবলৈ আহ্বান কৰা হৈছিল, কিন্তু এই প্ৰচেষ্টা শেষত ব্যৰ্থ হৈছিল। কিন্তু কেন্দ্ৰীয় চৰকাৰ আৰু চলিহাই পিছত উপলব্ধি কৰিছিল যে ৰেভাৰেণ্ড মাইকেল স্কট নামৰ বৃটিছ পাদুৰীজনে নগা চামৰ ভাৰত-বিৰোধী কাৰ্যতহে সহায়ক হৈছিল যাৰ ফলত মুখ্যমন্ত্ৰী চলিহাৰ পৰামৰ্শক্ৰমেই স্কটক ভাৰতৰ পৰা বহিস্কাৰ কৰা হৈছিল, মানে বিমলাপ্ৰসাদ চলিহাই এই বিষয়তো হতাশ হব লগা হৈছিল। এটা সাক্ষাৎ প্ৰসংগত চলিহাই মোক জানিবলৈ দিছিল যে নগা আন্দো-লনৰ গুৰিত ৰেভাৰেণ্ড স্কট প্ৰমুখ্যে বিদেশী মিছনাৰীসকল জড়িত আছিল। তেওঁৰ এই অন্বেষণ সত্য আছিল যদিও বহুত পলম হৈছিল।

১৯৬৬ চনত মিজোৰাম বিদ্ৰোহত চলিহা অত্যন্ত আচৰিত হৈছিল। তাৰ অন্যতম কাৰণ আছিল যে মিজো নেচনেল ফ্ৰন্টৰ নেতা লালডেঙ্গা যিজনক চলিহাই বৰ বিশ্বাস কৰিছিল আৰু যিজনক মিজোৰামত আকাল হোৱাত চলিহাই আকালগ্ৰস্ত মিজোসকলক সাহায্যাৰ্থে এটা শকত বিধৰ অৰ্থ-সাহায্য দিছিল, সেই লালডেঙ্গা নামৰ ব্যক্তিজনেই চলিহাক পাছফালৰ পৰা চুৰিকাঘাত কৰিছিল তথা চলিহাৰ নিজৰ ভাষাত Stabbed in the back. চলিহাদেৱে সদ উদ্দেশ্যেৰে তেওঁৰ ৰাজনৈতিক কৌশল লৈছিল, কিন্তু নগালেণ্ড, পৃথক পাৰ্বত্য ৰাজ্য আৰু মিজো সমস্যাত তেওঁৰ কৌশল সফল নহ'ল।

চলিহাৰ মুখ্যমন্ত্ৰীত্বৰ দিনত যেতিয়া অসমত বি কে নেহৰু ৰাজ্য-পাল আছিল (উত্তৰ-পূব ভাৰতৰ পাঁচখন ৰাজ্যৰ উমৈহতীয়া ৰাজ্যপাল —Common Governor ) তেতিয়া নেহৰুৱে উত্তৰ-পূৰ্বাঞ্চলৰ ভাঙোন-

মুখী ধাৰা প্ৰতিহত কৰাৰ প্ৰয়াসে আৰু উন্নয়নৰ কাম খৰটকীয়া কৰিবলৈ এখন চাব-ফেডাৰেচনৰ ( Sub-federation ) প্ৰস্তাৱ তুলিছিল। কিন্তু প্ৰস্তাৱটো আগ নাবাঢ়িল। ৰাজ্যপাল নেহৰুৰ ভাষাত তাৰ কাৰণ আছিল ঃ "One was to me the totally inexplicable opposition of the Assamess people (which Mr. Chaliha himself thought was wrong) to any such idea ····· The second reason was that the establishment of Nagaland as a separate State had naturally whetted the appetite of other tribal areas for equal status." ৰাজ্যপাল বি কে নেহৰুৰ চাব-ফেডাৰেচনৰ আঁচনিৰ প্ৰতি সঁহাৰি নোহোৱাতহে নৰ্থ-ইষ্টাৰ্ন কাউন্সিল ( North-Eastern Council ) নামৰ আঁচনি হাতত লোৱা হৈছিল। ৰাজ্যপাল নেহৰুৱে মোক লিখিতভাৱে জনোৱা মতে এই আঁচনিৰ গুৰি আছিল চলিহা। তেওঁৰ ভাষাত ঃ "The idea of the North-Eastern Council originated not, as is sometimes supposed, either in the Government of India or with me, but with that for-seeing statesman, Mr. Chaliha, aply and strongly supported by that great patriot Capt. Sangma." ৰাজ্যপালজনে মোক এবাৰ কৈছিল ঃ "Mr. Chaliha is a man of few words, but his silence is more eloquent than words."

অসম চৰকাৰৰ চলিহাদেৱৰ ১৩-বছৰীয়া নেতৃত্ব যে তৰ্কৰ উৰ্দ্ধত আছিল তেনে নহয়; পূব পাকিস্তানৰ পৰা বহিৰাগতৰ সোঁত বন্ধ কৰাত মইনুল হক চৌধুৰীৰ লগত থকা তেওঁৰ সম্পৰ্ক দায়ী বুলি ৰাজনৈতিক মহলত শুনা গৈছিল, কিন্তু মন কৰিবলগীয়া যে ১৯৬২ আৰু ১৯৬৭ চনৰ অসম বিধান সভাৰ নিৰ্বাচনৰ পিছতো চলিহা নিৰঙ্কুশ মুখ্যমন্ত্ৰী হৈছিল। এইয়া তেতিয়াৰ অসমৰ ৰাজনীতিৰ এটা অৰ্থপূৰ্ণ দিশ। মেধী, চলিহা আৰু ৰাজ্যপাল বি কে নেহৰুৰ বিষয়বোৰ মনলৈ আহিলে অসমৰ ৰাজনৈতিক চিত্ৰই মোৰ স্মৃতিত বহুত কথা সোঁৱৰাই দিয়ে।

# ২২

অসমৰ চতুৰ্থজন মুখ্যমন্ত্ৰী আছিল মহেন্দ্ৰ মোহন চৌধুৰী। সেই কালৰ অসমীয়া নেতা আৰু মুক্তি-যুঁজাৰু শ্ৰেণীৰ মাজত তেৱেঁই আছিল একমাত্ৰ ব্যক্তি যিজনে ৰাজহুৱা জীৱনত আটাইতকৈ দায়িত্বপূৰ্ণ পদ লাভ কৰিছিল। চৌধুৰীয়ে ১৯৩০ চনৰ অসহযোগ আন্দোলনত যোগ দিব পৰা নাছিল, কাৰণ তেওঁৰ মৌজাদাৰ পিতৃয়ে মহেন্দ্ৰই প্ৰথমতে বি-এ পৰীক্ষাত উত্তীৰ্ণ হোৱাটো বিচাৰিছিল। ১৯৩০ চনত তেওঁ কটন কলেজৰ চতুৰ্থ বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ। সেই চনত গুৱাহাটীত অনুষ্ঠিত অসম ছাত্ৰ সন্মিলনৰ বিশেষ অধিবেশনত গৃহীত প্ৰস্তাৱ মতে কটনৰ ছাত্ৰ বিজয় চন্দ্ৰ ভাগৱতী, ৰবীন কাকতি, গিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী প্ৰমুখ্যে এচাম ছাত্ৰই যেতিয়া কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰি কলেজ বৰ্জন কৰি আইন অমান্য আন্দোলনত যোগ দি কাৰাবৰণ কৰিছিল, তেতিয়া মহেন্দ্ৰ মোহন চৌধুৰীয়ে পিতাকৰ উপদেশত কলেজ বৰ্জন নকৰিলে। তাৰ বাবে তেওঁ বৰ দুখ পাইছিল, কিন্তু বি-এ পৰীক্ষা দি ১৯৩১ চনৰ পৰা অসম ছাত্ৰ আন্দোলন আৰু কংগ্ৰেছৰ এজন সক্ৰিয় কৰ্মী হৈ আন্দোলনৰ বিভিন্ন স্তৰত ১৯৪৭ চনলৈ অবিৰাম লিপ্ত হৈ আছিল।

সি যি কি নহওক, চৌধুৰীয়ে তেওঁৰ সুদীৰ্ঘ জীৱনত ছাত্ৰনেতা, কংগ্ৰেছ কৰ্মী, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি, যথাক্ৰমে বৰদলৈ-মন্ত্ৰী সভাত সংসদী সচিব (Parliamentary Secretary) আনজন আছিল বিমলা প্ৰসাদ চলিহা—তাৰ পিছত ৰাজ্যমন্ত্ৰী আৰু মেধী মন্ত্ৰীসভা আৰু চলিহা-মন্ত্ৰীসভাত কেবিনেট মন্ত্ৰী, অসম বিধান

সভাৰ অধ্যক্ষ, নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ প্ৰথম অসমীয়া সাধাৰণ সম্পাদক, ৰাজ্যসভাৰ সদস্য, প্ৰাগ্‌জ্যোতিষপুৰ কংগ্ৰেছ অধিবেশনৰ (১৯৫৮) অভ্যৰ্থনা সমিতিৰ অধ্যক্ষ, অসমৰ মুখ্যমন্ত্ৰী আৰু শেহত পঞ্জাৱৰ ৰাজ্যপাল হৈ চৌধুৰীয়ে এটা বৰ্ণাঢ্য ৰাজনৈতিক জীৱন কটাইছিল। এনেবোৰ দায়িত্বপূৰ্ণ কামত থাকিও চৌধুৰীয়ে অসমৰ সাংস্কৃতিক আৰু সমাজসেৱাৰ অনুষ্ঠানবোৰত এনে সক্ৰিয় ভূমিকা লৈছিল যে তেওঁ তাৰ যোগেদি অসমৰ সৰ্বাঙ্গীন উন্নতি কৰিবলৈ চেষ্টা কৰিছিল।

চৌধুৰীৰ লগত মোৰ ব্যক্তিগত সম্পৰ্ক আছিল সুদীৰ্ঘ পাঁচটা দশকৰ। এই সম্পৰ্ক এফালে সাংবাদিক আৰু মুক্তি-যুঁজাৰু হিচাপে গাঢ় আছিল, আনফালে আমাৰ দুজনৰ পাৰিবাৰিক সম্বন্ধ হোৱাত তেওঁৰ পৰা বহুত কথা জানিব পাৰিছিলো আৰু একাধিক ৰাজহুৱা তথা সামাজিক সেৱাত অংশীদাৰ হবলৈও সুযোগ পাইছিলো। স্বাভাৱিকতেই চৌধুৰীৰ বিষয়ে নিৰ্লিপ্ত দৃষ্টিৰে বিচাৰ কৰা মোৰ পক্ষে সম্ভৱ নহয়। তথাপি মহেন্দ্ৰ মোহন চৌধুৰীক মই এজন সাংবাদিক হিচাপে মূল্যাঙ্কন কৰিবলৈ বিচাৰিছো।

চৌধুৰীক মই পোনপ্ৰথমে দেখিছিলো ১৯৩১ চনৰ মাৰ্চ মাহত কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ উজান বজাৰৰ দুমহলীয়া বাসভৱনৰ চৌহদত যেতিয়া ১৯৩১ চনৰ 4 মাৰ্চত স্বাক্ষৰিত গান্ধী-আৰউইন চুক্তি মতে অসহযোগ আন্দোলনৰ ৰাজনৈতিক বন্দীসকলক মুক্তি দিয়া হৈছিল। চৌধুৰী ১৯৩০ চনত জেললৈ যোৱা নাছিল যদিও, বি-এ পৰীক্ষা দি উঠি কংগ্ৰেছৰ কামত যোগ দিছিল। সেই বছৰৰ মাৰ্চ মাহৰ কোনো এটা দিনত যেতিয়া গান্ধী-আৰউইন চুক্তি মতে গুৱাহাটী জেলৰ পৰা ৰাজনৈতিক বন্দীসকলৰ মুক্তি হৈছিল, তেওঁলোকক বৰদলৈৰ বাসভৱনলৈ অনা হৈছিল আৰু তাতেই তেওঁলোকক সম্বৰ্দ্ধনা জনোৱা হয়। মই তেতিয়া কামৰূপ একাডেমীৰ দশমমান শ্ৰেণীত। প্ৰায় পাঁচমাহ আগতে গুৱাহাটী জেলৰ পৰা মুক্তি পোৱা ৰাজনৈতিক বন্দী হিচাপে মই সেই সম্বৰ্দ্ধনা চাবলৈ গৈছিলো। মোৰ আজিও মনত পৰে কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈদেৱে (তেওঁ এজন ভাল গায়ক আছিল) নিজে অৰ্গেন বজাই এটা বৰগীত গাইছিল। বৰগীতটো আছিল ঃ

'আলো ভাই তোহাৰি তনয় যদুমণি
বকাসুৰ বধি হৰি পৰমানন্দ কৰি
আইসে শুনা বংশীৰ ধ্বনি।'

উল্লেখ কৰা প্ৰয়োজন যে ১৯৩০ চনত কৰ্মবীৰ বৰদলৈয়ে অসহযোগ আন্দোলনত যোগ দিয়া নাছিল, কিন্তু তেওঁ আন্দোলনলৈ বিভিন্ন প্ৰকাৰে সহায় কৰিছিল। তেওঁৰ বাসভৱনৰ ওচৰত তেওঁৰ কেইটামান খেৰী ঘৰ আছিল। সেই ঘৰকেইটাত ১৯৩০ চনৰ আন্দোলনৰ সময়ত আমি ভলন্টিয়াৰবোৰ আছিলো, লগতে অৱশ্যে বিজয়চন্দ্ৰ ভাগৱতী, ৰবীন কাকতি, তীৰ্থনাথ শৰ্মা, মহেন্দ্ৰমোহন চৌধুৰী প্ৰমুখ্যে ব্যক্তিসকলো আছিল। চৌধুৰীক ১৯৩২ চনতহে অসম ছাত্ৰ সন্মিলনৰ সাধাৰণ সম্পাদক হিচাপে গুৱাহাটীত পণ্ডিত কনক চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত বহা সন্মিলনৰ অধিবেশনত লগ পাই চিনাকি হওঁ আৰু তেতিয়াৰে পৰা তেওঁৰ লগত মোৰ সম্পৰ্ক বাঢ়িবলৈ ধৰে।

চৌধুৰীয়ে গোপীনাথ বৰদলৈৰ বিশ্বস্ত কৰ্মী হিচাপে, বিশেষকৈ ১৯৪৬ চনৰ বিধানসভাৰ নিৰ্বাচনৰ পিছত যেতিয়া তেওঁ পাৰ্লিয়ামেণ্টৰী চেক্ৰেটাৰী হৈ সংসদী জীৱন আৰম্ভ কৰে, তেতিয়াৰ পৰা মই তেওঁক ঘনিষ্ঠভাৱে জনাৰ সুযোগ পাওঁ। অতি দায়িত্বপূৰ্ণ কামবোৰত লোকপ্ৰিয় বৰদলৈয়ে চৌধুৰীক বিশ্বাসত লৈছিল। মোৰ ধাৰণা হৈছিল যে ৰাজ-নীতিৰ ক্ষেত্ৰত মহেন্দ্ৰ মোহন চৌধুৰীয়ে বৰদলৈৰ কৌশল অনুসৰণ কৰিছিল। তেওঁৰ যোগেদিও মই কিছুমান গোপনীয় বিষয়ে সম্ভেদ পাইছিলো আৰু এই বিষয়বোৰৰ কিছুমান কথা মই বাতৰি যোগনিয়াৰ হিচাপে ব্যৱহাৰ কৰিছিলো মানে scoop বাতৰিৰ যোগান ধৰিছিলো। উদাহৰণ স্বৰূপে উল্লেখ কৰিব পাৰো যে লোকপ্ৰিয় বৰদলৈ আৰু দেবেশ্বৰ শৰ্মা ডাঙৰীয়াৰ মাজত শৰ্মাক মণিপুৰৰ পলিটিকেল এজেণ্ট পদৰ পৰা ১৯৪৮ চনত অপসৰণ কৰাত অৰ্থাৎ সেই পদটো উঠাই দিয়াত অসম কংগ্ৰেছ মহলত যি কন্দলৰ উদ্ভৱ হৈছিল আৰু এই সংক্ৰান্তত বৰদলৈদেৱে মুখ্যমন্ত্ৰী পদ ইস্তফা দিবলৈ ওলাইছিল, সেই বাতৰি মই গোনতে চৌধুৰীৰ পৰা জানিছিলো। প্ৰকৃততে কিন্তু এই পদ উঠাই দিয়াত বৰদলৈ সংশ্লিষ্ট নাছিল, তেতিয়াৰ ৰাজ্যপাল ছাৰ

আকবৰ হায়দাৰীয়ে শৰ্মা ডাঙৰীয়াৰ প্ৰতি অসন্তুষ্ট হৈ কেন্দ্ৰৰ হতুৱাই পলিটিকেল এজেন্টৰ পদটো উঠাই দিছিল। সেই সময়ত এই 'ইচ্যু'টো ইমান প্ৰকট হৈ পৰিছিল যে অসমত কংগ্ৰেছ ৰাজনীতিৰ ক্ষেত্ৰত এটা ডাঙৰ সংকট হৈ পৰিছিল। অৱশ্যে বিষয়টোৰ প্ৰকৃত তথ্য বৰদলৈয়ে তেওঁৰ কংগ্ৰেছ সহকৰ্মীসকলক জানিবলৈ দিয়াত বিবাদটোৰ অন্ত পৰিছিল।

চৌধুৰীৰ সংসদী জীৱন আছিল দৰাচলতে উত্থান-পতনৰ। তেওঁ মন্ত্ৰীপদত বৰ সুখী হোৱা নাছিল। মেধী-মন্ত্ৰীসভাৰ অন্যতম মন্ত্ৰী হিচাপে ১৯৫৪ চনত চৌধুৰীক জাপানত কুটিৰ শিল্প অধ্যয়ন কৰি তাৰ আহিত যাতে অসমৰ কুটিৰ শিল্প সমৃদ্ধ কৰিব পৰা যায়, তাৰ বাবে মুখ্যমন্ত্ৰী মেধীয়ে তেওঁক এখন আঁচনি প্ৰস্তুত কৰিবলৈ কৈছিল। সেই মতে তেওঁ লীলাধৰ কটকীক লগত লৈ জাপানলৈ গৈছিল আৰু তাৰ পৰা আহি এখন আঁচনি মুখ্যমন্ত্ৰীৰ হাতত দিছিল, কিন্তু মেধীয়ে বিত্তৰ অভাৱ বুলি আঁচনিখন কাৰ্যকৰী নকৰিলে। চৌধুৰীয়ে মনত বেজাৰ পাই তথা মুখ্যমন্ত্ৰীৰ নেতিবাচক প্ৰতিক্ৰিয়াত বিৰক্ত হৈ মন্ত্ৰীপদ ইস্তফা দিয়ে। কিন্তু মূলতঃ সংগঠনৰ মানুহ হিচাপে তাৰ পিছত চৌধুৰী অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি হয় আৰু বৰ্তমান হেদায়েৎ-পুৰত অৱস্থিত কংগ্ৰেছভৱনটো নিৰ্মাণ কৰে।

কৃষি মন্ত্ৰী হৈ থকাত চৌধুৰীয়ে এটা ডাঙৰ কাম কৰিছিল, মানে তেতিয়াৰ কৃষি-বিভাগৰ সঞ্চালকজনক গাঁৱলৈ নিছিল। কৃষি বিভাগীয় মুৰব্বীজনক গাৱঁলৈ যে নিছিল এইটো অবিশ্বাস্য যেন লাগে এই অৰ্থত যে এনে বিষয়া এজনে কৃষি-বিভাগৰ দায়িত্ব কেনেকৈ পালন কৰিছিল। বিষয়াজন আছিল এল-কে সন্দিকৈ যিজন চাহাবী আদব-কায়দাত ডাঙৰ দীঘল হৈছিল আৰু বৃটিছ মহিলাক বিয়া কৰাইছিল। চৌধুৰীয়ে কৃষি পথাৰ ভ্ৰমণ কৰাৰ উদ্দেশ্যে ভ্ৰমণ-সূচী প্ৰস্তুত কৰি কৃষি-সঞ্চালক সন্দিকৈক তেওঁৰ লগত যাবলৈ অনুৰোধ কৰে, কিন্তু সন্দিকৈয়ে যাবলৈ ইতস্ততঃ কৰে আৰু বোকা-পানী থকা ঠাইত ভ্ৰমণ কৰিব নোৱাৰিব বুলি মন্ত্ৰী চৌধুৰীক সানুনয়ে জানিব দিয়ে। কিন্তু চৌধুৰীৰ পৰামৰ্শ এৰাব নোৱাৰি তেওঁ গৈছিল, গৈছিল যদিও, ধাননি পথাৰত নোসোমাল।

এই ঘটনাটো উল্লেখ কৰি চৌধুৰীয়ে কৈছিল যে সন্দিকৈ অভিজাত বংশৰ লোক আৰু তেওঁৰ পৰা কৃষি-উন্নয়ন আশা কৰা টান। কৃষি-উন্নয়নৰ স্বাৰ্থত সন্দিকৈৰ পৰিবৰ্তে আন এজন বিষয়াক কৃষি দপ্তৰৰ সঞ্চালকৰ পদটো দিবলৈ চৌধুৰীয়ে কৰা প্ৰস্তাৱো মুখ্যমন্ত্ৰীয়ে মঞ্জুৰ নকৰাত চৌধুৰী অসহায় হৈ পৰিছিল।

বিষ্ণুৰাম মেধী ডাঙৰীয়াই ১৯৫৭ চনত যেতিয়া অসম কংগ্ৰেছৰ এটা প্ৰভাৱশালী চক্ৰৰ হেঁচাত অসমৰ মুখ্যমন্ত্ৰীৰ পদৰ পৰা অব্যাহতি লবলৈ বাধ্য হৈছিল, তেতিয়া মহেন্দ্ৰ মোহন চৌধুৰী নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক আৰু তেৱেঁই মেধীৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হোৱাৰ বাবে তেওঁক সতীৰ্থসকলে হেঁচা দিছিল; কিন্তু তেওঁ এই পদ লবলৈ সন্মত নহ'ল; সন্মত নহ'ল এই কাৰণে যে মেধীৰ প্ৰতি তেওঁৰ ব্যক্তিগত আনুগত্য আছিল। মেধীৰ ঠাইত তেওঁ মুখ্যমন্ত্ৰীত্ব ললে বহুত লোকে মেধীক মুখ্যমন্ত্ৰী পদৰ পৰা আঁতৰ কৰাত ভূমিকা লোৱা বুলি তেওঁক দোষাৰোপ কৰিব বুলি মোক তেওঁ জানিব দিছিল। আজিকালি মন্ত্ৰীপদ লাভ কৰাৰ কাৰণে ৰাজনীতিবিদসকলৰ মাজত যি খক্ আৰু নীতিবিহীন প্ৰতিযোগিতা তাৰ পৰিপ্ৰেক্ষিতত মহেন্দ্ৰ মোহন চৌধুৰীৰ ধ্যান-ধাৰণাত বিস্ময় মানিব লাগে। ১৯৬২ চন আৰু ১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচনৰ পিছতো বিমলা প্ৰসাদ চলিহাৰ লগত মুখ্যমন্ত্ৰী তথা কংগ্ৰেছী সংসদী দলৰ দলপতিৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে তেওঁক হেঁচা দিয়া হৈছিল, কিন্তু তেওঁ একোপধ্যে সন্মত নহ'ল। একাধিক সতীৰ্থই চৌধুৰীক পলায়নবাদী (Escapist) বুলি আখ্যা দিছিল।

বিমলা প্ৰসাদ চলিহা ডাঙৰীয়াই ১৯৭১ চনত শাৰীৰিক অসুস্থতা বশতঃ মুখ্যমন্ত্ৰী পদৰ পৰা অব্যাহতি লবলৈ স্থিৰ কৰাত চৌধুৰীয়ে অৱশ্যে এই পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সাজু হৈছিল। কিন্তু বিজয়চন্দ্ৰ ভাগৱতী অন্যতম প্ৰাৰ্থী হোৱাত কিম্বা প্ৰাৰ্থী হবলৈ অসমৰ এচাম নেতাই ভাগৱতীক হেঁচা দিয়াত চৌধুৰী কিছু দোধোৰমোধৰত পৰিছিল। সেই সময়ত মই নতুন দিল্লীত নিখিল ভাৰত সম্পাদক সন্মিলনৰ ষ্টাণ্ডিং কমিটীৰ সভাত উপস্থিত আছিলো আৰু এই সভাত

প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে তেওঁৰ দপ্তৰৰ কাষত থকা কোঠাত যোগ দিছিল। সভাৰ পিছত তেওঁ মোক লগত লৈ তেওঁৰ অফিচতে অসমৰ মুখ্যমন্ত্ৰী, মানে চলিহাৰ পৰবৰ্তী জন কোন হ'ব লাগে, সেই বিষয়ে মোৰ মত বিচাৰিছিল। মই অৱশ্যে তেওঁক জানিব দিছিলো যে মহেন্দ্ৰ মোহন চৌধুৰী আৰু বিজয় চন্দ্ৰ ভাগৱতী দুজনেই যোগ্য ব্যক্তি আৰু অসমৰ ৰাইজে চৌধুৰী আৰু ভাগৱতী উভয়কে সন্মান কৰে। (প্ৰধান-মন্ত্ৰীয়ে অৱশ্যে মোক জানিব দিছিল যে ভাগৱতীৰ নামটো হেনো দেৱ-কান্ত বৰুৱা, মইনুল হক চৌধুৰী প্ৰমুখ্যে নেতাসকলে আগবঢ়াইছিল।) মই কৈছিলো মুখ্যমন্ত্ৰীৰ বাছনি দলৰ হাতত এৰি দিয়াই ভাল হ'ব তাৰ পিছত প্ৰধানমন্ত্ৰীয়ে চৌধুৰীক তুৰন্তে নতুন দিল্লীলৈ মাতি পঠাই-ছিল আৰু এটা সিদ্ধান্তত আহিছিল, কিন্তু সেই সময়ত বাছনি নহ'ল কিন্তু তাৰ কেইদিনমান পিছত বিনা প্ৰতিদ্বন্দ্বিতাৰে চৌধুৰী অসমৰ চতুৰ্থজন মুখ্যমন্ত্ৰী হয়।

কিন্তু ১৯৫৭ চনত বিষ্ণুৰাম মেধী ডাঙৰীয়াই যি পৰিস্থিতি বা অভিযোগত, মানে বঙালী আৰু সংখ্যালঘু সম্প্ৰদায় বিৰোধী বুলি মুখ্য-মন্ত্ৰী পদৰ পৰা যাব লগা হৈছিল, সেই একে অভিযোগত চৌধুৰীয়ে ১৯৭২ চনত মুখ্যমন্ত্ৰীৰ পদ এৰিব লগা হৈছিল অথচ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে শ্বিলঙত ১৯৭২ চনৰ ২১ জানুৱাৰীত মেঘালয় ৰাজ্য আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ পিছত মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীক আগন্তুক বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ বাবে প্ৰস্তুতি চলাবলৈ নিৰ্দেশ দিছিল, কিন্তু এই নিৰ্বাচনৰ বাবে কেন্দ্ৰীয় কংগ্ৰেছ নিৰ্বাচনী কমিটীৰ প্ৰাৰ্থী বাছনিৰ সভালৈ চৌধুৰী নতুন দিল্লীলৈ যোৱাৰ পথত কলিকতাৰ অসম ভৱন পোৱাত ফকৰুদ্দিন আলি আহমদ চাহাবে প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ নিৰ্দেশক্ৰমে ফোনযোগে জানিবলৈ দিয়ে যে অসমৰ মুখ্য-মন্ত্ৰী পদৰ পৰিবৰ্তন কৰাৰ সিদ্ধান্ত হৈছে আৰু চৌধুৰীৰ ঠাইত শৰৎ চন্দ্ৰ সিংহ মুখ্যমন্ত্ৰী হ'ব। এই বাতৰি পাই চৌধুৰী আচৰিত হৈছিল আৰু কলিকতাৰ পৰা ফোনেৰে মোক বাতৰিটো জনাইছিল। অৱশ্যে অসম বিধান সভাৰ কংগ্ৰেছ দলৰ সদস্যসকলে চৌধুৰীক প্ৰধানমন্ত্ৰীৰ সিদ্ধান্তত প্ৰত্যাখ্যান কৰিবলৈ হেঁচা দিছিল ; হেঁচা দিছিল যদিও চৌধু-

ৰায়ে প্ৰত্যাখ্যান নকৰিলে। এনেদৰে, মানে অগণতান্ত্ৰিকভাৱে, কংগ্ৰেছৰ উৰ্দ্ধতন কৰ্তৃপক্ষই চৌধুৰীক মুখ্যমন্ত্ৰী পদৰ পৰা আঁতৰ কৰিছিল। কিন্তু তেওঁ বিষয়টো সহজভাৱে লোৱা দেখিছিলো।

এবছৰমান পিছত কিন্তু কেন্দ্ৰীয় চৰকাৰে চৌধুৰীক পঞ্জাবৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়ে যিদৰে ১৯৫৭ চনত মুখ্য মন্ত্ৰী পদৰ পৰা আঁতৰ কৰি বিষ্ণুৰাম মেধী ডাঙৰীয়াক মাদ্ৰাজ তথা তামিলনাডু ৰাজ্যৰ ৰাজ্যপাল নিয়োগ কৰিছিল। চৌধুৰীয়ে নিযুক্তি গ্ৰহণ কৰিছিল। মোৰ বোধেৰে তেওঁৰ ৰাজ্যপালৰ বছৰকেইটা ঐতিহাসিক আছিল বা ৰাজহুৱা জীৱনত মধুৰ আছিল। ইন্দিৰা গান্ধীয়ে চৌধুৰীক যে অন্যায়ভাৱে মুখ্যমন্ত্ৰীৰ পদৰ পৰা আঁতৰ কৰিছিল সেই প্ৰসংগটো কেন্দ্ৰীয় গৃহ মন্ত্ৰী ডি এম দীক্ষিতেহে হেনো পিছত চৌধুৰীক জানিব দিছিল। চৌধুৰীয়ে কিন্তু বিষয়টো সহজভাৱে লৈছিল আৰু তাৰ বাবে খেদ কৰা নাছিল, খেদ নকৰি তেওঁৰ সমৰ্থকসকলক জানিবলৈ দিছিল যে ৰাজনীতিত তেনে ঘটনা বিচিত্ৰ নহয়। লগতে বিষ্ণুৰাম মেধী ডাঙৰীয়াৰ দৰে আগশাৰীৰ নেতা এজনক যে অসমৰ একশ্ৰেণীৰ নেতাই অসমৰ ৰাজনীতিৰ পৰা আঁতৰ কৰিছিল, সেই প্ৰসংগৰ আঁতি-গুৰিও তেওঁ মোক জানিবলৈ দিছিল।

চৌধুৰী পঞ্জাবৰ ৰাজ্যপাল হৈ থকা সময়ত আন সহকৰ্মীসকলৰ দৰে মই কেইবাবাৰো গৈছিলো। তেওঁ ৰাজ্যপালৰ পদত পূৰ্ণ পাঁচ বছৰ ম্যাদ পঞ্জাবত থকা নাছিল; ম্যাদ অন্ত হোৱাৰ কেইমাহমান আগতে পদত্যাগ কৰি অসমলৈ প্ৰত্যাৱৰ্তন কৰে। কেন্দ্ৰত জনতা দলৰ চৰকাৰ হোৱাত তেওঁ পঞ্জাৱত থাকি ভাল পোৱা নাছিল। এদিন নতুন দিল্লীলৈ গৈ প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাইক সাক্ষাৎ কৰি ৰাজ্যপালৰ পদ ইস্তফা দিয়াৰ ইচ্ছা প্ৰকাশ কৰে আৰু দেশাইৰ পৰামৰ্শ বিচাৰে। উত্তৰত দেশায়ে প্ৰধানমন্ত্ৰী সুলভ উত্তৰ দিয়ে: "You are a Governor. I cannot you giue any advice. Make your own decision." কোৱা বাহুল্য দেশায়ে চৌধুৰীক বৰ ভাল পাইছিল; ১৯৬৯ চনত কংগ্ৰেছৰ বিভাজন হোৱাত চৌধুৰীয়ে অবশ্যে তেওঁৰ ফৈদৰ কংগ্ৰেছত (সাংগঠনিক) যোগ নিদি ইন্দিৰা গান্ধীৰ নেতৃত্বত থকাত দেশাই অসন্তুষ্ট

হৈছিল। সেই দিনা চৌধুৰীৰ লগত দেশাইকময়ো সাক্ষাৎ কৰিছিলো আৰু বোম্বাইৰ Blitz নামৰ সাপ্তাহিক কাকতখন যে দেশাইৰ উগ্ৰ বিৰোধী তাক উল্লেখ কৰিছিল। তেতিয়া তেওঁ প্ৰশ্ন কৰিছিল ঃ 'Do you read that paper ? I do not'.

ৰাজ্যপাল হিচাপে চৌধুৰীৰ দুজন এ-ডি কং (Aide-de-Camp) আছিল যিদৰে আন ৰাজ্যপালসকলৰ থাকে। এজন অসমীয়া কেপ্তেইন কে-ঠাকুৰীয়া আৰু আনজন এছ এছ মান, সম্পূৰ্ণ নাম চিম্ৰানজিৎ সিং মান, যিজন বৰ্তমান বাতৰি কাকতৰ শিৰোনামাত আৰু শিখ তথা আকালি ৰাজনীতিৰ অন্যতম নেতা। মান আছিল আই পি এছ বিষয়া। তেতিয়া ২৪ বছৰীয়া বিষয়াজন এনে অমায়িক যুৱক আছিল যে তেতিয়াৰ মুখ্যমন্ত্ৰী গিয়ানী জাইল সিঙে মানক ৰাজ্যপাল চৌধুৰীৰ এ ডি কং হিচাপে নিয়োগ কৰে। তেওঁ পাতিয়ালাৰ এটা সম্ভ্ৰান্ত বংশৰ লোক। কিন্তু এই মানজনে যে ইন্দিৰা গান্ধীৰ হত্যাৰ ষড়যন্ত্ৰত লিপ্ত বুলি অভিযোগত পৰিব পাৰে মই আজিও কল্পনা কৰিব নোৱাৰো। অৱশ্যে এবছৰমান চৌধুৰীৰ লগত থকাৰ পিছত পুনৰ আৰক্ষী বিভাগলৈ যায়। আজি চিম্ৰানজিৎ সিং মান আকালি দলৰ এজন প্ৰধান নেতা, লোকসভাৰ সদস্য আৰু তেওঁৰ ওপৰত পঞ্জাৱ সমস্যাৰ সমাধান বহুলাংশে নিৰ্ভৰ কৰিছে।

চিম্ৰানজিৎ সিং মানৰ প্ৰসঙ্গটো ইয়াত উল্লেখ কৰিছো এই কাৰণেই যে তেওঁ এদিন মোক কৈছিল ঃ 'Choudhury Saheb dresses like a leader, talkes like a leader and behaves like leader. My Governor is so kind, so nice a person." সঁচাকৈয়ে চৌধুৰীয়ে পঞ্জাৱৰ সকলো শ্ৰেণীৰ লোকৰ মাজত এনেদৰে জনপ্ৰিয় হৈ পৰিছিল যে তেওঁক পঞ্জাৱৰ মানুহখিনিয়ে আন ৰাজ্যৰ লোক বুলি ভাবিব পৰা নাছিল; চৌধুৰীয়েও অসম আৰু পঞ্জাৱৰ মাজত এনে এটা যোগসূত্ৰ গঢ়ি তুলিছিল যে তেওঁৰ পৰামৰ্শ আৰু প্ৰচেষ্টাতেই পাটিয়ালা পঞ্জাবী বিশ্ববিদ্যালয়ত মহাপুৰুষ শংকৰদেৱৰ নামত এখন 'চেয়াৰ' স্থাপন হৈছিল আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত গুৰু নানক চেয়াৰ। কিন্তু বৰ্তমান এই অনুষ্ঠান দুটা সজীৱ হৈ থকা নাই।

উল্লেখযোগ্য যে পঞ্জাৱী বিশ্ববিদ্যালয়ৰ সেই সময়ৰ উপাচাৰ্য কিৰ্‌পাল সিং নাৰাং ডাঙৰীয়া ১৯৭৫ চনৰ ফেব্ৰুৱাৰী মাহত অসম সাহিত্য সভাৰ তিতাবৰ অধিবেশনলৈ বিশিষ্ট অতিথি হিচাপে আহি সাহিত্য সভাৰ জনপ্ৰিয়তা দেখি অভিভূত হৈছিল।

পঞ্জাৱত ৰাজ্যপাল হিচাপে চৌধুৰীয়ে গুৰি ধৰি পাটিয়ালাত এখন চিৰিয়াখানা স্থাপন কৰিছিল অসম চৰকাৰৰ বন-বিভাগ আৰু পঞ্জাৱ চৰকাৰৰ যুটীয়া প্ৰচেষ্টাত। অসমৰ গঁড় আৰু হাতীৰে এই চিৰিয়াখানাখন পঞ্জাৱত এটা আকৰ্ষণীয় অনুষ্ঠান হৈ উঠিছে। পোনতে তেওঁ ৰাজভৱনৰ চৌহদত দুটা বাঘ ৰাখি চিৰিয়াখানাৰ পাতনি মেলিছিল। চিৰিয়াখানাৰ কৰ্মী হিচাপে তালৈ বৰপেটাৰ পৰিয়াল দুটা নিয়া হৈছিল। শুনিছো, পৰিয়াল দুটা সম্প্ৰতি চিৰিয়াখানাৰ চৌহদত এখন অসমীয়া গাঁৱত পৰিণত হৈছে যিদৰে নগাওঁ জিলাত পূৰ্বৰ শিখ সম্প্ৰদায়ৰ মানুহখিনি এখন শিখ গাঁৱত পৰিণত হৈছে। উল্লেখ কৰিব পাৰি যে পঞ্জাৱ চৰকাৰে চিৰিয়াখানাখন 'মহেন্দ্ৰ মোহন চৌধুৰী জু' (Mahendra Mohan Choudhury Zoo) নামেৰে নামকৰণ কৰিছে। তাৰ দ্বাৰা সুদূৰ পঞ্জাৱত এজন অসমীয়া নেতাৰ স্মৃতি ৰৈছে।

পঞ্জাৱৰ ৰাজ্যপালৰ 'Discretionary Fund' অসমৰ ৰাজ্যপালৰ এই ফাণ্ডতকৈ পাঁচগুণ বেছি। অসমৰ বহুত শিক্ষানুষ্ঠানে, নামঘৰে, সত্ৰই আৰু ৰোগগ্ৰস্ত লোকে চৌধুৰীৰ পৰা সাহায্য পাইছিল। মহেন্দ্ৰমোহন চৌধুৰীয়ে এনেবোৰ কামত পাৰ্যমানে সহায় কৰিছিল। অসমৰ একাধিক সাংস্কৃতিক অনুষ্ঠান যোগে গীতা মন্দিৰ, শ্ৰীমন্ত শংকৰ মন্দিৰ তেওঁৰ প্ৰচেষ্টাত গঢ়ি উঠে। সেইদৰে কোচবিহাৰৰ মধুপুৰ সত্ৰও পুনৰ নিৰ্মিত হয়। কিন্তু তেওঁ আক্ষেপ কৰিছিল যে অনুষ্ঠানবোৰৰ তত্বাৱধান লবলৈ উপযুক্ত কৰ্মী নাই। তেওঁৰ প্ৰচেষ্টাত গঢ়ি উঠা ৮০ বিঘা মাটিৰ গুৱাহাটীস্থ সেৱা মন্দিৰ আৰু ক্ষেত্ৰীৰ ওচৰৰ গান্ধী নগৰ বৰ্তমান মৃতপ্ৰায় অৱস্থাত। মোৰ ধাৰণাত মহেন্দ্ৰ মোহন চৌধুৰী আছিল এনে এজন ব্যক্তি যিজন আছিল অতিথিপৰায়ণ, সঙ্গপ্ৰিয় আৰু ভ্ৰমণবিলাসী। তেওঁৰ এজন বন্ধুৱে তেওঁক 'ভ্ৰমণ, ভাষণ আৰু ভোজন চৌধুৰী' বুলি সম্বোধন কৰিছিল। তেওঁ অসমৰ চুকে-কোণে ফুৰি

অসমৰ মানুহখিনিক ভালদৰে জানিছিল। তেওঁ মেল-মিটিং ভাল পাইছিল আৰু অতিথিক খুৱাই-বুৱাই তৃপ্তি পাইছিল।

এই প্ৰবন্ধ সামৰাৰ আগতে গুৱাহাটীত তথা প্ৰাগজ্যোতিষপুৰত য'ত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত তাত ১৯৫৮ চনত কংগ্ৰেছৰ যি অধিবেশন বহিছিল সেই অধিবেশন চৌধুৰীৰ উদ্যোগতেই হৈছিল। কংগ্ৰেছৰ অধিবেশনৰ দৰে ব্যয়বহুল সভা তেওঁ আহ্বান কৰাত মই তেওঁক সতৰ্ক কৰি দিছিলো যে ১৯২৬ চনত কংগ্ৰেছ অধিবেশন পাণ্ডুত অনুষ্ঠিত কৰোতে দেশভক্ত তৰুণৰাম ফুকন আৰু কৰ্মবীৰ বৰদলৈ ঋণগ্ৰস্ত হৈছিল আৰু তেওঁলোকৰ ব্যক্তিগত সম্পত্তি বিক্ৰী কৰিবলগীয়া হৈছিল। তেওঁৰ দশাও তেনে হ'ব পাৰে বুলি তেওঁক সকিয়াই দিছিলো। কিন্তু তেওঁৰ উদ্যম নকমিল। ৩২ বছৰৰ পিছত অসমত পতা কংগ্ৰেছৰ ৬৩তম কংগ্ৰেছ অধিবেশনৰ বাবে ৩৮ লাখ টকাৰ বাজেট প্ৰস্তুত হৈছিল। সকলোৰে সহযোগত, অভ্যৰ্থনা সমিতিৰ অধ্যক্ষ হিচাপে মহেন্দ্ৰমোহন চৌধুৰী আৰু মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ প্ৰচেষ্টাত কংগ্ৰেছ অধিবেশন সুকলমে সম্পন্ন হৈছিল। মই এই অধিবেশনৰ প্ৰচাৰ আৰু স্মৃতি-গ্ৰন্থ উপ-সমিতিৰ অধ্যক্ষ আছিলো আৰু প্ৰধানমন্ত্ৰী নেহৰুক স্মৃতি-গ্ৰন্থৰ কপি এটা দি অধিবেশনৰ সাফাল্য সম্পৰ্কে তেওঁৰ মত বিচৰাত প্ৰধানমন্ত্ৰীয়ে মোক কৈছিল ঃ 'Well, there is Mahendra Mohan. He has done a good job'.

মোৰ স্মৃতি-বিচিত্ৰাৰ এই খণ্ডত মহেন্দ্ৰমোহন চৌধুৰীৰ বিষয়ে বেছি কথা উল্লেখ হ'ল, উল্লেখ হ'ল এই কাৰণেই যে তেওঁ অসমৰ একাধিক ঘটনাৱলীৰ লগত জড়িত আছিল। মোৰ বোধেৰে তেওঁ জনপ্ৰিয় ব্যক্তি আছিল, কিন্তু এই জনপ্ৰিয়তা তেওঁলৈ স্বতঃসিদ্ধভাৱেই আহিছিল। ডক্টৰ জনচনৰ জীৱনীকাৰ বছৱেলে (Boswell) জনচনৰ জনপ্ৰিয়তাৰ বিষয়ে কোৱা কথাষাৰ মোৰ মনত পৰিছে। তেওঁ কৈছিল ঃ 'Popularity is a crime from the moment it is sought. It is only a virtue when men have it whether they will or no'. মহেন্দ্ৰ মোহন চৌধুৰীৰ ক্ষেত্ৰত এই কথাষাৰ প্ৰযোজ্য নেকি ?

# ২৩

সাংবাদিক হিচাপে মই নিখিল ভাৰত বাতৰি কাকত সম্পাদক সন্মিলনৰ ( All India Newspapers Editors Conference AINEC ) লগত সুদীৰ্ঘ ১৩ বছৰ কাল মানে ১৯৬৩ চনৰ পৰা ১৯৬৭ চনলৈ নিবিড়ভাৱে জড়িত আছিলো। প্ৰথমতে দ্য আসাম ট্ৰিবিউন কাকতৰ প্ৰতিনিধি হিচাপে এই সস্থাৰ সদস্য হওঁ, পিছৰ বছৰত তাৰ ষ্টাণ্ডিং কমিটীৰ সদস্য হৈ ১৯৭৬লৈ সেই পদত একেৰাহে থাকি ১৯৭৬ চনত সন্মিলনৰ পাটনা অধিবেশনত সৰ্বসন্মতিক্ৰমে উপ-সভাপতি নিৰ্বাচিত হওঁ। তাৰ পৰৱৰ্তী অধিবেশনৰ বাবে নি. ভা. স. সন্মিলনৰ সভাপতিৰ্ পদ মই পোৱাৰ সম্ভাৱনা আছিল, কিন্তু মই ট্ৰিবিউন কাকতৰ সম্পাদক পদৰ পৰা অব্যাহতি লোৱাত সেই সন্মানীয় পদৰ পৰা বঞ্চিত হৈছিলো। তথাপি মই যে একেৰাহে এই সন্মিলনৰ লগত থাকি ভাৰতৰ আগশাৰীৰ সম্পাদকসকলৰ লগত ভাবৰ আদান-প্ৰদান কৰিব পাৰিছিলো, সেই স্মৃতি মোৰ মনত আজিও সেউজীয়া হৈ আছে। উল্লেখ কৰা প্ৰয়োজন নিখিল ভাৰত বাতৰি কাকত সম্পাদক সন্মিলন অনুষ্ঠানটো ভাৰতীয় সংবাদপত্ৰ জগতত এটা দায়িত্বশীল অনুষ্ঠান। কিন্তু আজি কেইবছৰমানৰ পৰা এই অনুষ্ঠানটোত ৰাজনীতি প্ৰবেশ কৰাত অনুষ্ঠানটোৰ ভাবমূৰ্তি কিছু ম্লান হোৱা যেন লাগে। ইয়াৰ সমান্তৰাল হিচাপে ভাৰতৰ সম্পাদকসকলৰ একাংশই আন এটা অনুষ্ঠান মানে Editors Guild of India নামৰ এটা সস্থা গঠন কৰিছে।

নি. ভা. ৰা. সম্পাদক সন্মিলনৰ সদস্য হৈ থকা কালত মই দুটা সৌভাগ্য তথা সুযোগ পাইছিলো। যিহেতু প্ৰতি বছৰে এই সন্মিলন ভাৰতৰ প্ৰধান নগৰবোৰত অনুষ্ঠিত হৈছিল, সেই হেতুকে এই চহৰবোৰ ভ্ৰমণ কৰিবলৈ সক্ষম হৈছিলো আৰু সক্ষম হৈছিলো বিভিন্ন ক্ষেত্ৰৰ মুখ্য ব্যক্তিসকলৰ লগত ভাবৰ আদান-প্ৰদান কৰিবলৈ। উল্লেখযোগ্য যে পূৰ্বতে মই তুলনামূলকভাৱে কম বয়সীয়া সাংবাদিক আছিলো যদিও, প্ৰবীণ সম্পাদকসকলৰ লগত যেনে চণ্ডিগড়ৰ 'দ্য ট্ৰিবিউন' কাকতৰ সম্পাদক প্ৰেম ভাটিয়া, 'টাইমচ্ অব্ ইণ্ডিয়া'ৰ সম্পাদক ডি. আৰ. মাঙ্গেস্কাৰ, 'আনন্দ বাজাৰ পত্ৰিকা'ৰ সম্পাদক চপলাকান্ত ভট্টাচাৰ্য, 'দ্য মাদ্ৰাজ মেইল'ৰ সম্পাদক ৰাজন, পাটনাৰ 'দ্য নেচন'ৰ সম্পাদক ব্ৰজনন্দ আজাদৰ উপৰিও প্ৰখ্যাত সাংবাদিক দুৰ্গাদাস, 'নব ভাৰত টইমচ্'ৰ সম্পাদক অশ্বিনী কুমাৰ জৈন, লক্ষ্ণৌৰ 'পাইওনিয়াৰ'ৰ সম্পাদক এছ্-এন সেন, 'হিন্দুস্থান ষ্টেণ্ডাৰ্ড'ৰ সম্পাদক ড০ এছ্-কে বসু আদি ব্যক্তি সকলক লগ পাই ভাৰতীয় সংবাদপত্ৰৰ বিষয়ে বহু কথা জানিছিলো।

কিন্তু মই আচৰিত হৈছিলো যে এই চাম বিশিষ্ট সাংবাদিক তথা সম্পাদক বন্ধুসকলেও অসমৰ ৰাজনীতি, কৃষ্টি, সাহিত্য আদিৰ বিষয়ে যথেষ্ট সংবাদ পোৱা নাছিল; মাত্ৰ নগা বিদ্ৰোহীৰ আন্দোলন, মিজোৰামত লালডেঙাৰ বিদ্ৰোহ, বানপানী আৰু ১৯৬২ চনৰ চীনা আক্ৰমণৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূব অঞ্চলৰ নিৰাপত্তাৰ বিষয়ে জানিবলৈ আগ্ৰহ দেখুৱাইছিল। চাহপাত আৰু তেল শিল্পৰ সন্দৰ্ভতো কিছু কথা জানিছিল; কিন্তু অসমৰ সন্দৰ্ভত তেওঁলোকৰ খা-খবৰ সীমিত আছিল। আনকি, শ্ৰীমন্ত শংকৰদেৱৰ বিষয়েও তেওঁলোকৰ জ্ঞানৰ পৰিধি বৰ ঠেক আছিল। মই তেওঁলোকৰ পৰা জানিবলৈ পাৰিছিলো যে অসম সম্পৰ্কে গ্ৰন্থ আদিৰ প্ৰকাশ কম থকাৰ বাবেই তেনে পৰিস্থিতি হৈছিল। তাৰ উপৰি, অসমৰ ভাৰতৰ বাকী অংশৰ লগত যোগসূত্ৰ অতি দুৰ্বল আছিল, মানে অসমীয়া মানুহখিনিয়ে অসমৰ বাহিৰলৈ গৈ চাকৰি-বাকৰি কৰিবলৈ যেনেকৈ উৎসাহী নাছিল, সেইদৰে বাহিৰৰ মানুহখিনিও পৰাপক্ষত অসম দৰ্শন কৰিবলৈ ইচ্ছুক নাছিল। তাৰ কাৰণ দৰ্শাই কোনো কোনো সম্পাদক বন্ধুৱে যোগাযোগ আৰু অসমত থকা-মিলাৰ কাৰণে

ভাল হোটেলৰ অভাৱৰ কথা উল্লেখ কৰিছিল, অথচ তেওঁলোকে অসম ভ্ৰমণ কৰিবলৈ অনিচ্ছুক নাছিল।

এই পৰিস্থিতিত পাটনাত অনুষ্ঠিত নিখিল ভাৰত বাতৰি কাকত সম্পাদক সন্মিলনৰ বছৰেকীয়া অধিবেশনত তাৰ পৰবৰ্তী বছৰেকীয়া অধিবেশন গুৱাহাটীলৈ নিমন্ত্ৰণ কৰিছিলো। মোৰ লগত 'নতুন অসমীয়া' কাকতৰ সম্পাদক হৰেন্দ্ৰ নাথ বৰুৱাও উপস্থিত আছিল। কোৱা বাহুল্য যে আমাৰ নিমন্ত্ৰণ সম্পাদক প্ৰতিনিধিবৰ্গই হৰ্ষধ্বনিৰ মাজত গ্ৰহণ কৰিছিল। এজন সম্পাদক বন্ধুৰ বক্তৃতাত তেওঁ কৈছিল ঃ 'We are going to visit Assam next year. What a great opportunity for us to see Assam and to know her people, ইত্যাদি। আমাৰ নিমন্ত্ৰণ মতে গুৱাহাটীত ১৯৬৪ চনত নি. ভা. স. সন্মিলনৰ বাৰ্ষিক অধিবেশন বহে। সভাত সভাপতিত্ব কৰিছিল 'নব ভাৰত'ৰ সম্পাদক অশ্বিনী কুমাৰ জৈনে। অধিবেশন উদ্বোধন কৰিছিল লালবাহাদুৰ শাস্ত্ৰী মন্ত্ৰীসভাৰ তথ্য আৰু অনাতাঁৰ বিভাগৰ মন্ত্ৰী ইন্দিৰা গান্ধীয়ে। মন্ত্ৰী হিচাপে ইন্দিৰা গান্ধীয়ে এই সন্মিলনত পোন প্ৰথমে যোগদান দিছিল। কিন্তু ভাষণত তেওঁ এনে এটা মন্তব্য কৰিছিল যি মন্তব্যই উপস্থিত প্ৰায় ২০০ মান সম্পাদকক আচৰিত কৰিছিল, মানে ভাৰতৰ বাতৰি কাকতে দায়িত্বপূৰ্ণভাৱে কৰ্তব্য পালন নকৰা বুলি প্ৰকাৰান্তৰে তেওঁ অভিযোগ কৰিছিল ; অভিযোগ তুলি, দৃঢ়তাৰে কৈছিল যে বাতৰি কাকতে তেনেদৰে ভূমিকা অব্যাহত ৰাখিলে চৰকাৰে আৱশ্যকীয় ব্যৱস্থা লব বুলি সাৱধান বাণী শুনাইছিল। ইন্দিৰা গান্ধীৰ নিজৰ ভাষাত ঃ 'If you don't behave, the government will take, appropriate action'. অভ্যৰ্থনা সমিতিৰ সভাপতিৰ দায়িত্ব মই গ্ৰহণ কৰিছিলো। সন্মিলনখন অতি সুকলমে সম্পন্ন হৈছিল।

স্বাভাৱিকতেই, সম্পাদকসকলে তথ্য আৰু অনাতাঁৰ মন্ত্ৰীৰ মন্তব্যত স্তম্ভিত হৈছিল। অৱশ্যে, ১৯৬৫ চনত ইন্দিৰা গান্ধী প্ৰধানমন্ত্ৰী হোৱাৰ পিছত বাতৰি কাকতৰ স্বাধীনতাৰ প্ৰতি যে তেওঁ কোনো উদাৰ নীতি লোৱা নাছিল তাৰ একাধিক প্ৰমাণ পোৱা গৈছিল। যি কি নহওক, সম্পাদকসকলে অসমলৈ আহি, অসমৰ বিখ্যাত ৰাষ্ট্ৰীয় প্ৰাকৃতিক

উদ্যান কাজিৰঙা, শ্বিলঙৰ অপূৰ্ব সৌন্দৰ্য আৰু অসমৰ সাংবাদিক-সকলৰ অতিথিপৰায়ণতা আৰু সেই সময়ৰ চৰকাৰৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা আৰু তেওঁৰ সতীৰ্থসকলৰ ব্যৱহাৰত মুগ্ধ হৈছিল। তেওঁলোক অসমত তিনিদিন থকা কালত অসমৰ বিষয়ে বহু কথা জানিবলৈ পাৰিছিল। কিন্তু আজিকালি তেনে সমণ্বয় নোহোৱা হ'ল।

মই আন এখন সৰ্বভাৰতীয় অনুষ্ঠানৰ লগত জড়িত হৈও ভাৰতৰ কেইবাখনো নগৰ ভ্ৰমণ কৰি বিভিন্ন ব্যক্তিৰ লগত ভাবৰ আদান-প্ৰদান কৰাৰ সুবিধা পাইছিলো। কিন্তু মোৰ অভিজ্ঞতা বৰ সুখৰ নাছিল অৰ্থাৎ অসম আৰু অসমীয়া মানুহখিনিৰ তথা অসমীয়া ভাষা, সংস্কৃতি, সাহিত্য আদিৰ বিষয়ে ভুল ধাৰণা লক্ষ্য কৰিছিলো। এই অনুষ্ঠানটো আছিল ভাৰত চৰকাৰৰ দ্বাৰা ১৯৫৩ চনৰ 'দ্য টি বৰ্ড, ১৯৫৩' আইন (The Tea Board Act, 1953) মতে স্থাপন কৰা 'টি ব'ৰ্ড'খন। ১৯৭৮ চনত ২৬ জন সদস্য বিশিষ্ট ব'ৰ্ডৰ ভাৰত চৰকাৰৰ বাণিজ্য মন্ত্ৰণালয়ে মোক সদস্য মনোনীত কৰে। সদস্য-সকলৰ ভিতৰত সাতজন চাহ উৎপাদিত ৰাজ্য কেইখনৰ চৰকাৰী বিষয়া, তিনিজন পাৰ্লিয়ামেণ্টৰ সদস্য, আঠজন চাহ-খেতিয়ক, দুজন উৎপাদক, দুজন চাহ-ব্যৱসায়ী, দুজন 'আন স্বাৰ্থ'ৰ (other interests) দুজন 'গ্ৰাহক স্বাৰ্থ'ৰ। মোক 'গ্ৰাহক স্বাৰ্থ'ৰ প্ৰতিনিধি হিচাপে মনোনীত কৰা হৈছিল; বাকীজন আছিল ৰাজ্যসভাৰ সদস্য হৰিচৰণ ভাৰ্‌মা।

টি ব'ৰ্ডত মোৰ অভিজ্ঞতাৰ পৰা মোৰ অনুমান হৈছিল যেন তাত গ্ৰাহকৰ স্বাৰ্থ তথা চাহৰ দাম-দৰ সম্পৰ্কত সদস্যসকল মানে টি ব'ৰ্ডৰ আলোচনা সীমিত আছিল। ব'ৰ্ডৰ সভাত এবাৰ Agricultural In-come Tax-ৰ হাৰ বেছি হোৱা বুলি চাহ শিল্পৰ প্ৰতিনিধি কেইজনে বৰ আপত্তি তুলিছিল। মই অৱশ্যে এই কৰ হ্ৰাস কৰাৰ যিকোনো প্ৰস্তাৱৰ বিৰোধিতা কৰিছিলো, বিৰোধিতা কৰিছিলো এনে যুক্তিৰে যে এই কৰৰ যিকোনো কৰ্তনে অসমৰ বিত্তীয় স্থিতি ব্যাঘাত কৰিব যিহেতু এই কৰৰ যোগেদি পোৱা বিত্তখিনি অসমৰ প্ৰধান বিত্তীয় সম্বল। কিন্তু চাহ খেতিয়ক প্ৰতিনিধি বন্ধুকেইজনে মোৰ বিৰোধিতা সহজে

লোৱা নাছিল। সেইদৰে অসমত এটা অৰ্দ্ধ-কেন্দ্ৰীয় চাহ ব'ৰ্ড কাৰ্যালয় স্থাপন কৰাৰ প্ৰস্তাৱো তুলিছিলো। কিন্তু, চাহ ব'ৰ্ডৰ অধ্যক্ষজনে মোক গোপনে জানিবলৈ দিছিল যে কেন্দ্ৰীয় কাৰ্যালয় কিম্বা অৰ্দ্ধ-কেন্দ্ৰীয় মানে ক্ষমতাপ্ৰাপ্ত আঞ্চলিক কাৰ্যালয় গুৱাহাটীলৈ স্থানান্তৰ কৰাৰ সম্ভাৱনা নাছিল, কাৰণ কাৰ্যালয়ৰ কৰ্মচাৰী সন্থাৰ য়ুনিয়নে প্ৰবল আপত্তি কৰিব। অসম চৰকাৰৰ পক্ষৰ পৰা টি ব'ৰ্ডৰ কেন্দ্ৰীয় কাৰ্যালয়টো গুৱাহাটীলৈ স্থানান্তৰ কৰাৰ বাবে যি দাবী উত্থাপন কৰিছে অথচ ভাৰত চৰকাৰে এই দাবী মানি লোৱা নাই তাৰ মূল কাৰণ কৰ্মচাৰী সন্থাৰ আপত্তি যেন অনুমান হয়। আনকি, ভাৰতৰ ভিতৰত অসম চাহ উৎপাদন তথা চাহ শিল্পত মুখ্য ৰাজ্য হোৱা সত্বেও ব'ৰ্ডৰ চেয়াৰমেনৰ পদ এজন অসমীয়া উচ্চ আই-এ-এছ বিষয়াক দিয়াৰ দাবীও যোৱা অক্টোবৰতহে সাব্যস্ত হ'ল।

১৯৮২ চনৰ বাংগালোৰত টি ব'ৰ্ডৰ এখন সভা অনুষ্ঠিত হয়। তাত মধ্যাহ্ন ভোজত অন্যান্য লোকৰ মাজত জেনেৰেল থাপাৰ নামৰ এজন অৱসৰপ্ৰাপ্ত সামৰিক বিষয়াক লগ পাইছিলো। অসম আন্দোলনৰ সংক্ৰান্তত আন আন অতিথিসকলৰ সৈতে জেনেৰেল এম-এল থাপাৰে মোৰ পৰা তথ্যপাতি জানিবলৈ বিচাৰিছিল আৰু প্ৰশ্ন কৰিছিল ঃ 'Is it a fact that foreign money is circulating in Assam openly even in Pan-shops because the Assam agitation is financed by foreign powers ?' মোৰ চমু উত্তৰ আছিল ঃ ' It is a news to me', আন্দোলনৰ সময়ত যে ভাৰতৰ বহু ঠাইত অসম সম্পৰ্কে অদ্ভুত সংবাদ-বোৰ প্ৰচাৰ হৈছিল তাক মই জেনেৰেল থাপাৰৰ পৰা গম পাইছিলো। (জেনেৰেল থাপাৰে 'ষ্টেটচ্‌মেন' কাকতত সামৰিক বিষয়ত তথ্যপূৰ্ণ প্ৰবন্ধ লিখে। )

এই নিবন্ধ শেষ কৰাৰ আগতে ওপৰঞ্চি (Tail-piece) হিচাপে মোৰ একাধিক বন্ধুৱে মাজে সময়ে মোৰ প্ৰতি কৰা এটা প্ৰশ্নৰ উত্তৰ দিবলৈ প্ৰয়াস কৰিলো, প্ৰশ্নটো—মই কিয় লিখো? এই প্ৰশ্নটোৰ উত্তৰ নিবেদন কৰাৰ আগতে মই সবিনয়ে স্বীকাৰ কৰো যে প্ৰকৃতাৰ্থত মই লেখক নহওঁ, এজন সাংবাদিক। আমেৰিকাৰ এখন আলোচনী SATURDAY ত বহুদিন আগতে এটা প্ৰবন্ধ পঢ়া মনত পৰে। ১৯৬৩-৬৫ চনত এজন

আমেৰিকাৰ বন্ধুয়ে আলোচনীখন মোলৈ নিয়মীয়াকৈ পঠিয়াইছিল। আলোচনীখন সাহিত্য বিষয়ক। প্ৰবন্ধটোৰ লেখকজনে এটা অদ্ভুত শিৰোনামাত লিখিছিল। শিৰোনামাটো আছিল Science of Art আৰু লেখক শ্ৰেণীক শিল্পী ( Artist ) বুলি ব্যাখ্যা কৰিছিল; ব্যাখ্যা কৰি লেখকসকলক তিনি শ্ৰেণীত ভাগ কৰিছিল ঃ একশ্ৰেণী Artist of language যি লেখক শ্ৰেণীৰ ভাষা অতি মনোগ্ৰাহী আৰু পাঠকৰ মানত অতি প্ৰিয়, আন এটা শ্ৰেণী Artist of idea যি লেখকৰ ভাব উচ্চ আৰু তেনেভাবৰ দ্বাৰা পাঠকৰ মন জয় কৰে আৰু তৃতীয় শ্ৰেণীৰ লেখক Artist of language and idea অৰ্থাৎ ভাষা আৰু ভাব উচ্চমানৰ আৰু তেনে লেখাই সকলো শ্ৰেণীৰ মন দখল কৰে।

এই লেখকজনৰ সূত্ৰমতে মই লেখকৰ শ্ৰেণীভুক্ত হব নোৱাৰো। তথাপি যে মই লেখো। তাৰ কাৰণ এজন বৃটিছ সাংবাদিকৰ ভাষাত দিবলৈ প্ৰয়াস কৰিলো। তেওঁক এনেদৰে কিছুমানে প্ৰশ্ন কৰাত এই সাংবাদিক, সংগীত সমালোচক আৰু ক্ৰিকেট খেলৰ বাতৰি যোগনিয়াৰ ছাৰ নেভাইল কাৰ্ডুছে ( Sir Neville Cardus ) কৈছিল ঃ 'I have never written with a public in mind, indeed, I have never written as editor in mind. I have written for myself to get to the bottom of myself. Writing has been my liquor, my pill, my drug, my oahrodisiac'. তেওঁ আৰু কৈছিল ঃ 'Don't write anything unless you feel a child kicking inside you, impatient to be born.' মোৰ বিচাৰত সাংবাদিক চাৰ নেভাইল কাৰ্ডুছৰ কথাখিনিয়ে এজন লেখকৰ মনৰ কথা প্ৰকাশ কৰিছে। নমস্কাৰ, ছাৰ নেভাইল।

o o o